বন্ধুৰ পথত কেইজনমান ডেকামানুহ

বন্ধুৰ পথত কেইজনমান ডেকামানুহ

অপূৰ্ব শৰ্মা

প্ৰকাশিকা
অভিজাত পুস্তক প্ৰতিষ্ঠান
পাণবজাৰ : গুৱাহাটী-৭৮১০০১

BANDHUR PATHAT KEIJANMAN DEKAMANUH : A collection of short-stories in Assamese by Apurba Sarma. Published by Prakasika, 15 August 1977. Price Rupees Eight Only.

প্ৰকাশক : শ্ৰীগিৰিপদ চৌধুৰী
প্ৰকাশিকা, পাণবজাৰ গুৱাহাটী
প্ৰথম প্ৰকাশ : ১৫ আগষ্ট ১৯৭৭
ৰচনাকাল : ১৯৬১-১৯৬৭
অপূৰ্ব শৰ্মা
বেটুপাত : পূৰ্ণেন্দু পত্ৰী

বেচ : আঠ টকা মাথোন

পৰিবেশক : বাণী প্ৰকাশ
পাঠশালা * গুৱাহাটী * কলিকতা

ছপা : পূৰ্বোদয় প্ৰেছ
১০, কৈলাস বসু ষ্ট্ৰীট
কলিকতা - ৭০০ ০০৬

দাদাৰ হাতত

সূচীপত্ৰ

১.	প্ৰভাত পখীৰ গান	...	১
২.	দাপোণ	...	৪২
৩.	শূন্য হ'লে	...	৫৮
৪.	বন্ধুৰ পথত কেইজনমান ডেকামানুহ	...	৬৭
৫.	দাঁতৰ বিষ	...	১০৮
৬.	নীল পতাকাৰ তলত	...	১২৭

পৰিশিষ্ট

৭.	ৰোগ	...	১৫১

প্ৰভাত পখীৰ গান

টোপনিৰপৰা সাৰ পায়ো অৰূপ নিশ্চলভাৱে বিছনাতে পৰি ৰ'ল। গাটো বিষোৱা যেন লাগিল। সমগ্ৰ দেহত ক্লান্তিৰ জড়তা। চকু বন্ধ কৰিয়েই সি পৰি ৰ'ল। পুৱাৰ পৰিচিত গোন্ধ তাৰ নাকত লাগিল। আৰু অলপ শুবৰ বাবে সি চেষ্টা কৰিলে। তাৰ কাণত পৰিল প'ৰ্টিক'ত দীৰ্ঘকাল জুৰি কাহ আৰু অৱশেষত খেকাৰ পেলোৱা চিৰপৰিচিত শব্দ। ইতিমধ্যে বৌৱে স্নানপৰ্ব শেষ কৰিলে ; পাকঘৰৰ-পৰা টুং-টাং কাপ প্লেটৰ শব্দ ভাহি আহিল। ভাহি আহিল সিটো কোঠাৰপৰা মুন্নুৰ বাণীবন্দনাৰ ঐকান্তিক সুৰ 'আৰ্যসকলৰ আদি বাসস্থানৰ বিষয়ে……'। দূৰৰ ষ্টেছনত সুতীক্ষ্ণ হুইছেল বাজি উঠিল। চাৰি নম্বৰ আপ্ ট্ৰেইন্ যাবলৈ সাজু হ'ল। বিকৃত শব্দ কৰি তীব্ৰবেগত ডিম্বেশ্বৰৰ টেক্সি পাৰ হৈ গ'ল। ষ্টেছনলৈ বুলি দৌৰা কেইখনমান ৰিক্সাৰ ভেঁপু আৰু টিলিঙাৰ মিশ্ৰিত শব্দ শুনা গ'ল। শুনা গ'ল এপিহঁতৰ ঘৰত কুকুৰাৰ ডাক, 'আকাশ বাণী'ত যন্ত্ৰ-সংগীতৰ অসহ্য হুলস্থূল। পুৱাৰ স্নিগ্ধতা আৰু প্ৰতিশ্ৰুতি বিৰক্তিকৰ আৱস্তুণিৰ তলৰ নিপিষ্ট হৈ গ'ল। চিৰন্তন কাৰ্যসূচীৰে আকৌ এটা ক্লান্তিকৰ দিন আৰম্ভ হ'ল। অৰূপে অনুমান কৰিব পাৰিলে ইয়াৰ পিছত কি দৰে বিভিন্ন বৈচিত্ৰ্যহীন ঘটনা প্ৰবাহৰ মাজেৰে আজিৰ দিনটো শেষ হব ; শেষ হব মাত্ৰ আৰু এটা ঘৃণ্য দিন জন্ম দিবৰ কাৰণে, গতানুগতিকতাৰ ঘঁহনিত বিবৰ্ণ, প্ৰাত্যহিকতাৰ তুচ্ছতাৰে মলিন এটা

অনাহুত দিন। অলপ পিছতে তাৰ দুৱাৰত শব্দ হব আৰু সি উঠি পৰিব। দহবজাত স্কুল আৰু ৰোল্-কল্, কগ্-নেট্ অবজেক্ট্ অথবা এন্টিচিডেণ্টৰ সূত্ৰব্যাখ্যা, কমনৰুমৰ অৰ্থহীন অথচ নিৰুপায় হাঁহি-স্ফূৰ্তি, কাশ্মীৰৰ ভৌগোলিক বিৱৰণ, পাণিপথৰ তৃতীয় যুদ্ধ, তিনি বজাত ছুটীৰ নিশ্বাস, তাৰ পিছত পুনৰ ঘৰ।······গোটেই দিনটোৰ ৰূপটো তাৰ মনত পৰিল। বিৰক্তিত তাৰ নাক কোঁচ খাই গ'ল। অসহ্য লাগি সি চকু দুটা মেলি দিলে, লেপখন কিছুদূৰ নমাই বুকুৰ ওপৰত থলে। সি দেখিলে যথেষ্ট বেলি হৈ গৈছে। পুৱাৰ পোহৰে ইতিমধ্যেই তাৰ কোঠাত অবাধ প্ৰৱেশ কৰিছে। ভেণ্টিলেটৰৰ মাজেদি একৰাশি পোহৰ বিপৰীত ফালৰ বেৰত পৰিছেহি। খিৰিকীৰ কাঁচ, দুৱাৰৰ ফাঁক, ৰাৰাণ্ডাৰ বাটামৰ সংযোগ স্থান, সকলোৰেপৰা পোহৰ যেন বিচ্ছুৰিত হৈছে। চাৰিওফালে পোহৰৰ সমাৱেশ। তাৰ ৰাতিৰ আন্ধাৰ কোঠা আলোকিত হৈছে। পৃথিৱী উজ্জ্বল হৈছে পুৱাৰ পোহৰেৰে। সি দেখিলে শুই থকাৰ উপায় নাই আৰু তাৰ অৱশ্যম্ভাৱী ফল হব গোটেই দিনৰ মূৰ কামোৰনি আৰু চকুৰ পোৰণি। কাৰণ যোৱা ৰাতি······চক্ খাই উঠিল অৰূপ। যোৱা ৰাতিৰ জঘন্যতাৰ কথা তাৰ মনত পৰিল। লগে লগে গভীৰ অস্বস্তিয়ে তাৰ মন ভৰাই পেলালে। সি অনুভৱ কৰিলে যে ঘটনাচক্ৰৰ অনিৰুদ্ধ গতিক বাধা দিয়াৰ শক্তি তাৰ নাই। নিষ্কৃতিহীন সুস্পষ্ট ভবিতব্যৰ হাতত সি নিষ্ক্ৰিয়ভাৱে আত্মসমৰ্পণ কৰিব লাগিব। সি অনুমান কৰিব পাৰিলে তাৰ জীৱন দুৰ্বহ হৈ উঠিব। আত্মদন্দ্বত তাৰ অস্থিৰ মন জীৰ্ণ শীৰ্ণ হৈ পৰিব। দুৰ্ঘটনাৰ মুহূৰ্তবোৰ ইমান অভাবিত, তথাপিও তাৰ আনটো সত্তাই তাক অবিৰাম ভৰ্ৎসনা কৰি যাব আৰু সি নিৰুত্তৰ হৈ শুনি ৰব। আত্মগ্লানি আৰু বিবেকদংশনৰ কষাঘাটত সি অতীষ্ঠ হৈ পৰিব।

বিছনাৰপৰা সি নামি আহিল। বে'ডক'ভাৰখনৰ লগতে মনৰ

সকলো দুৰ্ভাৱনা জোকাৰি পেলাবৰ চেষ্টা কৰিলে। কিন্তু সি অনুভৱ কৰিলে তাৰ ভীত, লজ্জিত, অনুতপ্ত, আৰ্ত হৃদয় অসন্তৱ ধৰণে দুৰ্বল। ব্ৰাছডালত পে'ষ্ট লগাই সি ওলাই গ'ল আৰু মুখ ধুই আহি দেখিলে যে তাৰ আচৰণত পলাতকৰ সম্পূৰ্ণ মনোবৃত্তি প্ৰকাশ পাইছে। আগদিনা পৰীক্ষা ফেল কৰাৰ ৰিজাল্ট্ পোৱা ল'ৰাৰ দৰে লাগিছে তাৰ। তাৰ মনত পৰিল সৰুতে মাৰ খুচুৰা পইচাৰ টেমাৰপৰা পইচা চুৰ কৰি অৱলম্বন কৰা সন্ত্ৰস্ততা; যিকোনো মুহূৰ্ততে ধৰা পৰাৰ ভীতিত হৃৎকম্পন, আচৰণৰ অকাৰণ অস্বাচ্ছন্দ্য, সংকুচিত চলন-ফুৰণ, কথাবতৰাত কি এক ভয়জনিত বিহ্বলতা।

টি-পট্, কাপ-প্লেট, লুচি-ভাজি আৰু পানীৰ গিলাছৰে সজ্জিত ট্ৰে' হাতত লৈ বৌ সোমাই আহিল। প্ৰাতঃস্নানৰ ফলত তেওঁৰ দ্ৰুত লঘু চলনত গাৰ্হস্থ্যৰ ব্যস্ততা, মুখৰ অভিব্যক্তি গৃহলক্ষ্মীৰ হাঁহিৰ প্ৰচ্ছন্ন দ্যুতিৰে সমুজ্জ্বল।

"কালি টোপনি নাহিলেই নেকি?" টিপয়খন ওচৰলৈ চপাই দি বৌয়ে আব্দাৰেৰে সুধিলে।

বিদ্যুৎ দৃষ্টিৰে সি বৌৰ মুখলৈ চালে। তাৰ পিছত চকু নমাই আনিলে। তাৰ ধাৰণা হ'ল বৌয়ে তাৰ অন্তৰৰ লজ্জা আৰু ব্যথাৰ সম্ভেদ পাইছে। বৌৰ কথাৰ সুৰত সি অবিমিশ্ৰ কৰুণাৰ ধ্বনি শুনিবলৈ পালে। আৰু ভয়ত তাৰ শৰীৰ শিহৰি উঠিল।

"অ' ডেৰমান বাজিল শোওঁতে। উপন্যাসখন একেবাৰে শেষ কৰি শুলোঁ। টমাচমেনৰ কিতাপখন হাতত লৈ সি চকু নদঙাকৈয়ে কলে।" ভয়ে ভয়ে সি লক্ষ্য কৰিলে যে তাৰ জলন্ত মিথ্যা কথাৰ সহজ আন্তৰিকতাৰ সুৰত বৌ আশ্বস্ত হৈছে। গৰম লুচিত সি কামোৰ দিলে আৰু ওচৰত বহি বৌয়ে চাহ বাকিব ধৰিলে।

"এওঁৰ চিঠি পঢ়িছা কালি? মাহঁত বোলে পোন্ধৰ তাৰিখে আহিব।"

মৌনভাবে সি বোৰ কথাৰ উত্তৰ দিলে।

"এৰা পাই, মাজনী একেবাৰে ভাল হৈ আহিলেই হয়। চিলঙৰ ঠাণ্ডাত চাগে মায়ে পাই গৈছে। পিছে এটা কথা, মা আহিলেই যে মই যাব লাগিব। এওঁ আহিলেতো তিনি চাৰিদিনৰ বেছি নাথাকে। ঘৰখন এৰি যাবলৈকে বেয়া লাগিছে। এইবাৰতো পূৰা-পূৰি গৃহকৰ্ত্ৰী হৈ পৰিছোঁ। তোমাৰ দৰে মানুহকো মই চলাইছোঁ। আৰু চিলঙত যে ইমান অসহ্য বুজিছা। এওঁতো অফিচতে, মই দিনটো ঘৰতে সোমাই মৰোঁ। ৰেডিঅ', কিতাপ, ছিলাই এইবোৰেও আমুৱাই গৈছেগৈ।" নিজস্ব কিছুমান শব্দ প্ৰয়োগেৰে বৌয়ে কৈ গ'ল কি কি ভাল লাগে, কালৈ মনত পৰে, চিলঙত আটাইতকৈ ডাঙৰ অসুবিধা কি, প্ৰতিবেশিনী ফুকননীৰ লগত আড্ডা মাৰিবলৈ ভাল যদিও তেওঁৰ আত্মশ্লাঘা কিৰূপ বিৰক্তিকৰ, হৰেন দত্তৰ প্ৰত্যেকটি পদচ্যুতিৰ লগতে কিমান নাৰীঘটিত কাহিনী জড়িত আছে, কাকতি অফিচলৈ ওলাই গ'লেই কেনেকৈ ঘৈণীয়েকৰ গাড়ী লৈ আৰম্ভ হয় চিকাৰ সন্ধান ·। বৌৰ প্ৰগল্‌ভতাত সি বাধা দিয়াৰ সুযোগ নাপালে। সি অনুমান কৰিলে, বৌৰ এই বহুবিজ্ঞপিত জীৱন-যাত্ৰাৰ কাহিনী যোৱাৰ আগলৈকে অন্ততঃ আৰু পাঁচবাৰ শুনাৰ অৱকাশ থাকিল। বৌৰ ওপৰত সি ৰীতিমতে বিৰক্ত হ'ল। বৌৰ সকলো কথাতে সি আভিজাত্যাভিমানৰ সুৰ আবিষ্কাৰ কৰিলে। বৌয়ে যেন কৰ খোজে নিৰ্জঞ্জাল প্ৰাচুৰ্যতো আত্মহাৰা হবৰ কাৰণ আমি বিচাৰি নাপাওঁ। সিয়েই আমাৰ গৌৰৱৰ কাৰণ। আৰু যিবিলাক নিঃস্ব সিহঁতৰ সুখ ক'ত? গৌৰৱৰতো প্ৰশ্নই নাহে। নিঃস্বতা কেতিয়াও গৌৰৱৰ কাৰণ হব নোৱাৰে। সি ভাবি চালে বৌয়ে মানুহক সদায় তলফালৰ-পৰা চায়। ভৰিৰ নগা ঘা আৰু গালৰ তিল, দুইটা হয়তো তেওঁৰ চকুত পৰে। কিন্তু তাৰ মনত নপৰিল যে বৌয়ে কেতিয়াবা তিলৰ কথা কৈছে। প্ৰত্যেক বাৰ নগা ঘাৰ নাম লৈয়ে তেওঁ নাক

কোঁচাই উঠিছে আৰু তাৰ মাজেদিয়েই উচ্চাধিকাৰ দাবী কৰিছে। অন্যায় অসাধুতা বা যিকোনো অপৰাধৰ হয়তো এইখিনি শাস্তি আছে যে তাৰ উপস্থিতিয়ে অন্তৰ চেতনাত ঘৃণাৰ উদ্রেক কৰিব পাৰে। কিন্তু বৌ নিজে যে সৰ্বদোষমুক্ত তাৰ মীমাংসাওতো কোনো দিনে হোৱা নাই। বৌৰ হাঁহিটোৱেও যেন কিবা এটা সোঁৱৰাই দিবৰ চেষ্টা কৰে। আৰু আচৰিত, বৌৱে নিজে যিটো শ্রেণীৰ অন্যতম বুলি অন্তৰত বিশ্বাস কৰে তাৰপৰাও কথা বতৰাত নিজকে এক উৰ্দ্ধস্তৰলৈ বিচ্ছিন্ন কৰি আনিব খোজে। সি ক্ষুব্ধ হ'ল। বৌৰ এটা কমপ্লেক্স্ আছে, কিন্তু তাৰ পৰিধিৰ ব্যাপ্তি কিমান দূৰ? আৰু তাত তাৰ নিজৰ পজিশ্যন্ কি? তাৰ প্রতি তাত কি আছে; মৰম নে পুতৌ, শ্রদ্ধা নে ঘৃণা? তাৰ প্রতি বৌৰ ব্যৱহাৰ কি মাথোন মিথ্যা অন্তৰঙ্গতাৰ হিপ'ক্রিচি?

"খোৱা আৰু', কি ভাবিব ধৰিলা? এনে ল'ৰা হ'ল এইটো!" তাৰ জ্বলন্ত অন্তৰ বৌৰ কথাত নির্বাপিত হৈ গ'ল। বৌৱে তাৰ ভাবান্তৰ লক্ষ্য কৰিছিল নেকি? সঙ্কুচিত চিত্তে সি শেষ লুচিখনত কামোৰ দিলে।

"ননী মোৰ লগত যাব বুলি ভাবিছিলোঁ, তাই আৰু' কালি শোওঁতে কৈছে তাই বোলে কালিলৈ যাবগৈয়ে। মাখনী—তুমি কিজানি চিনি নোপোৱা, পৱিত্র উকীলৰ জীয়েক, তাইৰ বিয়া এই সপ্তাহতে। তাই আগতে নাযাওঁ বুলি কৈছিল, এতিয়া আৰু' যোৱা জনী হৈ পৰিল। এতিয়া গ'লে অকলেই যাব লাগিব, তোমাৰতো স্কুল আছে। ৰবা, চাহ একাপ আনি দিওঁ।"

থৰ হৈ গ'ল অৰূপৰ হাত। বুকুৰ ভিতৰতে সি এক প্রচণ্ড হাতুৰিৰ কোব অনুভৱ কৰিলে। মুখৰ মোকোৰা অচল হৈ ৰ'ল। গলা তাৰ শুকাই গ'ল। গোটেই গা গৰম হৈ উঠিল। সি অনুভৱ কৰিলে তাৰ মূৰটো ঝিম্ ঝিম্ কৰিছে, সি যেন এই মুহূর্ততে পৰি

ৰাব। কম্পিত হস্তে গিলাচটো তুলি লৈ সি পানীখিনি নিঃশেষ কৰি পিলে। ভীষণ অপৰাধবোধে তাৰ অন্তৰ দুৰ্বল কৰি পেলালে। কোনো এক প্ৰচণ্ড আঘাতত তাৰ অন্তৰ যেন চুৰমাৰ হৈ গ'ল। মানুহৰ আগত মুৰ তুলি থিয় হোৱাৰ শক্তি সি হেৰুৱাই পেলাইছে। তাৰ ইমান দিনৰ সাধ্য-সাধনাৰ গৰ্বোন্নত শিৰ কুৎসিতভাৱে তললৈ নামি পৰিছে। সাধাৰণৰ শাৰীৰপৰাও সি নিকৃষ্টতৰ স্তৰলৈ খহি পৰিছে। ঘৃণিত, অপমানিত, লজ্জাৱনত এটা বিশেষ দলৰ মাজত সি অবলুপ্ত হৈ গৈছে।......

বেৰৰ চুকলৈ চাই থাকিয়েই সি দেখিলে বৌৱে তাৰ আগত একাপ চাহ থলেহি। শূন্য কাপ-প্লেটবোৰ ট্ৰেখনত উঠাই তেওঁ কৈ উঠিল, "দেউতাকো একাপ দিওঁগৈ। নহলে আকৌ মনে মনে বেয়া পাব।"

প্ৰহাৰ সম্ভাৱনাত সশংক কুকুৰৰ দৰে সি বৌৰ চকুলৈ চালে। ধুনীয়াকৈ হাঁহি বৌৱে ট্ৰে'খন লৈ আঁতৰি গ'ল। বৌৰ হাঁহি দেখি সি কষ্ট হৈ উঠিল। বৌৰ এই হাঁহিৰ অৰ্থ কি? সি জানে বৌ-বিলাকেই প্ৰেমৰ শিক্ষা দিয়াত, প্ৰেমত সহায় কৰাত ওস্তাদ। প্ৰথম যৌৱনৰ মৰম-আব্দাৰ. শুশ্ৰূষা-আঘাত, অভিমান আৰু অভিযোগৰ অস্ত্ৰৰে সিহঁতেই জগাই তোলে পৌৰুষ আৰু প্ৰেম। নিৰ্বিঘ্ন সুখ আৰু পৰিতৃপ্তিহীন উত্তেজনাৰ স্বাদ পোৱা যায় বৌ আৰু দেওৰৰ নিৰ্দোষ গভীৰ সম্পৰ্কত। বৌৰ হাঁহি কি সেই অস্পষ্ট অৰণ্যৰ গোপন ইঙ্গিত? বৌৱে কি সৰ্বস্বত্বাধিকাৰিণীৰ গৰ্বিত উদাৰতা দেখুৱাব খোজে? বৌৱে তেন্তে কি আপাত-দৃশ্য মৰমৰ অন্তৰালত ঢাকিব খোজে উচ্চাভিকাৰ শ্লেষ? সি উত্তেজিত হৈ উঠিল আৰু কথাটো সি অনুভৱ কৰিব পাৰিলে। নিজৰে তাৰ লাজ লাগি গ'ল। সি নিজকে কবলৈ চেষ্টা কৰিলে যে বৌৰ ওপৰত পুৱাবেপৰা সি অনৰ্থক ক্ৰুদ্ধ হৈছে। কি দোষ বাৰু বৌৰ? বৰং সি নিজেই ভীষণ

স্কেপ্‌টিক্‌ হৈ পৰিছে। কি দৰ্কাৰ কথাই কথাই অনৰ্থক দ্বিধা আৰু দ্বন্দ্বৰ ?

আপাততঃ পলায়নৰ সি উপায় বিচাৰিবলৈ লাগিল। টমাচ্‌-মেনৰ উপন্যাসখন মেলি লৈ একাদশ আৰু শেষ অধ্যায়টো শেষ কৰি পেলালে। সি লক্ষ্য কৰিলে ভগৱান্‌ আৰু চয়তানৰ অদ্ভুত বন্ধুত্বৰ বৰ্ণনা, ভাল-বেয়াৰ দ্বন্দ্বৰ অনন্য ব্যাখ্যা। জুৱাচোৰ নায়কৰ মাজত সি দেখা পালে সংস্কৃতি আৰু দুস্কৃতিৰ মৌলিক সম্বন্ধ। নায়কৰ চৰিত্ৰৰ লগত সি এক পৰম আত্মীয়তা অনুভৱ কৰিলে।......

প'ৰ্টিক'ৰপৰা সশব্দ হাস্যধ্বনি বাগৰি আহিল। হাঁহিৰ পিছে পিছে কাহ। ৰাতিপুৱাই যোগেশ্বৰ ঠিকাদাৰ আহি ওলালহি। দেউতাক হয়তো বিৰক্ত হ'ল। বাতৰিকাকতখন তেওঁ শান্তিৰে পঢ়িব বিচাৰে। তাতে যোগেশ্বৰ ঠিকাদাৰৰ শেহতীয়া ঘটনাটো সঁচাকৈ ঘৃণনীয়। গাঁৱৰ ঘৰলৈ তেওঁ জীপ লৈ গৈছিল, লগত আছিল ইঞ্চিঅ'ৰেঞ্চৰ এজেণ্ট ছেত্ৰী। গুচৰেৰে মেঘ বাহাদুৰে নৱবিবাহিতা বধুক চহৰৰ তাৰ শহুৰেকৰ ঘৰলৈ পঠাবলৈ বাছলৈ খাপ দিছিল। ঠিকাদাৰক পাই ভালেই পালে, তেওঁ জীপতে ঘৈণীয়েকক পঠাই দিলে। অৱশ্যে, সেই দিনা জীপ চহৰ নাপালেগৈ। পিছদিনা দুপৰীয়াহে ছেত্ৰী আৰু মেঘ বাহাদুৰৰ পৰিবাৰক লৈ জীপ চহৰ ওলাইছিলগৈ। আৰু তাৰ এদিনৰ পিছত ঠিকাদাৰ। অনেক ৰহস্যময় গল্পৰ যোগেশ্বৰ ঠিকাদাৰ নায়ক। গাঁৱত তেওঁৰ অবিসম্বাদী প্ৰতিপত্তি। ইতৰবিলাক তেওঁৰ যাদুৰ জৰীত আছে। গাঁৱৰ ছোৱালী তেওঁ কলেজত নাম লগাবলৈ আনে, ইণ্টাৰভিউ দিয়াবলৈ আনে। বিবাহিতা তিৰোতাক ফুৰাবলৈ অথবা হাজোতত থকা গিৰিয়েকক লগ ধৰাবলৈ। তেওঁৰ দয়াশিলতাত গাঁওবাসী কৃতজ্ঞ, গুণবত্তাত মুগ্ধ। সোণাই দলঙৰ কেম্পত ৰাতি বাৰ বজাত ঠিকাদাৰৰ জীপৰ ৰহস্যময় চলন ফুৰণৰ কথা শুনা গৈছিল। নতুন নতুন আলহীৰে কেম্প বাৰ

বজা ৰাতিত মুখৰ হৈ উঠিছিল। যোগেশ্বৰ ঠিকাদাৰ স্পষ্টবাদী। তেওঁ নিজে কৈছিল, "কাকো বিশ্বাস কৰিব নোৱাৰি। মানুহ বিশ্বাসযোগ্য প্ৰাণী নহয়। মোকো কোনেও বিশ্বাস নকৰিব। প'ষষষ্ঠি হেজাৰত ট্ৰান্স্‌প'ৰ্টৰ বিৰাট বিল্ডিং সাজি দিলোঁ। কিন্তু সিহঁতে কোৱামতে কাঠ দিলে মোৰ মূলৰে টনাটনি। অন্য কাঠ চলাই দি কুৰিহেজাৰ লাভ মাৰিলোঁ। আৰু চৰকাৰৰো কোনো লোকচান নহ'ল। কাম চলি গৈছে। ইয়াৰ পিছতো মই কন্‌ট্ৰেক্ট্‌ পাই থাকিম। তেন্তে আৰু কি লাগে?" তেওঁৰ ল'ৰাই তিনিবাৰতো মেট্ৰিক পাছ নকৰিলে তেওঁৰ কোনো ভাবনা নহয়। সি এতিয়া তেওঁৰ ফাৰ্মৰ মেনেজাৰ। মেনেজাৰৰ সৰু চিত্ৰোপ্ৰেখন চহৰবাসীৰ চকুত চমক লগাই দৌৰে। সকলোবোৰ ঘটনাৰ ছবি অৰূপৰ চকুত ভাঁহি উঠিল। মেঘ বাহাদুৰৰ পৰিবাৰৰ সেই বিভীষিকাময় ৰাতি, গাঁৱৰ তিৰোতা-বোৰৰ চহৰত দুৰ্যোগময় ৰাত্ৰিবাস আৰু তেনে বিভিন্ন ছবি তাৰ চকুত পূৰ্বতকৈও স্পষ্টতৰ হৈ পৰিল। ঠিকাদাৰৰ সঘন হাঁহিৰ শব্দই তাৰ চিন্তাসূত্ৰক বাৰে বাৰে খণ্ডিত কৰি গ'ল।

বহুদিনৰ আগতেও যোগেশ্বৰ দাস সিহঁতৰ ঘৰলৈ আহিছিল। অযত্ন পালিত বিভ্ৰান্ত কেশগুচ্ছ, শুকান মুখমণ্ডল, মাৰ্কিনৰ শ্বাৰ্ট্‌, মোটা ধুতী, ৰঙা কাপোৰৰ জোতা আৰু ছাতিহস্তে যোগেশ্বৰ দাস, সেওঁতা ফলা চুলি, অনমুপাতিকভাৱে ডাঙৰ দুখন কাণ, তৈলাক্তমুখ, বিচিত্ৰদাগযুক্ত নীলা হাফশ্বাৰ্ট, সৰুধুতী আৰু বগা গুলমি পৰা মোজাৰ সৈতে তিনিসিৰীয়া কাবুলী-চেণ্ডেল পৰিহিত নৰেন—পিতা-পুত্ৰৰ এই যুগল মূৰ্তি অৰূপৰ আজিও মনত আছে। তাৰ মনত আছে সিহঁতে অনা থমা দৈৰ টেকেলি আৰু বৃহৎ আকাৰৰ ৰৌ মাছৰ কথা। তাৰ পিছত অনেক পৰিবৰ্তন হৈ গৈছে। সময় প্ৰবহমান, পৃথিৱীৰ প্ৰতিটো বস্তুৱেই প্ৰবহমান কাল স্ৰোতস্বিনীত ভাসমান। দেউতাকে তেতিয়াও অৱসৰ পোৱা নাই। দেউতাকৰ বিভাগৰ দুই

এটা ঠিকাৰে আৰম্ভ কৰি সেই তুচ্ছ অঙ্কুৰ যোগেশ্বৰ আজি ঠিকাদাৰ-শ্ৰেষ্ঠ যোগেশ্বৰ দাস নামৰ বিশাল শাল্মলীত পৰিণত হৈছে। কিন্তু যোগেশ্বৰ দাস অকৃতজ্ঞ নহয়। তেওঁ দেখুৱাব খোজে যে—এসময়ৰ যোগেশ্বৰ দাসৰ বিৰাট পৰিবৰ্তন হয়তো হৈছে, অপৰা চুলি গুচি সুবিন্যস্ত চুলি, মাৰ্কিনৰ শ্বাৰ্ট আৰু মোটা ধুতীৰ পৰিবৰ্তে পাঞ্জাবী আৰু মিহি ধুতী, কাপোৰৰ জোতাৰ সলনি উজ্জ্বল পাম্পচু আৰু হয়তো অৱস্থাৰ পৰিবৰ্তনৰ লগে লগে চৰিত্ৰৰো দুই এক পৰিবৰ্তন, কিন্তু মনটো তেওঁৰ সম্পূৰ্ণ বিকৃত হোৱা নাই। হিতাকাঙ্ক্ষীসকলক দেখি তেওঁ মুখ ঘূৰুৱায়। পূৰ্বৰ চিনাকি তেওঁৰ বাবে ক্ষণিকৰ মিথ্যা-অন্তৰঙ্গতাৰ প্ৰকাশ মাত্ৰ নহয়। যি প্ৰত্যেকটো সহায়, প্ৰত্যেকটো আশাৰ কথাই এসময়ত তেওঁৰ ধৈৰ্য-চ্যুতি ব্যাহত কৰি ৰাখিছিল, তাৰ বাবে তেওঁৰ গভীৰ কৃতজ্ঞ স্বীকৃতি আছে। তেওঁ নিজৰ দুই-এক অবিকৃত বিশেষ গুণৰ ওপৰত বিশ্বাস কৰে। অৰূপে বুজি পায়, মাজে সময়ে দি থকা ঠিকাদাৰৰ দৰ্শন নিতান্ত অকাৰণ নহয়। অৰ্থ আৰু ক্ষমতাৰ প্ৰাচুৰ্য লাভ কৰা সত্বেও জৰাগ্ৰস্ত এক বৃদ্ধৰ ওচৰত তেওঁৰ চিত্তৰ এটা অবৰ্ণনীয় দৌৰ্বল্য আছে। মানৱ হৃদয়ৰ সেই ন্যূনতম আৰু উৎকৃষ্টতম অংশৰ বিপৰীতে তেওঁ যাব নোৱাৰে। তেওঁৰ কামত কৃতজ্ঞতাপূৰ্ণ শ্ৰদ্ধাৰ অভিব্যক্তি অৰূপে দেখা পায়। তেওঁৰ কথা বতৰাত সেই আদিম গুণৰ অকপট স্বতঃস্ফূৰ্তি। অৰূপৰ অত্যাপি অস্পষ্ট ভৱিষ্যত তেওঁৰ চিন্তাৰ কাৰণ। কিন্তু তথাপি অৰূপে ঠিকাদাৰক ক্ষমা কৰিব নোৱাৰে। তেওঁ এক জঘন্য সভ্যতাৰ স্বপ্ৰতিষ্ঠিত প্ৰতিনিধি যাৰ নৈৰ্ব্যক্তিক সৰ্বাত্মক স্বৰূপটোক অৰূপে মনে-প্ৰাণে ঘৃণা কৰে।

"এই মুনু।"

"অ', ৰাজেনদা।"

অৰূপৰ চিন্তা-সূত্ৰই বাধা পালে। জাপমাৰি উঠি খিৰিকীয়েদি

দেখিলে প'টিক'ৰ কাণে চাই চাই ৰাজেনে চাইকেলখন ষ্টেণ্ডত তুলি থবৰ চেষ্টা কৰিছে। বোধহয় প'টিক'ৰ খিৰিকীৰে ক্ষীণ মাত এটা শুনিবলৈ সি আশা কৰিছে।

"জেঠাইদেউ কি কৰিছে? বৌ, অ' বৌ। ঘৰখনৰ মানুহবোৰ মৰিল নেকি? এই কুলাঙ্গাৰটো ক'লৈ গ'ল?" সাময়িক হুলস্থূল এটাৰ সৃষ্টি কৰি ৰাজেন সোমাই আহিল।

"অৰূপ খুড়া তেওঁৰ কোঠাতে আছে ৰাজেনদা।" মুন্নুৱে ৰাজেনক অৰূপৰ কোঠাৰ দুৱাৰ মুখত থৈ আঁতৰি পৰিল। ৰাজেনৰ ওচৰত মুন্নুৰ এটা পলায়নী প্ৰবৃত্তি আছে।

"এই, ন বাজিল, কি কৰিছ? স্কুল নাই? নে চাকৰি ইতিমধ্যে বাদ দিলি?" কুছনখন ঠিক কৰি ৰাজেন বহি পৰিল।

"ৰ, ৰ, তই ইমান ব্যতিব্যস্ত হোৱাৰ কোনো দৰকাৰ নাই। মই আজি স্কুললৈ নাযাওঁ। আৰু মোৰ কোনো অসুখ হোৱা নাই। কিন্তু তোৰ কি হ'ল?" অৰূপে অনুভৱ কৰিলে যে অলস চিন্তাত সি বহু সময় পাৰ কৰিছে আৰু বোধহয় তাৰবাবেই তাৰ কথাবোৰ অসহজ হৈ পৰিছে। ইতিমধ্যে হয়তো একাপ চৈনিক জুস্ আৰু কেইবাখনো তামোল ধ্বংস কৰি যোগেশ্বৰ দাস ওলাই গ'ল। বৌৱে চৰুত জ্বাল দিলে। মুন্নুৱে স্নান শেষ কৰি কিতাপ-ফলি জাপিলে। দেউতাক হয়তো পুনৰ বাতৰি কাকতৰ সম্পাদকীয়ত নিমজ্জিত হ'ল। ডিম্বেশ্বৰৰ টেক্সি কিজানি এতিয়া ঘুৰি আহিল। আকাশবাণী গুৱাহাটীৰ ঠাইত বিদেশী কেন্দ্ৰৰ মিউজিকেল্ বেণ্ড্ বক্স্ বাজি উঠিল। ৰিক্সা, মটৰ, ব্যৱসায়ী, বিষয়া, ছাত্ৰ-ছাত্ৰীৰ দলেৰে জনপদৰ ছন্দ নিয়মিত হৈ পৰিল। চহৰৰ সুপ্ত নাড়ীকেন্দ্ৰৰ চঞ্চল দ্ৰুত স্পন্দনৰ ব্যাপ্তি সি তাৰ কোঠাৰপৰাই অনুভৱ কৰিলে। এই সময়ত........ঠিক এই সময়ত........।

এটা ভয়াবহ চিন্তাই তাক অস্থিৰ কৰি তোলাৰ আগেয়ে ৰাজেনে

কৈ উঠিল, "কালি ৰাতি আঠ মান বজাত পাইছোঁহি। পৰহি পৰীক্ষা শেষ হ'ল, বৰ ভাল হোৱা নাই। মেডিচিনৰ পে'পাৰখন পণ্ড কৰিলোঁ। কাইলৈ গুৱাহাটীলৈ যাব লাগিব। পৰহিৰপৰা এক্স্কাৰ্চন্ আছে।" ৰাজেন ৰ'ল। তাৰ পিছত উচ্ছ্বাসেৰে তাৰ দীঘলীয়া খবৰ-বাতৰি কৈ যাব ধৰিলে। অৰূপৰ ভাল লাগিল। তাৰ অন্তৰৰ স্বাভাৱিক নিৰ্লিপ্তি অন্তৰ্হিত হৈ গ'ল। সি অনুভৱ কৰিলে সিও যেন ৰাজেনক পাই কিছু উচ্ছ্বসিত হৈ পৰিছে। অন্ততঃ সুদীৰ্ঘদিন বিচ্ছিন্ন হৈ থকা এখন জগতৰ খবৰ সি শুনিব পাৰিছে। ৰাজেনৰ কথাত সি মনোযোগ দিলে।

দুৱাৰমুখত মেখেলাৰ চট্ চট্ শব্দ শুনা গ'ল। অৰূপে সভয়-চকিত দৃষ্টিৰে সেইফালে চালে। আনুমানিকভাৱে ৰাজেনে মাতি দিলে, "বৌ"! দুৱাৰত বৌৰ মুখে ভুমুকি মাৰিলে। দেখা গ'ল, পূৰ্ণ হাঁহিত বৌৰ ওঁঠ দুটা বহল হৈ আছে। "বাপৰে, ডাক্তৰ দেখোন! কেতিয়া আহিলা পিছে?" ৰাজেনে বৌৰ লগত কথা আৰম্ভ কৰিলে। অৰূপ নিশ্চল হৈ বহি ৰ'ল। ৰাজেনৰ গাত সি ডাক্তৰৰ পৰিচ্ছন্নতা দেখা পালে। সাজপোছাকত তাৰ চহৰীয়া পাৰিপাট্য; সুপুষ্ট গাল, উন্নত নাক, উজ্জ্বল চকুৰ জ্যোতি আৰু সুবিন্যস্ত কেশগুচ্ছৰ সমন্বয়ত উৎফুল্লতাৰ অভিব্যক্তি পৰিলক্ষিত। তাৰ সমগ্ৰ মুখমণ্ডলত কৃতিত্বৰ গৌৰৱমণ্ডিত চাপ। তাৰ বলিষ্ঠ শৰীৰৰ গঠন নিখুঁত। নৈতিকতাৰ কেলেঙ্কাৰী চ্যুতিৰপৰা মুক্ত, বুদ্ধি-প্ৰতিভাৰ গৌৰৱেৰে পশ্চাৎ-জীৱন আলোকিত, পৰিশ্ৰম আৰু প্ৰতিশ্ৰুতিৰ ব্যঞ্জনাত দৃঢ় ৰাজেনৰ সমগ্ৰ সত্তাই গৰ্বোন্নিত হৈ ৰৈছে। অথচ তাৰ মুখত মধুৰ অমায়িকতাৰ প্ৰচ্ছন্ন বোল। অৰূপে হঠাতে নিজকে বৰ দুৰ্বল অনুভৱ কৰিলে। ৰাজেনৰ সন্মুখত তাৰ নিজকে এক ক্ষুদ্ৰ কীট যেন লাগিল। জাবালিৰ আগত যেন থিয় হৈছে অঙ্গুষ্ঠ-প্ৰমাণ এক বালখিল্য মুনি। গভীৰ অস্বস্তিত তাৰ মন ভৰি

গ'ল। মনৰ অস্থিৰতা দমাবৰ চেষ্টা কৰি সি নিৰাসক্তভাৱে বৌ-ইঁতৰ কথা শুনি গ'ল।

"বিয়া নাপাতা নেকি? বুঢ়াই হলা দেখোন।" বৌৱে সুধিলে। ৰাজেনৰ মৌনতা দুয়ো লক্ষ্য কৰিলোঁ।

"নে ইতিমধ্যে কিবা ঘটং মটং লগাইছা? যি ঠাইতহে আছা!" পুনৰ বৌৰ প্ৰশ্ন। ৰাজেনে হাঁহিলে। অৰূপৰ মনত সন্দেহৰ ঘনীভূত ছাঁ পৰিল! ৰাজেনক সি এটা বেলেগ ৰূপত চাবলৈ আৰম্ভ কৰিলে। বৌহঁত অন্য এটা বিষয়লৈ পাৰ হৈ গ'ল! বৌৰ কথাই হয়তো সত্য। উজ্জ্বল ল'ৰাৰ মুখাৰ তলত ৰাজেনে হয়তো এক ঘৃণনীয় জীৱন যাপন কৰিছে। একাধিক নাৰ্চৰ লগত তাৰ গোপন দৈহিক সম্বন্ধ গঢ়ি উঠিছে। পঙ্কিলতা, পাশৱিকতা, ইতৰ যৌন-জীৱনৰ ঘৃণ্য যান্ত্ৰিকতাৰে ভৰা এখন ৰহস্যময় জগতৰ ৰাজেন নায়ক। অৰূপ আশ্বস্ত হ'ল। ৰাজেন তাতকৈ এটা উন্নত প্ৰাণী নহয়। বাহ্যিক আভৰণেৰে সি মানুহৰ ওচৰত দামী। ডাক্তৰী পাছ কৰি সি বিলাতলৈ যাব। আৰু অৰূপ এই ক্ষুদ্ৰ চহৰৰ পৰিসীমাতে আবদ্ধ হৈ ৰব। কিন্তু সেইটোৱেই গৌৰৱৰ কাৰণ নহয়। ৰাজেনৰ ভিতৰৰ পতিত মানুহটোৱে অৰূপৰ ওচৰত নৈতিকতাৰ গৰ্ব কৰাৰ সাহ কৰিব নোৱাৰিব।

চাহ কৰিবলৈ বৌ উঠি গ'ল। অৰূপে পৰিস্থিতিলৈ ঘুৰি আহিবৰ চেষ্টা কৰিলে আৰু বৌৰ লগত কথা পতাৰ সহজতা ৰাজেনে অপ্ৰতিহতভাৱে ৰক্ষা কৰি গ'ল। কোঠাটোৰ চাৰিওফালে দৃষ্টি-নিক্ষেপ কৰি সি সুধিলে, "তোৰ কোঠাত ইণ্ডিয়া বুক্ হাউচৰ ব্ৰাঞ্চ বহুৱাইছ নহয়? বাৰু, ভালেই কৰিছ। পিছে পৰীক্ষাৰ কথা কি ভাবিছ, কচোন।"

ম্লানভাৱে অৰূপে হাঁহিলে। নিশ্বাস এটি এৰি দি অত্যন্ত ক্লান্ত-স্বৰে সি কৈ উঠিল, "একো ঠিকেই কৰা নাই এতিয়াও। ইমান

টান, ইমান বিৰাট বাজু! আৰু পঢ়িবৰ বাবে উৎসাহ, আগ্ৰহ, ধৈৰ্য ইত্যাদি মোৰপৰা একেবাৰে আঁতৰি গ'ল নেকি?" সি বাজেনলৈ চালে। বাজেনে তাৰ চকুত বিহ্বলতা দেখা পালে। তালৈ চায়েই সি সুধিলে, "কিবা যে লিখালিখি কৰি আছিলি, কি কৰিলি? মোক চাবলৈ দিবিচোন।"

অৰূপে হাঁহি দিলে আৰু একান্ত উপেক্ষাৰ সুৰত কলে, "নাই, নাই, সেইবোৰ বাদ দিলোঁ। সেইবোৰ বস্তু মোৰ বাবে নহয়। মই আচলতে সেইবোৰ কথা কলে বৰ লাজ পাওঁ বুজিছ।"

"কিয়, তোৰ নাম দেখোন অনেকৰ মুখত শুনো। তই বোলে নব্য পন্থী আৰু সংৰক্ষণশীল দলৰ মাজৰ শীতল যুদ্ধ এটা প্ৰবন্ধৰেই নিষ্পত্তি কৰিলি। 'ভ্ৰান্তিবিলাস' শব্দটোলৈ হোৱা খেলিমেলি হেনো তয়ে সুন্দৰকৈ ব্যাখ্যা কৰি দিলি। মানুহে এইবোৰ কোৱা বাবে তই নতুন প্ৰেৰণা পোৱা উচিত।"

"সিহঁতক মই চুলি খুৰাই ঘোল ঢালি দিয়া উচিত! অন্ধৰ দল!"

"তোৰ অধঃপতন বৰ বেছি ধৰণে হৈছে"।

"অ', মোৰ অধঃপতন হৈছে ডাক্তৰি নপঢ়ি আৰ্ট্‌চলৈ যোৱা বাবে!" ভীষণ খঙত অৰূপ জ্বলি উঠিল আৰু বাজেনে ভাবিলে কিছু সময় মনে মনে থকাই বুদ্ধিমানৰ কাম হব। খঙ তোলাৰ ইচ্ছা তাৰ অকণো নাছিল, কিন্তু অৰূপটো কি হৈ গৈছে দিনে দিনে!

"আমাৰ সামগ্ৰিক জীৱনতে কি এক স্থবিৰতা আহি পৰিছে তাক তই লক্ষ্য কৰা নাই কিয়? ৰাজনৈতিক জীৱন এক বিৰাট প্ৰহসন, সামাজিক জীৱন বৰ্বৰতাৰ অন্যতম ৰূপলৈ পৰ্যবসিত, সাংস্কৃতিক জীৱন নিশ্চলতা আৰু নিশ্চেতনাৰে গভীৰভাৱে আক্ৰান্ত। সভ্যতা, সংস্কৃতি আৰু সাহিত্যত ভণ্ডামিৰ এখন ওৰণি পৰিছে। নেতিবাদত আশ্বস্ত। সত্যৰ অৱহেলাত সৌন্দৰ্য-সাধনা পৰ্যুদস্ত।

চেষ্টাৰ আগ্ৰহ যথেষ্টভাৱে কম আৰু প্ৰত্যেক প্ৰচেষ্টা আৰম্ভ হয় সাধনা আৰু অভিজ্ঞতাৰ শূন্যতাৰে। সৰল ঐকান্তিকতাৰ ঠাইত সাহিত্য পৰিচালিত হৈছে বেপাৰীৰ মনোবৃত্তিৰে। সাহিত্য হৈছে কলা-সৰ্বস্ব, বাস্তৱৰ সম্পৰ্ক-ৰহিত পণ্যদ্ৰব্য। জীৱনৰ কেঁচা গোন্ধ তাত নাপায়। আমি এক অত্যন্ত দুস্থ বাতাবৰণৰ মাজত সোমাই পৰিছোঁ। ড্ৰেইনৰ কিল্‌বিল্‌ কীটবোৰৰ বাবে জীয়াই থকাৰ যি সাৰ্থকতা আমাৰ তাতকৈ খুব উন্নত বুলি মোৰ বিশ্বাস নহয়। আৱাৰ কাপ্‌ অব্‌ মিজাৰি ইজ্‌ ফুল্‌!” অৰূপৰ ক্ৰুদ্ধ অন্তৰ বক্তৃতাত ফাটি পৰিল।

“তোৰ কথাবোৰ নিশ্চয় চিন্তা কৰিব লগীয়া। অৱশ্যে সেইবোৰ কিমান্‌ সত্য তাত মোৰ সন্দেহ আছে। পতন আমাৰ নিঃসন্দেহে হৈছে, কিন্তু ইমান গভীৰ নে?” কপাল কোঁচাই ৰাজেনে অৰূপলৈ চালে।

“সত্য কথাবোৰতে সাধাৰণতে সন্দেহৰ উদ্ৰেক হয়। আৰু সেইটোৱেই হ’ল যুগৰ বৈশিষ্ট্য। কিন্তু অনুমানৰ ওপৰত মই বেছি বিশ্বাস নকৰোঁ। প্ৰমাণৰ দৃঢ় ভিত্তিত মোৰ মতবাদ প্ৰতিষ্ঠিত। দেশৰ সাময়িক ৰাজনীতিৰ কথা যি কোনো মূৰ থকা মানুহেই জানে। সমাজ ব্যৱস্থা এনেকুৱা, য’ত কোনোবাই যেতিয়া তিনিশ টকা দামী পূজাৰ শাৰী কিনে, তেতিয়া উত্তৰ পাৰৰ গাঁৱত ভীমকল খাই মানুহ জীয়াই থাকে। হাই-চচাইটি স্কেণ্ডেল্‌বোৰ নিয়মিত আৰু অৱধাৰিত। ক্ৰ’মেগ্‌’নৰ দিনলৈ আৰম্ভ হৈছে আমাৰ প্ৰত্যাৱৰ্তনৰ যাত্ৰা। সাময়িক সাহিত্য ক্ষেত্ৰত চিত্তবৃত্তিৰ সংকীৰ্ণতা আৰু শিল্প সৃষ্টিৰ অগভীৰতাই কিহৰ ইঙ্গিত দিয়ে? মানসিক উৎকৰ্ষতা? চিন্তাৰ বিশালতা? নে জীৱনৰ গভীৰতাৰ নিগূঢ় চেতনা?……”

চৰম বিতৃষ্ণা আৰু হতাশাৰ সুৰ অৰূপৰ কথাত ধ্বনিত হৈ উঠিল। ৰাজেনে তলমূৰকৈ অলপ ভাবিলে। তাৰ পিছত অৰূপৰ মুখলৈ

চাই ক'লে, "কিন্তু তাতেতো সুকলো শেষ হৈ নাযায়। তুমি যুদ্ধ নকবা কিয় ? অন্যায় কৰা আৰু অন্যায়ক প্ৰশ্ৰয় দিয়া সমানে বেয়া কাম। সকলো মানুহকে সকলো সময়ৰ বাবে কোনেও ভেড়া সাজি থব নোৱাৰে। লিঙ্কনেও বোধহয় তেনে কিবা এটা কৈছিল। আৰু লিঙ্কনে অন্যায়ৰ বিৰুদ্ধে প্ৰাণ দিহে এৰিলে। তদুপৰি উত্তৰসূৰী-সকলৰ কাৰণে তুমি কি কৰিছা ? সিহঁতক তুমি ৰক্-'এন্-ৰল্ আৰু পশ্চিমীয়া আণ্ডাৰৱৰ্ল্ডৰ দয়াৰ ওপৰত এৰি দিব নোৱাৰা। You must pave the way for them."

"কিন্তু এইবোৰৰ বিপক্ষে যুঁজিবি কেনেকৈ ? শ্চিলাৰৰ বিখ্যাত শাৰী এটা মই ক'ৰবাত পাইছিলোঁ, ইংৰাজীত যাৰ অৰ্থ হয়, Against stupidity gods themselves fight in vain. ক'ৰবাত শুৱিতে ভুল হৈছে। মই অকলে নহয়, গোটেই মানৱ-জাতিয়েই অধঃপাতে গৈছে। তই এই কথা নিশ্চয় স্বীকাৰ কৰিবি যে কেইহাজাৰমান বছৰৰ আগতে পৃথিৱীখন এতিয়াতকৈ বহুত গুণে বেছি বাসোপযোগী আছিল। অন্ততঃ শুভবুদ্ধিৰ অভাৱ আৰু সহজবৃত্তিৰ ৰিপ্ৰেশ্যান্ তেতিয়া যথেষ্ট কম আছিল। জীৱনৰ পিয়লা তেতিয়াও ভগ্ন হোৱা নাছিল। কিন্তু যিহওক, যিহেতু শঙ্কা আছে, গতিকেই আশা আছে। আশা অমৰ। আশাই মানুহৰ শেষ আশা। এই দুঃসহ শীতকালৰ অন্ত এদিন হ'বই। Winter is fighting tooth and nail, before giving way to spring inevitable. আমি ভোগ কৰিবলৈ নাপাব পাৰোঁ, মধু বসন্ত আহিবই। পিছৰবোৰৰ বাবে আমি এক দৃঢ় ভিত্তি স্থাপন কৰি যাম। We shall bring our last bit into play." আবেগৰ উচ্ছ্বাসত কব নোৱাৰাকৈয়ে অৰূপে এটা সৰু সুৰা বক্তৃতা দি পেলালে। তাৰ মুখত স্নিগ্ধ আভাস ফুটি উঠিল। বাৰ্জেন মনে মনে ৰ'ল। সিহঁতৰ মাজত যেন বিৰাট

আঁচনিৰ প্ৰস্তুতি চলিছে। দুয়ো যেন অকস্মাৎ আপোন দায়িত্বৰ গুৰুত্ব সম্পৰ্কে সচেতন হৈ পৰিল। সিহঁত যেন সাজু হ'ল অদূৰ ভবিষ্যতৰ কৰ্তব্যৰ বাবে, সিহঁতৰ গধুৰ ভূমিকাৰ বাবে যাৰ কোনো সুস্পষ্ট আইডিয়া সিহঁতৰ কল্পনাত ধৰা নপৰিল। ৰাজেনে কল্পনা কৰিলে তাৰ বিদেশ যাত্ৰা, কৃতকাৰ্যতা, গৌৰৱময় প্ৰত্যাৱৰ্তন আৰু সেৱাৰ নিষ্ঠাৰে ভৰা তাৰ ভবিষ্যতৰ জীৱন। তাৰ কল্পনাত সি পুলকিত হৈ পৰিল। অনিৰ্বচনীয় আনন্দত তাৰ মুখভাব হৈ পৰিল উজ্জ্বল। প'টিক'ৰপৰা আকৌ কাহৰ শব্দ শুনা গ'ল। ৰাজেনৰ মনত বৃদ্ধৰ মুখচ্ছবি জিলিকি উঠিল। সি ভাবিব ধৰিলে বাৰ্ধক্যৰ কৰুণ দুৰৱস্থাৰ কথা, জৰা আৰু স্মৃতিৰে ভাৰাক্ৰান্ত সেই অসহনীয় জীৱন। এদিন হয়তো···তাৰ এতিয়া বয়স কিমান ?···তেইশ নে চব্বিশ ?....

বাস্তৱে সিহঁতৰ কল্পনাক বাধা দিলে। চট্ চট্ শব্দ ওচৰ চাপিল। ডাঠ পৰ্দা ঠেলি বৌ সোমাই আহিল। তেওঁৰ হাতত খাদ্য ভৰা ট্ৰে', মুখত মৃদু হাঁহিৰ বোল। অৰূপ আৰু ৰাজেনৰ হৃদয় ৰোমাঞ্চিত হৈ উঠিল। খাদ্য সম্ভাৰ আৰু মধুৰ হাঁহিৰে সিহঁতৰ আগত থিয় দিছে এয়া বৌ নহয়, কোনো গৃহকৰ্ত্ৰী নহয়, এক অনন্যা, আলোকসামান্যা নাৰী, গৃহলক্ষ্মী! বৌৰ হাঁহিটো বহল হৈ গোটেই মুখতে বিয়পি পৰিল। গাৰ্হস্থ্যৰ মধুৰ অন্তৰঙ্গতাৰ অনুভূতিত প্ৰবাস-প্ৰত্যাগত ৰাজেনৰ অন্তৰ পুলকিত হৈ উঠিল।

"কিনো খাবা আমাৰ ঘৰত ? সুদা চাহকে খোৱা আৰু!"

"চাহ দেখোন তিনিকাপ ? আৰু কোন ?"

"আছে, তুমি খোৱাচোন বাৰু।" বস্তুবোৰ পৰিবেশন কৰি কৰি বৌৱে ৰাজেনৰ প্ৰশ্নৰ উত্তৰ দিলে। চকিত দৃষ্টিৰে অৰূপে বৌলৈ চালে। বৌৰ মুখত কোনো দুষ্টামিৰ ইঙ্গিত নাই। আছে মনোযোগ আৰু পৰিবেশিকাৰ ব্যস্ততা। সি চঞ্চল হৈ উঠিল। অস্থিৰতাৰে তাৰ মন ভৰি পৰিল। কিন্তু সি দেখিলে বৌৱে চাহ কাপ হাতত লৈ বাহিৰলৈ যাবলৈ প্ৰস্তুত হৈছে।

"ৰাজু, খোৱা দেই। মই দেউতাক চাহ কাপ দি পাক্ঘৰত লাগোঁ।" কৈ কৈ বৌ ওলাই গ'ল।

অৰূপে এটা দীঘল নিশ্বাস পেলালে। চাহৰ কাপৰপৰা মূৰ দাঙি সি বাহিৰলৈ চালে। কি দুঃসহ এই যন্ত্ৰণা! অৰূপে অনুমান কৰিব পাৰিলে, তাৰ দুঃসহ জীৱন ইতিমধ্যে আৰম্ভ হৈ গ'ল। অপৰাধ-বোধৰ অৱচেছনত ভুগি ভুগি সি নিঃশেষ হৈ যাব লাগিব। এক অসহায় বেদনাত তাৰ মন ভৰি উঠিল। ৰাজেনে তালৈ চুৰকৈ চালে। অৰূপৰ কি হৈছে! ৰাজেন চক্ খাই উঠিল। সঁচাকৈয়ে তাৰ পতন হৈছে। তাৰ মুখত চিন্তা আৰু অৱসাদৰ চিন স্পষ্ট। কথা-বতৰাত যেন আগৰ সেই উদ্যমৰ স্ফুৰণ নাই। তিলে তিলে শুকাই গৈছে তাৰ অন্তৰত সকলো উৎসাহৰ উৎস। নাই, এনেকৈ তাক নষ্ট হবলৈ দিব নোৱাৰি, ৰাজেনে ভাবিলে। অৰূপৰ দৰে ল'ৰা এটাই এই জীৱন যাপন কৰাৰ কথা ভাবিবই নোৱাৰি। কিয় তাৰ এই দুৰ্মতি হ'ল। সাধাৰণৰপৰা দূৰ, সতীৰ্থৰপৰা বিচ্ছিন্ন, এই নিঃসংগ, স্থবিৰ, অনিয়মিত জীৱনৰ অন্ধ-বাসনা তাৰ কিয় হ'ল? সি যেন জনতাৰ চঞ্চল, দ্ৰুত, জীৱনস্পন্দনৰপৰা পলাই আহিছে। দুস্থ পৰিবেশ, ব্যস্ত জনপদৰ নিৰৰ্থক হাঁহি, মিথ্যা অন্তৰঙ্গতাৰ বিলাস এইবোৰৰ ব্যৱহাৰিক মূল্যকো সি কিয় স্বীকাৰ নকৰে? কোনো কথাতে সহজ স্বীকৃতি নাই কিয় তাৰ? ৰাজেনে ভাবিলে, অৰূপক এই নৰকৰ আত্মধ্বংসী জীৱনৰপৰা বহিৰ্জগতলৈ লৈ যাব লাগিব। সেই বিচিত্ৰ জগতৰ মাজত তাক সুমাই দিব লাগিব য'ত সকলো কথাই জন্মে, য'ত সকলো কথাই আৰম্ভ আৰু শেষ হয়, মধ্যৱৰ্ত্তী কোনো স্থবিৰতাৰ অৱকাশ য'ত নাই।

পাকঘৰৰপৰা ফোড়ণৰ শব্দ ভাহি আহিল। ৰাজেনে তাৰ লোভনীয় গোন্ধটো অনুভৱ কৰিলে। কেৰাহীত হেতাৰ উপৰ্যুপৰি শব্দ শুনা গ'ল। পদূলিত মটৰৰ সুদীৰ্ঘ হৰ্ন বাজিল। খিৰিকীৰে

ৰাজেনে চাই দেখিলে, কলেজৰ গভৰ্নিং বডীৰ ছেক্ৰেটাৰী কনক বৰদলৈয়ে গাড়ীৰপৰাই অৰূপৰ দেউতাকৰ লগত কথা পাতিছে। অৰূপে চালে আৰু তাৰ মুখ বিৰক্তিৰে ভৰি পৰিল।

"বৰদলৈৰ নতুন গাড়ী হৰলা এইখন? ৰতনপুৰৰ ফালে বোলে তিনি মহলাৰ ঘৰ তুলিছে?" ৰাজেনে অৰূপলৈ চাই সুধিলে। অৰূপৰ বিৰক্তি নিষ্ফল আক্ৰোশত পৰিণত হ'ল। মুখ ঘুৰাই দুৱাৰৰ ফালে চালে। ৰাজেনে বুজিলে দেউতাক এতিয়াও প্ৰেছিডেণ্ট হৈ থকাটো সি ভাল পোৱা নাই। কলেজৰ অনেক টকা অপব্যৱহৃত হৈ আছে আৰু অৰূপৰ কথা হ'ল অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰিলে চকুমুদি দস্তখত কৰি যোৱাৰ কোঁনো অৰ্থ থাকিব নোৱাৰে। কিন্তু অৰূপ হয়তো অকাৰণে কষ্ট হৈছে। বাৰ্ধক্যগ্ৰস্ত অৱস্থাত প্ৰেছিডেণ্ট হোৱাৰ কি চখেই বা দেউতাৰ আছে? হয়তো তাহানিৰ কিবা এটা কৰি থাকিব খোজা মনটোক অথবা মানুহৰ সত্তাৰ প্ৰতি থকা স্বাভাৱিক শ্ৰদ্ধাক তেওঁ অৱহেলা কৰিব নোৱাৰে। অৰূপৰ লগত একমত হবলৈ সি সঙ্কোচ বোধ কৰিলে। কোনোমতে সি বিশ্বাস কৰিব নোৱাৰিলে যে বৃদ্ধৰ কিবা গোপন মতলব থাকিব পাৰে। মানুহৰ হেঁচাত হয়তো তেওঁ নিৰুপায় হৈ পৰিছে। আৰু ছেক্ৰেটাৰীৰ দলে তেওঁৰ বাৰ্ধক্যৰ কোমলতাৰ সুযোগ গ্ৰহণ কৰিছে। তেওঁ নিজেও হয়তো ভাল পোৱা নাই। কিন্তু কি বাৰু কৰা যায়?

"মই যাওঁগৈ তেন্তে। কাইলৈ যোৱাৰ আগতে এপাক মাৰিম। আজি সন্ধ্যা মামীদেউৰ তালৈ যাব লাগিব। চাওঁ, মোক কিবা কিতাপ এখন দে। তোৰ ষ্টিফেন্‌ক্ৰে'নৰ গল্পৰ কিতাপখন মই লৈ আনিছোঁ। কি মাৰাত্মক সুন্দৰ গল্প, নহয়?" কৈ কৈ ৰাজেনে থিয় হ'ল।

"কষ্টাৰৰ কিতাপ এখন আহিছে নে? সিখনৰ দৰে পিছে ভাল

নাপাবি। সেই জাপটোৰ তলতে আছে, ৰ, মই দিছোঁ।" বিছনাৰ-পৰা নামি অৰূপে কিতাপখন উলিয়াই দিলে। দুয়ো কোঠাৰপৰা ওলাই আহিল। ৰাজেন প'ৰ্টিক'লৈ সোমাই গ'ল। আৰু সোমাব খুজিও দুৱাৰদলিত ভৰি দি অৰূপ বৈ গ'ল। নিজকে তাৰ অপৰিষ্কাৰ যেন লাগিল।

"জেঠো।" ৰাজেনে বৃদ্ধৰ অধ্যয়নৰ একাগ্ৰতা ব্যাহত কৰিবৰ চেষ্টা কৰিলে।

"ওঁ" বুলি অলপ ৰ'ল। তাৰ পিছত কিতাপৰপৰা মূৰ তুলি চালে ৰাজেনৰ মুখলৈ। চশমাৰ মাজেৰে তেওঁৰ চকুবোৰ উজ্জ্বল হৈ উঠা দেখা গ'ল। ওঁঠ দুটা ফাঁক হৈ আন্ধাৰ মুখখন পৰিষ্কাৰ হৈ পৰিল।

"ৰাজু! কেতিয়া আহিলি? কালি?"

"হয় জেঠো! কালি ৰাতি পালোঁহি।"

"বাৰু, পৰীক্ষা কেনে কৰিলি?

"বৰ বেয়া হোৱা নাই। এতিয়া আকৌ এক্স্‌কাৰ্‌চন্‌লৈ যাব লাগে। গোটেই ভাৰত দেখুৱাব।" পৰীক্ষাৰ প্ৰশ্নৰপৰা ৰাজেনে আঁতৰি অহাৰ কৌশল কৰিলে। চকিত দৃষ্টিৰে বৃদ্ধই দুৱাৰ মুখলৈ চালে, তাৰ পিছত ৰাজেনৰ লগত কথা পাতিলে আৰু অৱশেষত ৰাজেনে বিদায় ললে। বৌক মাত লগাবলৈ সি ভিতৰ চোতালৰ ফালে আগবাঢ়িল। অৰূপে বৌক চিঞৰি দিলে। ৰাজেনৰ দৃষ্টি ৰ'দত দিয়া গৰম কোট এটাৰ ওপৰত নিবদ্ধ হ'ল। পাকঘৰৰপৰা ব্যস্ত গৃহিণী হৈ বৌ ওলাই আহিল। হাতৰ খৰাহিটো মাটিত থলে। কঁকালৰপৰা চুটি কৰি লোৱা মেখেলাখন নমাই ললে। খুচিলোৱা চাদৰৰ আগটো একৰাই দি ৰাজেনলৈ চালে? কোটটোৰপৰা চকু ঘূৰাই আনি ৰাজেনে কলে, "বঢ়িয়া বস্তু ললা বৌ। এইবাৰ ললা?"

"কি? অ' কোটটো? মোৰ নহয় সেইটো, ননীৰহে।"

"মানে ?"

"ইয়ে, তোমাক কোৱাই নাই। ননী পৰীক্ষা দি ইয়াতে আছেহি নহয়। বিশ দিন মান হ'ল।"

"ক'লৈ গ'ল ছোৱালীজনী ?"

"নাই। ৰাতি পুৱাই গ'ল ডম্বৰু বৰাৰ ঘৰলৈ। সিহঁতৰ অকণিৰ লগতে খুব বন্ধুত্ব হৈছে। চোৱাছোন, এই পৰলৈকে তাইৰ আহিবৰ হোৱা নাই নে ?"

"আচ্ছা, মই যাওঁ বৌ। কাইলৈ পুৱা পাৰিলে এবাৰ আহিম।"

"সন্ধিয়া আহিবা। সন্ধিয়ানো কি কৰিবা ঘৰত ?"

"নাই, মামীদেউৰ তালৈ যাব লাগিব নহয়। বেয়া হব একেবাৰে নগলে। জোনজনী আছে তাতে। তাই লাগে যদি নমতাই হব। বাৰু যাওঁ, থাকা।" অৰূপলৈ ঘূৰি চাই ৰাজেনে অনুভৱ কৰিলে যে সি বহুত আগেয়েই সেই ঠাইৰপৰা অদৃশ্য হৈছে।

"যোৱা আৰু।" বৌ ৰাজেনৰ লগে লগে আগফালৰ দুৱাৰ-মুখলৈকে আহিল। অৰূপ বাৰাণ্ডাত থিয় হৈ আছিল।

"তই যোৱাৰ আগে আগে মোক লগ ধৰি যাবি। মনত থাকিব ?" অৰূপে সুধিলে।

ৰাজেনে হাঁহিলে। "এশবাৰ। কাইলৈ পুৱা।"

শৰ্মাৰ দোকানৰ আগেদি ৰাজেনৰ চাইকেল অদৃশ্য হৈ গ'ল। বৌ পাকঘৰলৈ সোমাই গ'ল। বাৰাণ্ডাত চকীত বহি অৰূপে দেখিলে সন্মুখৰ চোতালত ছুপৰটো শুই পৰিছে। গলি গলি আকাশৰ ৰং উজ্জ্বল নীলা হৈ পৰিছে। বহুত দূৰলৈ আঁতৰি গৈছে ধৱল মেঘৰ কপাহ। আকাশৰ ইজেলত যেন ডাৱৰৰ চৈনিক ড্ৰেগন্ আৰ্ট্। চহৰৰ যান্ত্ৰিক আৱাজ স্থিৰ হৈ গৈছে। উতলি উঠিছে ৰাস্তাৰ পিচ্। প'ৰ্টিক'ৰ কাষৰ ছাঁ পৰা চোতালত পাৰজনী বহি পৰিছে আৰু লগৰটোৱে চঞ্চল, উদ্দেশ্যহীন পদেৰে ইতস্ততঃ

অহাযোৱা কৰিছে। শৰ্মাৰ দোকানৰ ঝাপখন বন্ধ হৈ গ'ল চাইকেলেৰে পাৰ হৈ গ'ল অধ্যাপক ইছলাম। বৰদলৈৰ গাড়ী ঘূৰি আহিল। দূৰত ক্লাছ কৰিবলৈ অহা কলেজৰ এজাক ছোৱালী জিলিকি উঠিল। আৰু ততালিকে অৰূপ উঠি ভিতৰলৈ গ'ল।

কি ৰহস্যময় মানুহৰ দেহ আৰু মন! সিহঁতৰ সূক্ষ্মতম গুণবোৰ বুজিবলৈ হলে সিহঁতৰ অভিব্যক্তিৰ সোৱাদ লব লাগিব। সিহঁতে যি দৰে কোনো জঘন্য বৰ্বৰ পথেদি নিজকে প্ৰকাশ কৰিব পাৰে, সেই দৰেই এক অতীন্দ্ৰিয় চেতনাৰ মাজেৰে মহত্তৰ, সুন্দৰতৰ হৈ পৰিব পাৰে। সূক্ষ্ম চেতনা আৰু বিবেকৰ পতন কিমান ওচৰা-ওচৰি। দেহ আৰু মনৰ স্বাদ গ্ৰহণ সদায়েই বিপজ্জনক। কাৰণ মানুহে আপোন কৃতকৰ্মৰ বাবে নিষ্ঠুৰ পুৰস্কাৰেই প্ৰায়ে লাভ কৰে। আৰু কোনে জানে, নিষ্ঠুৰতাই হয়তো মানুহৰ অৱচেতনাৰ কাম্য। গণিতৰ সূত্ৰৰ দৰে যদি কোনো বিস্ময়কৰ উপায়েৰে জীৱনৰ সূক্ষ্ম ৰহস্যবোৰৰ সন্ধান পোৱা গ'লহেঁতেন, মনস্তত্ত্বৰ অনিশ্চয় প্ৰচেষ্টাৰ পৰিসমাপ্তি ঘটিলহেঁতেন। প্ৰজ্ঞাৰ সহায়েৰে চেতনাৰ চমকপ্ৰদ বিশ্লেষণ কৰিব পৰা হলে অভিজ্ঞতা বোলা বস্তুটো করুণ নহ'লহেঁতেন আৰু তাৰ এটা স্থিৰ, নৈতিক মূল্যায়ন সম্ভৱপৰ হ'লহেঁতেন।

বিছনাত পৰি পৰি অৰূপে এইবোৰকে চিন্তা কৰি গ'ল। ভাত খাই উঠি তাৰ টোপনি আহিব বুলি ভাবিছিল। যোৱা ৰাতিও টোপনি হোৱা নাই। (যোৱা ৰাতিৰ জঘন্যতা তাৰ মনত পৰি গ'ল আৰু দাৰুণ ঘৃণাত তাৰ মন অস্থিৰ হৈ উঠিল)। কিন্তু চিন্তা অথবা দুঃশ্চিন্তাৰ লানি নিচিগা শাৰীয়ে তাক ব্যতিব্যস্ত কৰি তুলিলে। ৰাজেনৰ কথা তাৰ মনত পৰিল। আৰু অতীতৰ দিনবোৰলৈ সি পাৰ হৈ গ'ল। কলেজত পঢ়াৰ প্ৰাণ-প্ৰাচুৰ্যৰ চিন্তাহীন দিনবোৰ। চাৰিটা বছৰ হঠাতে এদিন শেষ হৈ গ'ল। সেই নীৰস আৰু নিৰানন্দ

ক্লাছৰুমৰ যান্ত্রিকতা, য'ত অধ্যাপকে পঢ়ায় আৰু ছাত্রই শুনে, কিন্তু আচলতে কোনো পক্ষই আন্তৰিক সহযোগিতা নকৰে; সাংস্কৃতিক অনুষ্ঠানবোৰ, য'ত সংস্কৃত মনবোৰে অসহ্য চিৎকাৰ আৰু হৈ-চৈৰে আদিম প্রবৃত্তিৰ প্রকাশৰ পথ বিচাৰি পায়। বাটৰ কাষৰ ৰ'মিঅ'ৰ দল জুলিয়েটৰ যাদুৰ জৰীত নাচে। বিচিত্র বর্ণৰ জীন্ আৰু জেকেট্ শোভিত 'বিট্নিক্' দলৰ মুখে মুখে ক্লিফ্ৰিচার্ড অথবা পেট্বুনৰ শেহতীয়া গানৰ সুৰ। কমন্ৰুমৰ জকমকীয়া পর্দাৰ সিপাৰে কত গোপন ৰহস্য থ্প খায়। ইউৰিনেলৰ বেৰত কিমান কদর্য কার্টুন্ আৰু নিউজ্ আইটেম্। হোষ্টেলৰ দল-বৈষম্য, মেছ কমিটিৰ বাক্-বিতণ্ডা, শর্মা আৰু চৌধুৰীৰ কেলেঙ্কাৰীৰ কাহিনী, লেট্রিন্ লিটাৰেচাৰত লাস্কিৰ উক্তি, নিউটনীয় সূত্ৰৰ প্রতিপাদন, P=mf জাতীয় গাণিতিক ব্যাখ্যা আৰু অশ্লীল বর্ণনা। হোষ্টেলৰ সম্মুখৰ পেয়িং গেষ্ট্ ৰখা ৰহস্যময় জৰাজীর্ণ দুমহলীয়া ঘৰটো, ইলেকৃট্রিচিটি, কন্ট্রোল্ ৰুমৰ দুর্ভেদ্য দুর্গ আৰু চাৰ্চয়ার্ডৰ নিঃসংগ, গভীৰ, মৌন সন্ধিয়াবোৰ। 'ৰিপ'জ'ত সিহঁতৰ সন্ধ্যা আৰু দুপৰীয়াৰ বৈঠক। বিভিন্ন বিষয়ৰ লঘু-গুৰু আলোচনা: সম্ভাব্য তৃতীয় মহাযুদ্ধত নিৰপেক্ষ ৰাষ্ট্রসমূহৰ অৱস্থা, অমুক ৰাষ্ট্ৰৰ ৰাজনৈতিক দুৰৱস্থা, ধর্মঘটৰ ফলত দেশৰ অচলাৱস্থা, চৰকাৰৰ বিমূঢ়তা, পৰিকল্পনাৰ অগ্রগতি, শিক্ষা ব্যৱস্থাৰ পৰিবর্তন, প্রফেচৰচ ক'চিংস্কীমৰ প্রয়োজনীয়তা, এস্কট্ৰে'চ, আর্চেনেলৰ পৰাজয়, এম. চি. চি. চফৰ, আন্তর্জাতিক মহোৎসৱত ভাৰতীয় কথাছবিৰ ব্যর্থতা অথবা ম'ৰিচ চেভোলিয়াৰৰ শেহতীয়া ছবিৰ আশ্চর্য গান আৰু অভিনয়। ছাত্ৰৰ দাবী সম্পর্কে বাতৰি কাগজলৈ এখন চিঠি, ভাৰতীয় শ্ৰুতি আৰু আর্থাৰ মুৰৰ ক্ৰী-ব'র্ডৰ ওপৰত এটা সাধাৰণ প্রবন্ধ, লিটাৰেৰী চ'ছাইটি আৰু ইক'নমিক্ ফ'ৰামৰ অধিবেশন—এই সকলোবোৰৰ আঁচনি তৈয়াৰ হৈছিল 'ৰিপ'জ' বৈঠকত। ৰিপৰীত ফালৰ টেবুলত

দেখিলেই চিনি পোৱা চেল্‌ফ্‌-ষ্টাইল্ড শিল্পী-সাহিত্যিকৰ সমাবেশ। কেবিনৰ কাষৰ টেবুলত বিট্‌নিক্ দলৰ উচ্ছ্বসিত প্ৰচণ্ড হাস্যবেগ, ব্ৰেন্‌জিষ্টৰ্‌ চে'ট্‌ আৰু অৰ্থহীন তৰ্কৰ উৎপাত। চাহৰ কাপৰ ওপৰত বিভিন্ন দেশৰ ৰাজনীতি ওলট-পালট হৈ গৈছে, চিগাৰেটৰ ধোঁৱাত তৃতীয় মহাযুদ্ধৰ ব'ম্বাৰ্ডমেণ্ট্‌। তাৰ মাজে মাজে ভাঁহি আহিছে ৰক্‌-এন্‌-ৰ'লৰ সুৰ। বাকী সকলোবোৰ নিশ্চুপ, অসহায়ভাৱে কপালৰ শিৰ কোঁচাইছে আৰু ইফালে সিফালে চাইছে। আৰু অৱশেষত কাষৰ কেবিনৰপৰা ওলাই গৈছে এজাক ছোৱালী। টেবুলৰ ওপৰত আহি পৰিছে বিল। চাহৰকাপ শূন্য হৈ পৰিছে। চিগাৰেটৰ খালী পেকেট পৰি আছে। ধোঁৱাবোৰ উৰি উৰি নাইকিয়া হৈ গৈছে। কোন সময়ত ব্ৰেন্‌জিষ্টৰ চেট বন্ধ হৈছে। শেষ হৈ গৈছে সকলো উৎসাহ। আকস্মিক নীৰৱতা বিয়পি পৰিছে। ইয়াৰ পিছত গোটেই দেহটো পথলৈ বাহিৰ হৈ যাব আৰু গোটেই ঘৰটোৱেই এটা স্বস্তিৰ নিশ্বাস পেলাব। 'ডিচ্‌গাষ্টিং' বিকৃত মুখেৰে ৰাজুৱে কব। হীৰুৱে এটা ৰহস্য-ময় হাঁহি মাৰিব। নিতুয়ে গুন্‌গুন্‌কৈ গাই উঠিব এটা পৰিচিত গানৰ কলি। ৺ৱাৰৰ ফালে চাই আশ্বস্ত হৈ সুজিত বাতৰি কাকতৰ খেলাৰ স্তম্ভত ব্যস্ত হৈ পৰিব।

সি নিজে অৱশ্যে লাইব্ৰেৰীত পঢ়িবলৈ ভাল পাইছিল। ককায়েকে তাক ক্লাছিক্ গ্ৰন্থবোৰ পঢ়িবলৈ উপদেশ দিছিল। কিতাপ পঢ়ি সি বাহিৰৰ সমগ্ৰ তুঃস্থ পৰিবেশৰপৰা আঁতৰি থাকিব খুজিছিল। সি অনুভৱ কৰিছিল ক্লাছিকৰ তুৰ্ভেদ্য তুৰ্গই মানুহৰ একমাত্ৰ আশ্ৰয়। কিন্তু তাৰ পিছত চৰাইখানাত হঠাতে ৰাতি পুৱাল। এদিন সকলো শেষ হৈ গ'ল। ফাইনেললৈ কিছুদিন থাকোঁতে টাইফয়েডত ভুগি সি ঘৰলৈ গুচি আহিল।

এপিইঁতৰ ৰেডিঅ'ত 'বিবিধ ভাৰতী'ৰ অনুষ্ঠান শেষ হ'ল। অৰূপৰ বুকুখন মোচৰ খাই উঠিল। সি অনুভৱ কৰিলে তাৰ

জীৱনৰো এটা কল্প শেষ হৈ গ'ল। তাৰ অন্তৰাত্মাত এক হাঁহাকাৰী সুৰ ধ্বনিত হ'ল। দিনান্তত সূৰ্যাস্তৰ দৰে সেইবোৰ দিন শেষ হৈ গৈছে। ইয়াত এতিয়া অখণ্ড অন্ধকাৰ। যেন এটা সুখস্বপ্ন বাস্তৱৰ বুকুত ডুব দিলে। এটা সুন্দৰ আইডিয়াৰ লগত সি খেলা কৰি আছিল আৰু হঠাতে সেইটো মনৰ মাজৰপৰা হেৰাই গ'ল। চাবোনৰ ফেনেৰে সজা এটা প্যেটার্ন্ যেন শুকাই নিঃচিহ্ন হৈ গ'ল। অথবা হয়তো কোনো সৃষ্টিৰ আইডিয়াই তাৰ মনত খেলোৱা নাছিল। কেৱল খেয়াল মতেই সি কিছুমান কাম কৰি গৈছিল। সেইদিন, সেই স্বপ্ন, সেই সতীৰ্থৰ দল একে একে আঁতৰি পৰিছে। প্ৰত্যেকৰে পথ-অপসাৰী ৰশ্মিৰ দৰে ক্ৰমশঃ দূৰতৰ হৈ গৈছে। হীৰু এতিয়া মাঞ্চেষ্টাৰত কিহৰ জানো, গবেষণাত ব্যস্ত। নিতু বম্বেত ৱিদেশী ফাৰ্মৰ চাকৰিত। দুলু শ্বিলঙত। মহেন্দ্ৰ পাব্লিচিটি অফিচাৰ, নৰেন প্ৰফেচাৰ, জমিৰ ই. এ. চি., সুজিৎ প্ৰজেক্ট অফিচাৰ আৰু ৰাজু হ'ল ডাক্তৰ। ইচাক এতিয়াও ভাটখণ্ডে বিদ্যালয়ত। সিহঁতৰ লগৰ ছোৱালীবোৰৰ গাতো কিজানি এতিয়া দায়িত্বৰ বোজা পৰিছে। কোনোবা হয়তো হৈছে কলেজৰ অধ্যাপিকা অথবা স্কুলৰ শিক্ষয়িত্ৰী। অথবা শিৰত লৈছে গৃহলক্ষ্মীৰ সেন্দুৰ। স্বামীৰ মৰমৰ মাজত পাহৰি পেলাইছে অতীতৰ ত্ৰুটি-বিচ্যুতি, ৰিপ'জ্'ৰ কেবিন আৰু ৰিক্সা ৰাতিৰ কাহিনী; গাৰ্হস্থ্যৰ আবেষ্টনীত দায়িত্বশীলা গৃহিণী। হাঁহি আৰু চকুলোৰে জীৱন চলি গৈছে। গ্লেক্স' আৰু গ্ৰাইপ্ ৱাটাৰ, অইলক্লথ্ আৰু নেপ্‌কিনৰ গতানুগতিকতাৰ মাজতে সমাধা কৰিছে জীৱনৰ গধুৰ দায়িত্ব।...

শিশুৰ দ্ৰুত আৰু লঘু পদশব্দ উত্থিত হ'ল। মুন্নুৱে শ্বেল্‌ফত কিতাপ থৈ ডাকত অহা চিঠিবোৰ অৰূপক দি আহিল। এখন দেউতাকৰ, এখন বৌৰ, তিনিখন তাৰ, সি কিছু উৎফুল্ল হ'ল। ৰং-বেৰঙৰ চিঠি, খৃষ্ট্‌মাচৰ সম্ভাষণ আৰু নৱবৰ্ষৰ শুভেচ্ছা। সি

চিঠিবোৰ পঢ়িলে আৰু ছবিবোৰ চালে। তাৰ মনটো যেন মুহূৰ্তৰ বাবে ভাৰমুক্ত হৈ গ'ল। শিশুৰ দৰে সি ছবিবোৰৰ ৰঙৰ মাজত এক অনাবিল আনন্দ লাভ কৰিব ধৰিলে। হয়তো সেই ছবিবোৰে কঢ়িয়াই অনা বাৰ্তাৰ মাজতে তাৰ আনন্দই স্বতঃস্ফূৰ্তিৰ কাৰণ বিচাৰি পালে। সি বুজি পালে যে আবেগানুভূতিৰ ক্ষণিক তৰঙ্গই সাময়িক ভাৱে হলেও আত্মাৰ শ্ৰান্তি দূৰ কৰি দিয়ে।

হাতত একাপ চাহ লৈ মুন্নু সোমাই আহিল। ধীৰ আৰু স্থিৰ তাৰ পদক্ষেপ, মুখত পৃথিৱীৰ সমস্ত যত্ন আৰু সতৰ্কতা, কিন্তু চাহ পৰি পৰি প্লেটখন ভৰ্তি হৈ আহিছে। উঠিব খোজা খংটো দমাই অৰূপে সুধিলে, "বৌ ক'লৈ গ'ল ?"

পৰম যত্ন সহকাৰে মুন্নুৱে চাহকাপ টেবুলত থলে। এখোজ পিছুৱাই আহিল আৰু অপ্ৰতিভভাৱে কলে, "মায়ে কাপোৰ সামৰিছে।" কেইমুহূৰ্তমান ৰৈ সি ব্যস্তভাৱে ওলাই গ'ল। কি এক আবেগত অৰূপৰ অশ্ৰুৰ ভাঙি পৰিব খুজিলে।

চাহ কাপ শেষ কৰি অৰূপ নিশ্চলভাৱে বিছনাত পৰি ৰ'ল। ওলাই যোৱাৰ কথা ভাবিও সি নিৰস্ত হ'ল। গা-মন এতিয়াও একেবাৰে বেয়া। মূৰটো গধুৰ, বাহিৰতো একোকে ভাল নালাগিব। খিড়িকীৰে সি বাহিৰলৈ চালে। বিছনাৰ গাৰুৰ কাষত থকা কিতাপৰ দ'মৰ ওপৰেদি আকাশৰ এটা ক্ষুদ্ৰ টুকুৰা দেখা গ'ল। বায়ু তুৰঙ্গাৰোহী খণ্ড খণ্ড শুভ্ৰমেঘৰ কেভেল্‌কেড্‌ এটা ধীৰে ধীৰে পাৰ হৈ গ'ল। দেখা গ'ল দূৰৰ শিৱমন্দিৰৰ চূড়া, সুৰেন কাকতীৰ ঘৰৰ ওপৰমহলা, শৰ্মাৰ দোকানৰ পাছফালে থকা নাৰিকল জোপাৰ কেইটামান পাত, পমাগছৰ সেউজীয়া আৰু হালধীয়া পাত, মীনাক্ষী বাইদেউহঁতৰ প'চৰ দেখ-নেদেখ আভাস। বিপৰীত ফালৰ ঘৰবোৰত সূৰ্যৰ শেষ ৰশ্মি পৰিছে। সোণালী ৰংবোৰে খিড়িকীৰ কাঁচবোৰ উজ্জ্বল ধাতুৰ দৰে জিলিকাই তুলিছে। পূবৰ আকাশ শেতা গোলাপী

ৰঙেৰে করুণ। পশ্চিমৰ আকাশত জ্বলন্ত ৰঙৰ বিচিত্র বর্ণালী। আকাশলৈ চাই চাই সি আনমনা হৈ পৰিল। দূৰ-অতীতৰ গুপ্ত, অর্ধ-বিস্মৃত অলেখ স্মৃতিয়ে তাৰ মনত খেলি মেলি লগাই গ'ল। বিষাদেৰে তাৰ মন ভাৰাক্রান্ত হৈ উঠিল। স্মৃতিবিলাকক আদৰ কৰিবৰ মন নোযোৱা হ'ল। আৰু বাৰে বাৰে তাৰ স্কুলতে পঢ়া বিদ্যাপতিৰ কবিতা এফাঁকিলৈ মনত পৰিব ধৰিলে, 'সজনী ভাল করে পেখন না ভেল, মেঘমালা সঙ্গে তড়িতলতা জনু, হৃদয়ে শেল দেই গেল'। হঠাৎ তাৰ বিদ্যাপতিৰ কবিতা পঢ়িবৰ মন গ'ল। নিষ্ফল ইচ্ছা, বিদ্যাপতিৰ কবিতাপুথি তাৰ হাতত নাই। নিষ্ফলতাৰ বিৰক্তিৰে কিতাপদ'মৰপৰা সি ইংৰাজী কবিতাৰ এন্থ'ল'জী এখন উলিয়াই ললে। শ্বেলী, কীট্‌চ্, বায়ৰন্ পাৰহৈ গৈ আর্ণল্ড্ পালেগৈ, উভতি আহি ব্রাউনিং পালেহি। তাৰ প্রিয় কবিতা 'পৰ্ফিৰিয়াজ্ লাভাৰ্'টো উলিয়াই পঢ়ি গ'ল। কিন্তু কি বীভৎস। "And Strangled her........." তাৰ গাটো জিকাৰ খাই উঠিল আৰু সি ল'ৰালৰিকৈ পাত লুটিয়াই গ'ল। আৰু কোনোবা এসময়ত লেগুবৰ এটি সৰু কবিতাৰ ওপৰত তাৰ চকু স্থিৰ হৈ ৰৈ গ'ল···।

অ'ডেন্, য়েট্‌ছ্, ডে'লুই, ডাইলান্ টমাছ্ শেষ হ'ল। এন্থ'ল'জী বন্ধ হ'ল। তাৰ মন গ'ল গালিবৰ শায়ৰী পঢ়িবলৈ অথবা "থ্রি হাণ্ড্রেড প'য়েম্‌চ্ অব টাং ডাইনেষ্টি।" ডাঙৰ ডাঙৰকৈ মেঘদূত পঢ়িবলৈ অথবা জফৰৰ সুৰে সুৰে গাবলৈ, 'না কিসিকা আখোঁকি নূৰ হুঁ···।' আৰু কত অজস্র আজব কবিতা তাৰ পঢ়িবৰ মন গ'লহেঁতেন। কিন্তু শীতল বতাহজাকে যেন তাক বাহিৰ সম্পর্কে সচেতন কৰি দিলে। তাৰ জাৰ লাগিল। বাহিৰলৈ চাই সি দেখিলে, খিড়িকীৰ ফ্রেমাবদ্ধ আকাশত উদ্ভাসিত হৈছে দুই এটি তৰা। আন্ধাৰে ষ্ট্রিট লাইটবোৰ আৰু ষ্ট্রিট লাইটবোৰ আন্ধাৰবোৰে স্পষ্ট কৰি তুলিছে। শর্মাৰ দোকানৰ বেঞ্চত হাতে হাতে বিড়ি লৈ চুবুৰীৰ ৰান্ধনী আৰু পিয়ন

বোৰৰ সান্ধ্য বৈঠক। পার্কৰপৰা ঘুৰি আহিছে হাস্যমুখৰিত শিশুৰ দল। অন্যমনস্কভাৱে খোজ কাঢ়িছে অধ্যাপক মিশ্র আৰু চিগাৰেট লুকুৱাই অধোবদনে পাৰ হৈ গৈছে বিব্ৰত ছাত্ৰৰ দল। খোলা ৰিক্সাত অভাৱনীয়ভাৱে সোনকালে আৰু সঙ্গীহীন হৈ সঙ্গীত বিদ্যালয়ৰপৰা ঘুৰি আহিছে নমিতা, কোলাত অযত্নপতিত চে'তাৰ, আপাতদৃষ্টিত উদাস আৰু ক্লান্ত, দেহসজ্জাত স্পষ্ট অপৰিপাট্য। হয়তো তাইৰ সৰ্ব শেষ সঙ্গীৰ লগত মনোমালিন্য অথবা ঘৰৰ প্ৰশাসনীয় ৰীতিৰ কিছু কাঠিন্য, আগতপ্ৰায় পৰীক্ষা নাইবা চাৰৰ কটূক্তি এই পৰিবৰ্তনৰ কাৰণ। যাহওক, ল'ৰাজ্ঞাকৰপৰা দুটামান চিঞৰ শুনা গ'ল। তাই ঘুৰি চাই হাঁহি নামাৰিলে, কিছু আগলৈ যেন হালি পৰিল। শৰ্মাৰ দোকানৰ পাছফালে আন্ধাৰত বিক্ষিপ্ত জোনাকী পৰুৱাৰ জাক। প্ৰতিবেশী এপিইঁতৰ ঘৰৰ ৰেডিঅ'ত টাৰৰ টুং টাং তল পেলাই হাজৰিকাহঁতৰ ঘৰত হাজৰিকা আৰু প্ৰথম পক্ষৰ নিয়মিত কন্দলৰ শব্দ শুনা গ'ল। ওচৰৰে ক'ৰবাত সমবেত উৰুলি জোকাৰৰ ধ্বনি উঠিল। বৌহঁত ফুৰি আহিল। পাকঘৰত তেওঁলোকৰ আলাপ। বোধহয় সি ফুৰিবলৈ গ'ল বুলি ধৰি ললে। কেইটামান ল'ৰা, বজাৰ-প্ৰত্যাগত গৃহস্বামী আৰু চাকৰ, হাৱাখোৱা ছোৱালী ইতস্ততঃ অহা-যোৱা কৰিলে। সিহঁতৰ দীঘল ছাঁবোৰ লাইট প'ষ্টৰ ওচৰত সৰু হৈ গ'ল আৰু ক্ৰমাৎ দীঘল দীঘল হৈ অৱশেষত অন্ধকাৰত মিলি গ'ল। দুৰন্ত বেগত সোঁ সোঁ শব্দ তুলি কোনোবাই চাইকেল চলাই গ'ল। বিপৰীত ফালৰপৰা ঘৰবোৰৰ বেৰত ৰহস্যময় চলন্ত ছাঁ পেলাই ধীৰে ধীৰে মটৰ এখন আগবাঢ়িল। অৰূপে আবিষ্কাৰ কৰিলে, সাধুকথাৰ দৈত্যৰ দৰে ভয়াবহ কৃষ্ণবৰ্ণ এক বিৰাট দৈত্যই তাক গ্ৰাস কৰিছে, কোঠাটো ভৰি পৰিছে অন্ধকাৰেৰে আৰু সেই আন্ধাৰ এৰীচৰ অতল বুকুত সি নিমগ্ন হৈ পৰিছে, দৃষ্টি হৈ গৈছে অন্ধ, চেতনা স্থিৰ। তাৰ চাৰিওফালে

কি এক ভয়াবহ স্থবিৰতা। সমগ্ৰ ঘৰখন যেন এক ভৌতিক মায়াৰে পৰিবেষ্টিত। অৰূপে অনুমান কৰিলে ইতিমধ্যে এক বিৰাট পৰিৱৰ্তন হৈ গ'ল। সি অনুভৱ কৰিলে যে কোনো এক অৱধাৰিত চৰম মুহূৰ্তত হোৱা পৃথিৱীৰ এই নীৰৱ পৰিবৰ্তন সকলোৰে অনমুভূত হৈ ৰ'ল। স্বাভাৱিকতা আৰু গতানুগতিকতাত অভ্যস্ত মানুহৰ নিশ্চেতনাৰ সুযোগ লৈ নিশাৰ মায়াময় অন্ধকাৰে সহজেই পৃথিৱীত প্ৰৱেশ কৰিলে। গোটেই প্ৰণালীটো হৈ পৰিছ এটা অতি সহজঘটিত একান্ত স্বাভাৱিক ঘটনা। দিনান্তৰ এই মুহূৰ্ততে আৰম্ভ হয় ব্যস্ততাহীন, প্ৰশান্তিময় এক নতুন শান্ত প্ৰবাহ।

অকস্মাৎ, অৰূপে উৎকৰ্ণ হৈ শুনিবৰ চেষ্টা কৰিলে। তাৰ পিছত দ্ৰুতবেগে বে'ডচুইচটো বিচাৰি লাইটটো জ্বলাই দিলে। পে'নটো খুলি হাতত ললে আৰু কাগজ এখনত কিবা কিবি লিখিব ধৰিলে। সি শুনিলে প'ৰ্টিক'ত নেপুৰ মামাৰ গলগলীয়া স্বৰ। নেপুৰ মামাই দেউতাৰ আগত উচ্চ শব্দ ঝংকাৰেৰে কথা কব পাৰে, যোগেশ্বৰ দাস আৰু বৰদলৈৰ বিপক্ষেও যথেচ্ছভাৱে বকিব পাৰে। বৃদ্ধই কৃত্ৰিম ক্ৰোধ দেখুৱাই, তাৰ পিছত হাঁহি দিয়ে। খুলশালীয়েকৰ প্ৰতি তেওঁৰ মৰমৰ টান সহজেই অনুমান কৰা যায়। নেপুৰ মামা সফল ব্যৱসায়ী, তেওঁৰ মস্তিষ্ক ব্যৱসায়চাতুৰ্য আৰু বিভিন্ন পৰিকল্পনাৰে পূৰ্ণ। দেউতাকৰ একমাত্ৰ ষ্টেছনাৰী দোকানৰ তেওঁ তিনিটা ব্ৰাঞ্চ খুলিলে, প্ৰতিষ্ঠা কৰিলে ৱাটাৰ এণ্ড চাৰফেচ্ ট্ৰান্সপৰ্ট, সোণাপুৰত পাৰ্টনাৰ্শ্বিপত এখন ফাৰ্ম, ইষ্টাৰ্ণ প্ৰিন্টিং প্ৰেছ, ৰিহাবাৰীত দুটা ভাৰাঘৰ আৰু অলপতে হাতত লৈছে এখন সৰ্বাধুনিক ৰেষ্টোৰাৰ আঁচনি। নেপুৰ মামা অৰূপহঁতৰ আশৈশৱ ভীতি আৰু শ্ৰদ্ধাৰ কাৰণ। তেওঁ আছিল সিহঁতৰ আদৰ্শ পুৰুষ। সিহঁতে স্তম্ভিত হৈ চাইছিল, নেপুৰ মামাই একমোন গধুৰ বস্তু দাঁতেৰে কামুৰি উঠাইছে; চকুকেইটা যথাসম্ভৱ কপালত

তুলি দেখিছিল, ডিঙি আৰু পেটৰে হেঁচাদি ডুভাল লোহা বেঁকা কৰি দিছে সিহঁতৰে নেপুৰ মামাই। চুইমিং, চাইকেল ৰেচ, মটৰ ৰেচ শেষ হোৱাৰ আগতেই সিহঁত নিঃসন্দেহে 'ব্ৰডৰে'ৰ কেবিনত নেপুৰ মামালৈ অপেক্ষা কৰিছিল। সকলো ক্ৰীড়ানুষ্ঠানতে তেওঁ আছিল জনতাৰ প্ৰিয় নায়ক। টোকলাইত চাকৰি পোৱাৰ সময়ত সকলোৱে তেওঁক উপদেশ দিছিল সামাজিক প্ৰতিষ্ঠাৰ বাবে অৰ্থ আৰু সম্মান। কিন্তু নেপুৰ মামাই চাকৰি গ্ৰহণ নকৰিলে আৰু তাৰবাবে তেওঁ অনেক সমালোচনাৰ সন্মুখীন হ'ল। অৱশ্যে নেপুৰ মামা এতিয়াও বিপুল অৰ্থ আৰু সম্মানৰ অধিকাৰী। মামা আছিল সিহঁতৰ প্ৰাণ কেন্দ্ৰ। তেওঁৰ উদ্যোগত সভা বহিছিল। বান-প্ৰপীড়িতৰ সাহায্যাৰ্থে প্ৰদৰ্শনী ফুটবল খেল, সাহিত্য-সভাৰ পুঁজিৰ বাবে 'লাচিত মঞ্চ'ত নাট্যাভিনয়, মামাৰ অৰ্থ সাহায্যৰে এটা পিকনিক ইত্যাদি আঁচনি সভাত তৈয়াৰ হৈছিল। সিহঁত আছিল তেওঁৰ অগাধ মৰমৰ পাত্ৰ। কিন্তু কলেজলৈ যোৱাৰ পিছত সিহঁতৰ সম্বন্ধৰ সেই স্বাচ্ছন্দ্য ধীৰে ধীৰে অন্তৰ্হিত হ'ল। আৰু পৰীক্ষা নিদি গুচি অহাৰ পিছত অৰূপ নিজে মামাৰ ওচৰত ভীষণভাৱে অসহজ হৈ পৰিল। কিন্তু সি অনুভৱ কৰিলে মামাৰ প্ৰতি তাৰ অকৃত্ৰিম ভয় আৰু শ্ৰদ্ধা অপৰিবৰ্তিত হৈ ৰ'ল। সি অনুমান কৰিব পাৰিলে সিও হয়তো মামাৰ অন্তৰত পূৰ্বৰ স্নেহৰ স্থান অবিকৃতভাৱে দখল কৰি আছে। মাত্ৰ অজানিতভাৱে সিহঁতে উভয়ে উভয়ৰ ওচৰত অসহজ হৈ আহিব ধৰিছে। কিয়? অৰূপৰ কৰ্তব্যবিমুখতাৰ লজ্জা? মামাৰ অপ্ৰকাশ্য সন্তাপ? মামাৰ কি বিজিনেছমেনৰ অবিচল মনৰ গ্ৰহণ ক্ষমতা নাই? মামায়ো কি লাহে লাহে তাক শ্ৰদ্ধা কৰিব ধৰিছে? অৰূপৰ সন্দেহ হ'ল। মামাই হয়তো সি সাহিত্যত হাত দিয়াৰ কথা গম পাইছে আৰু সাহিত্যৰ প্ৰতি মামাৰ এক অসহায় দুৰ্বলতা আছে। সি লজ্জাবোধ কৰিলে। তাৰ ভয় হ'ল, মামাৰ লগত

তাৰ সম্পৰ্কৰ হয়তো আৰু অৱনতি ঘটি যাব পাৰে। তেতিয়া হ'লে শেষত আৰু কোনো উপায় নাথাকিব। তাৰ আগতেই মামাৰ লগত তাৰ সম্বন্ধৰ পূৰ্বৰ সহজ, স্বচ্ছন্দ, নিবিড় আত্মীয়তা ঘূৰাই আনিব লাগিব। এক সাহসী প্ৰচেষ্টাৰ বাবে সি নিজকে প্ৰস্তুত ক'ৰিলে।

সি গম পালে মামাই পাকঘৰত বৌৰ লগত কথা পাতিছে। কি কথা পাতিছে সি শুনিবৰ চেষ্টা কৰি ব্যৰ্থ হ'ল। বৌৱে ভাজি বগাই দিছে আৰু মামাৰ আগমনত সচকিত হৈ মুন্নুৱে আৰম্ভ কৰিছে এটা বহুপঠিত পুৰণি পাঠ। হাজৰিকাৰ ঘৰত এটা সৰু-সুৰা কোলাহল, লগে লগে শিশুৰ কান্দোন। এপিহঁতৰ ৰেডিঅ'ত আকাশবাণীৰ অনুষ্ঠান, চেতাবৰ ৰেৱাক্ত। অৱসৰৰ ক্লান্তি আৰু শীতৰ অত্যাচাৰত দেউতা বোধহয় লেপৰ তলত। মুন্নু হঠাৎ থামিল আৰু বৌহঁতৰ কথোপকথন অৰূপে তীক্ষ্ণ মনোযোগেৰে অনুধাৱন কৰিবৰ প্ৰয়াস কৰিলে। সি শুনিলে নেপুৰ মামাৰ কণ্ঠ, "সন্ধিয়া ফুৰিবলৈ নাগায় নেকি···তোমালোকে · খোৱাবোৱাত অলপ ··।" বৌৰ উত্তৰ শুনা নগল অলপ পিছতে মামাৰ জোতাৰ খট্ খট্ শব্দ আহি এঠাইত বৈ গ'ল। মামাৰ মাত শুনা গ'ল। "ননীমা, তুমি যোৱাৰ আগতে আকৌ এবাৰ যাবা আমাৰ তালৈ, ভাত খোৱাকৈ।"

"অ' নেপুৰ মামা, মই যে কালিলৈ যামগৈ ঘৰলৈ। চ'থাদিনলৈ মাখনীৰ বিয়া।" মধুকণ্ঠৰ এটা উত্তৰ আহিল। কিন্তু তাৰ প্ৰতিক্ৰিয়াৰ বিষয়ে একো শুনা নগ'ল। ভীষণ গৰ্জন কৰি ৰাস্তাই দি এখন মটৰ দৌৰি গ'ল (হয়তো ডিম্বেশ্বৰৰ টেক্সিৰ আজি বজাৰ মন্দা), মামাৰ মাত শুনি মুন্নুৰ পঢ়াৰ বেগ বাঢ়ি গ'ল আৰু বৰ্দ্ধিত ভলিউমত এপিহঁতৰ ৰেডিঅ'ত চেতাৰ বাজিবলৈ ধৰিলে। মামা হয়তো মুন্নুৰ ওচৰলৈ গ'ল, কি পঢ়িছে সুধিলে, কিবা এটা প্ৰশ্ন কৰিলে আৰু শেষত পকেটত মজুত থকা কাজুৰ পেকেটটো দি

মৰম। এটা চৰ সোধালে। অধীৰ উৎকণ্ঠাত অৰূপে ক্ষণ গণিলে। কিন্তু ইতিমধ্যেই তাৰ সকলো দৃঢ়তা আৰু মনোবল লোপ পাইছে। অস্থিৰ চিত্তে সি অপেক্ষা কৰিলে আৰু এনেতে পৰ্দা ঠেলি প্ৰবেশ কৰিলে নেপুৰ মামা। মামাৰ বাওঁহাতত গৰমটুপি, ডিঙিত কমফৰ্টাৰ, গাত গৰম চুট, ভিতৰৰ চুৱেটাৰটোত এটা সৰু ফুটা জিলিকিছে। এড়ীচাদৰখন লৈ অৰূপ থিয় হ'ল।

"কি কৰিছ, অৰূপ?" মামাই সহজভাৱে সুধিলে। "নাই ·· এনেয়ে···" অৰূপে সহজ হবৰ চেষ্টা কৰিলে। সি মামালৈ চালে আৰু মামাৰ দৃষ্টি অনুসৰণ কৰি দেখিলে, কি জঘন্য! কি কুৎসিত! পুৱা বৌৱে সজাই থোৱা টেবুলখনৰ অৱস্থা নাই। কিতাপৰ দ'ম, চিয়াঁহিৰ বটল, দাড়ি খুৰোৱা সৰঞ্জাম, আয়না ফনি, প্লেটত পৰা চাহেৰে এজোৰ কাপপ্লেট, এখন কেচি, উন্মুক্ত আলোচনী, বহী আৰু পেন ··। মামাৰ ভ্ৰূ কুঞ্চিত হৈ উঠিল। সোঁ জেপত হাত ভৰাই তেওঁ চিগাৰেটৰ বাহটো উলিয়ালে, তাৰ পিছত কিবা এটা ভাবি নিৰস্ত হ'ল। তড়িৎ বেগেৰে অৰূপৰ দৃষ্টি গাৰুৰ কাষলৈ গ'ল আৰু তাৰ পিছত যেন আশ্বস্ত হৈ ঘুৰি আহিল।

"তোক দেখোন দেখাই নাই কেবাদিনো? দোকানলৈ নাযাৱ কিয়? সন্ধিয়া একেবাৰে নোলাৱই নেকি? পঢ়া-শুনা অৱশ্যে কৰিবৰ হ'লহি।" মামা ৰ'ল। বিব্ৰতমুখে অৰূপে খোলা পে'নটো তুলি লৈ বন্ধ কৰিবৰ চেষ্টা কৰিলে।

"আৰু তোৰ স্বাস্থ্যটো কি হৈছে? খোৱাবোৱাত অলপ চকু দিবি। অসুখ-বিসুখ হৈছে নেকি কিবা?"

"নাই, অসুখ···ক'ৰা নাই, অসুখ হোৱা নাই দেখোন" বিভ্ৰান্তকণ্ঠে অৰূপে বাধা দিবৰ চেষ্টা কৰিলে, কথাত তাৰ অপ্ৰতিভতাৰ সুৰ ধৰা পৰিল। অকাৰণে মামাও বোধহয় অলপ মনে মনে লজ্জিত হ'ল। ৰেডিঅ'ৰ ডায়েলত মিটাৰ বাগৰিল আৰু এটা বিদেশী

চে'ণ্টাৰৰপৰা জাজবাণ্ডৰ উন্মত্ত সুৰ ভাহি আহিল। পুনৰ্বাৰ মামাৰ ভ্ৰূণ কুঞ্চিত হ'ল। হাত মোজাজোৰ উলিয়াই তেওঁ পিন্ধি ললে আৰু যাবৰ কাৰণে সাজু হ'ল। টুপীটো মূৰত দি কলে, "বাৰু থাক, মই যাওঁ। পুৱা যাবিচোন মোৰ তালৈ। কিবা ভাল খ'ব আছে নেকি···"

"বাৰু।" মামাৰ লগে লগে সি দুৱাৰদলিলৈ আগবাঢ়িলে। আৰু যাবলৈ সি দ্বিধাবোধ কৰিলে। কিহবাই যেন তাক বাধা দিলে আৰু কিবা এটা আশংকা কৰি সি পুনৰ কোঠালৈ সোমাই আহিল। তাৰ ধাৰণা হ'ল সি এতিয়া গৰমত ঘামি উঠিব, কিন্তু লেপৰ তলত সোমাবলৈ তাৰ মনটো ব্যাকুল হৈ উঠিল।

এয়েই 'তেনেহলে সুন্দৰ, মহৎ জীৱন যাপনৰ স্বাদ, অৰূপে নিজকে ক'লে। কথাটো সি কিছুসময় ভাবিলে। ব্যঙ্গটো সি মানি নললে। সি ভাবিলে যে এইবোৰ প্ৰাত্যহিক তুচ্ছতা। দিনটোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঘটনাৰ সৌন্দৰ্য বা মহত্ত্ব নাথাকিব পাৰে, সিহঁতক উপেক্ষা কৰি যাব লাগিব। 'কিন্তু মহত্ত্বৰ প্ৰশ্নই নুঠে, উপেক্ষা কৰিব পাৰিলোঁ ক'ত?' বিৰক্তিৰে সি নিজকে তীক্ষ্ণভাৱে প্ৰশ্ন কৰিলে। তাৰ অলপটোৰ ইগা'ই আত্ম-পক্ষ সমৰ্থনৰ চেষ্টা কৰিলে 'উপেক্ষাৰ অৰ্থ তুমি ভুল কৰিছা। ঘটনাৰ লগত তুমি জড়িত হৈ পৰিবলৈ বাধ্য। উপেক্ষা মানে আঁতৰিপৰা নহয়। উপেক্ষাৰ অৰ্থ হ'ল, সেইবোৰে যাতে তোমাৰ মনত দাগ কাটি নাযায়।' নিৰ্বিকাৰভাৱে সি আকৌ নিজকে তাচ্ছিল্য কৰি উঠিল, "কাৰণ, সেইবোৰ প্ৰাত্যহিক তুচ্ছতা, দৈনন্দিনৰ ক্ষুদ্ৰ ঘটনা। আৰু যোৱা ৰাতিৰ ঘটনাটোও নিশ্চয় তেনে এটি···"

যোৱা ৰাতিৰ ঘটনাটো···হয়তো···। কিন্তু লাভ কি, সি ভাবিলে, বাৰে বাৰে একেটা দুশ্চিন্তাৰে মূৰ গৰম কৰাৰ লাভ কি? স্বীকাৰ কৰাত দ্বিধা নাই হয়তো হৈছিল তাৰ ভুল। তাৰ জীৱনৰ

গতিৰ সাৱলীলতাৰ কালি হঠাৎ পতন ঘটিছিল। মুহূৰ্তৰ অসতৰ্কতাত বিবেকৰ শাসন হেৰাই গৈছিল। আৰু তাৰ বাবে এতিয়াও সি গুৰুতৰ অপৰাধবোধৰ জ্বালাত দহি-পুৰি মৰিছে। যোৱা ৰাতি··· এক দুৰ্যোগপূৰ্ণ মুহূৰ্তত বিবেকৰ বিচাৰ বিস্মৃত হৈ আবেগৰ উত্তাল বতাহত তাৰ সমগ্ৰ দেহ যেন জ্বলি গৈছিল। সি কঁপি উঠিছিল। তাৰ অন্তৰত তৃষ্ণাৰ্তৰ অস্থিৰ ব্যাকুলতা, তাৰ সন্মুখত শান্ত, শীতল সুপেয় জলধি······। অস্থিৰ যন্ত্ৰণাত কাতৰ হৈ উঠিল অৰূপ। তাৰ মূৰৰ ভিতৰত যেন কিবা এটা বস্তু ঘূৰ পাক খাই ফুৰিছে। বুকুৰ ওপৰত যেন কি এক গুৰু ভাৰ। সমগ্ৰ শৰীৰত অসহ্য জ্বালা। মুখখনত সি হাতফুৰাই দিলে আৰু টানমাৰি টেবুলৰপৰা আয়নাখন আনি চকুৰ আগত দাঙি ধৰিলে। সি নিৰ্বাক হৈ গ'ল, মামাই ঠিকেই লক্ষ্য কৰিছে। তাৰ চেহেৰা এইটো কি হৈছে! মুখখন শুকাই গৈছে, ঘুৰাঘুৰিৰ ফলত ক'লা পৰিছে, ওঁঠদুখন নীৰস আৰু নিৰ্জীৱ। চুলিবোৰ বিশৃংখল, কপালত ৰৈখিক সংকোচন। দুগাল ভৰ্তি শালমইনাৰ দাগ········ মেলনিউট্ৰিনচন·········হিম'গ্ল'বিনৰ ল'পাচেণ্টেজ···। তাৰ এসময়ত সুন্দৰ চকুত ক্লান্তিৰ জড়িমা। সমগ্ৰ মুখমণ্ডলত শ্ৰান্তিৰ সুস্পষ্ট ছায়া। একাগ্ৰ দৃষ্টিৰে সি আয়নালৈ চাই থাকিল। লাহে লাহে সি দেখিলে আয়নাৰ প্ৰতিবিম্বত নামি আহিছে শূন্যতাৰ কৰুণ বেদনা, প্ৰতিবিম্বৰ দুটা ক'লা মণি হৈ পৰিছে ক্ৰমে সিক্ত আৰু উজ্জ্বল। সেই দৰেই সি পৰি ৰ'ল অনেক সময়....।

দুৱাৰ মুখৰপৰা অহা এটা কোমল মাতত অৰূপ চমকি উঠিল। সি শুনিলে কোনোবাই তাক মাতিছে "অৰূপ, আহা অৰূপ!" মুহূৰ্তৰ ভিতৰতে কথাটো সি বুজি উঠিল আৰু বিছনাৰপৰা উঠি আহিল।

"টোপনি গৈছিলা নেকি? মই দুবাৰ মাতিছোঁ।" ভাতৰ কাঁহী আগত দি বৌৱে সুধিলে।

"নাই, কিবা এটা পঢ়ি আছিলোঁ।" নিদ্ৰাজড়িত তাৰ স্বৰটো গধুৰ হৈ ওলাল। বৌ তাৰ ওচৰতে বহি ললে।

"দেউতাই খালে ?" এনেয়ে সি সুধিলে।

"অ, এই খাই উঠিছেহে। তোমাৰ টোপনি বুলি ভাবিয়েই একেলগে নাবাঢ়িলোঁ।" বৌৰ কথাত আন্তৰিকতাৰ সুৰ ধ্বনিত হ'ল। সি চালে আৰু দেখিলে বৌৱে একে থৰে তালৈকে চাই আছে। তেওঁৰ দৃষ্টিত সি এখন সংবেদনশীল অন্তৰৰ কথা গম পালে। সি অনুমান কৰিব পাৰিলে যে বৌৱে হয়তো তাৰ চকুৰ উজ্জ্বলতা আৰু কণ্ঠত জড়তাৰ কাৰণ বুজি পাইছে। সি একেদৰে ভাত খাই গ'ল। মাজতে বৌ উঠি গৈ এগিলাচ গাখীৰ তাৰ আগত থলেহি।

"অ' এয়া কি ? মোৰ স্বাস্থ্যোন্নতিৰ ব্যৱস্থা নেকি ?" তোৰ মাতটো ডাঙৰকৈয়ে ওলাই আহিল।

"খোৱাচোন বাৰু। মামায়ো সন্ধিয়া তোমাৰ খোৱাৰ কথা কৈ গৈছে। আৰু মইতো জানো মা যোৱাৰপৰা তোমাৰ খোৱাত কিমান অৰুচি। দুপৰীয়াও ভাত চুলাহে মাত্ৰ।" বৌৰ মাতত একধৰণৰ অনুযোগ।

"নাই, কিবা এটা হৈছে। একেবাৰে খাবৰ ইচ্ছা নাযায় দেখোন। ডাক্তৰ খুড়াক এবাৰ দেখুৱাব লাগিব ৰবা। চাওঁ মোৰ পানীগিলাচ ভৰাই দিয়া, ময়ে লৈ যাওঁ।"

কোঠাত সোমায়েই সি পানী গিলাচ টেবুলত থলে। দুৱাৰ বন্ধ কৰি এটা চিগাৰেট জ্বলালে আৰু বিছনাত পৰি লাইটটো নুমাই দিলে। কোঠাত বিৰাজ কৰিলে ৰহস্যময় অন্ধকাৰ। লগে লগে তাৰ মনত সেই অসহ্য দৃশ্য ভাঁহি উঠিল। এইবাৰ সি দৃঢ়, যোৱা ৰাতিৰ বীভৎসতাৰ স্মৃতিয়ে তাক অস্থিৰ কৰিব নোৱাৰিলে। পুনৰাবৃত্তিৰ অভ্যস্ততাত স্মৃতিৰ প্ৰতি তাৰ শঙ্কা আৰু অশান্তি আঁতৰি

গ'ল। যোৱা ৰাতিৰ ঘটনাই তাৰ মনৰ পটত খেলি গ'ল। অন্ধকাৰ কোঠাৰ খিৰিকীৰ কাষত থিয় দি সি বাহিৰলৈ চাইছে। বৌহঁতে ভাত খাই উঠি কঁাহী-বাটি ধুইছে। বাহিৰত প্ৰশান্ত অন্ধকাৰ। ক'ৰবাৰপৰা আহিছে মন ভৰাই তোলা গানৰ সুৰলা সুৰ, বসন্ত বাহাৰৰ ঠুংৰী, তাৰ অন্তৰত এক অবুজ উন্মাদনা। সি শীত অনুভৱ কৰিছে। লেপখন পৰি আছে, অথচ সি উত্তাপৰ বাবে লেপখনৰ ওচৰলৈ যাব পৰা নাই। শব্দ এটা শুনি সি ঘূৰি চালে। আন্ধাৰত দেখিলে, মূৰ্তি এটা আহি তাৰ টেবুলত এগিলাচ পানী থলে, কেই মুহূৰ্তমান থিয় হৈ ৰ'ল, তাৰপিছত বিছনাখনলৈ জুমি জুমি চাবৰ চেষ্টা কৰিলে। নিজৰ অজ্ঞাতে সি খিৰিকীৰ ওচৰৰপৰা আগবাঢ়ি আহিল। তাৰ বুকুৰ মাজত উদ্দাম ব্যস্ততা, খোজত অস্থিৰতা, শৰীৰত কম্পন, সমগ্ৰ চেতনা জুৰি ব্যাকুল উন্মাদনা। আৰু এটা সময়ত সি অনুভৱ কৰিলে, তাৰ বন্দী চেতনাৰ মুক্তিৰ বাবে ৰুদ্ধকাৰাৰ দুৱাৰত সি হাত দিছে। আবেগৰ উচ্ছ্বাসত সি ভাগি পৰিল। তাৰ পিছত······তাৰ পিছত কি হ'ল সি কব নোৱাৰে। সি মাত্ৰ অনুভৱ কৰিছিল, এক মুহূৰ্তৰ বাবে অনুভৱ কৰিছিল, তাৰ বন্দী বুভুক্ষ আত্মাই মুক্ত পথেদি দুৰন্ত বেগে উৰা মাৰিছে, তাৰ অস্থিৰ দেহে ভাৰসাম্য ৰক্ষাৰ বাবে এটা অৱলম্বন বিচাৰি পাইছে, তাৰ কম্পিত জ্বলন্ত অধৰ মুহূৰ্তৰ বাবে শীতল হৈ পৰিছে। এটা মুহূৰ্ত! মাত্ৰ এটা মুহূৰ্ত! অকস্মাৎ, এটা তীক্ষ্ণ শব্দই নিৰ্দয়ভাৱে তাৰ হৃদয়ত আঘাত কৰিলে। তাৰ অৱলম্বন হেৰাই গ'ল। শূন্যতাৰে সমগ্ৰ কোঠা ভৰি পৰিল। কোঠাৰ বতাহ উত্তপ্ত হৈ উঠিল। মাত্ৰ দুৱাৰত খুন্দা খোৱাৰ এটা শব্দই বাৰে বাৰে তাৰ হৃদয়ত খুন্দিয়াই থাকিল।···

যোৱা ৰাতি আৰু আজি ৰাতিৰ কি পাৰ্থক্য, অৰূপে ভাবিলে। কালিৰ আগলৈকে তাৰ জীৱনৰপৰা আজিৰ জীৱন কিহত বেলেগ?

মুহূৰ্তঘটিত এক আবেগোচ্ছাসৰ স্ফুৰণক সি বাধা দিব নোৱাৰিলে, তাৰ বাবেই তাৰ জীৱনটো অৰ্থ শূন্য হৈ যাব নে ? তাৰ মূল্যবোধ জীৱনাদৰ্শ ধূলিত লুণ্ঠিত হৈ গ'ল নে ? তাৰ অৱচেতনাৰ আত্মপক্ষ সমৰ্থনকাৰী সত্তা প্ৰবলতৰ হৈ উঠিল। প্ৰাকৃতিক ঘটনা এটাক সি বাধা দিব কিয় ? গতিয়েই হ'ল সংঘাতপূৰ্ণ জীৱনৰ স্থিতিৰ লক্ষণ। তাৰ জীৱনত যি এক নতুন অঙ্কুৰণ সংঘটিত হব ধৰিছে তাক সি হেঁচা দি নাৰাখে। অঙ্কুৰণৰ সেই মধুৰ বেদনা সি অনুভৱ কৰিব। এয়েই তাৰ সময়। ভগৱানে তাক মাত্ৰ এটা ঋতু দিছে। সময় তাৰ প্ৰতি নিষ্ঠুৰ। কালৰ ঘঁহনিত তাৰ দেহা ভাগি পৰিব, মন উঁৱলি যাব আৰু অৱক্ষয়িত দেহমন লৈ বাৰ্ধক্যৰ জুহালত সি এদিন অনুতাপ কৰিব লাগিব। কাৰণ যি পাপ বা অসততাৰ দোহাই দি সি তাৰ কামনা অপূৰ্ণ ৰাখিব সেয়া তেতিয়া তাৰ দুৰ্বলতা বুলি প্ৰতিপন্ন হব। নাই, অৰ্থহীন নৈতিকতাৰ আদৰ্শবাদেৰে সি তাৰ যৌৱনটো অপচয় কৰিব নোৱাৰে। জীৱনৰ সোণালী দিনবোৰ সি উপভোগ কৰিব। যৌৱনেই মানুহৰ প্ৰতি ভগৱানৰ একমাত্ৰ অকৃপণ দান।

কব নোৱাৰাকৈয়ে এসময়ত অৰূপৰ টোপনি আহিল। কিন্তু অকস্মাৎ কিবা এটা শব্দত সি সাৰ পাই গ'ল। সি শুনিলে ষ্টেচনৰ পৰা আহিছে চাইৰেনৰ দীঘলীয়া টান, জাহাজঘাটৰপৰা কেইবাখনো জাহাজৰ সমবেত হুইছেল, ওচৰৰ ক্লাবৰপৰা ক্ৰেকাৰ আৰু মৰ্টাৰৰ বিস্ফোৰণৰ ধ্বনি, চাৰ্চত সমবেত প্ৰাৰ্থনাৰ সুৰ, চুবুৰিৰ স্ফূৰ্তি—উন্মাদ ল'ৰাদলৰ হৈ-চৈ, ন-বছৰৰ আনন্দ মুখৰ আদৰণি। এটা বছৰ পাৰ হৈ গ'ল। সময়ৰ সাগৰত বছৰৰ আৰু এটা ঢৌ। যোৱা বছৰৰ কথা মনলৈ আহিল। এটা বছৰৰ কীৰ্তিৰ শূন্যতাই তাৰ মনত পেলালে এটা নিষ্কৰ্মা, এলেহুৱাৰ ঘৃণ্য জীৱন। বাইছ বছৰীয়া জীৱনত তাৰ কোনো এচিভ্‌মেণ্ট নাই। এটা অসুস্থ দলত অন্তৰ্ভুক্তিৰ বিষাদ সি অনুভৱ কৰিব ধৰিলে, নিৰৰ্থক চিন্তা আৰু কৰ্তব্যবিমুখতা যাৰ

লক্ষণ, প্ৰচেষ্টাহীন আদৰ্শবাদ যাৰ নিচা। আৰু অৱশেষত সেই চিৰন্তন বৃত্তত সিহঁতে ঘূৰি ফুৰিব, জীৱনৰ কোনো মহৎ বিকাশৰ অৱকাশ নাথাকিব। অথচ প্ৰত্যেক নতুন পুৰুষৰে দায়িত্ব কিমান গভীৰ! সংক্ৰান্তি কালৰ প্ৰয়োজনীয় চেতনাৰ তীব্ৰতাৰ অভাৱ, সৰ্বাত্মক পুনৰ্জাগৰণৰ অনুপ্ৰেৰণা অনমুভূত। ঠিক এইদৰেই যদি চলি গৈ থাকে, অৰূপ চমকি উঠিল। তেন্তে কি হব পাৰে? সকলো আশা-নিৰ্ভৰ কৰিছে, পিছৰবোৰৰ ওপৰত, যাৰ কাৰণে এতিয়াও এটা দৃঢ় ভিত্তিৰ অভাৱ, য'ৰ ওপৰত সজা যাব পাৰে ভবিষ্যতৰ স্কাইস্ক্ৰেপাৰ। তাৰ নিজৰ দুৰ্ঘটনাটোৰ কথাত সি ভাবি চালে। এতিয়া আৰু সি বীভৎসতা নহয়। সি বিশ্বাস কৰিলে যে সেয়া মাত্ৰ তাৰ মনৰ এক পৱিত্ৰ কামনাৰ সুস্থ প্ৰকাশ। সমস্ত দিন সি অনৰ্থক মানসিক কষ্টৰ মাজেদি কটাইছে। দুই সত্তাৰ দুৰ্বহ দ্বন্দত সি অতীষ্ঠ; তাৰ অন্তৰৰ অহৰহ চিন্তাতৰঙ্গ বিক্ষিপ্ত। কি কাৰণে সি যোগেশ্বৰ ঠিকাদাৰৰ সৰ্বজনবিদিত কেলেঙ্কাৰী ইতিহাস ঘাটি চাব লগা হ'ল? কি কাৰণে মৰমৰ বৌৱেকজনীক সি কলুষিত কৰি আঁকিলে? কি যুক্তি-প্ৰমাণৰ ওপৰত সি ৰাজেনৰ কষ্ট-কল্পিত কলংক কাহিনী ৰচনা কৰিব লগা হ'ল? নিজকে সি বোধহয় ভীষণ অপৰাধী বুলি অনুভৱ কৰিছে। আৰু তাৰ কাৰ্যকলাপ স্ব-কল্পিত অপৰাধ ঢাকিবৰ বাবে তাৰ অৱচেতন সত্তাৰ প্ৰাণান্তকৰ চেষ্টা মাত্ৰ। বৌজনীৰনো কি দোষ! উজনি অসমৰ ধনাঢ্য পৰিয়ালৰ জীয়ৰী, থাকিলেইবা কিছু উচ্চাভিলাষ, সিহঁতৰ প্ৰতি মৰমত তেওঁতো কাহানিও কাৰ্পণ্য কৰা নাই। আৰু বেচেৰা ৰাজেন, গোটেই চহৰখনেই তাৰ বাবে গৌৰৱ কৰিব। স্কুলীয়া দিনৰপৰা তাৰ সাহচৰ্যৰ ভিত্তিত তাৰ চৰিত্ৰৰ সততাৰ বিষয়ে অৰূপে নিজে যি কোনো বাজী ৰাখিব পাৰে। কিন্তু যোগেশ্বৰ ঠিকাদাৰ? অৱশ্যেই ঠিকাদাৰ জহন্নামে গৈছে। কিন্তু অকল ঠিকাদাৰেই জানো? প্ৰগতিৰ পথত মানুহ প্ৰতিদিনে বৰ্বৰৰপৰা বৰ্বৰ হৈছে। মানুহৰ

কোনো ধৰ্ম নাই, প্ৰতীতি নাই, শুভ-বুদ্ধি নাই। বৰ্তমান জীৱনৰ সকলো দিশেই ঘুণে ধৰা; জীৱনৰ কোনো Shape and meaning নাইকীয়া হৈ গৈছে। এই অধোমুখী গতিবোধ কৰি মানুহক শুভপথলৈ আনিবলৈ এটা মিৰাকলৰ আয়োজন হব। সেই মিৰাকল্ জানো সংঘটিত হব? হব জানো তমিস্ৰাৰ ৰাতি কোনো জ্যোতিষ্মান্ প্ৰফেটৰ জন্ম? জীৱনটো সহনীয় কৰি তোলাৰ কোনো উপায়েই হয়তো নাই। কেৱল প্ৰাৰ্থনা কৰিব পাৰি, 'সনো বুদ্ধ্যা শুভয়া সংযুনক্তু।' অৰূপে এটা গভীৰ নিশ্বাস পেলালে। সি অনুভৱ কৰিলে সি অত্যন্ত ক্লান্ত হৈ পৰিছে। মানসিক সংঘাতত সি ভীষণভাৱে ভুগিছে। তাৰ দুৰন্ত ইচ্ছা হ'ল যেন সকলো বস্তু সি ভাঙি চুৰমাৰ কৰি দিব। বেৰৰ ফটো, মেজ-মাচিয়া, আলমাৰী, গোটেই ঘৰটো যেন সি ভাঙি চিঙি জ্বলাই দিব। টোপনিয়ে তাকে হেঁচি ধৰিলে। তাৰ চকু মুদ খাই আহিল।

বহুত দেৰীকৈ সি সাৰ পালে। প্ৰভাতৰ উজ্জ্বল পোহৰেৰে তাৰ কোঠা ভৰি পৰিল। নতুন বছৰৰ প্ৰথম প্ৰভাত। লেপৰ তলৰ-পৰা ওলাবলৈ মন নগ'ল। সি শুনিলে পাকঘৰত বৌহঁতে আলাপ কৰিছে। মুনুৱে আজি পঢ়া নাই প'ৰ্টিকত দেউতাৰ কাহ অশ্ৰুত। ৰেডিঅ'ত গীটাৰৰ সুৰ। ঘৰৰ-ওচৰত এখন মটৰ ৰ'লহি। মাইকৰ হুলস্থুল শুনা গ'ল। কিবা এটা ঘোষণা—পিক্‌নিক্ নে পাব্‌লিক্ মিটিং। সি অত্যন্ত বিৰক্ত হ'ল। বিছনাৰপৰা উঠি পৰিল। মুখ-হাত ধুই আহি চোতালৰ ৰ'দত পাৰি থোৱা চকী-মেজতে বহি পৰিল। দেউতাকে অলপ আগেয়ে চাহ খাই গৈছে। মিঠা ৰ'দ পৰিছে। মুনুক ইফালৰপৰা সিফাললৈ যোৱা দেখা গ'ল। সি বাতৰি কাগজখন খুলি ললে। মামাৰ তালৈ যাব লাগিব। 'জ্যোতি'ত স্পেচিয়েল্ মৰ্নিং শ্ব' আছে, চুগ্ৰাইৰ 'এ ক্লিয়েৰ স্কাই'। হাজৰিকাৰ ঘৰত সকবোৰৰ কোনোবা এটাই চিঞৰি গান গাইছে। এপিইঁতৰ

ঘৰৰ ৰেডিঅ'ত জাজ্‌ মিউজিক্ বাজি উঠিল। বাস্তাইদি কেইবাখনো চাহাব-মেম যোৱা সজ্জিত গাড়ী পাৰ হৈ গ'ল বোধহয় চাৰ্চলৈ। সুৰেন কাকতীৰ ঘৈণীয়েকে ওপৰ মহলাৰ ৰ'দত বহি সন্তৰ উল গুঠিছে। চাহৰ কাৰণে সি পাকঘৰলৈ চালে। দেখিলে চাহৰ ট্ৰে' হাতত লৈ বাৰাণ্ডাত ননী থিয় দিছে। সি এটা ঢোক গিলিলে আৰু গম্ভীৰ হবৰ চেষ্টা কৰিলে আৰু দেখিলে ননীয়ে সুন্দৰকৈ হাঁহিছে। বিস্মিত, বিভ্ৰান্ত অৰূপৰ ভ্ৰূ কুঞ্চিত হৈ পৰিল। সি তলমূৰ কৰি কাগজলৈ চালে। ননী আহি ট্ৰে'ৰপৰা বস্তুবোৰ নমাই টেবুলত থৈ গ'ল। সাহসেৰে সি পুনৰবাৰ তাইলৈ মূৰ তুলি চালে। তাইৰ চকু আৰু ওঁঠত দুষ্টামিৰ হাঁহি। অৰূপৰ ওঁঠেদি হাঁহি এটা বাগৰি গ'ল।

"মানে ?" চকুকেইটা যথাসম্ভৱ ওপৰলৈ তুলি অৰূপে এটা অৰ্থব্যঞ্জক প্ৰশ্ন কৰিলে। ননীয়ে অকণমানকৈ জিভাখন উলিয়াই দিলে।

"ননী, জেলীৰ বটল দেখোন এৰি থৈ গলি ?" পাকঘৰৰপৰা বৌৱে চিঞৰিলে। ননীৰ জিভাখন দীঘলকৈ ওলাই গ'ল। তাই পাকঘৰলৈ দৌৰ মাৰিলে। অবুজভাৱে অৰূপ শিহৰি উঠিল। তাৰ অন্তৰে ৰেডিঅ'ৰ সংগীতৰ সুৰে সুৰে তাল দিব ধৰিলে।

"মুনু" ! ননীৰ আতংকগ্ৰস্ত চিৎকাৰ শুনা গ'ল। ব্যস্ত হৈ অৰূপে ঘূৰি চালে। হাতত জেলীৰ বটল লৈ পাকঘৰৰ বাৰান্দাৰপৰা ননীয়ে আতংকৰে মুনুক চিঞৰিছে আৰু তাইৰ দৃষ্টি অনুসৰণ কৰি অৰূপে দেখিলে কুঁৱাৰ পাৰৰ মধুৰিআমজোপাৰ একেবাৰে সূক্ষ্ম ডাল এটাত ভৰ দি মুনুৱে ডাঙৰ ফল এটা কৰায়ত্ত কৰিবৰ দুঃসাহসিক চেষ্টা কৰিছে। দ্ৰুতপদে অৰূপ গছৰ তললৈ গ'ল। অতি কষ্টে মুনুৱে ফলটো হাতৰ মুঠিত লৈ অপেক্ষাকৃত নিৰাপদ ডাল এটালৈ ঘূৰি আহিল।

"খুব মস্ত, চোৱা অৰূপ থুৰা।" মুন্নুৱে তাৰ চিকাৰটো দাঙি দেখুৱালে। অৰূপে হাঁহিলে। মুন্নুৰ মুখতো প্ৰচ্ছন্ন পৰিতৃপ্তিৰ হাঁহি বহল হৈ পৰিল। ঘুৰি চাই অৰূপে দেখিলে ননী আশ্বস্ত হৈছে।

"ডেয়াৰ ডেভিল।" সি কলে। ননীৰ মুখত ফুটি উঠিল সেই মনোমোহা হাঁহি। সিও হাঁহি দিলে। পূৰ্ণতা আৰু প্ৰাপ্তিৰ প্ৰতিশ্ৰুতিৰে পুৱাটো উজ্জ্বল হৈ পৰিল।

"হেপী নিউ ইয়েৰ" আনন্দোচ্ছল হাঁহিৰে ৰাজেন সোমাই আহিল।

"হেপী নিউ ইয়েৰ, অল্ড বয়।" অৰূপে উত্তৰ দিলে। গছৰ ওপৰৰপৰা মুন্নুৱে ৰাজেনক নতুন বছৰৰ সম্ভাষণ জনালে। বিস্মিত-ভাৱে ৰাজেনে ইফালে সিফালে চালে আৰু গছৰ ওপৰত মুন্নুক আবিষ্কাৰ কৰি উচ্চ হাঁহিত ফাটি পৰিল। নতুনকৈ চাহ লৈ ননী ওলাই আহিল। তাই ৰুটিত জেলী সানি গ'ল আৰু কাপত চাহ বাকিলে। দুই বন্ধুৱে চাহ খোৱাত মনোযোগ দিলে।

"ননী কেতিয়া যাবা?" ৰাজেনে সুধিলে।

"আছোঁ কেইদিনমান। আপুনি?"

"এই যাওঁৱেই। চাৰে নবজাৰ এক্সপ্ৰেছত যাম গুৱাহাটীলৈ। কাইলৈৰপৰা এক্সকাৰচন আছে।"

ৰাজেনৰ অলক্ষে অৰূপৰ বিভ্ৰান্ত দৃষ্টি ননীৰ মুখৰ ওপৰত নিক্ষিপ্ত হ'ল। আৰু তাৰ দৃষ্টিয়ে ননীৰ কপট ক্ৰোধান্বিত দৃষ্টিক লগ পালে। সেই দৃষ্টিত নিহিত প্ৰচ্ছন্ন ইংগিত সি বুজি উঠিল। তাৰ মুখত এক জাতীয় ৰহস্যময় হাঁহি খেলি গ'ল। সি দেখিলে পৰমতৃপ্তিৰে নিৰুদ্বেগ-ভাৱে মুন্নুৱে তাৰ কষ্টাৰ্জিত ফলৰ ওপৰত মনোনিবেশ কৰিছে। গভীৰ প্ৰশান্তি আৰু আনন্দেৰে তাৰ অন্তৰ সজীৱ হৈ পৰিল। সি শুনিলে সিহঁতৰ পাছফালৰ বহল খোলাপথাৰৰ সিপাৰে থকা চাৰ্চত প্ৰাৰ্থনা

গীত গাইছে। বাথৰুমত বৌৰ গান শুনা গ'ল। পিক্‌নিক্ পাটিৰ মটৰ এখনে মাইক লগাই হুলস্থূল কৰি গ'ল। সিহঁতে চাহৰ কাপ তুলি ললে। প্ৰতিবেশীৰ ৰেডিঅ'ৰপৰা ক্লাইমেক্সত সঙ্গীত ভাঁহি আহিল। দূৰৰ চাৰ্চৰপৰা কেৰলৰ সুমধুৰ গুৰুগম্ভীৰ ধ্বনি "And help us all with six to strive।

দাপোণ

মই আচৰিত হৈ মাজবাটতে বৈ গ'লোঁ। স্বয়ংক্রিয়ভাৱে মোৰ সোঁহাতখন থুঁতৰিলৈ উঠি গ'ল। বাওঁহাতখনৰে জেপত কিবা এটা চেপি ধৰিলোঁ। মোৰ কপালৰ ৰেখাবোৰ দুই ভ্ৰূৰ ওপৰত থুপ খালে আৰু মোৰ দৃষ্টি ঘণীভূত হৈ পৰিল। পদূলিৰপৰাই মই দেখা পালোঁ সিহঁতৰ সন্মুখৰ কোঠাটো প্ৰায় অন্ধকাৰ। দ্বিতীয় কোঠাৰ পৰ্দাৰ ফাঁকেৰে পোহৰ ওলাই আহিছে। মই অনুমান কৰিব পাৰিলোঁ কোঠাৰ চুকত এটা দুৰ্বল লণ্ঠন জ্বলিছে। দুই এটা ছাঁ ইফাল সিফাল কৰিছে। হাৰ্মনিয়াম বাজিছে। অনিয়মিতভাৱে নেপূৰৰ ৰুম ঝুম শব্দ উঠিছে। আৰু টুকুৰা টুকুৰ গান আৰু কথাৰ মিশ্ৰিত শব্দ ভাঁহি আহিছে। মজলিছৰ চঞ্চল পৰিৱেশ কোঠাত বিৰাজ কৰিছে। মই আৰু কিবা আবিষ্কাৰ কৰিবলৈ চাৰিওফালে চালোঁ। ঘৰটোৰ বাকী অংশত আন্ধাৰ পোহৰৰ সংমিশ্ৰণ। অলপ আঁতৰত ষ্ট্ৰীট লাইটটো জ্বলিছে। পদূলিৰ শেৱালি জোপাৰ ছাঁ পৰি ঘৰৰ সন্মুখৰ বাগিচা অথবা বননিখন অন্ধকাৰ হৈ আছে। হতাশ হৈ মই বুজিলোঁ যে মই ইয়াত এইদৰে থিয় হৈ থাকিব নোৱাৰোঁ আৰু অনিচ্ছাস্বত্বেও মই খোজ চলাই দিলোঁ। মনতে মই সেই ৰহস্যময় কোঠাটোৰ ছবি এখন আঁকিবৰ চেষ্টা কৰিলোঁ। কিন্তু প্ৰায় লগে লগেই বিস্মিত হৈ ভাবিব ধৰিলোঁ যে আজি কিয় মজলিছ বহিব? মজলিছ কেনেকৈ বহিব পাৰে? আজি কাৰ সন্মানৰ বাবে…? মোৰ মনটো খেলি মেলি লাগি গ'ল। চিগাৰেটৰ বাহটো উলিয়াই আনিলোঁ আৰু হতাশ হৈ দেখিলোঁ যে বিস্ময়ৰ মুহূৰ্তত বাহটো চেপি নষ্ট কৰি পেলাইছোঁ। ভিতৰত অন্ততঃ তিনিটা চিগাৰেট চেপেটা লাগিছে।

অত্যন্ত বিৰক্ত হলোঁ। বাহটো বাটৰ কাষৰ খাললৈ দলি মাৰি পেলালোঁ আৰু চাবি আলিটোৰ মূৰত এপেকেট নতুন চিগাৰেট কিনি এটা জ্বলাই ললোঁ। আকৌ মই বাটেদি আগ বাঢ়িলোঁ। আজি দেওবাৰ ভন্টি ৰঞ্জুহঁতক আজি পঢ়াব নালাগে। সপ্তাহটোৰ শেষত মুকলি মনেৰে মই আজি ফুৰিবলৈ আহিছিলোঁ। অন্যমনস্কভাৱে মই খোজ কাঢ়িব ধৰিলোঁ। মোৰ মনলৈ আকৌ সিহঁতৰ ঘৰৰ মজলিছৰ কথা ভাঁহি আহিল। পুনৰবাৰ মোৰ হাতখন থুঁতৰিলৈ উঠি গ'ল মই অনুভৱ কৰিলোঁ মোৰ ডাঢ়িবোৰ অসম্ভৱৰূপে বাঢ়িছে। মই এতিয়াই উভতি গৈ হিন্দ হেয়াৰ কাটিং চেলুনত সোমামগৈ, কিন্তু মই একে-পিনেই অস্থিৰ খোজেৰে গৈ থাকিবলৈ ধৰিলোঁ। মোৰ কাষেৰে উত্তেজিত তৰ্কেৰে ল'ৰাৰ জাক পাৰ হ'ল, সুবাস উৰাই গ'ল কেইজনী-মান ছোৱালী, উচ্চ হাস্যধ্বনিৰে বিপৰীত ফালৰপৰা আহিল অন্য এজাক ল'ৰা। আলাপমগ্ন দুজন প্ৰৌঢ়, চাইকেল আৰু ৰিক্সা, অকস্মাৎ এখন মটৰগাড়ী, বিকটস্বৰৰ গান গাই নিৰ্বিকাৰ এটা চানাচুৰৱালা, সান্ধ্যভ্ৰমণৰত অধ্যাপক, বজাৰ অভিমুখী পৰিয়াল, ব্যস্ত খোজৰ চাকৰ আৰু দুজন অমনোযোগী শিল্পী চেহেৰাৰ ব্যক্তি মোৰ কাষেৰে অহাযোৱা কৰিলে। মই অৰ্থহীনভাৱে সিহঁতলৈ চালোঁ। সিহঁত কোনোৱেই মোলৈ নাচালে। যন্ত্ৰৰ দৰে মই আগবাঢ়ি গৈ থাকিলোঁ আৰু নিতান্ত নিৰ্বিকাৰভাৱে বস্তুবোৰ চাই যাবলৈ ধৰিলোঁ। মোৰ অন্তৰত সামান্য প্ৰতিক্ৰিয়াও অনুভূত নহ'ল। সকলোবোৰ মোৰ চকুৰ আগেদি চিৰপৰিচিত অনাকৰ্ষণীয় ছবিৰ দৰে পাৰ হৈ গ'ল। মই দেখিলোঁ কুমুদদাৰ দোকানলৈ এখন নতুন ধৰণৰ ফেন আনিছে। ফেনখন সোঁৱে-বাৱে-তলে-ওপৰে বিভিন্ন ধৰণে ঘূৰিছে। বিৰজুৰ পাণ দোকানত ওলমি থকা লাইটটো ধীৰে ধীৰে দুলিছে আৰু তাৰ পোহৰত ওলমি থকা ৰঙা, নীলা টিনৰ স্পাইৰেলবোৰ ভীষণ জোৰে ঘূৰা যেন লাগিছে। মই অনুভৱ কৰিলোঁ যে মই অত্যন্ত অশান্ত হৈ

পৰিছোঁ। মোৰ চেতনা অন্তৰ্মুখী হৈ পৰিছে। মোৰ সমগ্ৰ অনুভূতি আৰু চিন্তাতৰঙ্গ বাস্তৱ-চেতনা বিবৰ্জিত হৈ এক বেদনা-দায়ক উত্তৰহীন প্ৰশ্নৰ চাৰিওফালে পাকঘূৰণি খাই ফুৰিছে। মই হতাশ হৈ পৰিছোঁ। মই বিমূঢ় হৈ গৈছোঁ। মোৰ বিবেকবুদ্ধি লোপ পাইছে। আৰু অবুজৰ দৰে কোনো সিদ্ধান্ত নোহোৱাকৈ সুস্পষ্ট কোনো কাৰণ নোহোৱাকৈ মই দুঃখ কৰিবলৈ আৰম্ভ কৰি দিছোঁ। মই পঞ্চম চিগাৰেটটো জ্বলাই লৈছোঁ।

আৰু ইতিমধ্যে মই এক নিস্তব্ধ পৰিৱেশৰ মাজত সোমাই পৰিছোঁ। মই বুজিলোঁ যে মই কলেজ ৰ'ডৰ শেষ প্ৰান্ত পাইছোঁহি আৰু তৎক্ষণাৎ মোৰ মনত খেলাই গ'ল যে নিজৰ অজ্ঞাতসাৰেই মই আচলতে অনিলৰ ঘৰলৈ আহিছোঁ। কেইবাটাও একে ধৰণৰ ঘৰৰ মাজত মই তাৰ ঘৰটো চিনিব নোৱাৰিলোঁ। ক্ষন্তেক দ্বিধাগ্ৰস্ত হৈয়েই অনুমানতে এটা ঘৰত সোমাই দুৱাৰ ঢকিয়ালোঁ। চিনাকি চাকৰটো ওলাই আহিল আৰু মই বুজিলোঁ যে মোৰ অনুমান নিৰ্ভুল হৈছে।

"বাবু আছে নে?" মই সুধিলোঁ।

"নাই।" সি কলে।

"অফিচৰপৰা আহিল নে নাই?" মই সুধিলোঁ।

"অফিচৰপৰাতো আহিল! তাৰ পিছত ওলাই গৈছে।" সি কলে।

'হুঁঃ আহিবৰ এসপ্তাহ হোৱা নাই ঘুৰাঘুৰি আৰম্ভ কৰিছেই'— থুঁতৰি মোহাৰি মোহাৰি মই ভাবিলোঁ আৰু বিৰক্ত হৈ ওলাই আহিলোঁ। আহিয়েই সি মোক যিবোৰ কথা কৈছিল যেন এই ক্ষুদ্ৰ চহৰত মোৰ বিহনে তাৰ জীৱন অচল। অথচ দেওৱাৰৰ গধূলিও তাক পাবলৈ নাই। মই ভাবিব ধৰিলোঁ অনিল ক'লৈ যাব পাৰে, কিন্তু কোনো সদুত্তৰ নাপাই মোৰ বিৰক্তি ক্ৰমশঃ বৃদ্ধি পালে।

বিভিন্ন বিক্ষিপ্ত চিন্তাতৰঙ্গই মোৰ মনত খেলা কৰিব ধৰিলে আৰু অস্থিৰচিত্তে মই সেইবোৰত ব্যস্ত হৈ পৰিলোঁ। আকৌ আহি মই বজাৰ পালোঁহি। ফ্রেগুচ ক্লাবত ৰেডিঅ' আৰু টেবুল টেনিচ চলিছে। বন্ধ কিতাপৰ দোকানবোৰ থিয় দি আছে। ৰিক্সাবোৰ শাৰী পাতি বৈছে। মানুহৰ ভিৰ কমিছে। 'আপ্যায়ন'ৰ টেবুলত এতিয়াও এজুম ল'ৰা, মিউজিক্ চেলুনৰ সম্মুখত এতিয়াও এদল শ্রোতা। মই নির্বিকাৰভাৱে সিহঁতৰ আগেদি আগ বাঢ়িলোঁ। কেইটামানে মোক দেখি উচপিচ কৰিলে। বোধ হ'ল, মোৰ ছাত্র। মই গৈ থাকিলোঁ আৰু হিন্দ হেয়াৰ কাটিং চেলুন দেখি স্বয়ংক্রিয়ভাৱে মোৰ হাতখন থুঁতৰিলৈ উঠি গ'ল। অনুমান কৰিব পাৰিলোঁ যে নভবাকৈয়ে আচলতে মই ডাঢ়ি খুৰোৱাৰ কথা ভাবি আছোঁ। চেলুনত সোমাই এখন চকীত বহি পৰিলোঁ। 'ওস্তাদে' সুধিলে মই ডাঢ়ি 'বনাম' নেকি আৰু মোৰ সম্মতি পাই তেওঁৰ অভ্যস্ত হাত ব্যস্ত হৈ পৰিল।

সম্মুখৰ দাপোণত মই দেখিলোঁ মোৰ চেহেৰা উদভ্রান্তৰ দৰে হৈছে শ্রান্ত আৰু বিৰস বদন। বিশৃঙ্খল চুলি আৰু নিস্তেজ চকু। হঠাৎ মই দাপোণত দেখিলোঁ সুধীৰবাবু ব্যস্তপদে চেলুনৰ সম্মুখেদি খোজ কাঢ়িছে। মোৰ মনত তেওঁৰ ছবি তৎক্ষণাৎ স্পষ্টতৰ হৈ পৰিল। সুধীৰবাবুৰ অপৰাধী মুখচ্ছবি মই স্পষ্ট দেখা পালোঁ। তেওঁৰ চকুত অসহায় দৃষ্টি, তেওঁৰ চুলি ৰুক্ষ আৰু কপালৰ ওপৰভাগ চুলি সৰি পৰিষ্কাৰ হৈছে। তেওঁ শীর্ণ, তেওঁৰ মুখ বহি গৈছে আৰু তেওঁ কিছু আগলৈ হালি পাৰিছে; কাৰণ, তেওঁৰ পত্নীয়ে তেওঁৰ ডিঙিত নিয়মিত-ভাৱে আধা ডজন সন্তান আঁৰি দিছে। আৰু স্বস্তিৰে তেওঁ ভাবিছে যে যিহওক পত্নী গ্রহণৰ উদ্দেশ্য সফল হৈছে, অৱশেষত তেওঁৰ ষষ্ঠ সন্তানে তেওঁৰ প্রথম পুত্রৰ গৌৰৱেৰে জন্ম গ্রহণ কৰিছে। তেওঁৰ গাত লেতেৰা পাঞ্জাবী আৰু ধুতি, ভৰিত ক'লা ৰবৰৰ পাম্পশু। পাঞ্জাবীৰ ওপৰ জেপত এজাপ কাগজ আৰু এটা কলা পেন;

অপথেদি মসী নিঃসৰণ কৰি পেনটোৱে তেওঁৰ পৰিচ্ছদ যথা সম্ভৱ কলংকিত কৰিছে। তেওঁৰ সমগ্ৰ শৰীৰত কেৰানীৰ জীৱন্ত প্ৰতিচ্ছবি। তেওঁৰ স্বভাৱত সমৰ্পন আৰু নিৰ্বিবাদ গ্ৰহণৰ সুস্পষ্ট অভিব্যক্তি। মই বুজিব পাৰিলোঁ যে তেওঁ ডাঃ গুহৰ ঘৰৰ ব্ৰিজৰ আড্ডালৈ গৈছে আৰু ৰাতি দুই বজাৰ আগতে তেওঁ ঘুৰি নাহে। সংসাৰ আৰু নিজৰপৰা এয়ে তেওঁৰ পলায়নৰ প্ৰকৃষ্ট পথ। স্বয়ংক্ৰিয়-ভাৱে তেওঁৰ ঘৰৰ মজলিছৰ কথা মোৰ মনলৈ আহিল। আৰু ৰাণী বাইদেউৰ মুখখন মোৰ মনত পৰি গ'ল। দাপোণলৈ চাই আচৰিত হৈ মই দেখিলোঁ যে দাপোণখনত ৰাণী বাইদেউ আৰু তেওঁ মোক দেখি হাঁহিব ধৰিছে। মই দেখিলোঁ কোনোবা এখন মিটিঙত হাফপেণ্ট পিন্ধি আমি আগৰ শাৰীত বহিছোঁ আৰু মুগ্ধ হৈ চাইছোঁ এজনী ধুনীয়া ছোৱালীয়ে মঞ্চত ওলাই অকলে অকলে হাৰ্মনিয়াম বজাই গান গাইছে। মই আচৰিত হৈ ভাবিছোঁ, আৰে! এইজনী ছোৱালী দেখোন মাকৰ লগত প্ৰায়ে আমাৰ ঘৰলৈ যায়। প্ৰতি বাৰ মই তেওঁক দেখিয়েই পলাইছোঁ। মাই তেওঁক ৰাণী বুলি মতা শুনিছোঁ। মই দেখিলোঁ তাৰ পিছত এদিন তেওঁ আকৌ আমাৰ ঘৰলৈ গৈছে। মোক প'ৰ্টিক'তে পাই কোলাত তুলি লৈছে। মোৰ লাজ লাগিছে, হাফ্‌পেণ্ট পিন্ধিলেও মই হাইস্কুলৰ ছাত্ৰ। তেওঁ মোক নাম সুধিছে, গান গাব জানো নে নাজানো সুধিছে, তেওঁলোকৰ ঘৰলৈ মাতিছে আৰু এবাৰ সুযোগ পাই মই দৌৰি পলাইছোঁ। তাৰ পিছত অৱশ্যে মই তেওঁৰ লগত লাজ কৰি কথা কৈছোঁ, ৰাণী বাইদেউ বুলি মাতিছোঁ, তেওঁৰপৰা গান শিকিছোঁ আৰু অৱশেষত তেওঁৰ ভাইটি হৈ পৰিছোঁ। স্কুলৰ বঁটা বিতৰণী সভাত গাবলৈ মোক আৰু দুৰ্গাক তেওঁ বন্দনা শিকাইছে। প্ৰতিযোগিতাৰ বাবে আমি তেওঁৰপৰা 'ভাৰতবৰ্ষৰ' আবৃত্তি শিকিছোঁ, অভিনয়ত বচন মাতিবলৈ শিকিছোঁ আৰু সাদৌ অসম শিক্ষক সম্মিলনত

তেওঁ আমাক কোৰাচৰ দলত ভৰাই লৈছে। তেওঁ শিকোৱা গানত পুৰস্কাৰ লৈ ভিতৰ সোমাওঁতে তেওঁ মোক দাঙি ধৰিছে। অভিনয়ত সঁচাসঁচিকৈ কান্দি ওলাই আহোঁতে উইংচৰ কাষত তেওঁ মোক সাৱটি ধৰিছে। 'ৰূপালী'ত আমি চিনেমা চাইছোঁ। ইণ্টাৰভেলত অদৰকাৰতে বাহিৰলৈ ওলাই আহিছোঁ। দেখিছোঁ স্পেচিয়েলত বহি বাণী বাইদেৱে আমালৈ চাই হাঁহিছে আৰু তেওঁৰ কাষৰ মানুহজনে দুপেকেট বাদাম কিনিছে। মই দেখিলোঁ মই, নিয়াজ, দুৰ্গা ফুৰিবলৈ গৈছোঁ। পাৰ্কত এখন শাৰী উঠিছে। নিয়াজ তৎক্ষণাৎ পাৰ্কলৈ সোমাই গৈছে। কিং-কৰ্তব্য বিমূঢ় হৈ আমিও তাক ধীৰে ধীৰে অনুসৰণ কৰিছোঁ। দেখিছোঁ চুকৰ ফুল জোপাৰ কাষত বাণী বাইদেউ আৰু তেওঁলোকৰ ঘৰলৈ অহা আলহী। বাণী বাইদেৱে হাঁহি আমাক কথা সুধিছে, আমি উত্তৰ দি পলাইছোঁ। 'অজন্তা'ৰ কেবিনৰ কাষৰ টেবুলত বহি আমি উৎকৰ্ণ হৈ কিবা শুনিবৰ চেষ্টা কৰিছোঁ আৰু বিফল হৈ উচ্‌পিচ্‌ কৰিছোঁ। নিৰুপায় হৈ নিয়াজে গাইছে—'তুমি আমি শুধু দুজনাৰ……।' আৰু দিলীপে টেবুলত তবলা বজাইছে। অকস্মাৎ বাণী বাইদেউৰ মাত ভাঁহি আহিছে, "এই নিয়াজ, ইয়ালৈকে আহাহঁক।" দিলীপ ওলাই বাটলৈ দৌৰ মাৰিছে আৰু মই ব্যস্ত হৈ কৈছোঁ, "নাই, নাই বাণী বাইদেউ ঠিক আছে, হ'ব। আমি কেবাটাও আছোঁ ইয়াত।" আমাৰ চাহ বিস্বাদ হৈ গৈছে। আমি উঠি চিনেমাহলৰ ফালে খোজ লৈছোঁ। প্ৰায়ে খেলাৰপৰা আহোঁতে, চিনেমা চাই আহোঁতে, দিলীপহঁতৰ হোষ্টেলত ভলী খেলি আহোঁতে শুনিছোঁ বাণী বাইদেউহঁতৰ ঘৰত সঙ্গীতৰ অনুষ্ঠান, হাৰ্ম'নিয়ামত এটা পৰিচিত গৎ। বুজিছোঁ ঘৰলৈ আলহী আহিছে। অকস্মাৎ কেতিয়াবা নেপুৰৰ শব্দ শুনি আমি বৈ গৈছোঁ; বুজিব পাৰিছোঁ আজি শাস্তিয়ে নাচিছে। আমাৰ ধাৰণা আছিল শান্তিয়ে কেতিয়াও

কথা নকয়; কেৱল পঢ়া শুনা কৰে আৰু কেতিয়াবা নাচে। কিন্তু বিস্মিত হৈ এদিন মই শুনিছোঁ তাই কথা কৈছে, তাই মোক মাতিছে। তাই মোক সুধিছে—মাদ্ৰাজ কলা ভৱনৰ নৃত্য প্ৰদৰ্শনী কেতিয়া হব, টিকেটৰ দাম কিমান আৰু ক'ত পোৱা যায় আৰু প্ৰদৰ্শনীৰ দিনা হতাশ হৈ দেখিছোঁ যে তাই চাবলৈ অহা নাই।

আমি কলেজলৈ গ'লো। মুখলৈ কিছু গাম্ভীৰ্য আনিলোঁ—। চাৰ্টৰ সলনি পাঞ্জাবী লগালোঁ। নিয়াজহঁতে ঠেক পেণ্ট, ৰঙা শ্বাৰ্ট আৰু ক'লা জোঙা জোতা ললে, সোঁ হাতত ঘড়ী পিন্ধিলে। কিন্তু বাণী বাইদেউৰ লগত আমাৰ সম্পৰ্ক একেদৰেই থাকিল। মই দেখিলোঁ, বাণী বাইদেৱে এতিয়াও মহিলা সমিতিত গান গাইছে। তেওঁ এতিয়াও সকবোৰক শিকাইছে। এতিয়াও তেওঁৰ ঘৰত মজলিছ বহিছে, গানৰ সুৰ টানিছে আৰু অকস্মাৎ কেতিয়াবা আমি শুনিছোঁ নেপুৰৰ ৰুম্ ঝুম্ ভাঁহি আহিছে। মই মন কৰিলোঁ, আজিকালি তেওঁ আমাৰ লগত তেওঁলোকৰ আলহীসকলক চিনাকি কৰি দিছে—'এয়া আমাৰ অখিলদা', 'এয়া আমাৰ নীলুমামা,' 'এয়া আমাৰ লামডিঙৰ ৰঞ্জুদাদা,' এয়া 'আমাৰ······।' কৌতুহলেৰে আমি তেওঁলোকক চাইছোঁ। বাণী বাইদেউৰ দাদা মামা আমাৰো দাদা মামা। আমি সলজ্জ নমস্কাৰ যাচিছোঁ আৰু প্ৰশ্নোত্তৰ প্ৰসঙ্গৰ পিছত আঁতৰি পৰিছোঁ।

আৰু হঠাৎ (মই দাপোণত দেখিলোঁ) জুলাই মাহৰ ভাষাৰ গণ্ডগোল আৰম্ভ হৈছে। আমি ৰীতিমতে সচকিত হৈ পৰিছোঁ গণ্ডগোলৰ বাবে মই থাৰ্ড ইয়েৰত নাম লগাবলৈ যাব পৰা নাই; শেষ তাৰিখ পাৰ হৈ যাব বুলি চিন্তিত হৈ পাৰিছোঁ। মই দেখিছোঁ, ৰাতিপুৱাই সুধীৰবাবু আমাৰ ঘৰ ওলাইছেহি। তেওঁৰ চকুত বিনিদ্ৰ ৰজনীৰ চিন, তেওঁৰ মুখ চিন্তাগ্ৰস্ত, তেওঁৰ দৃষ্টি

ভীত আৰু বিভ্ৰান্ত, তেওঁৰ কথাবাৰ্তা অস্থিৰ আৰু উত্তেজিত। তেওঁ বাবাক কৈছে যে যোৱা ৰাতি অনেক লোক তেওঁৰ ঘৰৰ ওচৰত ঘুৰাঘুৰি কৰিছে, কোনোবাই গলহেকাৰি মাৰিছে, কোনোবাই অট্টহাস্য কৰিছে। ৰাতি তেওঁ স্পষ্ট শুনিছে, "এই, নাচ-বন্ধ কৰিব লাগিব। ইয়াত নাচ গান নচলে।" কোনোবাই বাণী আৰু শান্তিৰ নাম ধৰি মাতিছে আৰু তাৰ পিছতে শিল-বৰ্ষণ হৈছে। তেওঁলোকৰ ঘৰত যোৱা ৰাতি সকলোৰে বাহিৰে কাৰো টোপনি নাই। ডাঙৰ ছোৱালী তুজনীয়ে দা লাঠি গোটাই লৈ ধৈৰ্য ধৰি আছে। মই মোৰ কোঠাৰ খিৰিকীৰে শুনিলোঁ তেওঁ কৈ গৈছে। মাজে মাজে তেওঁৰ স্বৰ কঁপি উঠিছে। স্বয়ংক্ৰিয়-ভাৱে মোৰ সোঁহাত থুঁতৰিলৈ উঠি গৈছে, মোৰ বাওঁহাত জেপলৈ গৈছে, কিন্তু বিফল হৈ মই দেখিছোঁ যে মই ভাইটিৰ জেপ নোহোৱা চাৰ্ট এটা পিন্ধি আছোঁ। পুনৰবাৰ মই শুনিছোঁ বাবাই সুধীৰ বাবুক আশ্বাস দিছে যে তেখেতসকলে এনেয়ে ভয় খাইছে, আচলতে ইমান চিৰিয়াচ একো নাই যে কোনোবা বদমাচ চেঙেলীয়া ল'ৰাইহে এইবোৰ কৰিছে, ইয়াত আৰু ভয়ৰ কাৰণ কি আছে, যে তথাপি যদি ভয় কৰে তেন্তে মাক আৰু ডাঙৰ ছোৱালী তুজনী আমাৰ ঘৰতে থাকিবহি; আৰু যে তেখেতে নিজে একোপধ্যে ঘৰ এৰা উচিত নহয়। মই দেখিলোঁ সন্ধিয়া বাবাই বাণী বাইদেউ, শান্তি আৰু মাকক আমাৰ ঘৰলৈ লৈ আহিছে। মই মোৰ কোঠাটো এৰি দি পৰ্টিকত বিচনা পাৰি শুইছোঁ। তিনি দিন আমাৰ ঘৰত থকাৰ পিছত চৰকাৰৰ সাহায্যত তেওঁলোক বেলেৰে তিনিচুকীয়াৰ মামাকৰ ঘৰলৈ গুচি গৈছে। তাৰ-পিছত গণ্ডগোল শাম কাটিছে। মই কলেজত নাম লগাবলৈ গুচি গৈছোঁ (শেষ তাৰিখ তেতিয়াও পাৰ হৈ যোৱা নাই)। সুধীৰ বাবুৱে বহু প্ৰবন্ধ কৰি চৰকাৰৰপৰা ক্ষতিপূৰণৰ বাবদ টকা

আদায় কৰিছে। আৰু মই অনুমান কৰিলোঁ সেই টকাৰেই তেওঁ মোমায়েকৰ ঘৰত ৰাণী বাইদেউৰ বিয়া পাতিছে। আমি বিয়াৰ নিমন্ত্ৰণ পাইছোঁ আৰু আমাৰ শুভেচ্ছা তাঁৰ কৰি পঠিয়াই দিছোঁ।

পুনৰ মই দেখিলোঁ যে বন্ধত মই ঘৰলৈ আহিছোঁ। ৰাণী বাইদেউৰ মাক আৰু শান্তি আমাৰ ঘৰলৈ আহিছে। মই তেওঁলোকৰপৰা ৰাণী বাইদেউৰ খবৰ লৈছোঁ। মই মন কৰিলোঁ যে শান্তিৰ মুখখনৰ বিশেষ একো পৰিবৰ্তন হোৱা নাই, মাত্ৰ আগতকৈ বেছি কৰুণ হৈ পৰিছে। যাবৰ সময়ত তাই মোৰ কোঠালৈ সোমাই আহিছে।

"যোৱাগৈ নেকি শান্তি?" মই সুধিছোঁ।

"ওঁ, ৰাতি হ'লগৈ নহয়।" তাই কৈছে।

"ইমৰানকা!" তাই মোক মাতিছে।

"কি হ'ল?" মই তাইৰ মুখলৈ চাই সুধিলোঁ। মই দেখিলোঁ তাই কিবা এটা কব খুজিছে; কিন্তু কব পৰা নাই। তাইৰ মুখখন ৰঙা পৰিছে। চকু দুটা ৰঙা হৈ গৈছে।

"ইমাৰানকা........." তাই আকৌ ব'ল আৰু তাৰ পিছত আবেগেৰে কৈ উঠিল, "আপোনালোকক যে কি বুলি কৃতজ্ঞতা জনাওঁ ভাবি পোৱা নাই। মই ইমান ল'ৰা লগ পাইছোঁ, বাইদেউৰ দাদা, বন্ধু অলেখ পাইছোঁ, কিন্তু আপুনি কিমান বেলেগ! মোৰ মন-চন বৰ বেয়া জানে! মনৰ সুখ নাপালেনো মানুহৰ মন ক'ত ভাল হব? নাচ-গানতো আৰু কোনো সুখ নাপাওঁ। সেই কাৰণে আজি-কালি নাচিবলৈও এৰি দিছোঁ। পিছে, এতিয়া অশান্তি বাঢ়িছেহে। ঘৰতো..."। তাইৰ কথা আধৰুৱা হৈ ৰৈছে, দুৱাৰমুখত মাকে মাত দিছে আৰু মই বুৰ্বকৰ দৰে তাইলৈ চাই ৰৈছোঁ। তাই জড়িতস্বৰে "অ গৈছোঁ, গৈছোঁ" বুলি কৈছে। মই তাইৰ ওচৰ

চাপিছোঁ। তাইৰ দুগালত চকুলো। বিভ্ৰান্ত, বিমূঢ় মই তাইৰ গালৰ চকুলো হাতেৰে মচি দিছোঁ আৰু একো কবলৈ নাপাই তাইৰ গাত ধৰি দুৱাৰ মুখলৈকে আগবঢ়াই দিছোঁ। তাই ওলাই গৈছে। মই অনুভৱ কৰিছোঁ মোৰ গাল দুখন ভীষণ শীতল হৈ পৰিছে। মোৰ হাতখন থুঁতৰিলৈ উঠি গৈছে, থুঁতৰিটো বৰ নিমজ লাগিছে। চমকিত হৈ মই চকুকিটা ডাঙৰ কৰি আইনালৈ চাইছোঁ আৰু দেখিছোঁ, ওস্তাদে মোৰ গালত একজাতীয় শীতল আফ্‌টাৰ্‌ শ্বেভ্‌ ক্ৰীম সানি দিছে। মই পঁচিশ পইচা উলিয়াই তেওঁৰ হাতত দিলোঁ আৰু চিগাৰেট এটা জ্বলাই বাটলৈ ওলালোঁ। মোৰ একান্ত ইচ্ছা হ'ল যে যেনে তেনে এবাৰ অনিলক লগ পাই আহোঁ। আৰু কলেজ ৰোড অভিমুখে মই খোজ চলালোঁ।

আমি যেতিয়া সৰল, নিষ্পাপ শিশু আছিলোঁ কি অদ্ভুত মধুৰ আছিল এই জীৱন। কোনো বস্তুকেই আমি কুৎসিৎ দেখা নাছিলোঁ। কিন্তু এতিয়া আমি বুজিলোঁ যে বস্তুবোৰ দেখাৰ দৰেই নহয়। সিইঁতক আমি বেলেগ ধৰণে চাবলৈ শিকিলোঁ। দুঃখ আৰু অশান্তিৰে আমাৰ জীৱন ভৰি গ'ল। মই বুজিলোঁ মই দৰ্শনলৈ আহিছোঁ আৰু অনিলৰ বাবে এটা বক্তৃতা তৈয়াৰ কৰিব খুজিছোঁ। আৰু মই ভাবিলোঁ যে চাৰি আলিটোৰ মূৰতে ষ্টেণ্ডত যোগেশৰ ৰিক্সাখন পোৱা যাব। কিন্তু ষ্টেণ্ডত এখনো ৰিক্সা নাই। হতাশ হলোঁ। আগফালৰপৰা এখন ৰিক্সা আহিল। মাতিব ধৰোঁতেই দেখিলোঁ তাত মানুহ আছে। নিৰাশ হৈ আগবাঢ়িলোঁ। পিছলৈ চাই দেখিলোঁ এখন আহিছে। "এই ৰিক্সা" মই মাতিলোঁ। সি মোলৈ নিৰ্বিকাৰভাৱে চাই গুচি গ'ল। মই ভীষণ ক্ৰুদ্ধ হৈ উঠিলোঁ আৰু স্থিৰ কৰিলোঁ যে এইবাৰ ৰিক্সাৱালাই খাতিৰ কৰিলেও মই ৰিক্সাত নুঠো। আৰু খোজ কাঢ়িয়েই মই অনিলৰ ঘৰ পালোঁগৈ।

"অনিল, এই অনিল!" দুৱাৰত টুকিয়াই মই চিঞৰিলোঁ। চাকৰটো ওলাই আহিল।

"বাবু আহিল নে নাই?" মই সুধিলোঁ।

"নাই অহা" সি কলে।

"মই যোৱাৰ পিছত অহা নাই?" মই সুধিলোঁ।

"নাই" সি কলে।

"সন্ধিয়া ওলাই যোৱাৰ পিছত অহাই নাই?" বিস্ময়েৰে সুধিলোঁ।

"নাই" বিৰস কণ্ঠে সি একেটা উত্তৰকে দোহাৰিলে।

মই অত্যন্ত বিৰক্ত হলোঁ। চাকৰটোৰ ওপৰত মোৰ অযথা খং উঠিল আৰু ৰুক্ষকণ্ঠে কলোঁ, "মই বহিম তোৰ বাবুৰ কাৰণে, বল ভিতৰলৈ।" মই অনিলৰ কোঠাত বহিলোঁগৈ। টেবুলত বিক্ষিপ্ত বিভিন্ন দেশী-বিদেশী আলোচনী চাবলৈ ধৰিলোঁ। বহুত সময়ৰ মূৰত চাকৰটোৱে একাপ চা আনি দিলেহি। চাহ খোৱাৰ ইচ্ছা মোৰ সমূলি নাছিল; কিন্তু হঠাৎ মই অনুভৱ কৰিলোঁ যে মোৰ সাংঘাতিক ভোক লাগিছে। মই সাগ্ৰহে চাহ পান কৰিলোঁ আৰু শূন্য পিয়ালাটো থবলৈ ঘূৰাওঁতেই শ্বেল্‌ফৰ ওপৰত অকণমান টেবুল ঘৰী এটা আবিষ্কাৰ কৰি চমকিত হৈ উঠিলোঁ। নিশা ন বাজি পঞ্চল্লিশ মিনিট গৈছে আৰু মই মূৰ্খৰ দৰে ইয়াত অনিললৈ বহি আছোঁ। কি কৰি দিব অনিলে মোৰ? কাৰ ঘৰত মজলিছ বহিলে মোৰ মূৰ কামোৰে কিয়? কোন মৰিলে মোৰ কি? জহন্নামে যাওক চব!

চাকৰটোক মাত লগাই মই ঘৰলৈ খোজ ললোঁ। বাট পথ প্ৰায় নিৰ্জন। বিৰ্‌জুৰ দোকান বন্ধ কৰা নাই। ওলমা লাইটটোৱে ইফালৰপৰা সিফালে দুলি মোক ঠাট্টা কৰিছে। মোৰ খোজৰ বেগ বৃদ্ধি পাইছে। বিক্সা এখনো দেখিবলৈ নাই। বজাৰ পাৰ

হৈ মই বেগ কমাই দিলোঁ। কংগ্ৰেছ অফিচৰ বাৰাণ্ডাত কেইটামান মানুহে বিৰি হুপি হুপি কথা পাতিছে। দুই-এটা গৰু ৰাস্তাৰ ওপৰত শুই পৰিছে। ৰিক্সাৱালা এটাই ৰিক্সাতে টোপনি মাৰিছে। মদপীৰ দৰে অস্থিৰ খোজেৰে এজনে আপোনমনে মোৰ কাষেৰে পাৰ হৈ গৈছে। কোনোবা এঘৰৰ ঘড়ীৰপৰা দহ বজাৰ সময় সংকেত ভাঁহি আহিছে। আন এঘৰৰপৰা চেতাৰৰ মৃদু গুঞ্জন। আৰু কিছুদূৰ আগবঢ়াৰ পিছত স্বয়ংক্ৰিয়ভাৱে মোৰ গতি ধীৰ হৈ আহিল। মোৰ ভৰিহাল আড়ষ্ট হৈ পৰিল। মোৰ অন্তৰ অশান্ত হৈ উঠিল। মোৰ সমস্ত চেতনা এক অস্বস্তিকৰ অনুভূতিৰে ভৰি পৰিল। ষ্ট্ৰীট্ লাইটটো এৰি আহিছোঁ। এইখিনিত, যিহওক, বেছি পোহৰ নাই। সিহঁতৰ ঘৰটো আধা-পোহৰ-আধা-আন্ধাৰত নিমগ্ন। শেৱালি জোপাৰ কাৰণে ফুলনিখনত গভীৰ ছাঁ পৰিছে। মই স্বস্তিৰ নিশ্বাস পেলাই আগ বাঢ়িলোঁ। কিন্তু অকস্মাৎ মোৰ সমগ্ৰ শৰীৰ হিম হৈ গ'ল। ৰুদ্ধশ্বাসেৰে মই ক্ষণ গণিলোঁ আৰু তাৰ হৃৎপিণ্ডৰ সশব্দ ক্ৰুতিৰ মাজেৰে শুনিলোঁ, "ইমবানকা !!"

মোৰ সোঁহাত থুতৰিলৈ উঠি গ'ল, অনুভৱ কৰিলোঁ থুঁতৰিটো নিমজ। বাওঁহাতেৰে জেপ খেপিয়ালোঁ, জেপত একো নাই আৰু বিস্ফাৰিত নেত্ৰে দেখিলোঁ, ফুলনিখনৰ সিটো মূৰত আন্ধাৰত জেওবাখনৰ কাষতে এটা ক'লা মূৰ্তি।

"কোন, শান্তি নেকি ?" মই সুধিলোঁ।

"অঁ, অলপ বাহিৰলৈ ওলাই আহিছোঁ। ইমান ৰাতি আপুনি ক'লৈ গৈছিল ? আজিতো টিউচন্ নাই ?"

"নাই, অলপ—এই—বন্ধু এজনৰ তালৈ গৈছিলোঁ। বহোঁতে বহোঁতে দেৰী হৈ গ'ল।" বিব্ৰতকণ্ঠে মই উত্তৰ দিলোঁ আৰু বেৰাৰ ওচৰলৈ গ'লোঁ। "বহুত ৰাতি হ'ল নহয় ? তুমি কি কৰিছা ইয়াত ?" মই আত্মীয়তাৰে সুধিলোঁ।

"নাই, এনেয়ে ওলাই আহিছো" তাই কলে। মোৰ অন্তৰ এক ৰহস্যময় চেতনাৰ স্পন্দিত হৈ উঠিল। তাই এনেয়ে ওলাই আহিছে? অকলে? ইমান ৰাতি? এনেয়ে? মই নিজকে প্ৰশ্ন কৰিলোঁ। তাইৰ চকুলৈ চালোঁ, তাই মোলৈকে চাই আছে। তাই তলমূৰ কৰিলে। অশান্ত নিস্তব্ধতা।

"ইমৰানকা!" তাই জড়িতস্বৰে মাতিলে। মই তাইলৈ চাই থাকিলোঁ। "মই আজিৰপৰা আকৌ নাচ আৰম্ভ কৰিছোঁ। ৰাস্তা যেতিয়া এটাই, গে থকাৰ বাহিৰে যেতিয়া উপায় নাই, সেই ৰাস্তাই জহন্নামলৈ নিলেও যাব লাগিব। নহয় জানো?"

মই চক্‌খাই উঠিলোঁ। মই বুজিব পাৰিলোঁ জীৱনৰ লগত কিমান গম্ভীৰ পৰিচয় হলে মানুহে এনেদৰে কথা কব পাৰে। "তুমি কি কৈছা শান্তি?" মই সুধিলোঁ। মোৰ কণ্ঠস্বৰ অতি অস্বাভাৱিক, মই ধৰিব পাৰিলোঁ।

আৰু মোৰ প্ৰশ্নৰ প্ৰতি কোনো মনোযোগ নিদি তাই এক অদ্ভুতস্বৰেৰে কৈ গ'ল, "আপুনিতো সকলো জানেই। বাইদেউ আহি তেইশ তাৰিখে ওলালহি। ইফালে মাহৰ শেষৰ ফালে আমাৰ মুড়ি চলে। তায়ো আহি আমাৰ লগত এসজীয়াকৈ আছে। পৰহিৰপৰা তাইৰ বন্ধু এজন আহিছে। এই কেইদিন অলপ অলপ 'জলসা' বহিছে। আজি বহুত দিনৰ মূৰত এটা ভোজ খোৱা হ'ল।...বৰ গৰম পৰিছে নহয়! বাইদেউ আৰু ওলাই গৈছে বতাহ লবলৈ। মই তাই ঘুৰিল নে নাই চাবলৈ আহিছোঁ।... মোৰ তাইক লৈয়ে চিন্তা। সন্তানটো মৰোঁতে ভিন্‌দেৱে বৰ দুঃখ পাইছিল।"

মই হতভম্ব হৈ গ'লোঁ। সন্তানটো ঢুকুৱাৰ পিছত বাণীবাইদেৱে মাজে মাজে অস্বাভাৱিক আচৰণ কৰিছিল। কিন্তু শান্তিৰ কথাত কোনো সঙ্গতি নাই। ব্যঙ্গও নাই উষ্মাও নাই। মই ধৰিব নোৱাৰিলোঁ

তাইৰ কথাত দুখ নে ক্ষোভ, হতাশা নে ঘৃণা। একো কব নোৱাৰি মই তাইৰ মূৰটোত হাত ফুৰাই দিলোঁ। তাই ওচৰ চাপি আহিল। ময়ো। মোৰ বুকুত বেৰাখনৰ জোঙা গাঁঠিবোৰৰ খোচ অনুভৱ কৰিলোঁ। তথাপি, মই তাইৰ মূৰত, মুখত হাত ফুৰাই দিলোঁ। তাই মোৰ গাত আউজি উচুপি উঠিল। আৰু আবেগোচ্ছাসক বাধা দিব নোৱাৰি মই কৈ পেলালোঁ, "কান্দিব নাপায় শান্তি, নাকান্দিবা। ময়োতো জহন্নামলৈকে গৈছোঁ!" আৰু মই অনুভৱ কৰিলোঁ সচাঁকৈয়ে মই উটি গৈছোঁ। কোনো আশ্রয় নাই। কোনো আশ্রয়ৰ আশাও নাই। মই দুৰ্বল। অত্যন্ত দুৰ্বল। কৰুণ শূন্যতাৰে মোৰ হৃদয় ভৰি পৰিল।

"সৌৱা সিহঁত আহিছে হবলা, আপুনি যাওকগৈ ইমৰান্‌কা," শান্তিয়ে ফুচ্‌ফুচাই কলে আৰু মোৰপৰা আঁতৰি দ্রুতবেগে অদৃশ্য হৈ গ'ল। এক মুহূৰ্ত্তত মই নিজকে সুস্থিৰ কৰি লৈ বাটেৰে আগ বাঢ়িলোঁ। দূৰৰ লাইটটোৰ সিফালে চজিনা গছৰ ছাঁত সিহঁত নেদেখা হৈছে। মই বেগ দিলোঁ, সিহঁতক লাইটটোৰ তলতে লগ পাব লাগিব। মই আগ বাঢ়িলোঁ। সিহঁত ওচৰ চাপিল। আৰু অকস্মাৎ মোৰ মূৰত প্রচণ্ড আঘাত পৰিল। মোৰ মূৰ ঘূৰিব ধৰিলে। স্বয়ংক্রিয়ভাৱে মোৰ সোঁহাত থুঁতৰিলৈ গ'ল, অনুভৱ নকৰিলোঁ যে ঠাইখিনি নিমজ আৰু মোৰ বাওঁহাতে অস্থিৰভাৱে জেপত খেপিয়াবলৈ ধৰিলে। মই শুনিলোঁ বাণী বাইদেৱে আশ্চৰ্যেৰে মাতিছে, "আৰে, ইম্‌ৰান যে!!" আৰু মই শুনিলোঁ মই কৈছোঁ, "এজন বন্ধুৰ তালৈ গৈছিলোঁ বাণী বাইদেউ! আড্ডা মাৰোঁতে বহুত ৰাতি হৈ গ'লগৈ।"

মই শুনিলোঁ, বাণীবাইদেৱে কৈছে, "আমি ভাত খাই উঠি অলপ ফুৰি আহিলোঁগৈ। ইমান গৰম আজি! অ' ৰবা, এয়া আমাৰ অনিলদা। তিনিচুকীয়াতে ঘৰ, ইয়ালৈ বদলি হৈ আহিছে।

বাবাইঁতৰ ডিপাৰ্টমেণ্টৰ। আৰু অনিলদা, এয়া মোৰ ভাইটি, ইমৰান। ইয়াতে হাইস্কুলত কাম কৰে।”

আৰু মই অনুমান কৰিব পাৰিলোঁ, মোৰ হাত দুখন বুকুৰ ওচৰলৈ উঠি গৈছে আৰু মই কৈছোঁ, “নমস্কাৰ”। আৰু তাৰ পিছত কেইটামান মুহূৰ্তৰ এক অস্বস্তিকৰ নীৰৱতা। মই দেখিলোঁ অনিল ৰঙা পৰিছে, তাৰ মুখত কাতৰ প্ৰাৰ্থনা। সি অস্থিৰ হৈ উঠিছে। বিস্মিত, বিমূঢ় মই স্থবিৰ হৈ গৈছোঁ। তাৰ পিছত হঠাৎ সপ্ৰতিভ হবৰ চেষ্টাত অত্যন্ত অপ্ৰতিভস্বৰে কৈ উঠিছোঁ, “আপোনালোক যাওকগৈ। ৰাতি বহুত হ'ল কিজানি।”

“এৰা, যোৱা তেনেহলে।” বাণীবাইদেৱে কলে। তেওঁলোক গুচি গ'ল। মই আহি চজিনা গছৰ ছাঁত ৰলোঁ। আৰু নিৰ্লজ্জ কৌতুহলেৰে তেওঁলোকৰ ঘৰৰ ফালে চাব ধৰিলোঁ। তেওঁলোক প'টিক'ৰ বাৰাণ্ডাত উঠিছে। বাৰাণ্ডাত পৰা এচমকা পোহৰত মই স্পষ্ট দেখা পাইছোঁ। অনিলে—মই দেখিলো—অনিলে বাণী বাই-দেউৰ কঁকালত এহাতেৰে সাৱটি ধৰিছে আৰু বাণী বাইদেৱে প'টিক'ৰ দুৱাৰখন মেলিবলৈ এখন হাত আগবঢ়াই দিছে। মই চকু মুদি দিছোঁ। আৰু চকু মেলি দেখিছোঁ যে একো নাই। দুৱাৰ বন্ধ হৈছে। সকলো মোৰ চকুৰ আগৰপৰা অদৃশ্য হৈছে। মই আকৌ জোৰে চকু মুদি দিছোঁ। আৰু মই দেখা পাইছোঁ কুমুদদাৰ দোকানৰ ফেনখন জোৰেৰে ঘূৰিছে আৰু বিৰ্জুৰ দোকানৰ ৰঙা, নীলা টিনৰ স্পাইৰেলবোৰ তীব্ৰ বেগত পাকঘূৰণি খাইছে। শান্তিহঁতৰ ফুলনিৰ বেৰাৰ জোঙা গাঁঠিয়ে বিন্ধা ঠাইখিনি মোৰ বিষাইছে; আৰু হঠাৎ অনুভৱ হৈছে যেন বেৰাখনে মোৰ সন্মুখত বাট ভেটি থিয় হৈছে। পুনৰ্বাৰ মই চকু মেলি দিলোঁ আৰু আৱিষ্কাৰ কৰিলোঁ যে চকু মুদিলেহে মানুহে বেছি স্পষ্টকৈ দেখা পায়। আৰু মই চকুযোৰ বহলকৈ মেলি দিলোঁ যাতে মই একো দেখা নাপাওঁ আৰু মই খোজ আৰম্ভ কৰিলোঁ।

দুৰন্ত বেগত উদ্‌ভ্ৰান্তৰ দৰে মই আগবাঢ়িলোঁ, যেন মোক কিহবাই খেদি আনিছে। বাৰে বাৰে মই উজুতি খাই পৰিবলৈ ধৰিলোঁ। মোৰ ভাব হ'ল যে এইদৰে কোনোবাৰ উজুতি খাই মই হয়তো বাটতে পৰি ৰ'ম। অথচ মই জানো যে এনেকৈয়ে এসময়ত মই ঘৰ পাই যাম।

শূণ্য হ'লে

আৰু হঠাৎ তাৰ চেতনা আহিল। আৰু সি বিৰক্ত হ'ল। কাৰণ তাৰ মনত পৰিল যে দূৰৰপৰা ভাঁহি অহা মাইকৰ গান কাহানিবাই বন্ধ হৈ গৈছে, আৰু তথাপি সি কিতাপৰ মাজলৈ আহিব পৰা নাই। কি চব বাজে চিন্তাত ডুবি আছে এঘণ্টাৰো ওপৰ। ৰাবিছ্! তাৰ খং উঠিল। এনেকৈ কি পঢ়া হয়? অথচ আজি পুৱাৰ সংকল্প কি আছিল? যোৱা তিনিমাহে কিতাপৰ সৈতে সম্পৰ্ক শূন্যতকৈও কম। আৰু পৰীক্ষালৈ আছে—ডুমাহো নহয়—ধৰা, ডেৰ মাহ। হোষ্টেলত সকলোৰে মুখ গহীন হৈ গৈছে। কেন্টিন আৰু বাছত ভীৰ কমি গৈছে। সি এতিয়াও চিৰিয়াছ্ হব পৰা নাই। প্ৰথমে আহিয়েই যিদৰে আৰম্ভ কৰিছিল, মনত পৰিলে এতিয়া হাঁহি উঠে। টেবুলত মেলি লৈছিল, সোঁহাতে মাৰ্ক্স, বাওঁহাতে কেইনচ্। তাৰ পিছত লাহে লাহে উৎসাহ কমি আহিল। তাৰ পিছত কমি আহিল সাহ। মাৰ্ক্স গ'ল বাওঁহাতলৈ, সোঁহাতলৈ কেইনচ্। আৰু কিছুদিনৰ পিছত টেবুলত ঠাইৰ অভাৱ হ'ল। চাহৰ দাগ চিগাৰেটৰ ছাঁই আৰু ধূলি-বালিৰ অত্যাচাৰ উপেক্ষা কৰিও বেচৰা মাৰ্ক্স আৰু কেইনচ্ কিছুদিন টেবুলৰ চকুত সভয় আশাৰে বাট চাই ৰ'ল। আৰু কোনোবা এদিন তেওঁলোক বিনা-বিচাৰে ট্ৰাংকৰ অন্ধকাৰ গৰ্ভলৈ নিৰ্বাসিত হ'ল। জ্ঞানপিপাসা কৰ্পূৰৰ দৰে ক'ৰবালৈ উৰি গ'ল। অধ্যয়নৰ প্ৰতি অবিশ্বাসে ভুৱা-আত্মবিশ্বাস বেলুনৰ দৰে ফুলাই তুলিলে। আৰু এতিয়া পৰীক্ষা আহিছে। পাছ কৰাটো হঠাৎ পৰম পৱিত্ৰ কৰ্তব্য বুলি বোধ হৈছে।

কিন্তু আত্মবিশ্বাসৰ বেলুনত হাজাৰটা ফুটা ওলাইছে। গতিকে, প্ৰফেছাৰৰ নোট, পুৰণি ছাত্ৰৰ বহী, বজাৰৰ সহজ সহজ সস্তীয়া কিতাপ……ৰাতিৰ ভিতৰতে হৈ পৰিছে অৰ্থনীতিৰ গুৰু-গম্ভীৰ জ্ঞানসাধক—মূৰত গামোচাৰ বান্ধ, ফ্লাস্কত ক'লা কফি, ৰাতি দুই বজালৈকে কিতাপৰ ক্ষুদ্ৰ আখৰৰ লগত চকুৰ ৰক্তাক্ত সংঘৰ্ষ …।

চকীখন টেবুলৰ ওচৰলৈ চপাই সি ভালকৈ বহিল। কিতাপখনৰ পাত লুটিয়াই এটা অধ্যায় উলিয়ালে আৰু হাতত ৰঙীন পেঞ্চিলডাল লৈ পঢ়িবলৈ সাজু হ'ল। পোহৰটো হঠাত বেছি উজ্জ্বল হৈ আকৌ কমি গ'ল। সি লাইটটোলৈ চালে শ্বে'ড্খন ধূসৰ। ভিতৰত ধূলি ধৰিছে আৰু জাল ওলমিছে। চকু ঘূৰাই আনি সি কিতাপখন থলে। কেই মুহূৰ্তমান একো দেখা নাপালে। চকুহাল এবাৰ মুদি আকৌ মেলি দিলে। মুখৰ আগত এটা মহ উৰিছে, বাওঁহাতেৰে সি থাপমাৰি ধৰিলে। মহটো নৰ'ল। সি কিতাপলৈ চালে। এখন ট্ৰেন যোৱাৰ শব্দ হ'ল আৰু স্বয়ংক্ৰিয়ভাৱে তাৰ চকু ঘড়ীটোলৈ গ'ল। আৰে! বাৰ বাজিল, এই পাগলটোৰ দেখা-দেখি নাই! দিল্লীৰপৰা আজি সন্ধিয়া ওলাইছেহি ৰাণা আৰু সেই সন্ধিয়াতে ওলাই গৈ এতিয়ালৈকে ঘূৰা নাই। সদায় আহি সি মুকুলৰ হোষ্টেলতে নামিব, যিটো মহীয়েকে দেখিব নোৱাৰে আৰু সি যিটো জানি শুনিও বেপৰোৱা কৰি থাকে। প্ৰথমবাৰ যাওঁতে, বন্ধত আহোঁতে-যাওঁতে আৰু সিবাৰ বন্ধ নাছিল, বুলুৱে মাতি পঠালে আৰু সি গুচি আহিল আটাই কেইবাৰ সি তাৰ তাতে নামিছে আৰু পিছত মাহীয়েকৰ গালি খাইছে। তিনিবছৰৰ আগৰ কথা এটা মুকুলৰ মনত পৰিল। পৰীক্ষাৰ পিছৰ অৱসৰ। ঘৰত। ৰাতি বাৰমান বাজিছে। বাহিৰত কিন্‌কিন্ বৰষুণ। বিছনাত শুই শুই সি মনোযোগেৰে চে'স্বৰ কিতাপ এখন পঢ়িছে। তাৰ মনৰ অৱস্থা বৰ্ণনাতীত। দুৱাৰত টোকৰ পৰিল। সি ঘপ্‌কৈ বহিল। বিছনাখন

কঁপি উঠিল। ছাঁবোৰ ছুলিল। কিতাপখন ছুলিৰ তলত থৈ সি বিছনাৰপৰা নামিল। বেৰত আকৌ ছাঁবোৰ ছুলিল। আকৌ টোকৰ দুৱাৰত পৰিল।

"কোন?" সি সুধিলে।

"ৰাণা। দুৱাৰ খোল।"

বিস্ময়ত, ভয়ত সি লৰালৰিকৈ দুৱাৰ খুলিলে। বৰষুণত ভিজা উদ্‌ভ্ৰান্ত দৃষ্টিৰ ৰাণা সোমাই আহিল আৰু কাপোৰবোৰ খুলিবলৈ লাগিল। মুকুলে তাৰ কাপোৰ এযোৰ উলিয়াই দি সুধিলে, "ক'লৈ গৈছিলি?"

"বুলুৱে মাতিছিল।"

"বুলুৱে? এই ৰাতি?"

"অঁ। তাই মোক ভাল পাইছে।" সি নতুন সাজযোৰ পিন্ধি থিয় হ'ল। "বৰ ভয় লাগিছে অ'।" সি কলে। তাৰ মুখত চিন্তা।

"ভয়? কোনোবাই দেখিলে নেকি?" মুকুল ব্যগ্ৰ হ'ল।

"অঁকবাৰ দৰে কথা নকবি। কোনে দেখিব? আৰু দেখিলেতো কি হ'ল? সন্ধিয়া পাৰ্কত বহিছোঁ, কথা পাতিছোঁ আৰু তাইক মাত্ৰ এটা চুমা খাইছোঁ। তাৰ পিছত নীলু, দুলুহঁত আহিছে, তাই গুচি গৈছে সিহঁতৰ লগত। দেখিলেতো সিহঁতেই দেখিব। পাৰ্কত তেতিয়া কোনো নাই।"

"অ" মুকুলে স্বস্তিৰে কলে। "এই বাৰ বজালৈকে ক'ত আছিলি?"

"পাৰ্কতে। বৰষুণ অহা দেখি গুচি আহিলোঁ। ঘৰলৈ গলে আকৌ দেৰী হোৱাৰ জবাব দিব লাগিব। তোৰ ইয়াত থাকিলে দিগ্‌দাৰ নাই। তোক লগ পাবলৈয়ো মন গ'ল।" মুকুল মনে মনে ৰ'ল। যেন ভাবিলে। কিবা এটা সুধিব খুজিলে। কিন্তু তাৰ মুখেদি ওলাল, "ভালেই কৰিলি।"

"বৰ ভয় লাগিছে। বাৰে বাৰে মনটোৱে সুধিছে বেয়া বাটে গৈছোঁ নেকি? মই কৈছোঁ, নাই ঠিকেই আছে। মনটোৱে কৈছে, মোৰ কিজানি দুখ আছে। মই কৈছোঁ, সুখ মই নিজে কৰি লম। ভাল হ'ল নে ভুল হ'ল? মই ভুল কৰিলোঁ নেকি? মোৰ ভুল হ'ল নেকি? পাৰ্কৰ চুকৰ সেই আন্ধাৰ বেঞ্চখন, সন্ধিয়াৰপৰা তাতে বহি কেৱল ভাবিছোঁ মানুহ-দুনুহ নাই। নিমাত। বৰষুণজাকো কিবা। গুচি আহিলোঁ, বৰ ভয় লাগিছে।"

"শো, এনেয়ে ভাবি থাকি কি হব। যিটো ঘটিব ঘটিবই। তইতো জোৰকৈ কিবা এটা কৰিব নোৱাৰ।" মুকুলে কলে।

"কিয় নোৱাৰোঁ? ইচ্ছা কৰিলেই মই এইচব বন্ধ কৰি দিব পাৰোঁ। কিন্তু মই ভাবিছোঁ, একো নকৰোঁ। যি হয় হব।" ৰাণাই কলে। লাইটটো নুমাই দি মুকুলে আন্ধাৰত হাঁহিলে।

হোষ্টেলৰ সম্মুখত এখন মটৰ ৰ'লহি। জোতাৰ শব্দ শুনা গ'ল। দুৱাৰ ঠেলি ৰাণা সোমাই আহিল।

"ইমান দেৰী কৰিলি?" চকীখন ঘুৰাই মুকুলে কলে।

"হুঁ" ৰাণা বিছনাত বহি পৰিল।

"ভাত খালি নহয়? ক'ত খালি?"

"এটা পাৰ্টি হ'ল। দিব্যেন্দুৰ ঘৰত।"

ৰাণা উঠিল আৰু কাপোৰ সলাবলৈ আৰম্ভ কৰিলে।

"অ' আনোৱাৰে তোলৈ অলপ দি পঠাইছে, টাকিবি নেকি?"

মুকুলে ৰাণালৈ চালে। ৰাণাই জেপৰপৰা হুইস্কীৰ বটল এটা দাঙি ধৰিলে।

"নাই থাক্। ইচ্ছা নাই।" সি কলে।

"হুঁ" ৰাণা বহিল। এটা চিগাৰেট জ্বলালে।

"তই আহিলি কি বুলি? পৰীক্ষা হৈ গ'ল?"

"পৰীক্ষা হবহে অলপতে। নিদিওঁ।"

"পৰীক্ষা নিদিয়? পাগল হৈছ নেকি? কি বুলি নিদিবি পৰীক্ষা?

ৰাণাই মুকুললৈ চালে। মুকুল থমকি গ'ল।

"এনেয়ে নিদিওঁ।" নিৰ্বিকাৰ ভঙ্গীত সি চিগাৰেট টানিলে।

"ধেমালি কৰিছ কিয়? ফিউচাৰৰ কথা ভাবি চাইছ?"

"চাইছোঁ। ফিউচাৰ্ হ'ল্ড্ছ্ টেৰ'ৰ্। হাঃ হাঃ। বাদ দে। পঢ়িছ?"

"নাই পঢ়া। পঢ়িব পৰা নাই।"

"পঢ়্ পঢ়্। ফিউচাৰৰ কাৰণে সাজু হ। ফিউচাৰ্ মানেই ষ্ট্ৰাগ্ল্। হাঃ হাঃ, এ ভেৰিটেব্ল্ ষ্ট্ৰাগ্ল্। ড'ন্ট্ পিক্চাৰ্ ইট্ টু ৰ'জিলী।" ৰাণা বিছনাত দীঘল দি পৰিল।

"ঠাট্টাৰ কথা নহয়। মই তোক সঁচা কথা কৈছোঁ। ইমানবোৰ টকা-পইচা খৰচ কৰি এতিয়া পৰীক্ষা নিদিয়াটো কি পাগলামি? নিজৰ ভৱিষ্যতৰ কথাতো তই চোৱা উচিত।

"আৰু মই কি মিছা কৈছোঁ? ভৱিষ্যৎ সম্পৰ্কে তোৰ কিবা স্পষ্ট ধাৰণা আছে নে? তোৰ কিবা স্থিৰ লক্ষ্য আছে নে?

'এম্-এ'ও পঢ়িবি, 'ল'ও পঢ়িবি—তাৰ মানে কি? হোৱাট্ দাজ্ ইট্ ৰিফ্লেক্ট্?

"কি?"

"প্ৰেজেণ্ট্ ষ্টেট্ অব্ পাৰ্পাচ্লে'চনে'চ্। হাঃ হাঃ।" মুকুল মনে মনে থাকিল। ক'ৰিড'ৰৰ ঘড়ীত ঘণ্টাধ্বনি হ'ল। মাজনিশাৰ নীৰৱতাৰ মাজত সিহঁতে শুনিলে সাত বজাৰ সংকেত। "ঘড়ীটো যাহওক চলি আছে!" ৰাণাই গাম্ভীৰ্যেৰে কলে।

"সেইবোৰ বাদ দে। ঘৰত তই কি বুলি কবি? ককায়েৰহঁত নাম কৰা ডাক্তৰ ইঞ্জিনীয়াৰ আৰু তই সিহঁতৰ ভায়েক হৈ—।

আৰু সিহঁতেই বা তোক কি বুলি ভাবিব ?”

বুৰ্বকৰ দৰে প্ৰশ্ন নকৰিবি। মই জানো সিহঁতে কি ভাবিব। চোকা ল'ৰা বুলি মোক আৰ্টচ পঢ়ুৱাটো এতিয়া সিহঁতে দোষ বুলি ভাবে। মোৰ ইচ্ছাত বাধা দিবলৈ এতিয়া কাৰো সাহ নাই।” ৰাণা শোৱাৰপৰা উঠিল। চিগাৰেটটো চুকলৈ দলিয়াই দিলে। বিছনাৰ তলৰপৰা হুইস্কীৰ বটলটো আনি গিলাচত ঢালিলে। “তই এতিয়া তোৰ চিন্তা কৰ। পৰীক্ষাৰ হুইচেন্সটো লৈ ধেমালি নকৰাই ভাল। অলপ worldly wise হবলৈ শিক। মনত ৰাখিবি money is the only value।” ৰাণাই মুখ বিকৃত কৰিলে। তাৰ পিছত ওঁঠেদি এটা শব্দহীন হাঁহি বাগৰাই দিলে। এখন তীক্ষ্ণ চোকা ছুৰিৰ কথা মুকুলৰ মনলৈ আহিল। ৰাণাই ওঁঠলৈ গিলাচটো তুলি ললে।

“অঁ, অৱশ্যে তোৰ মুখতেই এইবোৰ কথা শোভা পায়। যিবোৰ উপদেশ তোৰ নিজৰ প্ৰয়োজন সেইবোৰ আনক শুনোৱাত তই খুব ওস্তাদ। ভণ্ডামিৰ চূড়ান্ত হৈ গৈছ। বেয়া নালাগে তোৰ ? পাগলৰ দৰে পৰীক্ষাটো এৰি আহিছ। কিয়, কিবা এটা কাৰণ দেখুৱা।”

“তই মোৰ মুণ্ড বুজিছ। মোক কি তোৰ দৰে পাইছ ? মই আৰু চাৰি পাঁচ বছৰ নিশ্চিন্তে পঢ়াৰ নামত কটাই দিম। তই সেইটো নোৱাৰ। হাঃ হাঃ। তই পাঁচ কৰিবই লাগিব। চাকৰি কৰিব লাগিব, ঘৰৰ দায়িত্ব লব লাগিব, টকা ঘটিব লাগিব, বিয়া কৰাব লাগিব। হাঃ হাঃ। স্কাইলাৰ্কিং নচলিব। গহীন-গম্ভীৰ নাগৰিক হব লাগিব। Well, those are all in the game.” ৰাণাই গিলাচটো শূন্য কৰি টেবুলত থলে আৰু এটা চিগাৰেট জ্বলাই বিছনাত দীঘল দিলে। “বাই দা ৱে, তোৰ সাহিত্যৰ খবৰ কি ?” ৰাণা বিছনাত হঠাৎ ঘূৰিল আৰু কিলাকুটিত ভৰ দি সুধিলে।

মুকুলে ক্ষুব্ধ দৃষ্টিৰে তালৈ চালে। সি চকীৰপৰা উঠিল আৰু

তাৰ বাবে কৰা বিছনাত পৰিল। "তই মোৰ লগত সাহিত্য-আলোচনা নকৰিবি। তই বহুত পঢ়িছ। শুই থাক। গাকত মুখ লুকুৱাই মুকুলে কলে।

"নে'ভাৰ্ মাইণ্ড্ সাহিত্যিক। সাহিত্য-আলোচনা মই নকৰোঁ। বস্তুটো মোৰ বাবেও অসহ্য। কিন্তু তোৰ সাহিত্য কি পাৰৰ জীৱনলৈ আহিছে? নে এতিয়াও চেন্টিমেণ্টেলিটিৰ সাগৰতে সাঁতুৰি আছে?"

"মই সেইবোৰ বুজি নাপাওঁ। নিচা খাই অৱশ্যে সাহিত্য সমালোচনা কৰিবলৈ বেছি সহজ। কিন্তু তই শুবি নে এতিয়া?"

"অঁ, বেছি সহজ। কিন্তু মোৰ নিচা নধৰে অ', হাঃ হাঃ।"

"ৰাণা!"

"হুঁ।"

"তোৰ কি হৈছে নকৱ কিয়?" মুকুলৰ কণ্ঠত অভিমান ভৰা অনুযোগ।"

"মোৰ? মোৰ আকৌ কি হৈছে? হাঃ হাঃ। মোৰ একো হোৱা নাই।"

মই অলপ তোৰ কথাহে ভাবিছোঁ। তই থিয় হব পাৰিবি নে? ভাঙি নপৰবো? তোৰ দুৰ্যোগক্লিষ্ট ঘৰত তয়েই, মানে, যাক কয়, আশা-ভৰসাৰ স্থল। কোমল হলে নচলিব। ভালকৈ সাজু হ। Hard days are ahead. Great expectations will be fatal. হাঃ হাঃ। মন কৰিলি নে? একেলগে ডিকেন্সৰ দুখন কিতাপৰ নাম লৈ পেলালো, হাঃ হাঃ।"

"আচ্ছা, ৰাণা, বেয়া নাপাবি, বুলুৰ লগত তোৰ কিবা লাগিছে নেকি?"

"হুঁ, ভাল কথা সুধিলি। বুলুৰ লগত কিয় লাগিব? হাঃ হাঃ বুলুৰ বিয়া হৈ গৈছে।"

"বিয়া হৈ গৈছে ? পাগল নেকি !"

"তই খবৰ পোৱা নাই বোধহয়। অৱশ্যে বেছি দিনো হোৱা নাই। সিবাৰ জানই নহয়, প্ৰশান্তলৈ দিব ধৰিছিল, তাই একেবাৰে হুলস্থূল লগাই দিলে, হাঃ হাঃ। বিয়া বন্ধ কৰিব লগীয়া হ'ল। মোক তাই তাঁৰ কৰি মাতি পঠালে। তেতিয়াই মোৰ লগত ঘৰৰ পৰা গুচি আহোঁ বুলি কান্দি-কাটি হাহাকাৰ। মই বহু কষ্টেৰে বুজালোঁ যে দুবছৰ মাত্ৰ, দুবছৰ একো বেছি সময় নহয়। তাৰ পিছত আৰু ঘৰত তাইক বিয়াৰ কথা কবলৈ সাহেই নকৰিলে। মনটোকে ভাল হওক বুলি ভিনীহিয়েকৰ ঘৰলৈ পঠাই দিলে। মন, যা হওক যথেষ্ট ভাল হ'ল, হাঃ হাঃ। আৰু এদিন ৰাতি ভিনীহিয়েকৰ ভায়েক দুলালৰ লগত গুৱাহাটীলৈ গুচি আহিল। কোনেও গম নাপালে। কামাখ্যাত সুকলমে বিয়া হৈ গ'ল। ৰীতিমতে এখন ড্ৰামা, হাঃ হাঃ।" ৰাণাই চিগাৰেটত শেষ টান মাৰি চুকলৈ দলিয়াই দিলে। স্ফুলিঙ্গ কিছুমান উফৰি পৰিল আৰু মুমাই গ'ল। অবৰ্ণনীয় নীৰৱতাৰে কোঠাৰ ৰুদ্ধ সময়খিনি ভৰি উঠিল।

"He goeth after her straightway as an ox goeth to the slaughter........হাঃ হাঃ।"

"ৰাণা !" অদ্ভুত শুনালে মুকুলৰ মাত।

"হুঁ। Her house is the way to hell, going down to the chambers of death, হাঃ হাঃ। হাঃ হাঃ হাঃ···"

"ৰাণা !" মুকুল উঠি ইখন বিচনাৰ কাষলৈ গ'ল। চকু মুদি ৰাণাই বিৰ্‌বিৰ্‌কৈ কৈ গৈছে। একো বুজা নাযায়। তাৰ ওঁঠত সেই বিষাক্ত হাঁহিৰ আভাস। মুকুলে আঠুৱাখন তৰি দিলে। তাৰ ভৰিত লাগি বিচনাৰ তলৰ শূন্য বটলটো শব্দ কৰি বাগৰি গ'ল। সি এক ধৰণৰ অস্বস্তি অনুভৱ কৰিলে। "গাটো বেয়া লাগিছে নেকি ৰাণা ?" মুকুলে তাক লাহেকৈ জোকাৰি দি সুধিলে।

"হুঁ, অঃ বহুত দেৰি হৈ গ'ল হঁা? শো, শো। শুই থাক। হাঃ হাঃ। দুৱাৰখন বন্ধ কৰি দে........দুৱাৰখন। আৰু পোহৰটো মুমাই দে....পোহৰটো....এই পোহৰটো অ'......পোহৰটো......" প্ৰায়-অস্পষ্ট কণ্ঠে কানাই উচ্চাৰণ কৰিলে। মুকুলে ভয়ে ভয়ে তাৰ হাঁহিটোলৈ অপেক্ষা কৰিলে। তাৰ পিছত লাইটটো মুমাই দিলে।

বন্ধুৰ পথত কেইজনমান ডেকা মানুহ

ভৰিৰ ফালে এটা মহৰ কামোৰত অখিলৰ টোপনি ভাগি গ'ল। এটা প্ৰায়-নিয়মিত ঘটনা; সি বিশেষ বিৰক্ত নহ'ল। মহটো মাৰিবলৈ তাৰ উঠিবৰ মন নগ'ল। নিদ্ৰাৰ আবেশ আৰু শাৰীৰিক জড়তাৰ ফলত তাৰ গাটো দুৰ্বল যেন লাগিল। নিশ্চেষ্ট আৰু অসহায়ভাৱে সি মাত্ৰ এবাৰ ভাবিলে, কেনেকৈ সোমাল আপদটো! চকু মেলিবৰ চেষ্টা নকৰি সি এটা ভৰিৰে আনটো ভৰি খজুৱাই দিলে আৰু তাৰ পিছত আকৌ শুবৰ চেষ্টা কৰিলে। ঘটনাটোৰ প্ৰতিক্ৰিয়া বা ইয়াৰ অভাৱ—যি তাৰ মানসিকতাৰ প্ৰতিফলন—অলপো বিস্ময়কৰ নহয়। অনেক দিন ধৰি তাৰ মনৰ অৱস্থা এনে নিষ্ক্ৰিয়তাৰে আক্ৰান্ত হৈছে। কিন্তু ভৰিৰ ফালে সুবিধা কৰিব নোৱাৰি মহটোৱে এইবাৰ তাৰ কাণৰ কাষত গুণ্ গুণাবলৈ ধৰিলে। বিৰক্ত হৈ সি মহটো সোঁহাতেৰে থাপ মাৰি ধৰিবৰ চেষ্টা কৰিলে। তাৰ চকু মেল খাই গ'ল।......

সি দেখিলে আঠুৱাৰ ভিতৰত মলিন পোহৰ। তাৰ কেউকাষে ত্ৰস্ত আন্ধাৰৰ পলায়নপৰতা; আন্ধাৰৰ বিৰুদ্ধে পোহৰৰ আত্ম-প্ৰতিষ্ঠাৰ সোৎসাহ ব্যস্ততা। কিন্তু আঠুৱাৰ বাহিৰত কোঠাটোৰ কোণে কোণে তেতিয়াও অচঞ্চল আন্ধাৰৰ ভিৰ। অনুপ্ৰবেশকাৰী মহটোৰ সি কোনো চিন দেখা নাপালে। বাহিৰত তেতিয়া ৰাতিপুৱাবলৈ আৰম্ভ কৰিছে। ৰাশি ৰাশি অপসৃয়মান আন্ধাৰৰ ঠাইত পোহৰৰ প্ৰথম ঢৌবোৰ দুৰ্বলভাৱে বিয়পি পৰিছে। অখিলৰ অনুভৱ হ'ল যেন বাহিৰত দ্ৰুতগতিত সাংঘাতিক কিবা এটা ঘটিব ধৰিছে। তাৰ চকুত পৰিল এটা সূক্ষ্ম, স্থিৰ, নাত্যুজ্জ্বল ৰেখা। সি বুজিলে খিৰিকীৰ

অপ্ৰশস্ত ফাঁকেদি ভিতৰলৈ পোহৰ আহিছে। বাহিৰ সম্পৰ্কে সি উৎসুক হৈ উঠিল। বিছনাত বহি লৈ সি খিৰিকীখন খুলি দিলে আৰু আঠুৱাৰপৰা গাটো উলিয়াই বাহিৰলৈ চালে। সি দেখিলে বাহিৰত ক্ষীণ পোহৰ। চাৰিওফালে সি অনুভৱ কৰিলে মালিন্য আৰু নিৰ্জীৱতা। যেন পোহৰ নহয়, পোহৰৰ এটা দুৰ্বল আভাস, আন্ধাৰ আৰু পোহৰৰ মধ্যৱৰ্তী এটা অবোধ্য জঠৰ অনুভূতি।

আগ ৰাতিৰ মাতাল বৰষুণৰ ছাপ বাহিৰৰ পৰিবেশত ওলমি আছিল। ভিজা মাটিৰ কেঁচা, সেমেকা গোন্ধ আহি তাৰ নাকত লাগিল। তাৰ মনত এটা শিহৰণ জাগিল। বাহিৰৰ নিৰ্জীৱতা এটা ধীৰ ৰহস্যময়তাৰে ভৰি পৰিল। সি দেখিলে ৰাতিৰ বৰষুণৰ অত্যাচাৰত সিহঁতৰ পাহাৰটো নিৰ্জীৱ আৰু সুপ্ত, সৰু সৰু গছবোৰ স্থিৰ, জগদীশহঁতৰ ঘৰৰ চালৰ লতা জোপা খহি পৰিছে। একা-বেঁকা বাটটো, যাৰ অংশ বিশেষ দেখা যায়, বেছি ৰঙা হৈ পৰিছে। এটা বিধ্বস্ত মৃত পৰিবেশৰ মাজত জ্বলন্ত বিজুলী চাকিটোৱেই একমাত্ৰ জীৱনৰ ইঙ্গিত। তলত দেখা পোৱা সৰু সৰু ঘৰবোৰ, একেবাৰে তলৰ বজাৰখন, প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ আৰু অফিচ, দোকানবোৰ, প্ৰধান ৰাস্তাটো, ৰেলৰ লাইন আৰু তাৰ সিফালৰ চুবুৰিটো আৰু বিপৰীত ফালৰ দূৰৰ পাহাৰটোলৈকে ক'তো জীয়াই থকাৰ চিন নাই। অথচ দিনৰ প্ৰশস্ত পোহৰত ৰহস্যহীন বাস্তৱৰ মাজত শিল্প উদ্যোগেৰে পৰিপূৰ্ণ চহৰৰ অতিব্যস্ত এই পূৰ্বাঞ্চল কি অবিশ্বাস্যভাৱে সলনি হৈ যায়। তাহানি গাঁৱত এনেকুৱা ৰাতিপুৱা দেখাৰ কথা তাৰ মনত পৰিল। কিন্তু গাঁৱৰ ৰাতিপুৱাৰ ছবি তাৰ মনলৈ স্পষ্ট হৈ নাহিল। অনেক সময় সি সম্মুখৰ ফালে একেথৰে চাবলৈ ধৰিলে। একো কথা তাৰ ভাবিবৰ মন নগ'ল। একো চিন্তাই তাৰ মনত সুস্থিৰ হবলৈ নাপালে। বোধহয় এবাৰ প্ৰকৃতিৰ আশ্চৰ্য সুষমাৰ কথা তাৰ মনলৈ আহিল আৰু তাৰ পিছত হঠাৎ জীৱনৰ

কঢ়তাৰ কথা, সৌন্দৰ্য গ্ৰহণৰ অৱসৰ আৰু অনুভূতিৰ অনুপস্থিতিৰ কথা সি উপলব্ধি কৰিলে আৰু যি দৰে জহকালি পুৱা অস্বাভাৱিক পলমকৈ সাৰ পাই মনলৈ অপৰাধবোধ আহে, যিদৰে ইণ্টাৰভিউ-শ্ৰান্ত ব্যৰ্থ দিনৰ পিছত বেদনা আহে, তেনেকৈ কোনো নিৰ্দিষ্ট কাৰণহীন-ভাৱে করুণ এক শূন্যতা সি অনুভৱ কৰিলে। তাৰ বুকুৰপৰা এটা গভীৰ নিশ্বাস ওলাই আহিল।

এতিয়া সুন্দৰ পোহৰ নামিল। তথাপি পাকঘৰৰ টুং টাং শব্দৰ বাহিৰে ক'তো পুৱাৰ উল্লেখ দেখা নগ'ল। বাকী ৰুমকেইটা কোঠালৈ সি কাণ দি চালে। আৰু হঠাৎ তাৰ মনত পৰিল যে আজি বন্ধৰ দিন, আজি কাৰো অফিচ নাই, সকলোৱে আজি আৰামত বেলি দুপৰলৈকে শুব। তাৰ আক্ষেপ হ'ল। কি কাৰণে যে হঠাৎ—অ' এই মহটোৰ কাৰণেই—সি ঘূৰিল আৰু নিষ্ফলভাৱে আঠুৱাৰ ভিতৰত মহটো বিচাৰিব ধৰিলে। ব্যৰ্থ হৈ অখিলে পুনৰ বিছনাত দীঘল দিলে। এই সময়ত বাহিৰত প্ৰকৃতি শান্ত। পৰিপাৰ্শ্বত বৰ্ষাৰ নিশ্বাস। আকাশৰ দুৱাৰমুখত সূৰ্য প্ৰৱেশোদ্যত। এনেকুৱা নিঃসঙ্গ, নীৰৱ অৱসৰত তাৰ মন সাধাৰণতে ব্যস্ত থাকে; স্মৃতি-চাৰণা হয়, কল্পিত ৰাজ্যত শত্ৰুৰ লগত ঘুচিয়া-ঘুচি, তাৰ ওপৰৰ বিষয়াৰ লগত গৰম সুৰত তৰ্কা-তৰ্কি আৰু বন্ধু-বান্ধৱীক বীৰত্ব-ব্যঞ্জক কথাৰ চাতুৰীৰে মুগ্ধ কৰে। আৰু অনেক কথা আহে মনলৈ, যি দৰে ঘৰ বা অনুপমা বা দীপালী বা দুঃখ বা বেৰৰ ফাঁকেদি উলঙ্গ নেপালনী গাভৰু অথবা ভাইটি, অফিচ অথবা পলায়ন। তাৰ ভয় হ'ল যে আকৌ স্মৃতি আহিব আৰু তাৰপৰা তাৰ ব্যৰ্থতা, অসম্পূৰ্ণতা আৰু অসামৰ্থ আৰু অৱক্ষয়ৰ বেদনা আহিব আৰু বাৰম্বাৰ হুমুনিয়াহ ওলাব। তাৰ মুড নষ্ট হৈ যাব। ইতিমধ্যেই আংশিকভাৱে নষ্ট এটা বন্ধৰ দিন সম্পূৰ্ণ বিফল হৈ যাব। উত্তমৰ্ণৰ অপ্ৰত্যাশিত আকস্মিক করুণা, চিৰবিতুষ্টা নায়িকাৰ এটি মাত্ৰ

স্বাভাবিক হাঁহি, ৰুটিন-নিষ্পেষিত জীৱনৰ এই এটা স্বাধীন দিন নিৰৰ্থক নষ্ট কৰিব নোৱাৰি। সি অন্য কথা ভাবিবৰ চেষ্টা কৰিলে। সি ভাবিলে পেলাই থোৱা কামবোৰ আজি শেষ কৰিব লাগিব। আইৰ চিঠিৰ উত্তৰ দিব লাগিব। আইৰ কথা মনত পৰি তাৰ মনটো সেমেকি গ'ল। ঘৰৰ কথা মনত পৰিব ধৰিলে। লৰা-লৰিকৈ সি পলাব খুজিলে, অনুপমাৰ কথা মনত পেলালে। হঁা, অণুৰ চিঠিৰো উত্তৰ দিয়া হোৱা নাই। তাইৰ চাগে অভিমান হৈছে। কি গভীৰ আগ্ৰহেৰে তাই তাৰ চিঠিলৈ অপেক্ষা কৰে! তাইৰ অন্তৰৰ সমস্ত আৱেগ, সমস্ত ব্যাকুলতা ঢালি দি তাই চিঠি লিখে; স্ৰবল আশাৰে তাৰ একোখন চিঠিলৈ ব্যগ্ৰভাৱে বাট চাই থাকে। তাৰ মনত আনন্দ হ'ল, গৰ্ব হ'ল আৰু অন্তৰ ভৰি পৰিল গভীৰ মমতাৰে, যি মমতা থাকে গাঁৱৰ ম্লান সন্ধ্যাৰ মাজত, গাভৰুৰ লজ্জাৰ ৰঙা আভাত। এনে অৱস্থাত তাৰ নিজৰ মনটো পৰিপূৰ্ণ যেন লাগে, পৃথিৱীৰ সকলো মানুহৰ, এনেকি তাৰ নিজৰ পৰিচিত জৰ্জৰ মুখ-ভঙ্গী সি পাহৰি যায়। অৱশ্যে চিন্তা আৰু সমস্যাৰ হুলিয়াৰ কোবত তাৰ এনে সুন্দৰ মুহূৰ্তবোৰ প্ৰায়েই বিৰল আৰু হ্ৰস্ব। আৰু এতিয়া তেনে এক সুদুৰ্লভ মুহূৰ্তত চাৰিও ফালৰ প্ৰশান্ত নীৰৱতাৰ মাজত সি, অখিল, স্বপ্নাবিষ্টৰ দৰে চকু মুদি পৰি থাকিল।

"শালাৰা আমাদেৰ ৰক্ত চুষে খাচ্ছে!" অকস্মাৎ ঘৰৰ ভিতৰত এনে এক গৰ্জন হ'ল। লগে লগে বাহিৰত ছুটামান কাউৰীৰ প্ৰাণ-পণ আৰাৱ, গছত বহাৰ ঝুপঝাপ আৰু পাখী মৰাৰ সাঁ সাঁ শব্দ আৰু তাৰ ঠিক পিছতে দূৰৰপৰা ৰাতিপুৱাৰ এক্সপ্ৰেছখনৰ ঝক্ ঝক্ ধ্বনি আৰু উকি যুগপৎ ভাঁহি আহিল। এই সকলোৱে একে লগে পুৱাৰ প্ৰশান্তি আৰু স্নিগ্ধতা—ঘৰৰ নীৰৱতা আৰু অখিলৰ মনৰ ক্ষণিক ৰঙীনতাত যাৰ প্ৰকাশ—তাক থান-বান কৰি পেলালে। ঘৰৰ ভিতৰৰ গৰ্জনটো মাজৰ কোঠাৰ সুধাংশুৰ কণ্ঠ-নিসৃত।

কাউৰীৰ চিঞৰ বা বেলৰ উকিৰ দৰে তাৰ এই গৰ্জন নিয়মিত হৈ পৰিছে। তাৰ সম্পূৰ্ণ সতৰ্কতা সত্বেও আঠুৰাৰ ভিতৰত দুই এটা মহৰদ্বাৰা সি প্ৰায়ে আক্ৰান্ত হয়। তাৰ উক্ত গৰ্জন তেনে কোনো অনুপ্ৰবেশকাৰী মহৰ বিৰুদ্ধে সোচ্চাৰ প্ৰতিশোধৰ প্ৰমাণ। এই গৰ্জনত বৰং বিদ্ৰোহৰ আৱাজ আছিল। বস্তুতঃ ব্যঙৰ চলত সুধাংশুক চিৰ বিদ্ৰোহী বুলিয়েই উল্লেখ কৰা যায়; ইয়াত জ্যোতি প্ৰসাদৰ ইঙ্গিত থাকে। কিন্তু স্বভাৱ আৰু অজ্ঞতাবশতঃ সি এই-বোৰ ভ্ৰূক্ষেপলৈ নানে। কাৰণ, তাৰ কণ্ঠত এতিয়াও অপৰিবৰ্তিত পঞ্চম দশকৰ সাম্যবাদগন্ধী, বা ততোধিক, প্ৰাক্-স্বাধীনতাৰ বিপ্লৱী গান। এনেকি, এতিয়াও সি তাহানিৰ দৰে হাত-কটা শ্বাৰ্ট পিন্ধে বা পঞ্চম দশকৰ জনপ্ৰিয় কায়দাত ফুলশ্বাৰ্টৰ হাত সৰু গাঁঠিৰ সামান্য ওপৰলৈ কোঁচাই লয়। প্ৰতিদিনৰ পুৱাৰ জঠৰতা তাৰ এনে উক্তি বা গানৰদ্বাৰা ছিন্ন ভিন্ন হৈ পৰে। আৰু আজিও ঘৰৰ ভিতৰৰ নীৰৱতা আলোড়িত হ'ল, বাহিৰৰ স্থবিৰতা যেন ক্ষুণ্ন হ'ল, পুৱাৰ শৰীৰলৈ স্তিমিত স্পন্দন আহিল। গৰ্ভস্থ সন্তানৰ স্পন্দনৰ দৰে অখিলে সেই স্পন্দন অনুভৱ কৰিলে। কিবা এটা ভোৰ্ভোৰাই সুধাংশুৰ কোঠাৰ মহেশ বিছনাৰপৰা উঠিল। ব্যস্ততাৰে অখিলেও বিছনা এৰি মুখ ধুবলৈ গ'ল।

লখনে দিয়া চাহকাপ শেষ কৰি অখিলে দেখিলে সুধাংশুৱে একান্তমনে পুৰণি বাতৰি কাকত পঢ়িব ধৰিছে। বাহিৰৰ ভাত-জাবৰ-বোকাৰ জঘন্যতা, পায়খানাৰ কদৰ্যতা, চাহৰ কাপৰ ঠাৰিত জমা হোৱা মলি, লখনৰ ময়লাভৰা হাফপেণ্ট—এই সমস্তৰ অস্বস্তি আৰু অপৰিচ্ছন্নতা এতিয়া কৰ নোৱাৰাকৈ তাৰ মনৰপৰা দূৰ হৈ গ'ল। চাহ খাই উঠি মহেশে আকৌ এবাৰ শোৱাৰ চেষ্টা দিছে। মহেশৰ শোৱাৰ চেষ্টা আৰু ভঙ্গী উভয়ে তাৰ জীৰ্ণ মনৰ কথা কৈছিল। তাৰ কোমল মন আজি অনেক দিন সমস্যাই জুৰুলা

কৰিছে আৰু হয়তো এতিয়া নিৰ্লিপ্তি আৰু সমৰ্পণৰ ভাবত তাৰ মন আচ্ছন্ন হৈছে। তাৰ শোৱাৰ ভঙ্গীত এই ভাবৰ প্ৰকাশ আছিল। মহেশক ধমক দিব খুজিও অখিল বিৰত হ'ল। তাৰ খং উঠিছিল, কিন্তু ঘৰৰ পৰিবেশে তাক নিৰুৎসাহ কৰিলে। কাৰণ, ঘৰৰ ভিতৰ এতিয়াও নিৰুত্তাপ। তলৰ ঘৰবোৰত স্বাভাৱিক নৈঃশব্দ। কেদাৰ মিত্ৰৰ পত্নী, ল'ৰা-ছোৱালী প্ৰবাসত। জগদীশহঁতৰ ঘৰৰ শব্দ ইয়ালৈ নাহে। ওপৰত থকা ঘৰবোৰ বহুদিন যাবৎ খালী হৈ আছে। দূৰত সমতলত ঘৰে-বাহিৰে জীৱন ব্যস্ত হৈ উঠিছে। বাহিৰত সূৰ্যই সোণালী পোহৰ ছটিয়াই দিলে; কিন্তু ঘৰৰ ভিতৰৰ ৰুদ্ধ বতাহত পোহৰৰ ৰং ক্ৰমে শেঁতা হৈ যাব ধৰিলে।

এতিয়াঁও জ্যোতিদা আৰু প্ৰতুলৰ সাৰ পোৱাৰ কোনো লক্ষণ দেখা পোৱা নগ'ল। অখিল নিজৰ কোঠালৈ গ'ল আৰু চিঠি লিখিবলৈ ঠিক কৰিলে। আই, অনু আৰু ভাইটি, অন্ততঃপক্ষে তিনিখন চিঠি লিখিবই লাগিব। অনুৰ আগৰ চিঠিখন উলিয়াবলৈ সি ট্ৰাংকটো খুলিলে, কিয়নো উত্তৰ লিখাৰ আগেয়ে আকৌ এবাৰ চিঠিখন পঢ়া তাৰ অভ্যাসত পৰিণত হৈছিল। ট্ৰাংকৰ চুকত তাৰ চিঠিৰ টোপোলাৰপৰা কেইখনমান চিঠি ওলাই পৰিছে; সি বিৰক্ত হ'ল, কাৰণ এইটো আগতেও একাধিকবাৰ ঘটিছে। ভৰাই থকলৈ হাতত লৈ সি এখন চিঠিৰ ভাঁজ খুলি চালে, অনুপমাৰে চিঠি, কোন কাহানিবাৰে। কৌতূহলবশতঃ চিঠি কেইখন উলিয়াই আনি ট্ৰাংকটো বন্ধ কৰিলে আৰু বিছনাত বহি পঢ়িবলৈ ললে। প্ৰতি বছৰৰ চিঠিৰ অনেক কষ্টসাধ্য সংস্কাৰৰ পিছত তাৰ টোপোলাত মাত্ৰ কেইখনমানেহে ঠাই পায়গৈ। তাৰ ভিতৰত অৱশ্যে অনুপমাৰ প্ৰত্যেকখন চিঠি সি দ্বিধাহীন ভাৱপ্ৰৱণতাৰে ৰক্ষা কৰিছে। এনেকি প্ৰথম যৌৱনত অনুপমাৰ ছাপ বা স্পৰ্শ থকা অনেক বস্তু, অনুপমাই আকঁ্ বাঁক কৰা কাগজ, নাম লিখা কাগজ, তাইৰ গানৰ টুকুৰা বা

গল্পৰ কিতাপ সকলোকে সি সযত্নে সঞ্চয় কৰিছিল। প্ৰেমতকৈও অদ্ভুত এক মোহ, দুৰ্দম্য এক আবেগৰ প্ৰতি আনুগত্যই তাৰ এনেবোৰ কাণ্ডত কাম কৰিছিল। এতিয়া সি বিছনাত পৰি ললে আৰু একান্তমনে চিঠিবোৰ পঢ়িবলৈ ধৰিলে। কেইখনমান অনুপমাৰ, দুখনমান বাইদেউৰ। বাইদেউৰ চিঠি কেইখন তাইৰ বিয়াৰ আগৰে, বোধহয় দেউতা ঢুকুৱাৰো আগৰে। কিমান সহজ, সজীৱ, স্বপ্নময় সেইবোৰ চিঠিৰ ভাষা। কিমান পুৰণি, অথচ এতিয়াও তাত কেনে পৰম নিবিড় আত্মীয়তাৰ সুৰ। খিৰিকীৰে সি বাহিৰলৈ চালে। উজ্জ্বল মেঘমুক্ত আকাশৰ এটা ক্ষুদ্ৰ অংশ তাৰ চকুত পৰিল। খিৰিকীৰ ওচৰৰ পাত সম্পূৰ্ণ মুক্ত, আনটো পাতে ফ্ৰে'মৰ লগত সমকোণ কৰি আছে। খিৰিকীৰ ফ্ৰে'ম, আধা মেলা পাতটো, ঘৰৰ টিনৰ চালৰ বাঢ়ি অহা অংশ আৰু পাহাৰৰ শিখৰৰ গছ-গছনিয়ে আকাশখন ফ্ৰে'মাবদ্ধ কৰি ৰাখিছে। অপলকভাৱে সেই ফালে চাই চাই সি আত্মবিস্মৃত হৈ পৰিল। অতীতৰ অস্পষ্ট স্মৃতিবহ এটা অনুভূতি, এটা নষ্টাল্‌জিক্ ব্যাখ্যাহীন বেদনাৰ তৰঙ্গই তাৰ মন ঢৌৱাই তুলিলে। সি অনুভৱ কৰিলে কেনেকৈ জটিলতৰ জীৱনৰ মেৰপেছত সিহঁত সোমাই পৰিছে। এটা জটিল কুণ্ডলীৰ পাকে পাকে সিহঁতৰ অস্তিত্ব বিজড়িত ; অগ্ৰগতি তাত অসাধ্য প্ৰায়, পশ্চাৎ গতিৰ আশা শূন্য। এসময়ত কৈশোৰ আৰু প্ৰাক্-যৌৱনত মধুৰ জীৱনৰ স্বপ্নত সিহঁত বিভোৰ আছিল। ভাবিছিল পথ হ'ব পোন আৰু সহজ, জীৱন ভৰি থাকিব নিজৰাৰ গীত আৰু বনৰীয়া ফুল, সেউজীয়া গছ আৰু নীলা চৰাই, আকাশ তাৰ বিশাল আশ্বাসেৰে, তাৰ সমস্ত ৰূপালী ঐশ্বৰ্যৰে, তাৰ বগা ডাৱৰৰ কপাহেৰে তোলা অসংখ্য অবুজ ডিজাইনেৰে। হৃদয়ৰ নিভৃতত জীৱনৰ সেই ড'ৰিয়ান গ্ৰে'-ছবি, কথা-বতৰা, চিঠিৰ ভাষা সকলোতে সেই প্ৰত্যয়, সেই উজ্জ্বলতা, সেই উচ্ছলতা। কৈশোৰৰ সেই কল্পনাৰ জীৱন কাব্যিক, অত্যন্ত

ৰোমাণ্টিক আৰু, অখিলে ভাবিলে, অবাস্তৱ। তথাপি জীৱন এতিয়া কিয় ইমান কঢ়, জটিল, কৃত্ৰিম ? কিয় সিহঁতৰ ন্যূনতম আশাও পূৰ্ণ নহয় ? এটা সহজ সাধাৰণ সমস্যাহীন জীৱনো কিয় কেৱল দূৰতৰ স্বপ্ন হৈ ৰ'ল ?

"কালি ৰাতি সঁচাকৈয়ে বৰষুণ হৈ গ'ল হঁা ?" হাতত চাহৰ কাপ আৰু মুখত প্ৰশ্ন লৈ জ্যোতিদা সোমাই আহিল। সচকিত হৈ অখিল ঘুৰিল আৰু প্ৰশ্নটো বুজিবলৈ চেষ্টা কৰিলে।

"চবেই ঘোৰ ঘোৰাই শুই আছে। কবই নোৱাৰে।" সিকোঠাৰপৰা মহেশে কলে।

"তুমি বৰষুণৰ আগতে আহিলা নেকি ?" চিঠিবোৰ সামৰি লৈ অখিলে সুধিলে।

"অঁ, কালি সোনকালে গুচি আহিলোঁ। চাৰে দহ বাজিছিল বোধহয়।" জ্যোতিদাই উত্তৰ দিলে। কিন্তু তেওঁৰ চকু খিৰিকীৰ বাহিৰত, চাহৰ কাপ হাততেই আছে আৰু তেওঁৰ উত্তৰটো অমনোযোগী যেন লাগিল।

"বহুদিনৰ মূৰত খুব আৰামেৰে শুলোঁ যা হক। গৰম নাই। এবাৰো সাৰ পোৱা নাই। একেবাৰে নিশ্চিন্ত টোপনি।" মহেশে কলে।

"হোঁঃ, অৱশেষত এই ৰামগিৰিলৈও বৰ্ষা আহিল। আৰু তহঁত কোনেও গমেই নাপালি হাঃ হাঃ হাঃ।" অখিলে জ্যোতিদাৰ মুখলৈ চালে। সিহঁতৰ ঘৰটোৰ সন্মুখৰ চৌকাঠত কোনোবাই চকেৰে "ৰামগিৰি" বুলি লিখি থৈছিল। কিছুদিন সিহঁতে ভাবিছিল এইটোৱেই ঘৰটোৰ নাম। ফুৰিবলৈ অহা বন্ধু-বান্ধৱে নামটোৰ অৰ্থ উলিয়াই আমোদ কৰিছিল। এতিয়া কাল আৰু বতৰৰ নিৰন্তৰ ঘঁহনিত সি নিঃচিহ্ন প্ৰায়, কালেভদ্ৰে কাৰোবাৰ মুখত উচ্চাৰিত হয়। কিন্তু তাৰ অনুসঙ্গ ৰস আৰু মোহ এতিয়া শূন্য। অথচ আজি

জ্যোতিদাৰ ব্যংগত বিশেষত্বহীন অতি পৰিচিত এই সাধাৰণ শব্দই অখিলৰ মনত কিয় যেন এটা খোচ দিলে। সি দেখিলে জ্যোতিদাৰ চকু পুনৰ্বাৰ বাহিৰত নিবদ্ধ। তেওঁৰ মুখ-মণ্ডলৰ ভাব—যি অহংকাৰ, অৱজ্ঞা, বিতৃষ্ণা আৰু কঠোৰতাৰ সমাহাৰ ব্যঞ্জনা—এতিয়া যেন খুব সামান্যমাত্ৰে মলিন হৈ পৰিছে। তেওঁ কি কোনো গভীৰ আঘাত পাইছে? সি নিজকে সুধিলে। কিন্তু সি জানে এইটো এটা অবিশ্বাস্য কথা। কোনো ঘটনাই তেওঁক আঘাত দিবৰ বাবে যথেষ্ট নহয়। তেন্তে কি তেওঁৰ উক্তি তেওঁৰ আপোন কোনো বেদনাৰ-পৰাই উৎসাৰিত? এই সময়তে সিকোঠাৰপৰা গলা পৰিষ্কাৰ কৰা এক জাতীয় শব্দ আহিল। সকলোৱে বুজিলে যে পৰিষ্কৃত এই গলা সুধাংশুৰ। গোটেই ৰাতিপুৱাৰ ভিতৰত কথা কবৰ জোখাৰে সি এটা বিষয় বিচাৰি পালে।

"বৰ্ষা কি, প্লাৱন আহিলেও জানো ইহঁতে গম পাব জ্যোতিদা? অৱশ্যে এই ৰামগিৰিলৈ প্লাৱন অহাটোও লিট্‌ৰেলি অসম্ভৱ কথা। কিন্তু আহিলে এই মহেশৰ দৰে কুমলীয়া শিশুবোৰে কি কৰিব?" কথাৰ লগে লগে সুধাংশু সোমাই আহিল আৰু অনেক বস্তুৰে ভৰি থকা আৰামী চকীখনত বহি পৰিল।

"চুপ্ চুপ্, এটা মহৰ কামোৰ সহ্য কৰিব নোৱাৰ, ৰাতিপুৱাই হুলস্থুল আৰু বৰ বৰ কথা" সিটো কোঠাৰপৰা মহেশে গুজৰি উঠিল। তাৰ কথাত তাচ্ছিল্য আছিল, কিন্তু সুধাংশুৱে সেইটো উপেক্ষা কৰিলে।

"আৰে ছোঃ, মহৰ কামোৰটোতো মামুলী কথা। কিন্তু এটা মহ মানেই এটা সমস্যা। ভাবি চা, গোটেই দেশখনতে কিমান লাখ লাখ মহে দেশবাসীক জুকলা কৰিছে। লাখ লাখ, কোটি কোটি···। অৱশ্যে এইবোৰ তোৰ···" এই অবধি আহি যেন অকস্মাৎ শিক্ষকৰ কট্‌মট্ দৃষ্টিত আপোন উত্তৰৰ শুদ্ধতাত সন্দেহ হ'ল, এনেভাৱে

সুধাংশু বৈ গ'ল। মহেশৰ প্ৰতি তাৰ ৰসিকতাটো হয়তো কিছু অমানুষিক হব যেন লাগিল। মহেশৰ কথা অখিলে ভাবিব ধৰিছিল, এই সময়তে ভীষণ শব্দ কৰি এখন জেট বিমান উৰি গ'ল। হৃদয়ৰ সমস্যা লৈ মহেশ খুব অসুখী ল'ৰা। ঘৰৰ আপত্তিৰ বাবেই সি মিনতিক বিয়া কৰাব পৰা নাই। আৰু এই অচলাৱস্থা প্ৰায় ডেৰ বছৰ চলিছে ; মূলতঃ 'কলিতাৰ কুল' আৰু অন্যান্য সামাজিক স্তৰ ভেদ ইয়াৰ কাৰণ। তাৰ কোমল মন, জটিলতাৰ প্ৰতি সি চিৰবিমুখ, পৃথিৱীৰ অসংখ্য ৰীতি বা সেইবোৰৰ যোগ্যতা তাৰ বোধৰ অগম্য। আন পক্ষে সি দুৰ্বল আৰু তাৰ ফলত মাক-দেউতাকৰ প্ৰতি দুৰ্বাৰ মোহ, সৰু ভায়েক-ভনীয়েকৰ প্ৰতি অত্যধিক দায়িত্ব সচেতনতা ইত্যাদি স্বভাৱৰ বাবে সি অনিশ্চিত। এই টনা-আজোৰাত তাৰ মন ৰক্তাক্ত, অৱসাদ-গ্ৰস্ত, নিৰুদ্দেশ-ক্ষুব্ধ। তাৰ ক্ষোভ অৱশ্যেই শত্ৰু পক্ষৰ বিৰুদ্ধে, যি শত্ৰুক তাৰ নিজৰ মনেই শক্তি যোগাইছে। কিন্তু তাৰ শত্ৰু কোন, শান্ত অৱস্থাত সি চিন্তা কৰে। শত্ৰু কি ঘৰ ? তেন্তে সেইখন জানো ঘৰ য'লৈ সি মিনতিক নিব নোৱাৰে। নে মা-দেউতা ? নে ৰীতা-ৰুবুল ? তাৰ মন, যাৰ দৃঢ়তাৰ অভাৱৰ কথা সি জানে ? নে কি মিনতিয়েই যাৰ বাবে সি এনেকৈ ভুগিব লগা হৈছে ? ইত্যাদি ক্ষয়ংকাৰী চিন্তাই তাৰ মনলৈ জেদৰ ভাব নানে। বৰং পৰিবৰ্তে তাৰ প্ৰেমৰ—তাৰ ধাৰণামতে, তাৰ শ্ৰেয়সৰ, তাৰ মুক্তিৰ—প্ৰতি তাৰ এসময়ৰ উজ্জ্বল স্পষ্ট ধাৰণা ক্ৰমশঃ অনুজ্জ্বল আৰু ভোটা কৰি আনিলে। এতিয়া তাৰ ভাব হৈছে যেন তাৰ মনলৈ অহা অৱসাদৰ কথা অন্য কোনোবাই গম পাইছে। এই সম্পৰ্কে সি সৰ্বদা সজাগ। আৰু সুধাংশুৰ অনুক্ত বাক্যত মহেশে এই প্ৰসংগৰ উল্লেখ পালে আৰু সি তৎক্ষণাৎ কলে, "কিন্তু তোৰ যি বৃহৎ ভূমিকা তাত এনে ক্ষুদ্ৰ সমস্যাই ঠাই পোৱা অনুচিত। এইবোৰ সমস্যা অন্ততঃ তোৰ নহয়।"

সুধাংশুৰ অসমাপ্ত বাক্যৰ আনুমানিক উদ্দেশ্যত মহেশ ৰুষ্ট। তাৰ উক্ত 'বৃহৎ ভূমিকা'ত এটা অকাৰণ জোৰ আছিল আৰু ই সুধাংশুৰ বিদ্ৰোহী স্বৰূপক ইংগিত কৰিছিল। স্বভাৱবশতঃ, আৰু এতিয়া মহেশৰ ৰুষ্টিত সি আমোদিত, গতিকে সুধাংশুৱে ইংগিতটো গ্ৰাহ্য নকৰিলে। বৰং তাৰ কণ্ঠত লৰালি-উচ্ছ্বাস, আৰু সি মহেশৰ ফালে ঘুৰি কলে, "আৰে সেইবোৰেইতো আমাৰ সমস্যা। দেশ চলোৱাৰ সমস্যাতো আমাৰ নহয়। আৰু কোনো সমস্যাই সৰু নহয় বুজিছ ; জীৱন যাপনৰ সমস্যাই আটাইতকৈ ডাঙৰ।"

"অঁ, যেনে, ফুৰিবলৈ যাবলৈ লৰালৰি, পায়জামাৰ ৰছী ছিগিল হঠাৎ, বা চাহৰ কাপ বা দাইলৰ বাটিত মাখি পৰিলহি হঠাৎ, ফুটা জেপেদি পইচা সৰকিল কব নোৱাৰাকৈ বা আঠুৱাৰ ভিতৰত মহ।"

"কি চব অদৰ্কাৰী কথালৈ তহঁতে তৰ্ক কৰি থাক!"

কাপ-প্লেটযোৰ নমাই জ্যোতিদাই কলে। অখিল অধৈৰ্য হৈছিল। কিন্তু জ্যোতিদাৰ সুৰ স্বাভাৱিক, নিৰ্লিপ্ত, তাত কোনো বিৰক্তি নাই। তদুপৰি তেওঁ কোনো কথাকেই দৰ্কাৰী বুলি নাভাবে। গতিকে মহেশে নিজৰ সপক্ষে মাতিব খুজিলে। কিন্তু এই সময়ত বাহিৰৰ ফালে কিবা শব্দ হ'ল। আৰু ভাৰ্গৱ, হাতত কেইখনমান কিতাপসহ, সোমাই আহিল। ভাৰ্গৱ জ্যোতিদাৰ গাঁৱৰ ল'ৰা আৰু অখিলহঁতৰ কলেজৰ দিনৰ বন্ধু, অতএব সিহঁতৰ মেছৰ নিয়মিত অতিথি। আজি কালি এই চহৰতে নিজৰ ঘৰ কৰিছে। যোৱা এমাহৰো অধিক কাল ৰাজনীতিৰ বিভিন্ন ব্যাখ্যা আৰু বক্তৃতাৰে অখিলহঁতৰ কাণৰ পৰ্দা গঁড়ৰ ছালৰ দৰে ডাঠ কৰাৰ পিছত এলাহবাদৰপৰা খবৰ আহিছে, সি ৰাজনীতি বিজ্ঞানত তৃতীয় শ্ৰেণী পাইছে। তাৰ গাত শুদ্ধ টেৰিলিনৰ পোছাক, ভৰিত উজ্জ্বল দামী জোতা, সম্প্ৰতি ডাঢ়ি খুৰোৱা বন্ধ কৰিছে, তাৰ মুখত অনৰ্গল ৰাজনীতিৰ লগে লগে দেশৰ দলিত অৰ্ধ-ভুক জনতাৰ দুৰ্দশা আৰু

তাৰ প্ৰতিকাৰৰ ব্যৱস্থাৰ বক্তৃতা। অখিল বিৰক্ত। এই সময়ত ই নাহিলে কাৰ কি ক্ষতি আছিল?

"কি হ'ল, আড্ডা দেখোন? অফিচ নাই নেকি আজি?" হাতৰ কিতাপ কেইখন টেবুলত থৈ সি সুধিলে। তাৰ কথাত আন্তৰিকতা সংকুচিত, কিয়নো জ্যোতিদাৰ উপস্থিতি তাৰ কাৰণে শংকাপূৰ্ণ আৰু অস্বস্তিকৰ, এই কাৰণে যে জ্যোতিদাই প্ৰায়েই তাক নিৰ্দয় আক্ৰমণ কৰে। দুয়োখন চকী অধিকৃত, সি বিছনাত অখিলৰ গাৰ কাষত বহি পৰিল।

"নাই, আজি বন্ধ" সুধাংশুৱে উত্তৰ দিলে। তাৰ উত্তৰো সমধিক যান্ত্ৰিক, কাৰণ মহেশৰ লগত তাৰ তৰ্কৰ সোৱাদ সি এতিয়াও সখেদে স্মৰণ কৰিছিল।

"কিহৰ বন্ধ?" ভাৰ্গৱে সুধিলে।

"আজি গুড্-ফ্ৰাইডে'। তই ক'ৰপৰা ওলালিহি?" অখিলে সুধিলে।

"আচলতে আহিছিলোঁ ডাঃ চৌধুৰীৰ তালৈ। বাইদেউৰ ডাঙৰ ল'ৰাটোৰ অসুখ। পিছে ভাবিলোঁ, তোৰ কিতাপ কেইখনো বহুদিন পৰি আছে, দি যাওঁ। তোলৈ 'ক্ৰাইচিচ্ ইন্ মিড্ ইষ্ট'খন লৈ আহিছোঁ, পঢ়িবি। ......আজিৰ কাগজ দেখিছ নে নাই?" ভাৰ্গৱৰ এই প্ৰশ্নৰ পাছ ফালে বৰ্তমান নীৰস আৰু সৌজন্যসূচক আলাপৰ পৰা দেশৰ উত্তেজনাপূৰ্ণ খবৰৰ মাজলৈ যোৱাৰ প্ৰয়াস আছিল।

"নাই দেখা। প্ৰতুলে চাই আছে হবলা। ৰ, সজীৱৰনো আকৌ কি অসুখ হ'ল?"

"নহয়, ৰাজীৱৰ। সজীৱ সকটোহে। কি অসুখ হব, পেটৰ অসুখ। দেশখনত ভেজাল কুখাদ্যৰ কোবত মানুহ থাকিব পাৰে নে? নাখাই যিমান মৰিছে, খায়ো সিমানেই মৰিছে। চৰকাৰৰ কোনো এটা ষ্ট্ৰং একৃচন্ নাই......"

জ্যোতিদা উঠি নিজৰ কোঠালৈ গ'ল। সুধাংশুৱে এটা হাঁহি মাৰিলে। লেথেৰি নিছিগা বৰষুণৰ দিন বা অকিচত ঘণ্টাৰ পিছত ঘণ্টা নিষ্কৰ্ম সময়ৰ অনুভূতি তাৰ মনলৈ আহিল। আৰু অখিলে তৎক্ষণাৎ সুধিলে, "ৰাইদেউহঁত কেতিয়া যাব ?"

"জানো, বিহুৰ ওচৰত যাব হবলা। মই সোধা নাই।"

"অ' আচ্ছা, বিহুলৈ কিমান দিন আছে অ' অখিল ?" সুধাংশুৱে সুধিলে। যেন বিহুৰ কথাই তাক কিবা এটা মনত পেলাই দিলে।

"আছে বোধহয় বিশ-পঁচিশ দিন। চৈধ্যৰপৰা—চৈধ্য এপ্ৰিল।"

"ঠিক আছে, ময়ো যাম এইবাৰ তোৰ লগত। তইতো এইবাৰ বিহুত যাবি নহয় ? ভাৰ্গৱ ওলাবা, গাঁৱত কিজানি ভাল লাগিব।" সুধাংশুৱে কলে। তাৰ কথাত কোনো উৎসাহ নাছিল। কিন্তু 'ভাল লাগিব' এই শব্দ দুটাত এটা সুদূৰ আশাৰ ধ্বনি উচ্চাৰিত হৈছিল। ভাৰ্গৱ জ্যোতিদাৰ অনুপস্থিতিত এতিয়া যথেষ্ট মুক্ত, তথাপি সুধাংশুৰ উক্তিত গাঁৱত ভাল লগাৰ কোনো ছবি স্পষ্ট নহ'ল বা হয়তো নাছিলেই আৰু সি নিৰুত্তৰ হৈ ৰবলৈ ঠিক কৰিলে।

"ৰচোন, মোৰে বৰ ঠিক নাইকিয়া হৈছে। গোটেইবোৰ প্ৰ'গ্ৰাম্ এতিয়া ৰিভাইজ কৰিব লাগিব। কম লেঠা জানো এইবোৰ। অখিলৰ কথাৰ সুৰত তাৰ লেঠা সম্পূৰ্ণৰূপে স্পষ্ট হৈছিল, কিন্তু সি কাৰো মনত একো প্ৰতিক্ৰিয়া সৃষ্টি নকৰিলে। সমস্যা আৰু তাৰ পীড়নৰ লগত সিহঁত গভীৰভাৱে পৰিচিত। এনেকি তাৰ ব্যাখ্যাও অধিকতৰ যন্ত্ৰণাদায়ক। কাৰণ জীৱন একে ক্লান্তিকৰ সুৰত বন্ধা আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰায় সকলো বস্তুৰ প্ৰতি সিহঁতে হেৰুৱাইছে কৌতূহল আৰু উৎসাহ।

"তোৰ কেল্‌কেতাৰ চাকৰিটোৰ কি হ'ল ?" অখিলে ভাৰ্গৱলৈ চাই সুধিলে।

"নাই, একো খবৰ নাহিল দেখোন।" ভাৰ্গৱৰ উত্তৰ চুটি আৰু

তাত সামান্য ক্ষোভৰ চিন। বিজাল্ট পোৱাৰ পিছৰপৰাই ভাৰ্গৱ চাকৰি বিচাৰি পাগলৰ দৰে হৈ পৰিছে, এই কাৰণে যে চাকৰি নোপোৱা পৰ্যন্ত তাৰ পৰিচয় তাৰ বিজাল্টটোৰ লগত যুক্ত হৈ থাকিব। অৱশ্যে স্কুলৰ চাকৰি সি কেইবাটাও পাইছে, কিন্তু সেই-বোৰত তাৰ মন নাই। ইতিমধ্যে পেণ্টত বেল্ট্ মাৰিবলৈ লৈ জ্যোতিদা কোঠাত সোমাইছিল। পেণ্ট্টো ঠিক কৰি কৰি তেওঁ কলে, "সেইবোৰ বাদ দে। নামনি মিৰি গাঁৱত এখন নতুন হাইস্কুল হৈছে। এজন হেড্মাষ্টৰ লাগে। তই এই অখ্যাত মেছৰ মজিয়াত নষ্ট হোৱাতকৈ তালৈ যা। তাৰ পাছ পৰা দলিত জনজাতীয় অঞ্চলতা শিক্ষাৰ পোহৰ বিলাগৈ। সেইবোৰহে আদৰ্শৰ কাম। ইয়াত বৰ-বৰ চাকৰিৰ চেষ্টাত থাকিলে একো নহব।"

"নাই,......স্কুলৰ চাকৰিতো মই কেবাটাও পাইছোঁ......" মুখ ক'লা কৰি ভাৰ্গৱে কলে।

"অ', পালে সেইবোৰেই কৰিব লাগে। ছাত্ৰক গঢ়াই এতিয়া ডাঙৰ কাম। তহঁতে আক'..." কৈ কৈ জ্যোতিদা ওলাই গ'ল।

"জ্যোতিদা কেনিবা যোৱা নেকি ?" সুধাংশুৱে পাছ ফালৰপৰা সুধিলে।

"অ' প্ৰেছলৈ যাওঁ। এঘাৰটাৰপৰা ডিউটি আছে।" জ্যোতিদাই বাহিৰৰপৰা কলে।

"জ্যোতিদাটো এটা অদ্ভুত। তেওঁক প্ৰথমেই কৈছোঁ যে স্কুলৰ কাম মই পালেও নকৰোঁ। এতিয়া আকৌ চা...এই অখিল, বল ডাঃ চৌধুৰীৰ তাৰপৰা আহোঁ। ই প্ৰতুল কলৈ গ'ল ?" ভাৰ্গৱৰ এই উক্তিয়ে জ্যোতিদাৰ প্ৰতি কোনো মোহ প্ৰকাশ নকৰিছিল। বৰং ইয়াত অৱদমিত বিদ্ৰোহ বা ক্ষোভৰ নিশ্বাস আছিল।

"প্ৰতুলৰ টোপনি চাগৈ, কবই নোৱাৰে", অখিলে কলে।

"মই ডাক্তৰৰ তালৈ······মই এতিয়া নাযাওঁ দে। কেখনমান চিঠি লিখোঁ। তয়ে যা। মই আবেলিকৈ তহঁতৰ তালৈ যাম। বহুদিন যোৱাই নাই সেইফালে।"

"তেনেহলে মই যাওঁ। আবেলি আহিবি। আৰু দুখনমান কিতাপ লৈ আহিবি।" ভাৰ্গৱে সিহঁতক মাত লগাই বাহিৰ ওলাল। অখিল তাৰ লগতে আহিল। কেইখোজমান গৈয়ে ভাৰ্গৱে সুধিলে, "জ্যোতিদাটোৱে বাৰু কিয় এনেকৈ যা-তা আক্ৰমণ কৰে? আৰু পাৰ্টিকুলাৰ্লী মইহে তেওঁৰ লক্ষ্য!"

"ভাল কৰে। তোৰনো বাৰু কি দৰকাৰ গোটেই পৃথিৱীখনৰ লেক্চাৰ্ মাৰি থাকিবলৈ। আৰু জ্ঞান যিমান তাৰ দহগুণ দেখুৱাব। তই এটা ব্ৰেগেড্ চাৰ্লাটন্। দুঃখীয়া শোষিত জনতাৰ ওপৰত কি তোৰ বক্তৃতা! কিন্তু তই সিহঁতৰ বাবে কামেই কৰিছ নে সঁচাকৈয়ে অনুভৱ কৰিছ? তই প্ৰমেথিয়ুচ্ নে কি স্পাৰ্টাকাচ্? আৰু তোৰ গাত টেৰিলিনৰ চুট্!" অখিলৰ ভৰ্ৎসনাৰ ভাৰ্গৱে কোনো প্ৰতিবাদ নকৰিলে। কিয়নো ই আছিল সত্য, অধিকন্তু সহানুভূতিৰে সিক্ত।

"তথাপি······" ভাৰ্গৱে কিবা কব খুজিলে, হয়তো কব খুজিলে, যে সি যি কয় তাক অনুভৱ কৰে, মাত্ৰ সি একো সুবিধা পোৱা নাই বা কিবা এটা ভুল হৈছে নিশ্চয়, কিয়নো তাৰ আন্তৰিকতাত ফাঁকি নাই, কিন্তু আৰু কোনো কথাই তাৰ মুখৰপৰা ওলাই নাহিল। তলৰ সমভূমিলৈ সি চকু দিলে। আলিবাটেদি মটৰ আৰু মানুহ অহা-যোৱা কৰিছে। বাস্তৱ তাৰ জীৱন্ত ৰূপত ব্যস্ত। দূৰৰ পাহাৰলৈ সি এবাৰ উদাসভাৱে চালে। আঘাত, ভুলৰ অনুতাপ আৰু অক্ষমতাৰ বেদনাই তাৰ মুখ মলিন কৰি দিলে।

"বাদ দে। জ্যোতিদাই ইয়াতকৈও বেছি দুৰ্ব্যৱহাৰ কৰিছে।

এণ্ড্ হি মীন্স্ ন' অফেন্স্। হি ইজ্ গুড্ এট্ হার্ট্; ডেট্ছ অল্।” অখিলৰ কথাত সান্ত্বনা নাছিল। ভাৰ্গৱে তাৰ মুখলৈ চালে। বোধহয় তাৰ কথাখিনি বিশ্বাস কৰিবৰ মন গ'ল। তাৰ পিছত সি অখিলৰপৰা বিদায় ললে।

পাকঘৰত সোমাই অখিলে দেখিলে জুইৰ অভাৱত কেৰাহীৰ দালি স্থিৰ, চাৰিওফালে তেলৰ বটল, হালধিৰ টেমা, পিয়াজ, কটাৰী; বাল্টিটো বোধহয় ফুটিছে; মজিয়াত ছাঁই, চাহ খোৱা কাপ তেনেকৈয়ে পৰি আছে; লখনে একান্তমনে জিৰা বটিছে। সন্মুখৰ কোঠাত এযোৰ অনাদৃত চকী-টেবুল, মজিয়া ৰঙা বোকাৰে বিচিত্ৰিত। মাজৰ কোঠাত মহেশ ছমাহৰ ভিতৰতে তৃতীয় সংস্কৰণ গুলোৱা এখন বঙালী জনপ্ৰিয় উপন্যাসত ব্যস্ত। ভাৰ্গৱ যোৱাৰ পিছত নিৰ্ভয়, সুধাংশুৱে এতিয়া আজিৰ বাতৰি কাকত মেলি লৈছে। মুখৰ কোঠালৈ সোমাই অখিলে দেখিলে প্ৰতুল বিছনাত, তাৰ ডাঢ়িভৰ্তি মুখ মলিন, নিদ্ৰাভিভূত। কোঠাৰ আচবাব বিশৃঙ্খল, ততোধিক অনাদৃত; জ্যোতিদাৰ বিছনা কুৎসিত, অপৰিষ্কাৰ, মাটিত এসোপা পৰিত্যক্ত কাপোৰ আৰু কোঠাটোৰ চিৰস্থায়ী দুৰ্গন্ধ। একমাত্ৰ খোলা খিৰিকীখনেদি বাহিৰৰ কিছু অংশ দেখা যায়, যাৰ ফলত বুজা যায় যে ঘৰটো পৃথিৱীৰ উপৰি ভাগতে অৱস্থিত।

“এই প্ৰতুল, উঠ উঠ। এই দুপৰলৈকে কি শোৱা ওলাইছ? উঠ, এই কোঠাটো চাফা কৰ। সেই কাপোৰবোৰ কালৈ পেলাই থৈছ, ধো গৈ। নবাবী চলিছে ইয়াত নাহ্?” অখিলে চিঞৰ-বাখৰ লগালে। ধৰ্মৰ্কৈ উঠি প্ৰতুলে এবাৰ চাৰিওফালে চালে, তাৰ পিছত অখিললৈ। সকলো দুৰ্বোধ্য যেন লাগিল। চকু মোহাৰি মোহাৰি সি আকৌ বিছনাত পৰিল।

নিজৰ কোঠাত সোমাই অখিলে পুৰণা চিঠিবোৰ ট্ৰাংকত বন্ধ কৰি থলে। যাঃ, গোটেই পুৱাটো এনেয়ে গ'ল। এতিয়া আৰু

চিঠি লিখাৰ-সংকল্প মনলৈ নাহিল। মনটো তাৰ ধীৰ আৰু শান্ত হৈ পৰিল। পোহৰে যিদৰে বিশৃঙ্খল পানীৰ ঢৌত সুন্দৰ পেটাৰ্ণ সৃষ্টি কৰে, আন্ধাৰে যিদৰে পোহৰৰ পথ স্পষ্ট কৰে, ক'লাই যিদৰে বগাক, সেই দৰে ৰাতিপুৱাৰ অসংলগ্ন ঘটনা প্ৰবাহে তাৰ মনলৈ এক সংহত চিন্তাৰ প্ৰবাহ আনিলে। ভাৰ্গৱে বেয়া পালে নেকি? ভাৰ্গৱৰ মুখখন তাৰ মনত পৰিল। সি আজি আহত হৈছে। জ্যোতিদাৰ স্বভাৱ কিয় এনে ভীষণ হ'ল? প্ৰায়েই জ্যোতিদাই সিহঁতক বিস্তৰ কটূক্তিৰে থকা সৰকা কৰিছে। এনেকি কোনো অখ্যাত কবিৰ উদ্ধৃতি দি এদিন অখিলক কৈছে, "এক ঘণ্টা কুৰি টাকা ব্যয় কৰে, অমলেশ, ৰমণীৰ কাছে আমি অনেক পেয়েছি। আস্‌লে গৰীব হয়ে প্ৰেম কৰা (দীৰ্ঘকাল প্ৰেম কৰা) তোমাৰ সাজে না।" কিন্তু তেওঁ বা সিহঁতৰ কোনেও এদিনলৈও সেই বিষয়ে একো ভৰা নাই। লোকে এনে কথাও কয় যে তেওঁ অতিশয় হিংসুক আৰু অহংকাৰী। কিন্তু সিহঁতে জানে তেওঁৰ অন্তৰ তাদৃশ কুটিল নহয়, অধিক কি সিহঁতৰ প্ৰতি তেওঁক হৃদয় কৰুণা-সিক্ত। জীৱনৰ বিচিত্ৰ— দুৰ্ভাগ্যবশতঃ কঠোৰ—অভিজ্ঞতাৰ ফলত তেওঁৰ অন্তৰ শিলা যিৰূপ কঠোৰ। সেই শিলা খণ্ডৰ তলত কোমলতাৰ, মৰমৰ ক্ষীণ সুঁতি এটি এতিয়াও প্ৰবাহিত। হয়তো তেওঁ এক হেতুহীন নিঃস্বতা অনুভৱ কৰে। হয়তো তেওঁৰ মাকৰ কথা মনত পৰে। মাকক তেওঁ বেছি দিন পোৱা নাই। তথাপি, হয়তো তেওঁৰ মনত আছে, থুঁতৰিত ধৰি মূৰ ফণিয়াই দিয়াৰ কথা, গৰমৰ দিনত পিঠি খজুৱাই দিয়াৰ কথা, ভাতৰ পাতত মাছ বাছি দিয়াৰ কথা, বেমাৰত বিছনাৰ কাষত আকুল নয়নে পাৰ কৰা ৰাতিৰ কথা কিম্বা সেই আকুল অনন্য চকুযোৰৰেই কথা। মাহীমাকৰ দোৰ্দণ্ড শাসনৰ তলত তেওঁ ডাঙৰ হৈছিল। দ্বিতীয় বিবাহৰ পিছত দেউতাক দুৰ্বল, যেন উদাসীন। চাৰিওফালৰ দুৰ্বোধ্য জটিলতাৰ বিৰুদ্ধে জ্যোতিদাৰ শিশুমনৰ

সৰলতা, মনৰ অনেক দুখ, অনেক প্ৰশ্নৰ ওচৰত তেওঁৰ বিবুদ্ধিতা— ভাব হৈছিল তেওঁ নিশ্চয় আৰু বাচি নাথাকিব। ভাব হৈছিল, মাকবিলাকে কি এতিয়াও সন্তানক পিয়াহ খুৱায়, কাষত বহি মাছ-বাছি দিয়ে, ৰাতি উজাগৰে কটায়? কলেজলৈ অহাৰ পিছত কদাচিৎ দেউতাকৰ লগত দেখা হৈছিল। দেউতাকৰ মুখখন সলনি হৈ গৈছিল, কিছু পৰমহংসৰ দৰে, সৰুকালৰ গান শিকোৱা—মূৰ উঠাই উঠাই দৃপ্ত ভংগীত 'শিলাবৃষ্টি ভূমিকম্প হব উল্কাপাত'—সেই ভংগী একেবাৰে মনলৈ নাহে। শেষ সময়ত তেওঁ দেউতাকক নাপালে। বি-এছচি পাছ কৰাৰ পিছত সেইবাৰেই তেওঁ শেষবাৰৰ বাবে ঘৰলৈ গৈছিল। দেউতাকৰ মুখ করুণ, উদ্বেগপূর্ণ, অসহায়, যেন মুখলৈ সেই গানবোৰ আহিছে তেওঁ গাব পৰা নাই। সেই মুখখনত তেওঁ, জ্যোতিদাই, নির্বিকাৰ, নিষ্কম্প, অগ্নি সংযোগ কৰিলে।······প্ৰেছত চাকৰি কৰি তেওঁ এম-এছচি পাছ কৰিছিল। তেতিয়াও সংগ্ৰামৰ বাবে তেওঁৰ মনত প্ৰচুৰ শক্তি আছিল। জীৱনৰ স্বপ্নৰ ৰং তেতিয়া আছিল গাঢ়, উজ্জ্বল। কিন্তু এই সময়তে বাস্তৱৰ নির্মমতাত তেওঁৰ স্বপ্নৰ ৰং অথবা সমস্ত স্বপ্নই অকস্মাৎ বাষ্পন্যায় শূন্যত বিলীন হৈ গ'ল। তেওঁ প্ৰেমত পৰিছিল, এই খবৰে অখিলক বিস্মিত কৰা নাছিল। মাকৰ নাৰীমূর্তিৰ ছবি মাহীমাকৰ কালিমাই নিশ্চয় মলিন কৰিব নোৱাৰিছিল। কিন্তু তেওঁৰ প্ৰেম ব্যর্থ হয়। কিয়? জ্যোতির্ময় নিঃসম্বল? জ্যোতির্ময় ঘৰহীন? এইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ অখিলে নাজানে। কিয়নো এইবোৰ জ্যোতিদাক সুধিব পৰা কথা নহয়। জ্যোতিদাও নিজৰ সম্পর্কে সদায় নিমাত। আনকি উলুবাৰীৰ কুন্তীবাইৰ ঘৰত অতিপাত নিচাৰ কোবত যিদিনা তেওঁ নিজৰ কথা কৈছিল (ভগৱান! কি ঘৃণা, কি বেদনা তেওঁৰ মুখত মূর্ত হৈ উঠিছিল!) সেইদিনাও তেওঁ প্ৰেমৰ প্ৰসংগ এৰাই গৈছিল। তাৰ পিছত কেৱল খেয়ালৰ বশ হৈ এটা ভায়লেন্ট জীৱনৰ পাছে

পাছে তেওঁ ঘূৰিব ধৰিলে। প্ৰথমে অধ্যাপক, তাৰ পিছত শ্বিলঙত ষ্টেটিষ্টিকেল্ অফিচাৰ, লক্ষ্ণৌত লাইফ্ ইঞ্চিঅ'ৰেঞ্চৰ জুনিয়ৰ একৃজিকিউটিভ, বাঙ্গালোৰত আকৌ ষ্টেটিষ্টিকেল্ অফিচাৰ, কলিকতাত পাঞ্জাব নেচনেল বেংকৰ এজেণ্ট ইত্যাদি অনেক ঠাইত অনেক চাকৰি, তাৰ পিছত ডুমৰাও ৰেল দুৰ্ঘটনাত বাওঁহাত ভাঙি এতিয়া ইয়াত পুৰণি প্ৰেছটোৰ বাতৰি কাকতৰ চাব-এডিটৰ। অগম্য ঠাইলৈ গৈ অখাদ্য খাই পইচা উৰায়, ডাঙৰ ডাঙৰ মানুহৰ লগত তেওঁৰ পৰিচয় আৰু সকলোকে তেওঁ দুৰ্ব্যৱহাৰ কৰে। অখিলে ভাৱি নাপায় তেওঁৰ স্বভাৱ তেওঁৰ অন্তৰৰ ৰুক্ষতাৰ প্ৰকাশনে তেওঁৰ নিঃসঙ্গ ৰুদ্ধ হৃদয়ৰ বেদনাৰ ঢাকনি।

"আৰে অখিল!" সিকোঠাৰপৰা সুধাংশুৱে মাতিলে।

"কি হ'ল?" চমকিত হৈ অখিলে সুধিলে।

"এই, ক'ৰবাত যেন ঢোলৰ শব্দ শুনিলোঁ।"

"দূৰ!" অখিলৰ হাঁহি উঠিল।

"হয়, শুনিছোঁ মই। ওচৰতে ক'ৰবাত।"

"দূৰ, তোৰ পেটৰ ভিতৰত চাগৈ। ভোক লাগিছে যদি সোনকালে গা ধুই আহগৈ।"

"গা ধুবলৈ সিটোৱে কাপোৰ ধুইছেহে।" সুধাংশুৱে কলে। অখিলে শুনিলে কাপোৰ ধোৱাৰ শব্দ আহিছে। বোধহয় প্ৰতুল। সুধাংশুৰ উক্তিত এটা সংমিশ্ৰিত আৰু সমবেত অনুভূতি সি অনুমান কৰিব পাৰিলে। ইয়াত পৰিব্যাপ্ত শূন্যতাৰ অনুভূতি আছিল, করুণা আছিল, সহৃদয়তা আছিল আৰু কিঞ্চিৎ অগভীৰ বিৰক্তিৰ আভাস আছিল। 'প্ৰতুল তোৰ কি হৈছে? তই কিয় এনেকৈ থাক? একো নাভাবিবি আমিতো আছো,' নাইবা 'প্ৰতুল, তই মিছামিছি চিন্তা কৰি আছ। বাদ দে, চব ঠিক হৈ যাব,' এই ধৰণৰ কোনো কথা তাৰ প্ৰতুলক কবৰ মন যায়; কিন্তু উক্তিটোৰ অৰ্থহীনতাৰ

বাবে আৰু কিছু অস্বস্তিৰ বাবে আজিলৈকে এনে বাক্য সি উচ্চাৰণ কৰিব পৰা নাই। আৰু সম্প্ৰতি প্ৰতুলে অকৃতকাৰ্য ছাত্ৰৰ চলনেৰে নিজকে মেছৰ ভিতৰত আচহুৱা অনুভৱ কৰে। সিহঁতৰ ব্যৱহাৰত প্ৰতুল চমৎকৃত হয়, কিন্তু এতিয়া সি সকলোৰে ওচৰত অস্বস্তি বোধ কৰে। মৰমক সি সন্দেহ কৰে সহানুভূতি, আগ্ৰহক তাৰ ভয় হয় পুতৌ। ৰাতিৰ চৰাইৰ দূৰাগত মাতৰ দৰে, ৰৰষুণৰ মাজেৰে অহা মঙ্গল উৰুলিৰ দৰে স্বাভাৱিকতা তাৰ অস্বাভাৱিক যেন অনুভৱ হয়। অখিলৰ গাঁৱৰ আৰু কলেজৰ বন্ধু চাকৰি-সন্ধানী প্ৰতুল অখিলৰ মেছত উঠিছিলহি আৰু আজি সাতমাহৰ পিছতো সি চাকৰিহীন। তাৰ একমাত্ৰ ককায়েক বিয়াৰ পিছত বেলেগ হয়। এতিয়া ঘৰত তাৰ ৰুগ্না মাক নিজৰ মুক্তি আৰু পুতেকৰ সুখ-সম্পদ উভয় কামনাত একেলগে অধীৰ, সামান্য মাটিৰে বাপেক খেতিয়ক, শৰীৰ হালি পৰিছে, অনেকখিনি নাঙলটোৰ দৰেই, আৰু স্বপ্নসম্বল সৰু সৰু ভায়েক-ভনীয়েক। যোৱা মাহত সি মেছৰ পইচা দিব পৰা নাই। ঘৰত মাকৰ অসুখ বেছি হৈছে। আৰু শ্বিলঙত চাকৰি এটাৰ ইণ্টাৰভিউ দি অহাৰ পিছত সি একেবাৰে চুপ হৈ গৈছে। কিয়নো সেইটো চাকৰিও সি নাপায়, চাকৰিটো চেক্ৰেটৰীৰ ভাগিনীয়েকৰ কাৰণে তৈয়াৰ কৰা হৈছিল। তাৰ মোহনা-নিষ্প্ৰান, ইণ্টাৰভিউ—শ্ৰান্ত মুখমণ্ডলে ৰাতিপুৱাৰ চকিত পাৰৰ ডাকৰ অকস্মাৎ ছত্ৰভঙ্গই দিয়া যন্ত্ৰণা আনে। প্ৰতি নিস্ফল সন্ধ্যাৰ হতাশা, ক্ষোভ আৰু ক্ৰন্দনাই সেই মুখ ধুই চেপি দিয়া পুৰণি গামোচাৰ দৰে কৰি থৈ যায়। আৰু প্ৰতি ৰাতি-পুৱা হুনৰ কায়দাত নামি অহা সূৰ্যৰ সেনাদলে কেৱল প্ৰমাণ কৰি যায় সি অযোগ্য, সি দুৰ্ভগীয়া। তাৰ ধৈৰ্য, তাৰ আশা শেষ হৈছে। মাকৰ অসুখৰ খৰচত দেউতাকৰ কান্ধত ধাৰৰ বাঢ়ন্ত ওজন···ঘৰত ভাই-ভনী · । ইয়াৰ পিছত কি? অখিলে তাক কি কব···?

কি বুলি··· ? অকস্মাৎ এজাক জেট বিমান ওপৰেদি পাৰ হৈ গ'ল। চাৰিওফালৰ মগ্ন, মৌন পৰিবেশ মুহূৰ্তৰ বাবে থান বান্ হৈ পৰিল। অখিলৰ সম্বিৎ ফিৰি আহিল। সি গম পালে কোনোবাই গা ধুইছে। লখনে সুহুৰিয়াইছে। কোঠাৰ ভিতৰলৈ বতাহত ছুপৰীয়াৰ গোন্ধ ভাঁহি আহিছে।

"কি ৰান্ধিছ লখন ?" ভাত খাবলৈ আহি সুধাংশুৱে সুধিলে।

"কি ৰান্ধিব, দালি-ভাত-দানা" তিক্তস্বৰে জ্যোতিদাই কলে।

"আৰু পাঁচদিন আছে। হবগৈ নে নহব মহেশ ?"

"জানো, দোকানৰ হিচাপ একো কৰাই নাই। ই আজি বাহী মুখতে খবৰ দিছে বোলে 'খৰি সাং হৈছে'।" মহেশে বিৰসকণ্ঠে কলে।

ভাতখিনি আগত লৈ অখিলৰ বমি আহিব খুজিলে। অৱশ্যে খোৱাৰ সময়ত এই বিতৃষ্ণা মাহৰ পঁচিশ দিনতেই উপস্থিত থাকে। কাঁহীখন ওচৰ চপাই প্ৰতুলে ধীৰে ধীৰে কলে, "ভোজন প্ৰবৃত্তিও লাহে লাহে লোপ পাই আহিব ধৰিছে।"

"নাহিব ? বাঃ, কি ভোজন! চকু মুদি খাই যা, মাত্ৰ মানুহৰ আগত নকবি।" জ্যোতিদাই কৈ উঠিল। তেওঁৰ কথাৰ মাজত সিহঁতৰ সকলোৰে ব্যক্তিগত আৰু সমবেত জীৱনৰ চৰিত্ৰগত পৰিচয় আছিল। জীৱনৰ শূন্যতা আৰু ভণ্ডামিয়ে একেলগে তেওঁৰ উক্তিৰ মাজেদি প্ৰত্যেককে কাঁইটৰ দৰে বিন্ধিছিল।

"আৰে, আমি খাওঁ কিয় ?" সুধাংশুৱে প্ৰশ্ন কৰিলে। "এটা যান্ত্ৰিক ব্যৱসায়। আহাৰৰ বাবে আমাৰ কোনো প্ৰেৰণা নাই, উদ্বেগ নাই, উদ্যোগ নাই। এই খাদ্য আগত লৈ কাৰ মনলৈ স্ফূৰ্তি আহিব ? মাহে সত্তৰ-আশী টকা খোৱাৰ খৰচ আৰু ফল কি ? আণ্ডাৰ্ ন'ৰিছ্‌মেণ্ট্, মেল্‌নিউট্ৰিচন্······শালা ·····"

"তহঁতৰ শ্বেক্সপীয়েৰ্ ইত্যাদিয়ে এই বিষয়ে উৎসাহজনক একো কোৱা নাই নে ?" জ্যোতিদাৰ লক্ষ্য আছিল মহেশ, কিয়নো খোৱাৰ

টেবুলত সি সদায় সাহিত্য, শিল্প বা সত্যজিৎ ৰায় ইত্যাদিৰ আলোচনা হোৱাটো বিচাৰে। খোৱা-বোৱাৰ দৰে সৰু কথা-বোৰ সি একেবাৰে পছন্দ নকৰে। কিন্তু জ্যোতিদাৰ প্ৰৰোচনা সত্ত্বেও মহেশ আজি মনে মনে ৰ'ল।

"নাই, এপিকিউৰাছেহে কৈছে" অখিলে মাত দিলে। "কৈছে আমি কি খাওঁ সেইটো ইম্পৰ্টেণ্ট্ নহয়, কাৰ লগত খাওঁ সেইটোহে······"

"হৈছে, হৈছে তেনেহলে" জ্যোতিদাই বাধা দিলে। "যি কেইটা অলগদ্ধৰ লগত পৰিছোঁ, অমৃতো কেতিয়াবা শোকোতাত পৰিণত হ'ব।"

অখিলে তৎক্ষণাৎ প্ৰতুললৈ চালে। মুহূৰ্তৰ কাৰণে সি নিজৰ অচিন্তিত উক্তিৰ বাবে দুঃখিত হ'ল। পিছে সি দেখিলে প্ৰতুলে নিৰ্বিকাৰ ভাতত মনোযোগ দিছে। সিহঁতৰ কাৰো কথাই তাক স্পৰ্শ কৰা নাই।

"আমি মেছ-ডিউজ দিছোঁ ইয়াৰ স্বাস্থ্যৰ বাবে।" মহেশে সিহঁতৰ ওচৰত নিশ্চিন্ত আশাৰে পৰি থকা কুকুৰটোলৈ আঙুলিয়াই দেখুৱালে।

"অঁ, হয়। আৰু দেখ্, তাৰ স্বাস্থ্য কিদৰে ফুলি আহিছে!" সুধাংশুৱে যোগ দিলে।

আইৰ চিঠিঃ 'পৰম কৈল্যাণীয় শ্ৰীমান সোণটি, (অখিলে আকৌ পঢ়ি গ'ল। আইৰ কষ্ট-সাধ্য আখৰ আৰু ভুল বানান পঢ়ি সি মাজে মাজে হাঁহিবলগীয়া হৈছিল, এই কাৰণে যে আইৰ চিঠিৰ সুৰে তাক কষ্ট দিছিল আৰু চকুৰ কোণত জমা হব খোজা পানীয়ে তাৰ অসুবিধা কৰিছিল) পত্ৰদ্বাৰা মৰম আৰু আশীৰ্বাদ লবা। বহুত দিন তোমাৰ চিঠি-পত্ৰ একো পোৱা নাই। আমাৰ বৰ চিন্তা লাগিছে। সোনকালে খবৰ-খাতি জনাই চিঠি দিবা।

বৰ্তমান আমাৰ শাৰিৰিক ভালেই। নিৰ্মালি দেওবাৰে গ'ল। খিৰেনে নিলেহি, লগত গোঁসায়নী পেহীয়েৰা গৈছে। কেঁচুৱাটোৰ আল ধৰিবলৈ চচিকো নিলে, বছেৰেকমান ৰাখিব। ভাইটিৰ চিঠি পাইছো। তাৰ পৰীক্ষা চলি আছে। দীপে পাছ কৰিলে কিতাপ-পত্ৰহে লব পৰা নাই। পুৰণা বিচাৰিছে। আইতাৰৰ তুমি দেখি যোৱা ধৰণেই আছে। আগতকৈ হাতভৰিবোৰ অলপ ফুলিছে। ভাতপানী নাখায়েই। জলপানপাতি খালেও তেঙাপানি আহে। মকৰধ্বজকে খুৱাইছো। দীপৰ সতে থাকিবলৈ ভয় হ'ল। নিৰ্মালি আৰু ল'ৰাটো যোৱাত ঘৰখন একেবাৰে সুদা হৈ গ'ল। বিশেষ লিখিবলৈ নাই। ভাইটিৰ বাবে টকা পঠাবা। সি পৰীক্ষা দিয়েই আহিব। দীপে তোমালৈ গামোচা বৈ উলিয়াইছে। তুমি বিহুত আহিবা বুলি সকলোৱে আশা পালি আছে। মোৰ মৰম আশীৰ্বাদ পুনৰ লবা আৰু লগৰ কিজনক দিবা। চিঠি সোনকালে লিখিবা। ইতি। তোমাৰ…' অখিলৰ তন্দ্ৰাৰ ভাব আহিছিল। ভাইটিৰ চিঠিখন চকুৰ ওচৰলৈ তুলি লৈও সি নমাই থলে। চকু মুদি কিছু সময় পৰি থাকিল, কিন্তু তাৰ টোপনি নাহিল। ভাইটিলৈ চিঠি দিয়াৰ দৰ্কাৰ নাই। সোমবাৰে টকা আশীটা টেলিগ্ৰাম কৰি পঠালেই হ'ল। ঘৰলৈ যাব যেতিয়া……। অনুপমাৰ চিঠিঃ মৰমৰ অখিল, সোণটি, কিযে আচৰিত, তুমি আকৌ দেৰি কৰিছা। প্ৰায় দুসপ্তাহৰ মূৰত পাইছোঁ তোমাৰ চিঠি জানা! মোৰ যে কি অৱস্থা তুমিতো নাজানা। ইমান ভয় লাগে, কি জানি চিঠিখন হেৰাল, কিজানি তোমাৰ খং উঠিল, কিজানি তোমাক দুঃখ দিয়া কথা লিখিলোঁ। জানা, স্কুলত একোৱেই পঢ়াবৰ মন নাযায়। একেবাৰে ভাল নালাগে। মৃণালিনীহঁতৰ হাঁহি-ঠাট্টা শুনি খং উঠে। সন্ধিয়া অপৰাজিতা জোপাৰ কাষত বেঞ্চত বহি কি যে অসহ্য লাগে আৰু বিছনাত নিজকে যেতিয়া আন্ধাৰৰ মাজত অকলশৰে পাওঁ তেতিয়া

ভয়তে কিজানি কান্দি দিওঁ। তোমাৰ মুখৰ ছবি, তোমাৰ চিঠি আৰু কথাই তেতিয়া মোক প্ৰবোধ দিয়ে। এতিয়া যে সেয়েই মোৰ একমাত্ৰ গোপন সঙ্গী।

তোমাৰ আজিকালি কি হৈছে অখিল? কিয় তুমি চিঠি দিওঁতে ইমান দেৰি কৰা? চিঠিবোৰ যেন মলিন, আগৰ উজ্জ্বলতা নাই, গোটেই চিঠিখনতে কিহবাৰ ছাঁ। হয়তো এয়া মই এনেয়ে ভাবিছোঁ। চিন্তা, কাম, ভাগৰ, বন্ধু-বান্ধৱৰ উৎপাত এইবোৰৰ বাবে তুমি চাগে সময় নোপোৱা হৈছা। কিন্তু মাজে মাজে মোৰ ভাব হয় তোমাৰ মনত যেন খু-উ-ব ডাঙৰ দুখ এটা সোমাইছে। কিবা এটা বেদনাই যেন তোমাক নিষ্প্ৰভ কৰি আনিছে। তুমি কিজানি অধৈৰ্য হৈছা, হতাশ হৈ পৰিছা। মোৰো কেতিয়াবা তেনেকুৱা ভাব আহে, জানা। কিন্তু কিয় অখিল, আজি চাৰি বছৰৰ পিছত এতিয়া তুমি কিয় হতাশ হব লাগে? এতিয়া আৰু অধৈৰ্য হোৱাৰ কি কথা থাকিব পাৰে? আমাৰ পৰীক্ষা এদিন শেষ হব। সেইদিনা আমাৰ প্ৰাপ্য পুৰস্কাৰ আমি নিশ্চয় পাম। বহুত কথা মই নাজানো, মই এজনী অতি সাধাৰণ ছোৱালী। এইবোৰ কথা মই তোমাৰপৰাই শিকিছোঁ। তোমাৰ কি হৈছে, সকলো জনাই মোলৈ লিখিবা। এতিয়াই লিখিবা।

আজি কিন্তু দীঘল চিঠি নিলিখোঁ। ইন্‌স্‌পেক্টৰ্‌ আহিব, স্বৰ্ণ বাইদেৱে স্কুলৰ কাম অলপ কৰিবলৈ দিছে। তোমালোকৰ ঘৰত ভাল। বিহুত অহালৈ বৈ আছোঁ, ঢে'ৰ কথা আছে কবলৈ জানা। সোনকালে আহানা। আজিলৈ থাকক। চিঠিখন খুউব বাজে হ'ল। মই যে চিঠি লিখিবও নিশিকিলোঁ আজিলৈকে। উত্তৰ সোনকালে দিবা। নহলে খুউব ডাঙৰ শাস্তি দিম। মৰম আৰু চুমাৰে। ইতি—

তোমাৰেই,

অনু

অনুপমাৰ চিঠিখন নমাই থৈ অখিলে এটা হামি মাৰিলে। তাৰ পিছত চকুহাল মুদি দিলে। কেইবা বছৰৰো আগৰ কলেজৰ তৃতীয় বাৰ্ষিকৰ কথা তাৰ মনত পৰিল। তদানীন্তন কালত তাৰ একমাত্ৰ বন্ধু বীৰেশ্বৰ, কলেজৰ চোকা, গম্ভীৰ, সকলোৰে প্ৰিয় নম্ৰস্বভাৱৰ ছাত্ৰ। সিহঁতৰ অঞ্চলৰ আদৰৰ ধন বীৰেশ্বৰ তিনি বছৰৰ ভিতৰতে কলেজৰ গৌৰৱমণি হৈ পৰিছিল। বীৰেশ্বৰৰ বাহিৰা গুণবোৰে অখিলকো আন সকলোৰে দৰে প্ৰথমেই আকৰ্ষণ কৰিছিল। কিয়নো এইটো বীৰেশ্বৰৰ ব্যক্তিত্বৰ বলতেই একপ্ৰকাৰ অপৰিহাৰ্য আছিল। পিছলৈ সি, অখিল, বন্ধুৰ উজ্জ্বল হৃদয়-সম্পদৰ প্ৰাচুৰ্যত মুগ্ধ হৈছিল। আৰু এদিন, আচৰিত, সেই সদাগম্ভীৰ বীৰেশ্বৰে এটা মাৰাত্মক ধেমালি কৰিলে। ওচৰৰ নদীত গা ধুবলৈ গৈ ডুব দিলে, তাৰ পিছত কোনো দিন আৰু উঠি নাহিল। আৰু অবিশ্বাস্য, অখিলে এতিয়াও এই পৃথিৱীৰ ওপৰত জীৱন যাপন কৰিছে। সি নিজৰ বুকুত অজ্ঞাত-সাৰে হাত ফুৰালে। তথাপি, তাৰ মনত পৰিল, কিছু কাল তাৰ জীৱন বিক্ষিপ্ত হৈ পৰিছিল। `নৈঃসঙ্গৰ যন্ত্ৰণাই তাৰুণ্যৰ ব্যাখ্যাহীন বেদনাক তীব্ৰতৰ কৰি তুলিছিল। জীৱন নীৰস, ক্লান্তিকৰ, ব্যথা-সৰ্বস্ব যেন অনুভৱ হৈছিল। সি মুক্তি বিচাৰিছিল। ক্ষণিকৰ মাজত মুক্তি বিচাৰি হতাশ হৈছিল। সি বুজিছিল যে তাক কিবা এটাৰ প্ৰয়োজন, যিহেতু তাৰ অন্তৰ শূন্যতাৰে পূৰ্ণ। সি ভাবিছিল, আৰু বাচি থকা সম্ভৱ নহয়। এইদৰে অন্ততঃ এটা বছৰ। সি তেতিয়া ফাইনেল দি ঘৰত আছিলহি। ফাগুনৰ বতাহভৰা উদাস সন্ধ্যা এটা সি বীৰেশ্বৰৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। বহুত সময় বহিছিল। মাজে মাজে সি এইদৰে যায় আৰু বহে। কিন্তু সেইদিনা, তাৰ জীৱনৰ এটা মহত্তম মুহূৰ্ত, বীৰেশ্বৰৰ ভনীয়েক অনুপমাই অভাৱনীয় এক মধুৰ বিস্ময়ৰে তাক আপ্যায়িত কৰিলে। প্ৰথমে অখিল হতভম্ব, বিমূঢ়, থৰ। তাৰ পিছত সি অনুভৱ কৰিলে সেয়েইতো

তাৰ মুক্তি, তাৰ প্ৰয়োজন, তাৰ আকাঙ্ক্ষিত পূৰ্ণতা। তাৰ অন্তৰলৈ আহিল উচ্ছ্বল আনন্দ, বহুদূৰ অতিক্ৰান্ত পথৰ শেষত ঘৰ পোৱাৰ আনন্দ, নিবিষ্ট চিত্তে ৰৰষুণ চোৱাৰ আনন্দ, নিজৰ নামত সৰ্বপ্ৰথম বাৰ চিঠি অহাৰ আনন্দ। সি দুয়োহাত আগবঢ়াই দিলে।

দীৰ্ঘশ্বাস অখিলৰ বুকুৰপৰা গভীৰভাৱে ওলাই আহিল। যেন অনেক সময় ধৰি কোনো অবিশ্বাস্য ঘটনাৰ ছায়াছবি মুগ্ধচিত্তে প্ৰত্যক্ষ কৰিছিল। তাৰ নিশ্বাসত অৱশ্যে পঞ্চাশোত্তৰৰ ক্লান্তি আৰু কাতৰতাৰ সুৰ বাজিছিল, কিয়নো প্ৰকৃততে ইয়াৰ সম্পৰ্ক আছিল অন্যান্য পৰৱৰ্তী ঘটনাৰ লগত অৰ্থাৎ যোৱা চাৰি বছৰৰ লগত—অপেক্ষা অপেক্ষা আৰু অপেক্ষাৰ লগত। অন্তহীন অপেক্ষাৰ চাৰিটা বছৰ শেষ হৈ গৈছে। সহস্ৰ সহস্ৰ যোজন সি খোজ কাঢ়িছে, লক্ষ-কোটি দিন-ৰাতি পাৰ কৰিছে কেৱল অপেক্ষাত: কোটি কোটি বছৰৰ নিশ্চয়তাহীন আশা আৰু অপেক্ষা। আনপক্ষে দায়িত্বৰ হেঁচাত ক্ৰমে উশাহ লোৱাও কষ্টকৰ হৈ উঠিছে। 'তেনেহলে এতিয়াও, ইমান দিনৰ পিছতো; আমাৰ বিয়া নহ'ল, অনু, কেতিয়া হব? কিয় এতিয়াও সহজে মুক্তভাৱে উশাহ লব পৰা নাই? তোমাৰ বুকুত মূৰ থৈ এক মিনিট নিশ্চিন্ত আৰামবোধ কৰিব পৰা নাই? পৃথিৱীৰ বাহিৰৰ দূৰ গগনচাৰীৰ ৰেডিঅ' ফটোৰ নিৰ্বাধ সুখৰ হাঁহিৰে কব পৰা নাই 'মই এতিয়া চমৎকাৰ বোধ কৰিছো?' আৰু কত কোটি কাল অফিচৰ কলমটোৰ দৰে মই কলম পিহি যাম?' অখিলে দুই হাতেৰে মূৰটো চেপি ধৰিলে আৰু কিছু সময়ৰ বাবে একো নাভাবিবৰ চেষ্টা কৰিলে। (হাঁয়, উত্তেজিত নোহোৱা হলে অখিলে দেখিলেহেঁতেন, সি এটা অসম্ভৱ আপত্তি কৰিছে, এই কাৰণে যে তাৰ সম্পৰ্ক কলমৰ লগত অবিচ্ছেত্তসূত্ৰে গঁথা)। প্ৰথমে অখিলৰ সমস্যা হৈছিল চাকৰি আৰু তাৰ পিছত আহিল গধুৰ গধুৰ দায়িত্ব, কিয়নো মৃত্যুৰ যোগেদি দেউতাকে আগেয়েই সৰ্বদায়িত্বৰপৰা মুক্তি লাভ কৰিছে।

নিৰ্মালি অৰ্থাৎ বাইদেউৰ বিয়াৰ সমস্যা অৱশেষত ওৰ পৰিছে। তাৰ পিছত ভাইটিৰ পঢ়া, এতিয়াও তাৰ কলেজত এবছৰ বাকী। তাৰ পিছত আৰু পঢ়া বা চাকৰি সন্ধান। তদুপৰি দীপালীৰ পঢ়া বা সম্ভৱ হলে শীঘ্ৰে বিয়া। আৰু, অন্ততঃ, যিহেতু গাঁৱৰ ঘৰ এতিয়া বতৰৰ অনুগ্ৰহ-নিৰ্ভৰ, এটা ঘৰ; উষ্ণ, পৰিচ্ছন্ন, নিজৰ মৰমৰ ঘৰ। এনে অনেক ক্ষুধাৰ্ত সমস্যাৰ উপৰিও লাহে লাহে কোনেও নভবাকৈ কোনেও নোকোৱাকৈ এই কথা যেন প্ৰতীয়মান হব খুজিছে যে অনুপমাও মুক্ত নহয়; দায়িত্বৰ বোজা অনুপমাৰো গধুৰ। বীৰেশ্বৰৰ মৃত্যুৰ পিছত ঘৰৰ ডাঙৰ সন্তান তাই দেউতাকক সহায় কৰিবলৈ ওচৰৰ স্কুলত চাকৰি ললে। এতিয়া ভনীয়েক নিৰুপমা, ভায়েক মুনৰ পঢ়া যেন তাইৰ ওপৰতে নিৰ্ভৰ কৰে। আৰু ইয়াৰ বাহিৰেও চাৰি বছৰৰ প্ৰেম আৰু তাৰ ফলত চাৰি বছৰৰ অপেক্ষাই তাৰ মনলৈ ক্লান্তি আৰু অক্ষমতাৰ গ্লানি আনিছিল। এইবাৰ বিহুত বহুদিনৰ মূৰত ঘৰলৈ যোৱাৰ কথা আছিল। অনেক আশা কৰিছিল, মনে মনে আনকি কিছু ৰোমাঞ্চিতও হৈছিল হঠাৎ। কিন্তু আশা আৰু আঁচনি সকলো এতিয়া বৰফ হৈ গৈছে। কেইমাহ মানৰ অনুদাৰ চেষ্টাৰ বলত দুশমান টকা হাতত ৰৈছিলগৈ। কিন্তু প্ৰতুলে শ্বিলঙলৈ যাওঁতে নিলে ত্ৰিশ টকা, জ্যোতিদাই ধাৰলৈ বিশ, যোৱা মাহত প্ৰতুলৰ মেছ ডিউজ, কাইলৈ ভাইটিলৈ আশী ·...গতিকে ঘৰলৈ যোৱা বন্ধ। সি ঠিক কৰিলে অহা মাহৰ দৰ্মহাৰ যিখিনি বাকী থাকে সেইখিনি ঘৰলৈ পঠাই দিব। কাৰণ, আগত খৰচবহুল বিহু আহিছে। আকৌ এবাৰ গাঁৱলৈ আনন্দ-উছৱৰ আভাস আহিছে। এতিয়া গাঁৱৰপৰা ঠাণ্ডা গ'ল, গৰম আহিল। গাঁৱলৈ বতাহ আহিল, ধূলি আহিল, দুই-এজাক বৰষুণো আহিল, আম আৰু লিচুলৈ মল আহিল, মললৈ মৌমাখি আহিল, নানাবিধ চৰাই আহিল, চৰাইৰ কণ্ঠলৈ কাকলি আহিল, ঘৰলৈ দুই এটা পথভ্ৰান্ত মহো আহিল।

দোকানলৈ মহাৰ্ঘ চেনি আহিল, বসন্তৰ ছিটা দিয়া ছিটাদাৰ আহিল, স্কুলীয়া ল'ৰা-ছোৱালীৰ হাতলৈ নতুন কিতাপ আহিল, নতুন কিতাপৰ গোন্ধ আহিল..... ইত্যাদি অনেক বস্তু আকৌ গাঁৱলৈ ঘূৰি আহিল। শুনা গ'ল চুপৰীয়া মাকো-দোৰপতিৰ খদম্‌দম্‌, আবেলি কোনো ঘৰত সময়োচিত আইনামৰ সুললিত সুৰ, গধূলি দূৰে দূৰে ঢোলৰ সশব্দ প্ৰস্তুতি আৰু ৰাতি দুপৰলৈ বিনিদ্ৰ ঢেঁকীৰ ব্যস্ততা। এনেকৈয়ে বিচিত্ৰ মুখৰতাৰে বসন্ত আহিছে, ফাগুন-চত-বহাগ আহিছে। আগেয়েও আহিছে আৰু যিদিনা নৰকলৈ মানুহৰ এক্স'ডাচ সম্পূৰ্ণ হব সেই দিনাও আৰু তাৰ পিছতো আহি থাকিব। অখিলে ভাবিলে গতানুগতিকতাৰ দৰে জঘন্য বস্তু নাই আৰু প্ৰকৃতিৰ দৰে গতানুগতিক নিয়মত চলা বস্তুও নাই। কিয়, ফাগুনত এবাৰ ঘূৰ্ঘোৰ বৰষুণ হোৱা হলে কি ক্ষতি হ'লহেঁতেন? এইবাৰ বসন্তই বা দুমাহ পিছত অহাত কি আপত্তি আছিল? (পণ্ডিত আৰু বৈজ্ঞানিকৰ অৱশ্যে অনেক আপত্তি থাকিব পাৰে, অখিলে হাঁহিলে)। অসহ্য একঘেঁয়ে সেই সনাতন ইটোৰ পিছত সিটো ঋতুৰ নিয়মমাফিক অহা-যোৱা, চন্দ্ৰ-সূৰ্যৰ উদয়াস্ত। আনকি শিলীভূত ক্ৰ'-মেগ্নন-মানুহবো কেইবা পুৰুষৰ আগতে আৰম্ভ হোৱা জীৱন-যাপনৰ বাটৰপৰা মানুহেই জানো কেতিয়াবা ফালৰি কাটি আহিব পাৰিলে? গতানুগতিকতাৰে সংপৃক্ত হৈ পৰাৰ পিছত জীয়াই থকাৰ ইচ্ছা হেৰুৱাৰ ফলতে কিজানি মানুহ মৰে। ভাগ্যে, যিহওক, মৃত্যু নামে এটা ঘটনা বা ওৱে আউট আছিল। অন্ততঃ, মৃত্যুৰ কোনো ৰহস্য নাই, মৃত্যু এটা পূৰ্ণ যতি চিহ্নৰ দৰেই ৰহস্যহীন, কিন্তু জীৱন বৰ ৰহস্যপূৰ্ণ। মানুহ কিয় জীয়াই থাকে, সেইটোৱেই ডাঙৰ ৰহস্য। আৰু তাৰ বাবে তাতকৈও ডাঙৰ ৰহস্য, মানুহে কিয় ঘিণলগা গতানুগতিকতাৰ মাজত জীৱন কটায়। হয়তো মৃত্যুৱেও কোনো অন্যতৰ, উৎকৃষ্টতৰ আশ্বাস দিব নোৱাৰে বাবে

হয়তো মৃত্যুৰ পিছৰ অন্ধকাৰক ভয় কৰিয়েই। ইচ্ছা হয় যেন সকলো সামাজিক প্ৰথা আৰু নিয়মৰ শৃঙ্খল চূৰ্ণ-বিচূৰ্ণ কৰি নিয়মহীন, নিৰ্গ্ৰন্থ জীৱনৰ পৰীক্ষা চলাব। কিন্তু তাতো তাৰ সন্দেহ, ভয়; কিয়নো আংশিক অনিয়মেৰে জ্যোতিদায়েই বা কি সুখ লাভ কৰিছে? নাইবা যদি নিয়মভঙাৰ নিয়মতে সি আবদ্ধ হৈ যায়? তদুপৰি নিয়ম ভঙাতে যে তাৰ চেল্‌ভেশ্যন্ এই নিশ্চয়তা সি ক'ত পালে? নে চেল্‌ভেশ্যন্ বুলিয়েই কিবা বস্তু সঁচাকৈয়ে আছে? বিপ্লৱী সি হব পাৰিব নে? তাৰ দায়িত্ববোধ, তাৰ আজন্ম সংস্কাৰ, তাৰ প্ৰথাসিদ্ধ সাঁচত গঢ় লোৱা বিবেক, তাৰ মোহ, দুৰ্বলতা এইবোৰ সি জলাঞ্জলি দিব পাৰিব নে? নে সি চেইণ্ট হব Camus ৰ উপন্যাসৰ চৰিত্ৰৰ দৰে? আৰু সেই Camusও এদিন অকালতে মৰি থাকিল। তাৰ প্ৰিয় লেখক Camus আৰু জীৱনানন্দ, তাৰ প্ৰতিভাধৰ প্ৰিয় বন্ধু বীৰেশ্বৰ—এইবোৰ মানুহ কিয় মৰিল অকালতে? কাৰণ, এজাক ভণ্ড চাৰ্লাটনে গণতন্ত্ৰৰ চাফাই গাই দেশ শাসনৰ নামত দেশৰ প্ৰজাক জহন্নামলৈ ঠেলি দিব লাগে, কাৰণ এদল বিবেকহীন বেপাৰীয়ে নতুন পুৰুষৰ ভৱিষ্যত বিনিময় কৰি মটৰ গাড়ী আৰু অট্টালিকাৰ সংখ্যা বঢ়াব লাগে, কাৰণ এজাক কেৰানী বুৰ'ক্ৰেচীৰ মন্দিৰ অফিচত গৈ পৃথিৱীৰ নিয়মক অব্যাহত ৰখাৰ মহৎ দায়িত্ব পালন কৰিবলৈ দ্ৰুতগতি ট্ৰামত ধাবিত হব লাগে, কাৰণ · ···

"বাবু······বাবু চাহ······"

চক্ খাই অখিলে দেখিলে হাতত চাহৰ কাপ লৈ লখন ৰৈ আছে। "হুঁ, অ" জড়িতস্বৰে সি কলে। টেবুলত ঠাই নাছিল, কিতাপ এজাপ আঁতৰাই লখনে চাহকাপ থৈ গ'ল। চাহ খাই অখিলে বন্ধ হৈ যোৱা খিৰিকীখন খুলি দিলে আৰু খিৰিকীৰে চাই দেখিলে, আশ্চৰ্য! তাৰ আকাশত বিচিত্ৰ ৰঙৰ বৰ্ণালি। ৰঙা, বগা, নীলা আৰু

অনেক নামহীন দুর্বোধ্য ৰঙে আকাশৰ বুকুত এটা অভিনৱ পেটাৰ্ণ সৃষ্টি কৰিছে। 'আনন্দ নিষ্যন্দন্ আকাশ,' তাৰ মনত পৰিল। সঁচাই যেন সৌন্দৰ্য সৰি পৰিছে আবেলিৰ আকাশৰপৰা। এতিয়াও নবীন উৎসাহেৰে মৰা সূৰ্যৰ সোণালী তীৰ আকাশৰ নীলবৰ্মত লাগি উফৰি আহিছে, বৰ্ষণউজ্জ্বল গছপাতৰপৰা আনন্দোচ্ছ্বল চিক্‌মিকনি বিচ্ছুৰিত হৈছে। হঠাতে পীড়িত অৱচেতনাৰ মাজেৰে তাৰ মনলৈ আহিল—

Beauty falls from the evening air
Queens have died young and fair
Dust hath closed Helen's eye
I am sick, I must die.

আৰু এতিয়া অখিল,তাৰ বিস্ময়, তাৰ বেদনা, আৰু তাৰ বেদনা-উৎসাৰিত এক অদ্ভুত আনন্দৰে অভিভূত, অবাক, অজ্ঞান-প্ৰায়, আকাশৰ বুকুত বিভোৰ হৈ ৰ'ল।

এটা অপৰিচিত শব্দত অখিলৰ টোপনি ভাগি গ'ল। সি আচৰিত হৈ শুনিলে এটা দীঘলীয়া টনা শব্দ, অপৰিচিত আৰু অবোধ্য, যেন এটা একঘেঁয়ে গানৰ সুৰ। অন্ধকাৰ। মহৰ ৰুণ-ৰুণনি। আৰু এটা সুতীক্ষ্ণ শব্দ। পৰিস্থিতিটো অনুমান কৰিবৰ চেষ্টা কৰি সি বিফল হ'ল। সকলো যেন অস্পষ্ট, আচহুৱা॥ বিছনাত বহি সি চকুহাল মোহাৰি দিলে। ক্ৰমে তাৰ বিভ্ৰান্তি দূৰ হৈ গ'ল। অনুভূতিৰ অস্বচ্ছতা তল পেলাই কোঠাটোৰ এটা অৰ্ধস্পষ্ট আভাস তাৰ চকুত ধৰা পৰিল। সি অনুমান কৰিব পাৰিলে তাৰ বিছনা, বিছনাৰ কাষৰ কিতাপৰ ক'লা জাপ, অসংখ্য অস্পষ্ট বস্তুৰে ভাৰাক্ৰান্ত তাৰ টেবুল (যাৰ ভিতৰত চিনিব পৰা যায় মাত্ৰ এখন আৰ্চী, এটা টৰ্চ), পৰিত্যক্ত পোছাকৰ তলত অৱলুপ্ত চকী, বাকচৰ ওপৰত কাপোৰ-কাগজ-আলোচনীৰ জাপ, হেঙাৰ

আৰু জৰীৰপৰা অসহায়ভাৱে ওলমি থকা তাৰ পিন্ধা কাপোৰ, চুকৰ চিৰ-বিবসনা আলনা (কি দৰকাৰ আছিল এইডাল কিনাৰ ?), বাটামত এশাৰী সৰু-বৰ বটল আৰু বেৰত এখন কেলেণ্ডাৰ (এজনী হাস্যময়ী চিত্ৰ তাৰকাৰ ছবি), দুখনমান কিবা ফটো, এখন বেডমিণ্টনৰ ৰেকেটৰ আভাস, এটা আলমাৰি, আলমাৰিৰ ওপৰত যেন এযোৰ জোতা—অ' হয়, তাৰ নতুন জোতা যোৰ আৰু আলমাৰিৰ কাষত এখন প্ৰাচীন আৰামী চকী—দৈনিক, সাময়িকী, মোজা, বিচনী, ফাইল, ব্ৰাছ, পুৰণি পেণ্ট, ধোবাৰ কাপোৰ ইত্যাদি জাতিবৰ্ণ নিৰ্বিশেষে অনেক বস্তুৰে যি চিৰকাল সগৰ্ভা। ঘূৰি চাই সি লক্ষ্য কৰিলে এটা আয়তাকাৰ পোহৰৰ আভাস—তাৰ খোলা খিৰিকীখন। খিৰিকীয়েদি দেখা গ'ল, তলত দূৰত এটা লাইট জ্বলিছে, আৰু তাৰ পোহৰত জিলিকি উঠিছে কিছুমান উৰন্ত পতঙ্গ, গছবনৰ জোপা, তললৈ নামি যোৱা ৰঙা বাটটোৰ এটা ভাঁজ, আৰু এটা বগা ঘৰৰ অংশ বিশেষ। বাস্তৱতাৰ মাজত সি নিজকে সম্পূৰ্ণ কৈ ঘূৰাই পালে। সি বুজিলে, অলপ আগৰ আচহুৱা অনুভূতিটো এটা সাময়িক বিভ্ৰান্তি মাত্ৰ, নিশাৰ নিঃশব্দ প্ৰৱেশ আৰু তাৰ নিবিড় নিদ্ৰাৰ ফল। হঠাতে সি বৰ নিৰুৎসাহ অনুভৱ কৰিলে। এইখন সেই চিৰন্তন প্ৰাচীন পৃথিৱী, এয়া তাৰ কদৰ্য কুঠৰী, পৃথিৱীৰ অঙ্গনে-প্ৰাঙ্গণে, কোঠাৰ চুকে-কোণে সকলোতে এতিয়া বিয়পি পৰিছে দিনান্তৰ ম্লান বিষণ্ণতা। চৌদিশ আকীৰ্ণ কৰি নামি আহিছে বৈচিত্ৰ্যহীন, বিবৰ্ণ সন্ধিয়া—চিৰাভ্যস্ততাৰ স্পৰ্শত জঠৰ আৰু ভোতা, সমগ্ৰ দিনৰ ব্যৰ্থতা আৰু ক্লান্তিৰ ভাৰত নিৰাশ আৰু নিৰুত্তেজ।

ভৰিৰ পতাখন সি খজুৱাব ধৰিলে। অগণন মহে তাৰ সেই উন্মুক্ত অংশত মহভোজ সমাপন কৰি গৈছে আৰু তাক দি গৈছে এটা খং উঠা খজুৱতি। কি অসহ্য! আকৌ শব্দটো আহি তাৰ কাণত পৰিল। এতিয়া আৰু শব্দটো অপৰিচিত নহয় বা

কোনো কালেই ই অপৰিচিত নাছিল। মিত্ৰ-পৰিয়াল প্ৰবাসৰপৰা ঘুৰি আহিছে আৰু কেদাৰ মিত্ৰৰ জীয়েকৰ সুৰ-সাধনাৰ অসহ্য শব্দ সি শুনিবলৈ পাইছে। সি বুজিলে তাৰ খোলা খিৰিকী-খনেদি বাহিৰৰ অসংখ্য মহৰ মিছিল আৰু একঘেঁয়ে বিৰক্তিকৰ শব্দৰ তৰঙ্গ কোঠাৰ ভিতৰলৈ অবাধে সোমাই আহিছে। মিত্ৰ-পৰিয়ালৰ ওপৰত সি ক্ৰুদ্ধ হৈ উঠিল আৰু সজোৰে খিৰিকীখন বন্ধ কৰি দিলে। বিছনাৰপৰাই সি অনুমান কৰিলে যে ঘৰত কোনো নাই, বোধহয় সকলো ফুৰিবলৈ গ'ল। লখনে লেম্প জ্বলাইছে, গুণ-গুণকৈ এটা সুৰো ধৰিছে। অখিল লৰালৰিকৈ কাপোৰ পিন্ধি বাহিৰলৈ ওলাল। অলপ দূৰ আহি সি ঘুৰি চালে। পাতল আন্ধাৰৰ মাজত নিৰ্দোষ, শান্ত চেহেৰাৰে সিহঁতৰ ঘৰটো থিয় দি আছে। দূৰত উদ্যোগ নগৰৰ পূবফালে গেচৰ জুইকুৰা জ্বলিছে। তাৰ হঠাৎ মন গ'ল যেন সিহঁতৰ ঘৰটোত সি জুই লগাই দিব, আৰামেৰে তাত জুই পুৱাব আৰু তাৰ আঙঠাত পৰম সুখেৰে চিগাৰেট জ্বলাব। সি ঘুৰিল। পাতল আন্ধাৰৰ মাজে মাজে, বোকা ভৰা বাটত সি সাৱধানে খোজ পেলাই গ'ল। কেদাৰবাবুৰ ঘৰত সঙ্গীত সাধনা বন্ধ হৈছে। কেদাৰবাবু পোষ্ট-অফিচৰ কেৰাণী। আগতে সঙ্গীত চৰ্চাৰ বিলাসিতা আছিল। কিন্তু আজি কালি দিন বেয়া হৈছে। কিয়নো তেওঁ বেপৰোৱা সন্তান জন্ম দি গৈছে, দ্ৰুতগতিত পৰিয়াল বাঢ়িছে, অবিশ্বাস্য গতিত দ্ৰব্য-মূল্য বাঢ়িছে আৰু এইৰূপ নানানটা সমস্যাত তেওঁ জুৰুলা হৈ পৰিছে। তেওঁৰ ঘৰৰ সন্মুখৰ কোঠা আন্ধাৰ। ভিতৰৰপৰা ক্ৰুদ্ধ উক্তিৰ লগত এটা চৰৰ শব্দ আহিল। প্ৰায় লগে লগে উচ্চস্বৰ কান্দোনৰ শব্দ। শব্দটো কিছুদূৰ তাৰ পাছে পাছে আহি থাকিল। শিশুৰ কান্দোনৰ ভংগীটো সি তাৰ মনত স্পষ্ট কৰিবৰ চেষ্টা কৰিলে। জগদীশহঁতৰ ঘৰত লাইট জ্বলিছে। ভিতৰত ৰেডিঅ'ৰ মাত চেৰ পেলাই কথা-বতৰা

চলিছে। নাৰীকণ্ঠও শুনা গ'ল। চাপ্লাইৰ ডেকা ইন্সপেক্টৰ জগদীশৰ একাধিক দুৰ্ণাম আছে। কিছুদিনৰ আগতে এদিন ৰাতি চিৰিয়াখানাৰ ফালে এডোখৰ আওহতীয়া ঠাইত এদল যুৱকে তেওঁক অপেক্ষমান মটৰৰ ভিতৰত বেয়া অৱস্থাত আটক কৰিছিল। তেতিয়াৰপৰা বোধহয় তেওঁ বাহিৰৰ নৈশ-এডভেঞ্চাৰবোৰ কমাই দিছে। আজিকালি তেওঁৰ ঘৰত প্ৰতি সন্ধ্যা আড্ডা হয়, তেওঁৰ বন্ধু-বান্ধৱী আছে। তেওঁৰ অনেক বন্ধু-বান্ধৱী। অখিল আগ বাঢ়িল। সমতলৰ বজাৰৰ হুলস্থূল তাৰ কাণত পৰিল। অনেক পোহৰ, মটৰ, ঘোঁৰাগাড়ী, ৰিক্সাৰ অহা-যোৱা, মানুহৰ বেচা-কিনা, বিভিন্ন অভিব্যক্তি, বিভিন্ন ধৰণৰ ব্যস্ততা। ধুমায়মান চাকিটোৰ সিফালৰপৰা চানাচুৰৱালাটোৱে তালৈ এটা বিনয়াবনত হাঁহি মাৰিলে, অধ্যাপক ভট্টই মুৰ দুপিয়ালে, মোৰৰ দোকানৰপৰা নেপালী গাভৰুজনীয়ে তালৈ এটা তীব্ৰ দৃষ্টি হানিলে। তাৰ মনত পৰিল কেইদিনমানৰ আগতে ৰাতি প্ৰায় সম্পূৰ্ণ অনাবৃতদেহে তাই দোকানৰ পাছৰ চকোৱাৰ ভিতৰফালে এটা মানুহৰ লগত টনা-আজোৰা কৰোঁতে চকোৱাৰ ফাঁকেদি অখিলৰ চকুৱে চকুৱে পৰিছিল। প্ৰধান ৰাস্তাত নামিয়েই অখিলে দেখিলে তালৈ এটা জলমল হাঁহি ছটিয়াই দি শ্ৰীমতী উৰ্মিলা ৰিক্সাত পাৰ হৈ গ'ল, লগত এজন অচিনাকি ল'ৰা, শিল্পীৰ পোছাক, উত্তমকুমাৰসুলভ চুলি। এসময়ত উৰ্মিলা তাৰ বন্ধু নবীন দত্তৰ লগত প্ৰণয়ত আৱদ্ধ হয়। তাৰ পিছত তাৰ অন্যান্য অনেক বন্ধুৰ লগতো তাই গভীৰ প্ৰেমত পৰিব লগাত পৰে। আজিকালি আৰু অখিল এই বিষয়ে অকণো উৎসাহী নহয়। কিন্তু তাইৰ হাঁহিটো তাৰ ভীষণ কৌতূহলৰ বিষয়।

'আবেলি'ৰ চুকৰ কেবিনত চিগাৰেট টানি টানি সুধাংশু বহি আছিল।

"চিগাৰেট দে" অখিলে বহি লৈ কলে। দুকাপ চাহ আৰু দুটা কচুৰী লৈ নগেন সোমাই আহিল।

"দূৰ, ইমান শুলো! একদম ক'ব নোৱাৰোঁ। ইহঁত ক'লৈ গ'ল ?" অখিলে সুধিলে।

"ক'ব নোৱাৰোঁ। চাবিটাতে ওলালোঁ। ৰবীনৰ তালৈ গ'লোঁ, সি কাইলৈ মিটিঙৰ প্ৰেছিডেণ্ট মাতিবলৈ গ'ল। খগেনৰ ঘৰলৈ গ'লোঁ, সিহঁতৰ আজি খেল আছে। মিছামিছি শালা—!"

নিঃশব্দে সিহঁতে চাহ আৰু চিগাৰেট পান কৰিব ধৰিলে। উপক্ৰুত অঞ্চলৰ পৰিস্থিতি, মোহনবাগান-চেন্‌ট্ৰেল্‌ ৰেলৱেৰ ফাইনেল্-ফিয়াস্ক', দুৰ্মূল্য মৎস্যাদি খাদ্যদ্ৰব্যৰ আলোচনা, কোনো দ্বন্দ্বমূলক বিষয়ৰ ওপৰত বাজী, 'তিন্ নম্বৰ বাৰানা,' 'পাঁচ নম্বৰ চা দুইকাপ' ইত্যাদি নগেনৰ চিৎকাৰ মাজে মাজে আহি সিহঁতৰ কাণত সোমাল। প্ৰচণ্ড ঢকা খাই টেবুল কঁপি উঠিল ক'ৰবাত, কোনোবা চুকত হাঁহিৰ বিস্ফোৰণ, হুৰমুৰকৈ কিবা বাগৰি পৰিল ভিতৰত, মুহূৰ্তে মুহূৰ্তে কঁপি থাকিল কাপপ্লেট, টেবুল, পৰ্দা আৰু ঘৰৰ বতাহ।

"যাওঁ ব'ল। বৰ গৰম লাগিছে ইয়াত।" অখিল থিয় হ'ল।

"ব'ল।......মামাৰ তালৈ যাবি নেকি" ?

"ব'ল যাওঁ, কমিক চাই আহিম।"

বেজবৰুৱাৰ প্ৰকাণ্ড ঘৰটো পাৰ হৈ সোঁহাতে এটা সৰু বাটেৰে সিহঁত সোমাই গ'ল। অধ্যাপক দত্তৰ ঘৰৰ ওচৰতে সুধাংশুৰ মামা অৰ্থাৎ বয়োবৃদ্ধ উকীল উমেশবাবুৰ ঘৰ। সুধাংশুৰ বাপেক অনেক দিন ৰুগ্ন। সৰু ল'ৰাটো লগত লৈ মাক, পতিগত-প্ৰাণ যাৰ স্বভাৱ, অক্লান্ত স্বামী সেৱাত ৰত। তাৰ উদ্দণ্ড ভায়েকে দুবাৰ মেট্ৰিক ফেইল্ কৰি এতিয়া 'স্বাধীনভাৱে' দোকান আৰম্ভ কৰিছে। মামাক উমেশবাবুৱে অনেক টকা উপাৰ্জন কৰিছে। সুধাংশুৰ ভাণ্ডৰজনী

ভনীয়েকক এইখন ঘৰৰপৰাই বিয়া দিছে; এতিয়া সকজনী, ৰুমি, ইয়াতে থাকে, ক্লাছ চিক্সত পঢ়ে।

মাজে মাজে সুধাংশু নাহিলে ৰুমিয়ে সৰু-সুৰা বিদ্ৰোহেৰে গোটেই ঘৰখনক, এনেকি বৃদ্ধকো পৰ্যন্ত বৰ অসুবিধাত পেলায়। উমেশবাবুৰ ঘৰত সিইঁতক তেওঁ সোল্লাসে স্বাগতম জনালে। ডাঃ চৌধুৰীৰ লগত বৃদ্ধ ৰাজনীতিৰ আলোচনাত ৰত আছিল আৰু অবিলম্বে সুধাংশুৱে তেওঁলোকৰ আলোচনাত যোগ দিলে। ৰুমি দৌৰি আহিল। তাইৰ বিচিত্ৰ আৰু উজ্জ্বল মনৰ বং ফ্ৰকৰ ফুলবোৰত লাগি আছিল। অখিলে তাইক চক'লেট উলিয়াই দিলে আৰু তাইৰপৰা তাৰ হেৰোৱা জগতখনৰ খবৰ শুনিব ধৰিলে। সুধাংশুৱে আজিও তাইলৈ ৰঙৰ বাকচ নানিলে, গতিকে তাই প্ৰতিজ্ঞা কৰিলে যে ইয়াৰ পিছৰবাৰ যদি নানে তেন্তে তাই আৰু তাক কেতিয়াও নামাতে, মৰি গলেও নামাতে। কিয় মাতিব? এলিইঁতৰ ৰৌশনবা'ই ইমান ধুনীয়া ছবি আঁকে, এতিয়া এলিয়েও আঁকিবলৈ শিকিছে, কিন্তু তাইৰ হলে কৈ থাকিলেও কোনেও এবাকচ ৰঙকে আনি নিদিয়ে। তাই মনতে সদায় কিমান সুন্দৰ সুন্দৰ ছবি আঁকিম বুলি ভাবি আছে! অখিলে শুনিলে উমেশবাবুৱে তিক্তকণ্ঠে শাসন আৰু সমাজ ব্যৱস্থাৰ চোকা সমালোচনা কৰিছে। জীয়াই থকাৰ মানৰ অধোগতি আৰু নৈতিকতাৰ পতনৰ বাবে, স্বচ্ছন্দ, সুস্থ-জীৱন য'ত জীৱনৰ মানে সেই শুভৰাষ্ট্ৰৰ অনুপস্থিতিৰ বাবে চৰকাৰক তেওঁ দোষ দিছে। অথচ প্ৰাক্-স্বাধীন যুগত গান্ধীজীৰ শিষ্য তেওঁ স্বাধীনতাৰ প্ৰতিশ্ৰুতিৰে অহিংসাৰ যুদ্ধ কৰিছিল, কাৰাবৰণ কৰিছিল। উমেশবাবু কি renegade? নে তেওঁৰ কোনো গোপন অভিলাস অপূৰ্ণ হৈ ৰৈছে? চিলিঙৰ ফালে চাই চাই ৰুমিয়ে মূৰৰ ৰঙা ফিটা খুলি আনি আঙুলিত পাক দিছে। তাই হয়তো ছবি দেখিছে 'পক্ষীৰাজত উৰি অহা ৰজাৰ কুমাৰ'ৰ নাইবা

'নীলা গছত ফুলা হাঁহি হাঁহি গন্ধ থকা ৰঙা ৰঙা ফুল'ৰ। তাইৰ চকু অভিমানেৰে ঢুলু ঢুলু। অখিলে তাইৰ মূৰত মৰম কৰি দি কলে যে সুধাংশুটো কোনো কামৰ নহয়, চব কথা পাহৰি যায়; প্ৰতিজ্ঞা কৰিলে যে অহাবাৰ সি নিজে তাইলৈ ৰঙৰ বাকচ আনিব আৰু এতিয়া তাইক সন্তুষ্ট কৰি সি তাইৰপৰা গালিভাবৰ গল্প শুনাত লাগিল। সুধাংশু প্ৰচণ্ড উৎসাহেৰে আলোচনাত মজি উঠিছে। অখিলৰ কাণলৈ আহিল '······আৰু মানুহবোৰ হৈ পৰিছে পোহনীয়া পশুৰ দৰে অসহায়, প্ৰায় চেতনাহীন। উচ্ছিষ্ট খায়েই সিহঁত সন্তুষ্ট। ন্যায্য দাবীৰ উত্তৰত....'। একান্তমনে সুধাংশুৱে শুনিছে। তাৰ মুখভাৱ গভীৰ, তাৰ দৃষ্টি দূৰ-নিক্ষিপ্ত। তাৰ মনলৈ কি জনতাক জগাই তোলাৰ ভাৱ আহিছে? তাৰ বিদ্ৰোহী সত্তাই কি পথ বিচাৰি হাহাকাৰ কৰিছে? অখিলৰ মনলৈ আহিল 'প্ৰাণ আছে তোৰ জাগ অ' জনতা সুপ্ত মানৱ জগাই তোল······।' আলোচনা ক্ৰমে ধীৰ হৈ আহিছে। ৰুমিৰ মাত নাইকিয়া হৈ গৈছে।

"তাৰ পিছত?" অখিলে সুধিলে।

"ইঃ, তাৰ পিছত আৰু বাইদেৱে কোৱাই নাই। বাইদেৱে আমাক সদায় শুকুৰবাৰেহে কয়। আজিতো শুকুৰবাৰ, আজি আক' বন্ধ নহয় স্কুল। আক'উ অহা শুকুৰবাৰে ক'ব।" হাঁহিৰ জিলমিলনি তুলি ৰুমিয়ে কলে। সুধাংশু উঠিল। অখিলে জানিলে, দেৱালৰ গান্ধীৰ ফটোত প্ৰত্যহৰ ধূলি জমা হব, ঘৰত, বাটত, অফিচত হাজাৰ মানুহৰ হুমুনিয়াহ তাৰ কান্ধত পৰিব, লাখ লাখ মহে সিহঁতৰ শান্তিহৰণ কৰিব, তথাপি ৰুমিলৈ চাই তাৰ মুখত আশ্বাসৰ হাঁহি উজ্জ্বল হৈ উঠিল।

পাহাৰলৈ উঠা বাটৰ মূৰত মহেশ বৈ আছিল। "কি কৰিছ ইয়াত?" অখিলে সুধিলে।

"প্ৰতুল ভাই এতিয়াও অহা নাই। মোৰ বেয়া লাগি ওলাই

গুচি আহিলোঁ।" মহেশৰ কথাত মৃত্যুৰ নিশ্বাস আছিল।

"কি হ'ল?" অৰ্থহীনভাৱে অখিলে সুধিলে। ঘড়ীলৈ চালে, ৰাতি চাৰে ন বাজি গৈছে। "লখনক একো কৈ যোৱা নাই?"

"কাকো নাই কোৱা। আবেলি কালীপদ মিস্ত্ৰীয়ে খবৰ দিছেহি বোলে প্ৰতুলৰ মাকৰ অসুখ অলপ বাঢ়িছে, তাক মাতি পঠাইছে। পিছে কালীপদে মোক কলে যে মাকৰ খুব টান। তাক খবৰ দিবলৈকে তেওঁক ইয়ালৈ পঠাইছে, কাইলৈ পুৱাৰ গাড়ীতে তাক পঠাই দিব লাগে। কালীপদ যোৱাৰ পিছত সি বোধহয় জ্যোতিদাৰ লগতে ওলাই গ'ল।" মহেশে এটা কাল্পনিক অপৰাধবোধ অনুভৱ কৰিছিল। তাৰ কথাবোৰ নিজৰে অসংলগ্ন যেন লাগিল। এবাৰ ভাব হ'ল সিহঁতে এতিয়া হাঁহি দিব। কিন্তু তাৰ পৰিবৰ্তে সিহঁতক চিন্তা কৰা দেখা গ'ল।

"জ্যোতিদা'ৰ ক্লাবত খবৰ কৰিম নেকি?" সুধাংশুৱে সুধিলে।

"জ্যোতিদা'তো এতিয়া ক্লাবত নাই। ...ব'ল চোন এফালে যাওঁ। বহুত ঘূৰিব লাগিব কিজানি।" অখিলে কলে।

নীৰৱে, উৎকণ্ঠিত, অস্থিৰ সিহঁতে চহৰৰ পশ্চিম ফালে আগবাঢ়িল। কিছুমান ভয়াবহ সন্দেহ, অনিশ্চয় শংকা আৰু অসহায় ভাবক সিহঁতে বাধা দিবৰ চেষ্টা কৰিলে। এনে চেষ্টাত সিহঁতৰ কষ্ট হৈছিল, এই কাৰণে যে পথ এতিয়া জনশূন্য, সিহঁতৰ মাজত কথা বতৰাৰ কোনো আকৰ্ষণ নাই আৰু কেৱল প্ৰতুলৰ উপৰ্যুপৰি দুৰ্ভাগ্যৰ কথা, তাৰ সঙ্কুচিত আচৰণৰ কথা আৰু তাৰ বিষণ্ণ কৰুণ মুখৰ ছবিখনেই বাৰে বাৰে সিহঁতৰ মনত ভাঁহে। দুই-এখন চাহৰ দোকানত ৰাতিৰ আড্ডা বহিছে, তাচ খেলিছে। ৰিক্সাষ্টেণ্ডত ৰিক্সা নাই। ৰাস্তাৰ দাঁতিত বহি কেইজনমান আলাপমত্ত। দূৰৰপৰা দ্ৰুত তালত দেছুৱালী সংকীৰ্তনৰ ধ্বনি আহিল, ক'ৰবাত পহৰাদাৰ পুলিচৰ হুইচেল বাজিল। অধীৰভাৱে, অনিশ্চয়চিত্তে সিহঁত তিনি-

জন যুৱক জনশূন্য চহৰৰ পথত আগবাঢ়িল।

"ৰেললাইনেদি যোৱাই ভাল অখিল" অ'ভাৰ্‌ব্ৰিজ্‌খনৰ ওচৰ পাই সুধাংশুৱে কলে।

"নাই, এই ফালেই যাওঁ। সেইফালে গলে আৰ্‌কাৰীয়ে সন্দেহ কৰিব।".

নিঃশব্দ ৰাস্তাত দুযোৰ জোতা আৰু এযোৰ চেণ্ডেলৰ শব্দ তুলি সিহঁত যাবলৈ ধৰিলে। চাৰি আলি এটা পাই সিহঁত বাওঁফালে ঘূৰিল। অলপ আগবাঢ়ি এটা ৰেলৰে ক্ৰচিং পালে আৰু ৰেল লাইনেৰে কিছু-দূৰ পশ্চিমফালে আগবাঢ়ি গৈ ৰেল লাইনৰপৰা বাওঁফালে নামিল।

'ড্ৰেইন্ আছে দেই, চাবি" নিম্নকণ্ঠে অখিলে সাৱধান কৰি দিলে। আন্ধাৰ আৰু নিৰ্জনতাৰ মাজত অখিলৰ নিম্ন কণ্ঠস্বৰত সিহঁতৰ মন ভয়াবহ চেতনাৰে ৰোমাঞ্চিত হৈ উঠিল। শৱবাহকৰ দায়িত্ব সিহঁতে উপলব্ধি কৰিলে। সাৱধানে ড্ৰেইনটো পাৰ হৈ দুটা সৰু সৰু অন্ধকাৰ ঘৰৰ মাজেৰে সিহঁত পাৰ হৈ গ'ল। সন্মুখত এখন অতি সৰু চোতাল। সিফালে দিদিৰ ঘৰ। দিদিৰ ঘৰতে লাগি থকা পাণ-তামোলৰ দোকানখন বন্ধ। পিৰালিৰ কাষত বহি আছে এজনী বুঢ়ী—অকস্মাৎ মহেশৰ শৰীৰটো জিকাৰ খাই উঠিল। ভিতৰত কথা বতৰা শুনা গ'ল আৰু সামান্য ইতস্ততঃ কৰি সিহঁত দিদিৰ ঘৰত সোমাল। ক্ষীণ লেম্পৰ পোহৰত সিহঁতে দেখিলে বাঁহৰ চাঙত দিদিৰ গিৰিয়েক নিদ্ৰামগ্ন, তলত মূঢ়াত বহি প্ৰতুলে উৎপাত আৰম্ভ কৰিছে, সম্মুখত বটল, হাতত গিলাচ লৈ জ্যোতিদা নিৰ্বিকাৰে পানৰত। দিদি ওলাই আহিল আৰু কিছু পৰিমাণে স্বস্তি লাভ কৰি সিহঁত বহি পৰিল। সিহঁতে অতিশয় ক্লান্ত অনুভৱ কৰিলে। দিদিৰ লগত অখিল জ্যোতিদাৰ ভায়েকৰূপে পৰিচিত। আৰু এতিয়া অখিল আৰু দিদি প্ৰতুলৰ অশ্লীল চিঞৰ-বাখৰত উভয়ে অপৰিসীম লজ্জিত। কাৰণ, করুণ, গম্ভীৰ মুখৰ স্বাস্থ্যৱতী দিদি সকলোৰে নিজৰ দিদি,

প্ৰতি সন্ধিয়াৰ এজাক অদ্ভুত শান্তি-সন্ধানী মানুহ দিদিৰ ওচৰত সবিনয় কৃতজ্ঞ আৰু তাৰ ফলত দিদিৰ ব্যৱসায় সম্পূৰ্ণ ঘৰুৱা, তাত অশ্লীলতাৰ স্থান নাই। দিদি বাহিৰলৈ ওলাই গ'ল। অখিলে প্ৰতুলক ঘৰলৈ যাবলৈ জোৰ কৰিলে আৰু প্ৰতুলে ৰুদ্ধ কণ্ঠে, সজোৰে কবলৈ ধৰিলে, "দিদি তোমাক (অশ্লীল) মই···তোমাক (অশ্লীল) মই · (···) দিম · দিদি তুমি কি মোক ··তোমাৰ (··)" বহু সময়ৰ অৱদমিত মানসিক উত্তেজনা আৰু অশান্তিৰ পিছত এতিয়া এই অপৰিচিত আৱহাৱাত জ্বলি উঠি সুধাংশুৱে প্ৰতুলৰ মুখত সোপা দি ধৰিলে। দিদি আকৌ ভিতৰ সোমাই আহিল, তেওঁৰ হাতত দুডোখৰ শুকান নেমু।

প্ৰতুলক হেঁচামাৰি ধৰি সুধাংশুৱে তাৰ মুখত জোৰজবৰদস্তি নেমু চেপি দিলে। ৰেল ষ্টেচনৰপৰা মহেশে তিনিখন ৰিক্সা মাতি আনিলে। প্ৰতুলক জোৰকৈ উঠাই লৈ, জ্যোতিদাক ধৰি ধৰি সিহঁত দিদিৰ ঘৰৰ-পৰা ওলাই আহিল।···

পাহাৰলৈ উঠা বাটৰ মূৰত সিহঁত ৰিক্সাৰপৰা নামিল। বজাৰখন সুপ্ত, অন্ধকাৰ-প্ৰায়। মহেশে জ্যোতিদাক ধৰিলে, প্ৰতুলক মাজত ধৰি লৈ সুধাংশু আৰু অখিলে সিহঁতৰ একা-বেঁকা, আন্ধাৰ, বোকা-ভৰা বাটত খোজ দিলে। দুকাষৰ ঘৰবোৰ আন্ধাৰ, শব্দহীন। প্ৰতুলে তেতিয়াও অনৰ্গল বক্তৃতা দিছে, কিন্তু তাৰ জিভা আড়ষ্ট, চেতনা স্তিমিত, তাৰ কথা আৰু বিশেষ বুজা নাযায়। জ্যোতিদাই মহেশক বাৰে বাৰে অৰ্থহীন প্ৰেম আৰু অসাৰ্থক জীৱনৰ কথা জোৰকৈ বুজাইছে আৰু মাজে মাজে অচিন বাঙালী কবিৰ দীঘলীয়া কবিতা উদ্ধৃত কৰিছে। দ্বিতীয় ষ্ট্ৰীট্ লাইটটোৰ ওচৰৰ বহল ঠাইখিনিত সিহঁত অলপ সময় ৰ'ল। বাওঁফালে কিছুমান খেৰৰ ঘৰ, সোঁফালে পাহাৰীয়া গছ। আকৌ সিহঁত ঠেক, লাইট নোহোৱা একা-বেঁকা পথেদি আগবাঢ়িল। চাৰিওফালে আন্ধাৰ, দুই-এটা অকলশৰীয়া

মগ্ন, মৌন ঘৰ, তলত বোকা, বাটৰ দুকাষে দ খাল, সিহঁতৰ কান্ধত দুজন অজ্ঞান-প্ৰায় সজীৱ ভাৰ। বাৰে বাৰে সিহঁতে পিছল খাইছে, খালত পৰিব ধৰি ভাগ্যক্ৰমে বৈ গৈছে। সিহঁতৰ শৰীৰ ঘৰ্মাক্ত, গাৰ তলচোৰা বোকাত লুতুৰি-পুতুৰি, সিহঁতৰ মনত এক আশ্চৰ্য দৃঢ়তা। হঠাৎ জ্যোতিদা পিছলি গৈ খালত সোমাল আৰু অশ্লীল ইংৰাজীত কাৰোবাৰ উদ্দেশ্যে গালি পাৰিব ধৰিলে। মহেশে তাৰ বোকাত লাগি ধৰা জোতা উঠাই লৈ জ্যোতিদাক টানি উলিয়ালে। তেওঁৰ গোটেই গাত বোকা, সম্ভৱ মুখতো বোকা সোমাল, কাৰণ তেওঁ থুৱাবলৈ ধৰিলে। আৰু এই সময়তে অখিলৰ কাপোৰে--কানিয়ে প্ৰতুলে হক্ হক্কৈ বমি কৰি পেলালে।

"শালা..." সুধাংশুৰ মুখৰপৰা ওলাল আৰু পিছ মুহূৰ্ততে তাৰ ভৰি পিছলি গ'ল, লগে লগে প্ৰতুলৰ সৈতে সি বোকাত উবুৰি খাই পৰিল। অখিলে কোনোমতে নিজকে বচাই ৰাখিলে, প্ৰতুলৰ বোকাত ডুবি যোৱা দেহটো সি অনেক কষ্টেৰে তুলি ধৰিলে। প্ৰতুলৰ মুখ বোকা আৰু বমিৰ তলত লুপ্ত, অখিলে তাৰ চোলাৰে প্ৰতুলৰ মুখখন মচি দিলে। ক্ৰুদ্ধ গৰ্জন কৰি কৰি সুধাংশু উঠিল আৰু পুনৰ প্ৰতুলক ধৰি ললে। অখিলৰ কান্ধত মূৰ পেলাই দি ক্ষীণ, প্ৰায় অস্পষ্ট, কাতৰ কণ্ঠেৰে প্ৰতুলে কলে, "অখিল মোক·· ক'লৈ নিয় ? মোক···ঘৰলৈ···লৈ যা-না ভাই !"

"অঁ, ব'ল, ঘৰলৈকেতো আনিছোঁ। আমি সকলো আহিছোঁ, ব'ল।" বোকা আৰু বমিৰ অস্বস্তি আঁতৰাই অতি সহজভাৱে অখিলে কলে। সিহঁতৰ সম্মুখত দুৰ্গম বাট, শৰীৰত দুৰ্বহ ক্লান্তি, চাৰিওফালে নিৰ্জনতা আৰু অন্ধকাৰ, তলত বাটৰ কাষত গভীৰ খাল। আগে আগে মহেশৰ কান্ধত ভৰ দি জ্যোতিদা, পিছে পিছে অখিল আৰু সুধাংশুৰ মাজত প্ৰতুলৰ অসাৰ-প্ৰায় দেহ। জ্যোতিদা এবাৰ ৰ'ল আৰু ওপৰলৈ সোঁহাত দাঙি চিঞৰি উঠিল, "সকলো

ধৰ্মৰ ঈশ্বৰৰ এতিয়া উচিত গোপনে বিবস্ত্রে আত্মহত্যা কৰা নাইবা নিজৰ অকৰ্মণ্যতাৰ বাবে সাষ্টাঙ্গে সকলোৰে সম্মুখত ক্ষমা বিচৰা।"

জ্যোতিদাৰ উদ্ধৃত উক্তিৰ কোনো প্ৰতিক্ৰিয়া—আঘাত বা খং বা ভয়—সিহঁতে অনুভৱ নকৰিলে। কিছুদূৰ গৈ জ্যোতিদা আকৌ ৰ'ল। আৰু পিছলৈ ঘূৰি চাই অখিলক কলে, "এই অখিল, এতিয়া গাঁৱত বিহুৰ হুলস্থুল। চাৰিওফালে বসন্তৰ উন্মাদনা। আজি বাসন্তী নিশা তোৰ ··তোৰ অন্তৰে যদি···"

"চুপ্ জ্যোতিদা!!" একেলগে সুধাংশু আৰু অখিলে গৰজি উঠিল। জ্যোতিদা পৰি যাব খুজিলে। মহেশে তেওঁক জোৰেৰে ধৰি ৰাখিলে আৰু কলে, "ছিঃ জ্যোতিদা, তুমি কি বলিয়ালি কৰিব ধৰিছা? তোমাৰ কি অকণো···"

"মহেশ, চুপ্ থাক। মোক ভালকৈ ধৰ। মই একো দেখা পোৱা নাই। মোৰ চকুত চালা বোকা সোমাইছে।" বাওঁহাতেৰে জ্যোতিদাই চকু মোহাৰিলে। আৰু সিহঁত পুনৰ নিজৰ পথত আগ বাঢ়িল। অখিলে দেখিলে দূৰত এটা ষ্ট্ৰীট্-লাইট্, তাতকৈও দূৰত, বোধহয় সিহঁতৰ ঘৰৰ খিৰিকী, এটা ক্ষীণ পোহৰৰ দেখ-নেদেখ আভাস। সিহঁতে নাজানে কাইলৈ পুৱাৰ সূৰ্যই সিহঁতলৈ কিহৰ প্ৰতিশ্ৰুতি আনিব। সিহঁতে নাজানে বাস্তৱৰ পোহৰে আজি ৰাতিৰ দুৰ্যোগ এটা মাত্ৰ নাইট্মেয়াৰত পৰিণত কৰিব নে নকৰে। সিহঁতে নাজানে কোনো মহান প্ৰফেটৰ বাণী অথবা কোনো প্ৰাৰ্থনা-গীতৰ মধুৰ সুৰত সিহঁতে বোকা আৰু বমিৰ দুৰ্গন্ধ পাহৰি যাব নে নাযায়। কিন্তু, তথাপি, সেই বন্ধুৰ পথত, নিৰুপায় ৰাতিৰ বুকুত সিহঁতৰ শ্ৰান্তি-হীন যাত্ৰা অব্যাহত ৰ'ল। সিহঁতৰ যেন চেতনা নাই, যেন পুৰাকালৰ নায়কৰ দৰে মাত্ৰ অবিচল চিত্তে কঠোৰ শাস্তি বহন কৰি গৈছে, যেন বাস্তৱ নহয়, এক অলৌকিক স্বপ্নযাত্ৰাত সিহঁত আগবাঢ়িছে।

দাঁতৰ বিষ

···সকলো ধৰণৰ যোগাযোগ বিচ্ছিন্ন হৈ গৈছে বুলি জানিব পৰা গৈছে······

অনাতঁাৰ সংবাদৰ এটা টুকুৰা উৎপলৰ কাণলৈ আহিল আৰু গ্ৰীষ্মকালৰ উগ্ৰ, চুটি ৰাতিপুৱা নিদ্ৰাভঙ্গত বিৰক্ত, অসন্তুষ্ট উৎপলে চকু নেমেলাকৈ হতাশভাৱে বিছনাত বাগৰ সলালে। ৰাতিপুৱাৰ সংবাদ, এটাঁ নিয়মিত ঘটনা, বিশেষ গুৰুত্বপূৰ্ণ নাছিল আৰু তাৰ প্ৰতি এই সংবাদৰ সম্ভাষণ একান্তপক্ষে ঘটনাক্ৰমিক, তথাপি তাৰ মন তৎক্ষণাৎ নিৰুৎসাহেৰে ভৰি পৰে। এইটোও হব পাৰে, তাৰ মন এইকেইদিন বিৰক্তিৰে ভৰা আৰু ৰেডিঅ'ৰ খবৰ নহয়, তাৰ অনিচ্ছাপূৰ্ণ জাগৰণেই বা আন যি কোনো ঘটনাই তাৰ মনৰ সাম্প্ৰতিক প্ৰতিক্ৰিয়াৰ কাৰণ। কাষলৈ হাতখন আগবঢ়াই দি সি নিশ্চিত হ'ল যে তাৰ সংসাৰ-সচেতন গৃহিণীয়ে ইতিমধ্যেই শয্যা ত্যাগ কৰিছে। তাৰ বিৰক্তি বৰ্ধিত হ'ল; কিন্তু ঘৈণীয়েকৰ ওপৰত তাৰ ৰোষ তাৰ নিজৰ ওচৰতে অস্থানপ্ৰযুক্ত যেন লাগিল। কাৰণ সেই সময়ত, সি নিশ্চিত জানে, পাকঘৰত তাৰ বাবেই পুৱাৰ চাহকাপ তৈয়াৰ হব লাগিছে। যোৱা ৰাতি টোপনি অহাত অনেক বিলম্ব হয়, এতিয়া টোপনিৰ চেষ্টা অসাৰ্থক জানিও সি চকু মুদি পৰি ৰ'ল। তদুপৰি চকু মেলিলেই সি দেখিব টেবুলত ঔষধৰ বটল প্ৰায় শেষ, গ্লেক্স'ৰ টিন প্ৰায় খালী, তাৰ গৰম কোট-পেণ্ট—ধূলি-ধূসৰিত—এতিয়াও হেঙাৰত, চুকৰ সৰু পালেংখনত তাৰ ল'ৰাই হয়তো হঠাৎ কান্দি উঠিছে, অমুৰ নতুন শাৰীৰ লগত আলনাত ওলমিছে পুৰণি

ব্যৱহাৰ-অযোগ্য ব্ৰেচিয়াৰ, বি. এ.ৰ প্ৰশ্নোত্তৰ-পত্ৰৰ টেবুলত দ'ম—লাষ্ট্ ডে'ট্ ১৮, ট্ৰাংকত যিটো গড্ৰেজ তলা লগোৱা আছে তাৰ চাবি আজি অনেকদিন হ'ল হেৰাল, আল্নাৰ পেণ্টটোৰ দুটা বুটাম এৰাইছে আৰু বেয়া ঠাইত ফাটিছে আৰু কাম কৰা ছোৱালীজনী তিনদিনৰ ছুটীত ঘৰলৈ গৈ আজি এসপ্তাহ নাই, ডাক্তৰ বৰঠাকুৰৰ লগত এপইণ্টমেণ্ট্ ৯ তাৰিখ, অনুৰ মে'ন্স ১৪ তাৰিখ, ইন্সিঅ'ৰেন্সৰ প্ৰিমিয়াম্ অহামাহত, শুভেন্দুৱে ৪০ টকা ধাৰলৈ নিয়াৰ আজি তিনিমাহ ইত্যাদি অনেক খুচুৰা গোলমলীয়া খবৰ ইটোৰ পাছত সিটোৱে তাক অনবৰত জোকাব ধৰিব।

গছৰ শিৰত সূৰ্যই সদম্ভে খোজ দি গৈছে। স্নেহাভিলাষী মেকুৰীৰ ডিঙিৰ শব্দৰ দৰে কাষৰ ঘৰৰ ৰেডিঅ'টোৰপৰা একধৰণৰ শব্দ আহিছে। আলস্যজড়িত শৰীৰেৰে মনৰপৰা চিন্তাবোৰ জোকাবিবৰ বাবে উৎপলে সঘনে বাগৰ সলাইছিল। নাই, কোনো সাধাৰণ চিন্তাকে সি লালন কৰিব নোখোজে। কোনো কাৰণে সি আজি কেইদিনমান ধৰি মনে মনে বিতুষ্ট, অনিশ্চিতভাৱে কাৰোবাৰ ওপৰত ক্ষুব্ধ। অকস্মাৎ যেন সি তাৰ অবুজ কৈশোৰৰ মাজলৈ ঘুৰি গৈছে, যি কাৰণে দিনবোৰক, এনেকি এই স্বাভাৱিক পুৱাটোক, বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত সি গ্ৰহণ কৰিব পৰা নাই, ভাৱ হৈছে যেন পৃথিৱীৰপৰা বহু আঁতৰত, দৈনন্দিন সমস্যাৰ বাহিৰত, কেৱল দ্বন্দ্বময় মানসিকতাৰ মাজত সি পাৰ কৰিব ধৰিছে কিছুমান মুহূৰ্ত যি সকলো হিচাপৰ বাহিৰত, সকলো বোধৰ উৰ্ধত।

বন্ধ দুৱাৰৰ এফাল খুলি গ'ল। উৎপলে চকু মেলিলে। বাহিৰৰ ৰ'দ তাৰ সমগ্ৰ উগ্ৰতাৰে ভিতৰ সোমাই আহিছে। তাৰ চকুত ধৰি গ'ল। সদ্যস্নাতা অনু চাহ হাতত লৈ কোঠাত সোমাল। বিছনাৰ কাষৰ টেবুলত চাহকাপ থৈ তাই আঠুৱাখন দাঙি ধৰিলে আৰু অভ্যাসবশতঃ অব্যৰ্থ উৎপলৰ হাতে অনুৰ হাতখন জব্দ কৰিলে।

অনু বহিল। সি ওচৰ চাপি আহিল। তাই তাৰ চুলিত হাত ফুৰাই দিলে আৰু তাৰ পিছত কলে, "এই, চাহ খোৱা দেই, মই যাওঁ। ল'ৰাক চাফা কৰি দিওঁ।" আৰু উৎপলে অনুভৱ কৰিলে এটা কোমল উজ্জ্বলতা, এটা অব্যয় চিৰনতুনতা তাৰ ওচৰৰপৰা হঠাৎ আঁতৰি গ'ল। ৰাতিপুৱাৰ উগ্ৰতাৰ বিপৰীতে এই অনুভূতি এনে ধীৰ, অস্পষ্ট আছিল যে সাধাৰণ বিৰক্তিৰ উৰ্ধত উৎপলে এক গভীৰ বিষাদ অনুভৱ কৰিলে।

পঢ়া-কোঠাত বহি উৎপল, স্থানীয় কলেজৰ অধ্যাপক, তাৰ আধা লিখি পেলাই থোৱা সাহিত্য-কৰ্মৰ অধ্যয়নত নিমগ্ন হ'ল। এই বস্তুটো সম্প্ৰতি তাৰ বিৰক্তিৰ অন্যতম কাৰণ হৈ উঠিছে। সম্পাদক, অধ্যাপক-সহকৰ্মী, ভক্ত-ছাত্ৰ, পুৰণি বন্ধু, সকলো তাৰ তালৈ আহি তাৰ লিখাৰ খবৰ লয়, তাৰ কথা বিশ্বাস নকৰে, তাৰ অসুবিধা নুবুজে আৰু সি নিজেও সিহঁতক কোনো ৰকমে আশ্বস্ত কৰিব নোৱাৰে। আজি সি লিখাখিনি পঢ়িলে, তাৰ পিছত লিখিবলৈ বহিল। বহুত সময়ৰ মূৰত সি বুজিলে যে মূৰলৈ একো অহা নাই, তাৰ চিন্তা শিথিল হৈছে। মগজুৰ নিষ্ক্ৰিয়তা বাঢ়িছে, সি স্থিৰ কৰিলে। কাগজবোৰ শ্বে'লফৰ ওপৰলৈ দলিয়াই সি ওলাই আহিল।

দুৱাৰ বন্ধ কৰি অনুৱে ল'ৰাক গাখীৰ খুৱাইছিল। সি সোমাই গ'ল। তাই ল'ৰাটো বিছনালৈ নমাই দিলে। সি ওচৰত গৈ বহিল। অনুক সি বুজাব খুজিলে তাৰ অসুবিধাৰ কথা।

"অকণমান বহাচোন দেই। মই চাহ আনোগৈ।" অনু উঠি গ'ল। সি শিশুটোৰ ফালে চালে, কিন্তু শিশুৰ দৃষ্টিয়ে মাকক অনুসৰণ কৰিলে। সি তাৰ অকণ অকণ হাত-ভৰিবোৰ, নখবোৰ, হাতৰ মুঠি আৰু সেমেকা, গভীৰ নীলা চকুযোৰ অন্য দিনাৰ দৰেই আমোদৰে পৰীক্ষা কৰিলে। ল'ৰাটো কিছু সময় হাত ভৰি জোকাৰি থাকিল। তাৰ পিছত লাহে লাহে কান্দিবলৈ আৰম্ভ কৰিলে। উৎপলে তাক

কোলাত তুলি ললে। সৰ্ব প্ৰথমে সি তাৰ কোলাত প্ৰস্ৰাৱ কৰিলে আৰু তাৰ অনেক বুজনি-ফুচুলনি উপেক্ষা কৰি উচ্চস্বৰে কান্দিব ধৰিলে। উৎপল—এই বিষয়ত নতুন, শিক্ষানবিচ মাত্ৰ—নিৰুপায়, বিৰক্ত, সামান্য লজ্জিতও হৈ কোলাত শিশুসহ পাকঘৰ পালেগৈ।

"এইকণ সময়কেনো ৰাখিব নোৱাৰা নে?" অনুৱে ভৰ্ৎসনা কৰিলে।

"নাই, সি শুব কিজানি। চব কাপোৰ নষ্ট কৰিলে," বিব্ৰত হৈ সি বুজাব খুজিলে।

"ইচ্ হৈছে হৈছে……।" অনুৱে তাৰ যুক্তি নাকচ কৰি পেলালে। টেবুলত দুয়োৰে বাবে খাদ্য সজাই কেঁচুৱাটো তাই নিজৰ কোলালৈ ললে।

"ছেঃ গোটেই ৰাতিপুৱাটো ৎনেয়ে গ'ল?" খাবলৈ বহি উৎপলে তাৰ বিৰক্তি প্ৰকাশ কৰিলে।

"কিয়?" একামোৰ ৰুটি চিঙি লৈ অনুৱে সুধিলে।

"নাই, একো কাম নহ'ল।" উৎপলৰ কণ্ঠত নিৰুদ্দেশ ক্ষোভ। অনুৱে তালৈ চালে। তলমূৰ কৰি সি তেতিয়া খোৱাত মন দিছিল।

"আচলতে হৈছে কি…" উৎপল ৰ'ল আৰু খোৱা বন্ধ কৰি ভাবিব ধৰিলে। কোলাৰ কেঁচুৱাটোলৈ চাই অনুৱে কৈ উঠিল।

"অ—এওঁ শুলে। তুমি খোৱাচোন। মই এওঁক বিছনাত দি আহোঁ।"

"খাই নোলোৱা কিয় একেবাৰে—" সি প্ৰায় ধমক্ দি উঠিল।

"ইহ্ পিছত আকৌ সাৰ পাই যাব পাই। দিগ্দাৰ হব। তুমি খোৱাচোন, মই আহিছোঁ।" খুব সাৱধানে ল'ৰাটো দাঙি লৈ তাই সসংকোচে ভিতৰলৈ গ'ল।

ভিতৰৰপৰা পুনৰ্বাৰ শিশুৰ কান্দোন ভাঁহি আহিল আৰু উৎপলে সশব্দে চাহৰ কাপ টানি লৈ—যেন ক্ৰুদ্ধ, চাহ বাকিব ধৰিলে।

ত্ৰিশ বছৰত দায়িত্ব আৰু বিভিন্ন সমস্যাৰ মাজত ধৈৰ্য আৰু উৎসাহ সহকাৰে উৎপলে অনেক যুদ্ধ কৰিছে, সফল আৰু বিফল হৈছে আৰু কেতিয়াও, বিফলতা সত্বেও. পৰাঙ্মুখ হোৱা নাই। কিন্তু এতিয়া সি অনুভৱ কৰিছে যে উৎসাহ হেৰাইছে। কিয়, সি বুজি পোৱা নাই। তাৰ চাৰিওফালে ৰাতিপুৱাৰপৰা ৰাতি আধা-ডোখৰলৈকে মানুহে কেৱল কথা কৈছে, গান গাইছে, চিঞৰিছে, শব্দ কৰিছে। এনেকি সি নিজেও অনেক কথা কৈছে, দিনটোত, ক্লাচত, সভাত ঘণ্টাৰ পিছত ঘণ্টা বক্তৃতা দিছে। সি ভাবিলে শব্দবোৰে কেৱল বতাহত খেলিমেলি ঢৌ তুলি আছে। কোনো পেটাৰ্ণ লোৱা নাই, কোনো এফেক্ট তৈয়াৰ কৰিব পৰা নাই, কোনো অৰ্থবহ ৰূপ পৰিগ্ৰহ কৰা নাই। তাৰ কেঁচুৱাটোৰ কান্দোন, অনুৰ সুন্দৰ কণ্ঠৰ গুণ গুণ গান, কাষৰ ঘৰৰ দ্বন্দ্বচতুৰা মহিলা গৰাকী আৰু তেওঁৰ অসংখ্য সন্তানৰ চিৎকাৰ, অসময়ৰ ৰেডিঅ', আন্দোলন পৰিষদৰ মাইকত ঘোষণা, মটৰ, ৰেল, ৰিক্সাৰ হুলস্থূল, বাটত টিকা চোচোৰাই যোৱা ভিক্ষাৰীৰ "সীতাৰাম" আৰ্তস্বৰ, চেকেণ্ড-শ্ব'-ফেৰত ডেকাদলৰ অশ্লীল কথোপকথন ইত্যাদি হাজাৰ ধৰণৰ শব্দৰ ফলত সন্ধ্যাৰ শান্ত, একান্ত মুহূৰ্ত অথবা দুপৰীয়াৰ দগ্ধ নিস্তব্ধতাতো তাৰ ভাব হয় সি যেন অলপ দূৰৰপৰা বজাৰৰ অস্পষ্ট সৰু, ডাঙৰ কথাবতৰাৰ গৰ্‌গৰ্‌ শব্দ শুনিবলৈ পাইছে। শব্দটো প্ৰথমে তাৰ কাণত পৰে, তাৰ পাছত ক্ৰমে বেছি হৈ আহি তাৰ শ্ৰবণ শক্তি নিষ্ক্ৰিয় কৰি তোলে। তাৰ পাছত শব্দটো মাত্ৰ তাৰ মূৰৰ ভিতৰত পাক-ঘূৰণি খাই থাকে।

ক্ৰিং ক্ৰিংকৈ টেলিফোন বাজিল।

পেণ্টৰ বুটাম মাৰি মাৰি উৎপলে গৈ টেলিফোনটো ধৰিলে। নিজৰ চিনাকি দিলে। একো শুনা নাযায়। 'হেল'উ' সি চিঞৰিলে। 'হেল'উ' সিফালৰপৰা এটা ক্ষীণ ধ্বনি শুনা গ'ল।

"আপুনি কোনে কৈছে?" উৎপলে চিঞৰিলে।

"হেল'উ" এটা অস্পষ্ট ক্ষীণ ধ্বনি পুনৰায় ভাহি আহিল।

"ইয়েচ্, বৰুৱা স্পিকিং। আপুনি কোন?"

উৎপলে কলে আৰু উত্তৰৰ প্ৰত্যাশাত কিছু সময় ৰ'ল। একো মুশুনি। 'হেল'উ' সি আকৌ এবাৰ চিঞৰিলে, এইবাৰো কোনো শব্দ শুনা নগ'ল। সযোৰে ক'লা সৰু যন্ত্ৰটোৰ ওপৰত সি তাৰ সমস্ত বিৰক্তি থেকেচা মাৰি থলে।

"চাওঁ, শ্বাৰ্টটো দিয়াচোন" জোতাৰ ফিটা বান্ধি উৎপলে সোমাই অহা অনুক নিৰ্দেশ দিলে।

"এই ৰ'দখনত কোন ফালে যোৱা?"

"যাওঁ, অলপ কাম আছে।" জোতাৰ ফিটাডাল চিগি থাকিল।

"তথাপি? হেঙাৰৰপৰা শ্বাৰ্টটো নমাই অনুৱে সুধিলে।

"কাম আছে, কৈছোঁ নহয়।" ফিটাডাল জোৰাদি সি কলে। বিৰক্তিৰ লগত তীক্ষ্ণতা যোগ হৈ আহিল। তাই শ্বাৰ্টটো আনি উৎপলৰ হাতত দিলে।

"এজনীৰতো আজিলৈকে দেখাদেখিয়েই নাই। বৰ দিগ্‌দাৰ লাগিছে পাই।" তাৰ কথাৰ তীক্ষ্ণতাত অসন্তুষ্ট তাইৰ ৰোষ অনুপস্থিত কাম কৰা ছোৱালীজনীৰ প্ৰতি নিক্ষিপ্ত হ'ল।

উৎপলৰ পাছে পাছে অনু দুৱাৰ মুখলৈকে ওলাই আহিল। বাহিৰৰ ৰ'দ তাইৰ চকুত ধৰি গ'ল। এই ৰ'দখনত, বন্ধৰ দিন, কিয় ঘুৰি ফুৰিব লাগে, তাই ভাবিলে।

"ৰিক্সাত যাবা, ৰিক্সাত আহিবা" তাই পাছফালৰপৰা কলে।

"মোৰ দেৰী হব।" পাছলৈ নোচোৱাকৈ সি কৈ গ'ল। "এই মাইকী মানুহবোৰ……।" সি ভোৰ্ ভোৰালে।

উৎপলে দেখিলে বিভিন্ন মানুহ বাটেদি অহা যোৱা কৰিছে। কথা পাতিছে। ৰ'দৰ প্ৰখৰতা সত্বেও সিহঁতৰ মুখত হাঁহি ওলাইছে। হাতত চাউলৰ থালী মোনা লৈ বৰুৱা আৰু স্ত্ৰী-শিশুসহ হস্পিতাল

অভিমুখী মেধি উভয়ে উভয়ক হাঁহিৰে সম্ভাষণ জনাইছে। মলিন, নিস্তেজ হাঁহিৰ অৱশেষ উজ্জ্বলতাও বিশৃঙ্খল, অমাৰ্জিত ডাঢ়িৰ তলত বিলীন হৈ গৈছে। একে হাঁহি, অথচ উৎপল নিশ্চিত যে উভয়ৰে ভাৱ আৰু গভীৰতা উভয়ৰ বোধৰ বাহিৰত। সমগ্ৰ শৰীৰ ঘামেৰে ভিজাই হাতত এটা পৰিপূৰ্ণ মোনা লৈ প্ৰতিবেশী ঘটকে ৰাস্তাৰ দাঁতিত মহেশ চৌধুৰীৰ লগত কথা পাতিছে।

"উহ্, আঢ়ৈ ঘণ্টা কিউ কৰি······কোনোমতে····· "

"এহ্ নকব·····, মই পিছে কোনোমতে পৰহি দহ কিলোমান গোটাইছো এঠাইৰপৰা। সাংঘাতিক অৱস্থা হৈছে।"

উৎপলে অনুভৱ কৰিলে, চৌধুৰীৰ উপলব্ধ সাংঘাতিক অৱস্থাই ঘটকৰ বিধ্বস্ত, ক্লান্ত মুখত কোনো ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি নকৰিলে। আৰু স্থূলকায়, পৰিচ্ছন্ন, উজ্জ্বল চেহেৰাৰ ইন্স্পেক্টৰ্ চৌধুৰীৰ লগত ঘটকৰ বৈষম্যপূৰ্ণ চিত্ৰই স্বতঃস্ফূৰ্তভাৱে তেওঁলোকৰ কথোপকথন আৰু তাৰ অন্তৰংগতাৰ ওপৰত ছাঁ পেলাইছিল। তথাপি উৎপলক দেখি ঘটকৰ ক'লা মুখৰ তলত অৱলুপ্ত দুপাৰি দাঁত প্ৰকাশিত হৈ উঠিল আৰু উৎপলে তাৰ পৰিচিত প্ৰতিবেশীক হাঁহিৰে প্ৰত্যাভিবাদন জনালে।

উৎপলে ভাবিব ধৰিলে, এটা প্ৰতিকূল ৰাতিপুৱাৰ বিৰক্তিময় আৰু নিৰানন্দ অভিজ্ঞতাৰ মাজতো কেনেকৈ সি প্ৰতিবেশীৰ উদ্দেশ্যে অকৃত্ৰিমভাৱে হাঁহি মাৰিব পাৰিলে। অথবা ঘটকে, যি যোৱা দুদিন ধৰি ভালকৈ ভাত খাবলৈ পোৱা নাই, আঢ়ৈ ঘণ্টা ৰ'দত শাৰীপাতি থিয় দি দুই কিলো চাউল আনিছে। কেনেকৈ, কেনেকৈ, ভিতৰৰপৰা কোনো প্ৰেৰণা নোহোৱাকৈ, কাৰো কথা অকণো ভাবিবৰ চেষ্টা নকৰাকৈ আমাৰ মুখলৈ সহজ স্বাভাৱিকভাৱে হাঁহি আহি যায়? আমি কি আত্মগোপন কৰোঁ লজ্জাত? নে কি দায়িত্ব সাৰিব খোজো উমৈহতীয়াভাৱে? হঁা, ইয়াতে, এই ক্ষেত্ৰতেই হয়তো চিৰকালৰ বাবে আমাৰ পৰিষ্কাৰ বুজা পৰা হৈ গৈছে।

লাইব্ৰেৰীত সোমাই উৎপলে দুখনমান কিতাপ বিচাৰিলে। কিতাপ কেইখন নাই। লাইব্ৰেৰীয়ান শৰ্মাৰ লগত আগেয়ে সি তাৰ গৱেষণাৰ বিষয়ে কথা পাতিছিল। তেওঁ ড্ৰয়াৰৰপৰা শকত কলেৱৰৰ নতুন কিতাপ এখন উলিয়াই তাক দিলে। "আপোনাৰ কামত আহিব, নিয়ক।" তেওঁ কলে। সি হাতপাতি কিতাপখন ললে। চাবলৈ তাৰ আগ্ৰহ নহ'ল। শ্বাৰ্টৰ বুটামটো খুলি দি ফেনৰ তললৈ চকীখন টানি লৈ সি মূৰটো আঁওজাই দিলে। চকুহাল মুদি সি মনলৈ আহিব খোজা ব্যৰ্থতা আৰু চাৰিওফালৰ শূন্যতাৰ ভাৱটো সম্পূৰ্ণকৈ অনুভৱ কৰিবলৈ চেষ্টা কৰিলে। কি হৈছে, সি নিজকে সুধিলে। এফালৰপৰা সি দিনবোৰ, (সি পাহৰি গ'ল, শৰ্মাই তাৰ সম্মুখত বহি কাম কৰি আছে) প্ৰতিদিনৰ ঘটনাবোৰ, চেষ্টা আৰু ব্যৰ্থতা (বা সফলতা)বোৰ, কথোপকথন—কিহে তাক ক্ষুণ্ণ কৰিছিল আৰু কিহে সন্তুষ্ট, আমোদ আৰু উম্মা, প্ৰেম আৰু বেদনা মনলৈ আনিলে। কিছুমান স্পষ্ট, কিছুমান ধোঁৱাময়। নাই, একো উত্তৰ নাই। হতাশভাৱে সি চকুদুটা মেলি দিলে। শৰ্মাক চশমা আৰু কলমৰ সৈতে কৰ্মব্যস্ত দেখা গ'ল।

"বৰ কিবা লাগিছে শৰ্মা।" শ্ৰান্ত, নিৰুৎসাহীস্বৰে সি কলে।

"নকব দিয়ক"। শকত বহল বহীখনৰ পাত লুটিয়াই বাওঁফালৰ কিবা এটা নম্বৰ খুব মনোযোগেৰে চাই শৰ্মাই কলে। নিজৰ বাক্যটোৰ কাৰণে উৎপলৰ অনুতাপ হ'ল। আৰু নিজৰ ওপৰতে ক্ৰুদ্ধ হৈ সি লাইব্ৰেৰীৰপৰা ওলাই আহিল।.........

বাতৰি কাকতৰপৰা মূৰ তুলি প্ৰণৱে মাতিলে, "আহ।" উৎপল বহি পৰিল।

"বৰ ৰ'দত ওলালি।" প্ৰণৱে আকৌ কলে আৰু চাৰ্মিনাৰৰ পেকেটটোলৈ হাত মেলিলে। উৎপল ক্ষুব্ধ হ'ল।

"ফেনখন দে" চকীত আঁউজি উৎপলে কলে আৰু ভাবিলে,

'তহঁতে কি জানিবি মই কিয় এই ব'দতো ওলাইছোঁ।'

"নাই, ফেনডালে বৰ ঘেবেং ঘেবেং কৰে, ধৰ।"

উৎপলে চিগাৰেট লৈ জ্বলালে আৰু বিৰক্তভাৱে ঘাম মচিলে।

"ক'ৰপৰা ওলালিহি ?"

"ঘূৰি ঘূৰি। ভাল লগা নাই···। কি এটা হৈছে জানো··· !"

"তোৰতো আছেই সেইবোৰ। অনৰ্থক মগজ গৰম। ঘৈণীয়েৰ-জনীক ভালকৈ জ্বলাইছ। বেচেৰী··· !"

"আৰে, ছুৰ্, মগজ গৰম! মন ঠিক নাই। চব কিবা শূন্য। উশাহ বন্ধ হৈ যাব খোজে।" উৎপলে দীঘলকৈ উশাহ ললে।

"শূন্যতাত মই বেছ আছোঁ। বাহিৰত আৰু বুকুৰ ভিতৰত অন্ধকাৰ! প্ৰফাউণ্ড্ শূন্যতা। তোৰতো সোণৰ সংসাৰ!"

উৎপলৰ চকুত চিগাৰেটৰ ধোঁৱা সোমাইছিল। প্ৰণৱৰ মুখখন সি ভালকৈ দেখা নাপালে।

"ব'ল, অলপ ওলাই যাওঁ।"

"ধেৎ, ক'ত যাবি ? চাহ খা।"

"নাই, নেলাগে। ওলা সোনকালে।"

'তৰঙ্গ'ৰ চুকৰ টেবুলত বহি সিহঁতে চাহ খাই আছিল। ধীৰেন আহি সিহঁতৰ লগত বহিল।

"কি হ'ল ? ছুয়ো দেখোন, ক্লাছ নাই ?"

ধীৰেন এটা কোম্পানীৰ এক্সিকিউটিভ্ অফিচাৰ্। সি অদৰকাৰী বিষয়ৰ খবৰ নাৰাখে।

"কলেজ বন্ধ আছে। ক'ৰপৰা আহিলা ?" প্ৰণৱে সুধিলে।

"তোমালোকৰে ভাল দিয়া। ইচ্ছামতে আহিছা, গৈছা! ইটোৰ পিছত সিটো বন্ধ চলিয়েই আছে। জমি আছা।"

"ক'ৰপৰা আহিলা ?" প্ৰণৱে আকৌ সুধিলে।

"এই, গাড়ীখনে বৰ জুলুম কৰিছে হে কালিৰপৰা। পুৱাৰপৰা

ছুটামান গেৰেজ ঘুৰি এতিয়া কোনোমতে ঠিক কৰি আনিছোঁ। বৰ কষ্ট চালা।"

উৎপলে শৰ্মাৰপৰা অনা কিতাপখন মেলি চাইছিল।

"কি হ'ল উৎপল? খুব হেৰি যেন দেখিছোঁ।" ধীৰেনে সুধিলে।

"হঁা? অঁ।" মূৰ নোতোলাকৈ উৎপলে উত্তৰ দিলে।

"অ', বাই দা ৱে, প্ৰণৱ, তোমাৰ দেউতাৰাৰ অসুখ বুলি শুনিলোঁ?"

"ঠিকেই শুনিছা।"

"কি হৈছে?"

"কাৰ্সিন'মা।"

"হয়? ক'ত হৈছে?"

"ঈচ'ফেগাচ্।"

"অ'হ'! So unfortunate!"

উৎপলে লাহেকৈ মূৰ তুলি ধীৰেনলৈ চালে। তাৰ পিছত আকৌ চকু নমাই আনিলে।

বাহিৰৰ ৰ'দ, এতিয়া ফেনৰ তলত, ক'ক্-চাহ-চিগাৰেট-আইচ্-ক্ৰীমৰ আৰামৰ মাজত পাহৰি থকা যায়। শীতৰ ৰাতি লেপৰ তলত গ্ৰীষ্মৰ এই দহন অনুভৱ কৰিব নোৱাৰি। সেয়ে, সি দেখে, সকলো ঋতুতে, চহৰৰ প্ৰকাণ্ড টাৱাৰ্-ক্লকৰপৰা শূন্যতাৰ টোপালবোৰ বেদনাৰে নীলা হৈ খহি পৰিব ধৰিছে। সেই বেদনা শূন্যৰ সীমাহীন গভীৰতাৰে এই পৃথিৱীৰে এটি শ্ৰেষ্ঠ ট্ৰেজেদিৰ মাজেদি এটি মাত্ৰ সৰল গাণিতিক চিহ্নত গীৰ্জাৰ সুউচ্চ চূড়াৰপৰা প্ৰতিদিন নীৰৱে ঘোষিত হৈ ৰৈছে। উৎপলৰ হঠাতে মনত পৰিল ৰাতিপুৱাৰ অনাতঁাৰ বাতৰিৰ আংশিক ঘোষণা। সি কিতাপখন জপালে। কিতাপখন তাৰ খিৰিকীয়েদি দলিয়াই দিবৰ মন গ'ল। কিন্তু ইতিমধ্যে সি অন্য কথা ভাবিবলৈ আৰম্ভ কৰিলে আৰু সি গম পালে, ধীৰেনে তাৰপৰা বিদায় লৈছে।

"তোৰ কাম কিমান আগবাঢ়িছে ?" বহুত সময়ৰ মূৰত প্ৰণৱৰ প্ৰশ্নত উৎপলে সাৰ পালে।

"হঁা ? অহ্ নাই, মুঠেই নাই।"

"কেনেকৈ হব ? শুন্, এইবোৰ ধান্দা এৰি দে। চিৰিয়াচ্লি সাহিত্য বাদ দি ৰিচাৰ্চত লাগ, কেইবছৰমানৰ মূৰত হলেও কিবা এটা হবগৈ।"

"ছুৰ্ তইঁতে কথাটো বুজা নাই। গোটেই বস্তুটো আৰু খেলি-মেলি লাগি গৈছে। আচলতে মই···"

"বাদ দে, বাদ দে। যিটো বস্তু চাবই নোখোজ, তাক স্পষ্টকৈ দেখিবি কেনেকৈ ? খোদ কাক কয় ? ব'ল। উঠ।" চিগাৰেটৰ পেকেট হাতত লৈ অসন্তুষ্ট প্ৰণৱ উঠিল। উৎপলৰ সকলো উৎসাহ শীতল হৈ গ'ল।

ছুপৰৰ প্ৰখৰ ৰ'দ মূৰত লৈ উৎপল ঘৰলৈ উভতিল। অনেক দূৰ সি ভাবিলে, সি কিয় ধীৰেনক মুসুধিলে গাড়ীখনে তাক কিমান কষ্ট দিলে। যি ধীৰেন তাৰ পুৰণি বন্ধু, হস্পিতালত অসুক দেখা কৰে, তাৰ কেঁচুৱালৈ উপহাৰ আনে, এতিয়াও পিক্নিক্ বা সান্ধ্য-আড্ডাত তাৰ সহচৰ।

আবেলি ৰ'দ কমিছিল। মাজে মাজে এজাক জুৰ বতাহ বলিছিল। গা ধুই উঠি উৎপলে আগফালৰ বাৰান্দাত বহি বিশ্ৰাম লৈছিল। তাৰ অশান্ত মন, তাৰ বিৰক্তি আৰু অকাৰণ আপত্তি হঠাৎ যেন পৰিবেশৰ নম্ৰতাৰ অধীন হৈছিল। এই সময়তে কাষৰ ঘৰৰ বুঢ়া-বুঢ়ীৰ বিশ্ৰম্ভালাপৰ অংশ তাৰ কাণলৈ ভাহি আহে।

"উঃ, কি গৰম !" বুঢ়ীয়ে কলে।

"এতিয়াতো বেচ বতাহ" বুঢ়াই আপত্তি কৰিলে।

"তথাপি গৰম যোৱা নাই।"

"নাই, বহুত কমিল।"

হুয়ো মনে মনে ৰ'ল।

"মাছ খোৱা নাই বহুদিন, নহয় ?"

"কিয়, পৰহি যোগেনে অনা নাই ? একিলো বৌ ?" বুঢ়ীয়ে প্ৰায় ভৎসনাই কৰিলে।

"ভাল আছিল মাছটো।"

"কি হ'ব, সি ৰান্ধিব নেজানিলে।"

আকৌ হুয়ো নীৰৱ।

"আজিৰ কাগজখন কি হ'ল ?"

"আজিৰ কাগজ দিয়াই নাই হবলা।"

"কেলেই ? ৰাতিপুৱা কি পঢ়িছিলোঁ ?"

"সেইখন নেকি চকীত ?"

"নহয়, আজিৰখন।"

"নগাৰ কথা থকাখন ?"

"নহয় আজিৰখনহে'।"

"ৰাতিপুৱাতো—"

"আজিৰ কাগজখন, আজিৰ।"

বোধহয় বুঢ়ী ভিতৰলৈ গ'ল। আলাপ বন্ধ হ'ল। উৎপলে এটা হুমুনিয়াহ কাঢ়িলে। কথা পাতিবলৈ তাৰ মন গ'ল। অমুক চিঞৰি মাতিলে। কেঁচুৱাক শুৱাই কিছু পিছত অমু আহি বাৰান্দাত বহিল। আৰু প্ৰায় লগে লগে পদূলিত মিচিকিয়াই হাঁহি থিয় হ'লহি ডাক্তৰণী অৰ্থাৎ ডাক্তৰ চৌধুৰীৰ পৰিবাৰ।

"বাইদেউ ক'ৰপৰা আহিলে ?" অমুৱে হাঁহি মাত লগালে।

"তোমালোকৰ ইয়ালৈকে আহিলোঁ। দিনটো যি গৰম, বোলো জুৰ পৰিছে, অলপ ফুৰিকে আহোঁ।" ডাক্তৰণীয়ে উৎপললৈ চাই হাঁহি মাৰিলে আৰু এখন আসন অধিকাৰ কৰি বহিল।

উৎপলে এটা দীঘলীয়া নিশ্বাস পেলালে। মহিলা যুগবাকীয়ে আলাপ আৰম্ভ কৰিলে আৰু উৎপলৰ অনুভৱ হ'ল আবেলিৰ শান্তি, জুৰ মলয়া, পৰিবেশৰ নম্ৰতা, মধুৰ সন্ধ্যাৰ সম্ভাৱনা সকলোবোৰ এটা উষ্ণ, গধুৰ আৰু অস্বস্তিকৰ বতাহত লাহে লাহে উৰি নাইকিয়া হৈ গ'ল।

ভিতৰলৈ উঠি গৈ সি দেখিলে তাৰ শিশু-পুত্ৰ টোপনিত নিমগ্ন। তাক এবাৰ কোলাত লৈ মৰম কৰিবলৈ মন গ'ল। কিন্তু নিদ্ৰাভঙ্গৰ লগে লগে শিশুদৈত্যটোৱে মাকৰ প্ৰতি তাৰ পক্ষপাতিত্ব প্ৰমাণ কৰিবলৈ যিবোৰ অত্যাচাৰ আৰম্ভ কৰিব তাৰ ভয়ত সেই চেষ্টাৰপৰা সি বিৰত হ'ল। পোছাক পিন্ধি সি বাহিৰলৈ ওলাবলৈ সাজু হ'ল।

অন্য কোঠালৈ সোমাই আহি দেখিলে মানুহটোৰ মুখলৈ ডাৱৰ নামি আহিছে। সন্ধ্যাৰ পাতল আন্ধাৰৰ ছাঁ তাৰ মুখত গভীৰ হৈ পৰিছে। শ্বাৰ্টৰ বুটাম মাৰি সি আইনাৰ আগত থিয় দিছিল। তাই আহি ওচৰত ৰ'ল।

"গ'ল নে বাইদেৱেৰা ?" মুখ নুঘুৰোৱাকৈয়ে সি সুধিলে।

"নাই···তুমি অলপ বহাগৈ না, মই চাহ কাপ কৰি নিওঁ।" সংকোচেৰে, চকুৱে-মুখে অনুনয় সানি তাই ক'ল। আপত্তিসূচক শব্দটো জোৰকৈ বন্ধ কৰি সি আগফাললৈ ওলাই আহিল।

"ওলাই যায় নেকি ?" ডাক্তৰণীয়ে সুধিলে।

"অঁ, অলপ ফুৰি আহোঁ।" উৎপলে ক'লে। কবলৈ একো কথা নাছিল। শ্বাৰ্টৰ বাউসীৰ ক'লা ডাগ এটাত আঙুলিৰে টোকৰ মাৰি বিৰক্তভাৱে সি কলে, "এই বগা শ্বাৰ্টবোৰ!"

"আমাৰ এওঁ আকৌ এইবাৰ টেৰিলিনৰ চোলা কিনিছে। নিকিনে নহয়! ইমানবোৰ চোলা আছে, টেৰিলিনৰ এটাও নাই।" ডাক্তৰণীয়ে হাঁহিলে।

"অ" সি কলে আৰু হুইঁা যেন কৰিলে। এই মানুহজনী কি সুখী? এওঁৰ কি কোনো সমস্যা নাই?

"সিবাৰ পূজাত দাদাই এটা টেৰিলিনৰ পেণ্ট্ প্ৰেজেণ্ট্ দিলে, কি জোকাইছে মোক! ভাল হ'ল বোলে, এতিয়াৰপৰা ধোবাৰ খৰচ বাছিল।" নিজৰ কথাৰ ৰসত ডাক্তৰণীয়ে সৰু ছোৱালীৰ দৰে খিলখিলাই হাঁহিলে।

এওঁ কি বিৰক্ত নহয় কেতিয়াও? সদা-সন্তুষ্ট? মনলৈ হতাশা নাহে? গিৰিয়েকক, ল'ৰা-ছোৱালীক—সিহঁতৰ সুখ-দুঃখ, ইচ্ছা-অনিচ্ছা, ভাল-বেয়া সকলো ভালকৈ জানে?

অনু চাহ লৈ আহিল আৰু চাহ খাই উঠিয়েই উৎপল ফুৰিবলৈ ওলাল। বাহিৰলৈ আহিবলৈ তাৰ অকণো উৎসাহ নাছিল। কিন্তু ঘৰত সন্ধ্যাৰ স্নিগ্ধ অৱকাশৰ আশা এতিয়া সম্পূৰ্ণ উৰুলি গৈছে আৰু আজি দিনটোৰ ভাগৰ আৰু অৱসাদ এইকেইদিনৰ বিৰক্তিৰ লগত হঠাতে এক হৈ এতিয়া ঘৰো তাৰবাবে অস্বস্তিকৰ আৰু অসহ্য কৰি তুলিছে। অনন্যোপায় হৈ বাহিৰৰ অশান্ত, অবোধ্য হুলস্থূলৰ মাজলৈ ক্ষুব্ধ, মোহহীন, উদ্দেশ্যহীন উৎপল ধীৰে ধীৰে আগবাঢ়িল।

"কি খবৰ?" "কি খবৰ?"

"ভালেই।" "এয়া।"

চাইকেলত ট্ৰেফিক্ ইন্স্পেক্টৰ্ ৰহমান পাৰ হৈ গ'ল।

এতিয়া গৈ ক'ৰবাত আড্ডাত বহিব পাৰি, উৎপলে ভাবিলে। ক'ত, সি ভাবিলে আৰু লগে লগে ধীৰেনৰ কোম্পানীৰ নতুন প্লেণ্টৰ ব্যাখ্যা, জিতেনৰ ক'ৰবাত বেপৰোৱাভাৱে পাৰ্টি কৰাৰ সগৌৰৱ বৰ্ণনা, ৰাজনীতিৰ তৰ্ক, তাক জড়িত কৰি ভুল বুজাবুজিৰ ফলত গালাগালি ইত্যাদি তাৰ মনলৈ আহিল।

প্ৰণৱ ঘৰত নাছিল। ভনীয়েক আহিব পাৰে বুলি বাচ ষ্টেচনলৈ গ'ল। কোলাত কেঁচুৱালৈ প্ৰণৱৰ বায়েকে খবৰ দিলে।

"ছেঃ এনেয়ে আহিলোঁ। ভাবিছিলোঁ তাক লগ পালে ভাল লাগিব। ভাগৰ লাগিছে বৰ।" সি চকী এখনত বহি দিলে।

"অ···ময়ো আজি অকলে পাক ঘৰত। মাৰ গা ভাল নহয়। বৰ দিগ্‌দাৰি।"

অলপ পিছত প্ৰণৱ আহিল।

"কি হ'ল? বাসন্তিকা?"

"নাই, নাহিল। লাষ্ট্‌ বাচ্‌ আহি গ'ল।"

"ওলাই যাবি নেকি?" প্ৰণৱে বহি লৈ কলে।

"নাঃ। ক'ত যাবি? আঠ বাজিল।"

"ব'ল অলপ ওলাই যাওঁ।" প্ৰণৱে আকৌ কলে।

"ক'ত যাবি?" দুয়ো মনে মনে ৰ'ল।

"ক, কথা কচোন।" উৎপলে ক'লে। সি কথা পাতিব খুজিছিল। কিহবাৰ বিৰুদ্ধে জোৰে, ভীষণভাৱে, আবেগেৰে বক্তৃতা দিবলৈ তাৰ বৰ মন গৈছিল।

"ৰেলৱে ষ্টেচনটো বৰ ভাল বস্তু।" প্ৰণৱে কলে।

"আমাৰটো?"

"ৰেলৱে ষ্টেচনটো।"

"আমাৰ ইয়াৰটো?"

"ৰেলৱে ষ্টেচন অ', ৰেলৱে।"

"আমাৰটোতো? আৰে দুৰ্‌, জঘন্য লেতেৰা। কি গোন্ধ!"

"বৰ ইণ্টাৰেষ্টিং।"

"দুৰ্‌, ৱেইটিং ৰুমতে পেছাপ কৰি থয়।"

"নাই, বৰ ভাল লাগে। কত মানুহ। কত ৰকমৰ হাল্লা। কাৰ কি ধান্দা।"

"মোৰ বমি হ'ব খোজে।"

"বেলেগ বেলেগ গোন্ধ আহে। কয়লা, কিতাপ, ব্লিচিং পাউদাৰ,

তৰকাৰী…। মানুহবোৰ চাই চায়েই বহুত সময় কটাই দিব পাৰি।"

তুয়ো মনে মনে ৰ'ল। কবলৈ সিহঁতে একো কথা বিচাৰি নাপালে। হয়তো কোনো উৎসাহ নাছিল। প্ৰণৱৰ আপত্তি সত্বেও উৎপলে উঠি ঘৰলৈ খোজ ল'লে।

"কোন? উৎপল নেকি?" ৰাজখোৱাৰ ঘৰৰ বাৰান্দাৰপৰা গল্‌গলীয়া মাত।

"হয়। খুৰাদেউ কেতিয়া আহিল?"

"আজি গধূলি। আহ।" এডুকেশ্যনৰ চেক্ৰেটাৰী ৰাজখোৱা মাজে মাজে নিজৰ পুৰণি ঘৰলৈ আহে। উৎপলৰ হিতাকাঙ্খী তেওঁ তাক মাতি আনি উপদেশ দিয়ে। দ্বিধাগ্ৰস্ত উৎপল ঘৰটোলৈ আগবাঢ়ি গ'ল। বাৰান্দাৰ লাইট্ জ্বলাই তুয়ো বহিল। উৎপলে মন কৰিলে তেওঁৰ প্ৰকাণ্ড মুখৰ ভুৱা নিষ্ঠুৰতা আৰু ক্ৰোধৰ অভিব্যক্তিৰ ওপৰত পাতল শ্ৰান্তিৰ ছাপ।

"ৱেল্‌ফেয়াৰ্ অফিচাৰৰ প'ষ্ট্‌টো কি হ'ল?" কিছু সময়ৰ মূৰত সি সুধিলে।

"হ'ব। ফাইনান্সে চেংশন্ কৰিলেই হ'ল। কিয়, এপ্লাই কৰিব খুজিছ নেকি?"

"ভাবিছোঁ।"

"কিয়, কলেজত কি বেয়া পাইছ? নে পইচা-পাতি নহয়গৈ?"

"কেনেকৈ হয়? ভালকৈ থকাটো এটা অসম্ভৱ কথা।"

"ভালকৈনো কোন থাকিব পাৰে? ময়োতো নিজে ভালকৈ চলিব নোৱাৰোঁ। দিনে দিনে অভাৱ-অসুবিধা কেৱল বাঢ়ি আহিব লাগিছে।"

"আপুনি নুবুজে। আপুনি ভালকৈ থকা আৰু মই ভালকৈ থকাৰ মাজত পাৰ্থক্য আছে?"

"বুজোঁ, বুজোঁ। মই নিজে এখন এইডেড্ কলেজৰ লে'ক্‌চাৰাৰ আছিলোঁ।"

"এঃ, আপুনি লে'কচাৰাৰ আছিল ২৫ বছৰৰ আগতে।"

"সেই একেটাই কথা।"

উৎপলৰ উত্তৰ দিবৰ মন নগ'ল। কিছু সময়ৰ পিছত সি উঠিল। ৰাস্তাত ভৰি দি সি বুজিলে বহুত পলম হৈ গ'ল। বাটত মানুহ কমি গৈছে। ৰিক্সা পাতলকৈ অহা-যোৱা কৰিছে। দোকান কিছুমান বন্ধ হৈছে। সি ভাবিবৰ চেষ্টা কৰিলে, ধীৰেনৰ গাড়ীখনে তাক আজি কিমান কষ্ট দিলে, ৰাজখোৱাৰ সমস্যা কি, প্ৰণৱৰ দেউতাকৰ অসুখত সিহঁতৰ ঘৰখনত কেনে গভীৰ দুঃখৰ ছাঁ পৰিছে। ঘৰত অনু অকলে, তাৰ মনত পৰিল। সি একো নাভাবিবৰ চেষ্টা কৰিলে। ল'ৰাটো চাগৈ শুইছে। অনু আৰু অকলশৰীয়া হৈছে। সময় দ্ৰুত গৈছে। তাৰ একো কাম হোৱা নাই। আৰু এটা বিফল দিন পাৰ হৈছে। যি বেদনাৰ কথা সি লিখিবলৈ গৈছে, তাৰ মৰ্মৰ গভীৰত প্ৰবেশ কৰাৰ চেষ্টাত সি বাৰে বাৰে ব্যৰ্থ হৈছে। অকলে অকলে এইদৰে খোজ কাঢ়ি যাওঁতে উৎপলৰ খুব ক্লান্ত আৰু অসহায় বোধ হয়। শৰীৰ অৱশ লাগে। ধীৰে ধীৰে এটা ভয় তাৰ মনত প্ৰবেশ কৰে। শৰীৰটো সিৰসিৰাই উঠে। সি পিছলৈ ঘূৰি চাই আকৌ আগ বাঢ়ে।

অনুৱে দুৱাৰ খুলি দিলে আৰু সি গৈ চকীখনত আঁউজি বহিল। প্ৰশ্ন সুধিবলৈ তাইৰ সাহ নহ'ল। আৰু সি কথা পাতিবলৈ ভয় কৰিলে, জানোচা তাই অভিমান কৰাৰ সুযোগ পায়।

"ইমান ৰাতি কৰিলা?" ভাতৰ টেবুলত বহি অনুৱে ক'লে। তাইৰ কণ্ঠত আব্দাৰ-মিশ্ৰিত অভিযোগৰ ক্ষীণ ধ্বনি আছিল।

"অঁ, ৰাতি হ'ল।" যেন টোপনিৰ জালত সি উত্তৰ দিলে। ভাত খোৱাত তাৰ আগ্ৰহ নাছিল। দূৰত ক'ৰবাত তাক ব্যস্ত যেন দেখা গৈছিল। অথচ তাৰ মনত কোনো কথাই স্পষ্টকৈ ঠাই পোৱা নাছিল। অস্পষ্ট, খেলিমেলি ভাবৰ মাজত তাৰ মন উদ্দেশ্যহীনভাৱে ঘূৰাঘূৰি কৰিছিল।

বগা বেৰত এশাৰী ক'লা সৰু সৰু পৰুৱা অহাযোৱা কৰিছিল। দুফালৰপৰা দুটা পৰুৱা আহি মুখত মুখ লগাই থমকে আৰু তা'ৰ পিছত আকৌ দুফালে আগবাঢ়ে।

একেৰাহে সি পৰুৱাৰ শাৰীলৈ চাই আছিল।

"কি হ'ল? ভাত নেখালাই দেখোন!"

বেৰৰপৰা চকু ঘূৰাই আনি উৎপলে দেখিলে অনুৱে তালৈ চাই আছে, সিহঁত ভাতৰ টেবুলত, তাৰ ভাত আধা খোৱা আৰু সি বুজিলে তাই তাক কিবা এটা সুধিছে, বোধহয় ভাত খোৱাৰ বিষয়ে।

"নাই, ভাত খাবৰেই মন যোৱা নাই।" সি ক'লে।

ভাত খাই উঠি বিছনাত পৰি সি চিগাৰেট টানিছিল। কাষৰ ঘৰৰপৰা মেকুৰীৰ কাজিয়াৰ শব্দ আহিছিল। সি দেখিলে বেৰত এশাৰী ক'লা পৰুৱা। সি মন কৰিলে, লাহে লাহে পৰুৱাবোৰৰ গতি বাঢ়িছে আৰু সিহঁত ক্রমশঃ গোটেই বেৰখনত বিস্তৃত হৈ পৰিছে। হঠাৎ তাৰ কাণেদি হো হো শব্দেৰে বতাহ সোমাবলৈ ধৰিলে। উৎপল বিমূঢ় হৈ পৰিল। পৰুৱাবোৰৰ সংখ্যা ক্রমে বাঢ়ি গৈছে। তীব্র বেগত কাৰো গাত কোনো নলগাকৈ সিহঁত বেৰখনত অহা-যোৱা কৰিছে। অসংখ্য অশান্ত অস্থিৰ পৰুৱা কোঠাৰ সমস্ত বেৰত, চিলিঙত, ফটো, আলনা, বিছনা, আলমিৰাত, চকী, মেজ, খিৰিকী, দুৱাৰত, তাৰ আৰু অনুৰ শৰীৰত বগাব ধৰিলে। আৰু সৰু সৰু ক'লা কীটবোৰ কোনো এক ভয়াবহ ৰহস্যময় জগতৰ প্ৰাণীৰ দৰে ভীষণ বেগত নিজ নিজ পথত ঘূৰিবলৈ লাগিল। আৰু তাৰ পিছত সি দেখিলে তাৰ কাণৰ ভিতৰলৈ, তাৰ চকুৰ চুকে-কোণে, চুলিৰ গুৰিয়েদি মগজুৰ ভিতৰলৈ, নাক আৰু মুখৰ ভিতৰলৈ হেজাৰ-বিজাৰ পৰুৱা সোমাই গ'ল। তাৰ কাণৰ হোহোৱনিৰ মাজেদি এতিয়া এটা তীক্ষ্ণ চাইৰেণৰ ধ্বনি পাৰ হৈ গৈ

থাকিল। তাৰ বমি আহিব খুজিলে। দূৰৰ পৰা অমুৱে তালৈ চালে আৰু তাই—বেচেৰীয়ে নিজৰ অৱস্থাৰ কথা নাজানে—উৎপলক দেখি ভয়ত সংকুচিত, বিবৰ্ণ, এবাৰ মুখখন মেলিলে আৰু সি যেন শুনিলে, বতাহ আৰু চাইৰেণৰ শব্দৰ মাজেৰে, অমুৰ অসহায় চিৎকাৰৰ ধ্বনি। নিজৰ বিকল অৱস্থা স্বত্বেও সি, উৎপল, অমুক প্ৰবোধ দিবৰ বাবে জাপ মাৰি উঠিল·····।

"এই, কি হ'ল?" অমুৰ কণ্ঠত সঁচা উদ্বেগ ধ্বনিত হৈছিল। উৎপলৰ চকুত পৰিল, অমুৱে কাপোৰ সলাইছে, কঁকালৰপৰা শাৰীখন মাটিত পৰি আছে আৰু তাই ব্লাউজৰ বুটাম মৰাৰপৰা তাৰ মুখলৈ উৎকণ্ঠিত দৃষ্টিৰে চাইছে।

"নাঃ" সি কলে। চিগাৰেটটো এছ্‌ট্ৰেত ডুবাই সি পানী খালে আৰু পুনৰ বিছনাত বাগৰ দিলে। অমু আহি তাৰ কাষত বহিল। সি তাইৰ ফালে ঘূৰিল।

"কি হ'ল?" তাই সুধিলে।

"একো নাই।"

"গা অসুখ কৰিছে?"

"নাঃ।"

"মোৰ ওপৰত খং উঠিছে।".

"দুৰ্‌।"

"তোমাৰ কি হৈছে কোৱা। শপত, মোক কব লাগিব।"

সি দেখিলে তাইৰ চকু উজ্জ্বল। তাই ৰঙা পৰিছে। ওঁঠ দুখন কঁপিছে। বাহিৰৰ পৃথিৱী মৃত। সি তাইৰ উশাহৰ শব্দ শুনিবলৈ পাইছে। তাই তাৰ কথা শুনিব খুজিছে। হঠাৎ অলক্ষিতে তাৰ অন্তৰৰপৰা এটা দুৰ্বহ চাপ দীৰ্ঘশ্বাস হৈ ওলাই গ'ল। সি তাইক বুকুৰ মাজলৈ ওচৰ চপাই আনিলে।

১৯৬৬

নীল পতাকাৰ তলত

সূৰ্যই অপৰ্যাপ্ত পোহৰ দিয়ে, উত্তাপ দিয়ে, বৰ্ষাই ৰস দিয়ে, বতাহত হাঁহি ভাহে, সুবাস উৰে, পত্নীয়ে প্ৰেম দিয়ে, সঙ্গমৰ আনন্দ দিয়ে, সন্তানে সুখ দিয়ে, পৃথিৱীয়ে অলেখ উপায়েৰে—যিবোৰ পাপ-পূণ্য আখ্যাৰে বৰ্ণিত—অশেষভাৱে জীয়াই থকাৰ উৎসাহ দিয়ে, তথাপি 'ৰহমৰ গিৰিইঁত তুমি আল্লা চাহাব ঐ যদি কৰা দৰিয়াৰ পাৰ' বা 'কহতু শঙ্কৰে দুঃখ সাগৰে পাৰ কৰা হৃষীকেশ' ইত্যাদি প্ৰাৰ্থনাৰ ৰেকৰ্ড কৰা চিঞৰ-বাখৰৰ কুইনাইন মুখত লৈয়েই প্ৰতি ৰাতিপুৱা সাৰ পাব লগা হয়। প্ৰতিবেশীৰ ঘৰৰপৰা মেকুৰীৰ কাজিয়া, অন্ন-ব্যঞ্জনৰ সুগন্ধ, শিশুৰ পঢ়া ('পণ্ডিত বলিলেন, তোমাৰ জীৱনেৰ মূল্য চাৰি আনা কমিয়া গেল'), পূজাৰ ঘণ্টাধ্বনি, ফেৰীৱালাৰ লগত গৃহিণীৰ বিতণ্ডা ('না মাইজী, এইচা গৰ্‌বৰ্‌ মত কিজিয়ে')—এই সকলোবোৰ অত্যাচাৰ সি বিছনাতে পাৰ কৰে আৰু প্ৰতিদিন শিশুটোক নঙঠা কৰি একেৰাহী গৰম তেলত বহাই হেতাৰে লুটিয়াই-বগৰাই ভজাৰ, পূজাৰীজনক পদূলি-মুখলৈ নি মানুহ গোটাই সৰ্বসমক্ষে বেত্ৰাঘাত কৰাৰ আৰু ফেৰীৱালাটোৰ হাত-ভৰি, নাক-কাণ আৰু শৰীৰটো ডোখৰ-ডোখৰ কৰি এটা পাচিত ভৰাই এখন পাতেৰে ঢাকি ঘৰে-ঘৰে ফেৰী কৰি ফুৰাৰ প্ৰবল ইচ্ছাবোৰ সি একান্ত নিৰুপায় হৈয়েই দমন কৰিব লগা হয়। শয্যা ত্যাগ কৰিবলৈ তাৰ ইচ্ছা নহয়। কাৰণ শয্যা ত্যাগ কৰিলেই সি, শৃঙ্খলিত-বন্দী দিলীপ, সিংহাসনোপবিষ্টা সম্ৰাজ্ঞী পৃথিৱীৰ অৱজ্ঞামিশ্ৰিত কুটিল দৃষ্টিৰ সম্মুখীন হব। একোদিন তাৰ ইচ্ছা হয় কেৱল শুই থাকিবলৈ। বহুদিনৰ

মূৰত সাৰ পাবলৈ। বা একেবাৰে সাৰ নাপাবলৈ। বন্ধুবান্ধৱে স্ফূৰ্তি কৰি কব, 'দিলীপটো আজি শুই মুঠিল বে'। আৰু মদ-পানী খাই মহোল্লাসে তাক নি পুৰিবগৈ। তাৰ মৰম লগা, মা, নিভা আৰু অনেকে চুমা খোৱা মুখখন, তাৰ আদৰৰ মূৰটো খুচি খুচি জ্বলাব। কিন্তু বিপদ কি, সেইটোও নঘটে। শৰীৰত সঙ্গমৰ অত্যাচাৰ আৰু ক্লান্তি, চকুত নিদ্ৰাহীনতা সত্বেও ন-বোৱাৰীয়ে যিদৰে বাধ্য হৈয়েই চল-পুৱাতে উঠে, সিও সেইদৰেই অনিচ্ছা সত্বেও নিৰ্ভুল প্ৰতি ৰাতিপুৱা বিচনা এৰিব লগা হয়। একাপ চাহ বিচাৰি কাষৰ মেছটোলৈ যাব লগা হয়। মেছৰ ল'ৰা কেইটাৰ প্ৰায়-প্ৰকাশ্য বিৰক্তি উপেক্ষা কৰিও সিহঁতৰ হাতৰপৰা কাগজখন টানি আনি চায়।

আজি কাষৰ মেছত ফিকা চাহকাপ খাই, কাগজখন পঢ়ি আহি, জুহালৰ উমতৃপ্ত মেকুৰীৰ দৰে পুনৰ বিচনাত সোমাওঁতে দিলীপৰ অনুভৱ হ'ল যে মেছৰ ল'ৰা কেইটাই তাক ঘিণ কৰিবলৈ আৰম্ভ কৰিছে। ওলাই আহিবৰ সময়ত কোনোবা এটাই খেকাৰ পেলোৱাটো এতিয়া, হঠাৎ, ভাব হ'ল অস্বাভাবিক। দুদিনতে ডাঢ়ি—যিহেতু গাললৈ হাত গ'ল—যথেষ্ট বাঢ়িছে, সি গম পায়। তাৰ পালিছ্‌বিহীন কথাবোৰ মুখৰ ভাব আৰু অসংস্কৃত ডাঢ়িয়ে আৰু বেচি অনুজ্জ্বল আৰু ভোটা কৰি তোলে, সি অনুভৱ কৰে। কেতিয়াবা যদি প্ৰতিবেশীৰ ৰেডিঅ' ভুলক্ৰমে শ্বৰ্টৱেভত থাকে, আৰু পোন্ধৰ মিনিটৰ বাবে তেওঁ-লোকৰ অনুষ্ঠান প্ৰচাৰ বন্ধ থাকে, দিলীপ, অভ্যাসানুসাৰে সাৰ পাই, এটা অপ্ৰত্যাশিত আকস্মিকতাৰ আঘাতৰ মধুৰতাত স্তব্ধ হৈ পৰে। বৰ্ষাৰ সিক্ত দিনবোৰৰ মাজত এদিন আকস্মিকভাৱে এটা পুৱা উজ্জ্বল ৰৌদ্ৰালোকত ভাহি যায়, স্ফোটনৰ বেদনাত আতুৰ ক'লিসমূহ ৰাতিপুৱা উজ্জ্বল হাঁহিৰে ফুল হৈ পৰে, প্ৰসৱৰ যন্ত্ৰণা মাতৃৰ মুখৰ স্নিগ্ধ প্ৰশান্তিত অদৃশ্য হয়—এই ধৰণৰ আকস্মিকতা আৰু তাৰ আঘাত, এতেকে তাৰ মধুৰতা, যি তাক মুগ্ধ কৰে, দিলীপে ভাবে তাৰ নিজস্ব।

আৰু দুৰ্লভ। কিয়নো, যিদিনা ৰেডিঅ'ৰ চুইচ অফ্ হয়, সাহিত্য বা বুৰঞ্জীৰ পাঠ শিশুৰ কণ্ঠত আমোদদায়ক যেন লাগে, হঠাৎ জ্যামিতিৰ যিহেতু AB=DE, যিহেতু AB=DE, যিহেতু AB=DE, এতেকে BC, EF-অৰ ওপৰত পৰিব, এতেকে BC, EF-অৰ ওপৰত পৰিব, এতেকে BC···ইত্যাদি তীক্ষ্ণ-কণ্ঠ চিৎকাৰ—যাৰ লগত মনলৈ আহে ক'লা, ক্ষীণ, চছমা-পৰিহিতা, দাঁত-উজলা ছোৱালীজনীৰ ছবি, অত্যাচাৰ কৰাৰ ভাব—তাৰ মগজৰ মাজত পাক খাই ঘুৰিবলৈ আৰম্ভ কৰে। আৰু তাৰ মেজাজৰ পৰিচয় পায় কাষৰ মেছৰ নিৰীহ ল'ৰা কেইটাই, যি কেইটাই, অলপ আগতে তাৰ ভাব হ'ল, তাক ঘিণ কৰিবলৈ আৰম্ভ কৰিছে। অৱশ্যে তাৰ মেজাজৰ বাবে নহয়, সিহঁতৰ অৱদমিত হিংসাৰ বাবেই সি সিহঁতৰ ঘৃণাৰ পাত্ৰ হৈছে। ল'ৰা কেইটা প্ৰকৃততে নিৰীহ, সৎ, দায়িত্ব-নিষ্পেষিত আৰু সংস্কাৰ-প্ৰহৃত, অনেক মধ্যযুগীয় বিশ্বাসত বিশ্বাসী; অথচ দিলীপে বিশ্বাস বস্তুটোকে মধ্য যুগীয় বুলি বৰ্জন কৰি চলিছে। একো বস্তুতেই বিশ্বাস ৰখা আৰু উচিত নহয়। এনেকি মাৰ সৈতে সম্পৰ্কতো নহয়। মাৰ সৈতে বিচ্ছেদ হয় প্ৰসূতিগৃহতে, নাড়ী ছেদনৰ সময়তে, যি নাড়ীৰে মাৰ সৈতে একাত্ম, মাৰ মাজেৰে জীৱিত থকা যায়। দিলীপৰ বিশ্বাস ৰেশ্যনেল হোৱাৰ ফলত সিহঁতৰ অৰ্থাৎ মানুহৰ অনুভূতি-উচ্ছ্বাস-অতিৰিক্ত আবেগ ইত্যাদিৰ অৱদমন হৈছে, পৰিশোধন হোৱা নাই। তদুপৰি ল'ৰাকেইটা থকা ঘৰটো দিলীপৰ খুৰাকৰ, গতিকে সিহঁতে বোধ হয় ভাবে, দিলীপ মালিক বা একেটা ঘৰৰে এটা অংশত এটা বেকাৰ উদণ্ড-স্বভাৱ যুৱকে বিনা ভাৰাই—খুৰাকৰ ঘৰ বুলিয়েই—যথেচ্ছভাৱে সিহঁতৰ ওপৰতো সৰু-সুৰা—চাহ-কাগজ-জাতীয়—অত্যাচাৰ চলাই, যাক কয়, জীৱন যাপন কৰিছে।

পায়খানাত বহি দিলীপে এইবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কথা পাহৰি পেলালে। এই সময়ত নিজৰ একাকীত্ব সম্পূৰ্ণ উপলব্ধ হয়। কি

এক স্বস্তি আছে মনলৈ আৰু আপোন মনে ভাবিব পাৰি, বেদনাৰ স্মৃতিও ঘা খজুৱাৰ দৰে দুখ নোপোৱাকৈ মনলৈ আনিব পাৰি। এনেকি, তলৰ নলাৰ অন্ধ .জগতৰ পৰা উঠি অহা স্বাস্থ্যবান, ক্ৰীম ৰঙৰ সুন্দৰ কীটসমূহৰ আমোদ-দায়ক গতি চাই পুলকিত হোৱা যায়। আশ্চৰ্য কি যে বেনুদা'ই জঘন্য ময়লা নলাৰ কীটৰ মাজেৰে চিনেমাত মন্টাজ্ সৃষ্টিৰ কল্পনা কৰিছে, জঘন্যতাৰ মাজত সিহঁতৰ কিল্‌বিল্ গতি আৰু বেক্‌গ্ৰাউণ্ডৰ বিশুদ্ধ পৰিশীলিত সঙ্গীতৰ মাজতো সুসংহত এক অবিনশ্বৰ ছন্দ আৰু সুৰৰ মিলিত ব্যঞ্জনা কি ৰূপে মূৰ্ত হৈ উঠে। আৰু যে নিজে সজ্ঞানে স্বেচ্ছাই শ-হাজাৰ মহ বধ কৰিও বিনয় মজুমদাৰে অনুভৱ কৰে যে উপবিষ্ট মহ উৰি গ'লে ঈষৎ সঙ্গীত ধ্বনি হয়। কৃমি-কীট এসময়ত তাৰ পেটতো আছিল, এতিয়াও বোধহয় আছে। অসুখত ভুগি অনেক কালৰ আগতে এবাৰ সি ডাক্তৰৰ ওচৰ চাপিছিল, ডাক্তৰে তাক কৃমিৰ ঔষধ খাবলৈ কয়। তাৰ বহুদিনৰ পাচত, এদিন শৰতৰ সুন্দৰ ৰাতিপুৱা আলোকচৌত আকাশৰ তলত উজ্জ্বল পৃথিৱীৰ পৰিষ্কাৰ পথত কৃমিৰ ঔষধ কিনিবলৈ কৃতসঙ্কল্প দিলীপে দেখিলে এঠাইত কৌতূহলোদ্দীপক মানুহৰ ভিৰ। পুৱাৰ উজ্জ্বলতাই তাৰ মন পাতল আৰু উৎসাহী কৰি তুলিছিল। ভিৰৰ মাজলৈ সোমাই গৈ দেখে পাঁচ বছৰৰ এটি শিশু পিচ্ দিয়া ৰাস্তাত শুই আছে। যিবোৰ অলপ আগেয়ে তাৰ চকু-নাক-মুখ-মূৰ ইত্যাদি আছিল সেইবোৰ গুৰি হৈ চিনিব নোৱাৰাকৈ নিপিষ্ট হৈ গৈছিল আৰু ভিতৰৰ তেজ-মাংস আৰু মূৰৰ ভিতৰৰ দামী নিৰ্ভেজাল বস্তুবোৰ অনেক দূৰলৈ ছিটিকি পৰিছিল। এখন পাঁচ টনৰ ট্ৰাকৰ কাম। বহুদিন এনে বিস্ময়কৰভাৱে নিষ্ঠুৰ আৰু সুন্দৰ দৃশ্য সি দেখিবলৈ পোৱা নাছিল। সেইদিনা হোটেলত দুপৰৰ আহাৰত বহি কুকুৰাৰ ঠেং এখন চোবাই চোবাই সি ভাবিছিল, ককাদেউতাৰ কালৰ হাহাকাৰ বেদনাৰ মুহূৰ্তটো কিয় এতিয়া বিংশ

শতকত স্বস্তিৰ বা একধৰণৰ মানসিক নিৰ্বাতৰ হয়? এইটো কি মননশীলতা? অভ্যস্ততা? আৰু যদি সেইবোৰেই হয়, তাৰ অৰ্থ হৃদয় শুকান? তাত আৰু কঁপনি নুঠে? নে আজি বিংশ শতকত, সি বুজি উঠিছে জীৱন প্ৰকৃত অৰ্থত কি, মৃত্যুৱেইবা কোনটো, অৰ্থাৎ সি, দিলীপ, আধুনিক যুগৰ এজন প্ৰাজ্ঞ? (অতঃপৰ, কৃমিৰ ঔষধ কিনা হৈ নুঠিলগৈ।)

বিশ্বাসৰ দুৱাৰবোৰ এখন এখনকৈ বন্ধ হৈ মনৰ অন্তঃস্থল অন্ধকাৰ বিগ্ৰহহীন মন্দিৰ যেন হয়। অনেক লোকৰ জীৱনৰ অসম্ভৱতা তাৰ চকুত স্পষ্ট হয়। এই সময়ত দিলীপৰ চকুৰ আগত আধুনিক যুগৰ সংযোগহীনতাৰ মাজেৰে বহিৰঙ্গৰ বিভিন্ন বন্ধনৰপৰা মুক্তিৰ লোভনীয় সম্ভাৱনা দৃষ্ট হয়। সি উল্লসিত হৈ উঠে। তাৰ উত্তেজনা বৃদ্ধি পায়। কিন্তু এদিন হতাশ হৈ সি আবিষ্কাৰ কৰে যে দুটা অবিকল্প আৰু—যদিওবা স্বৰূপত বাহ্যিক—দৃঢ় বন্ধনক অস্বীকাৰ কৰা, আপাতদৃষ্টিত মুক্ত থাকিও অস্বীকাৰ কৰা, তাৰ বাবে কোনোপধ্যে সম্ভৱ হৈ উঠা নাই। মাৰ লগত বিচ্ছেদ তাৰ জীৱনৰ প্ৰথম দিনাই, অৰ্থাৎ আজি বত্ৰিছ বছৰৰ আগতে হৈ যোৱা স্বত্বেও মাৰ প্ৰতি কি এটা ভাৱ, কব পাৰি ব্যাখ্যাহীন, খুব কোমল, ৰাতিৰ মাখিৰ দৰে মনৰ চুকত নিৰীহভাৱে ওলমি থাকে। যি কাৰণে কেতিয়াবা সি, নিচাত বেহুচ, ৰাতি ঘুৰি আহোতে ঘৰৰ কাষৰ বন্ধ লেতেৰা নলাত, য'ত ওচৰৰ খৰিৱালা গোৰেহঁতে পায়খানাৰ অভাৱত ময়লা পেলায়, পৰি মেছৰ ল'ৰা কেইটাৰ সহায়ত ঘৰ সোমাই, শেষ ৰাতি আধা-চেতনাৰ মাজত নিম্নস্বৰত মাতে 'মা···মা···' আৰু তেনে অৱস্থাতে অস্পষ্টভাৱে গাঁৱৰ ঘৰৰ মাকৰ মুখচ্ছবি ভাহি উঠি মিলি যায়। পিচদিনা এই ঘটনাৰ স্মৃতিয়ে উজ্জ্বল দিবালোকত বন্ধু-দলৰ মাজত, অকস্মাৎ তাক লজ্জিত কৰি তোলে। সি ক্ষুব্ধ হয়, নিজৰ ওপৰত যুক্তিহীন দুৰ্বলতাৰ বাবে ক্ৰুদ্ধ হয়। সন্দেহ হয়

মানসিকভাৱে সি বন্ধন-মুক্ত নে ? তাৰ ভাৱ হয়, এতিয়াও সংস্কাৰৰ মোহ তাৰ অৱচেতনাৰপৰা দূৰ হোৱা নাই। নিজৰ একক নিৰাৱলম্বন অস্তিত্বৰ প্ৰতি আগ্ৰহী হৈও কিয় তেনে সি দুৰ্বল মুহূৰ্তত অন্যৰ গাত ভেজা দি ৰব খোজে ? খিৰিকীৰে এই সময়ত ডাক আৰু তাঁৰ বিভাগৰ মানুহজনে ৰকেটৰ গতিত এখন চিঠি নিক্ষেপ কৰিছিল আৰু স্বভাৱবিৰুদ্ধ ক্ষিপ্ৰতাৰে দিলীপে চিঠিখন হাতলৈ তুলি আনি খুলিব খুজিও বৈ যায় ; দীঘলকৈ উশাহ টানে। উশাহটো বিশেষভাৱে আন্তৰিক, অৰ্থাৎ শৰীৰৰ প্ৰয়োজনতকৈও গভীৰতৰ কাৰণত, গতিকে দীঘলকৈ, টনা। কাৰণ এই যে প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক এতিয়া কেৱল যান্ত্ৰিক, নিকটতম অন্তৰঙ্গ সম্পৰ্কও হৃদ্‌যন্ত্ৰৰ মাজেৰে বতাহ বিনিময় কৰাতে সীমাবদ্ধ। সিহঁত প্ৰকৃতিৰপৰা দূৰলৈ, বন্ধনৰ মাজলৈ যাব ধৰিছে আৰু দিলীপে ইয়াৰ বেদনা অনুভৱ কৰে। বৰ্তমান তাৰ চিঠিখন, শ্বিলঙৰপৰা অহা, নিঃসন্দেহ যে ৰবীনৰ, তাৰ মুক্তি সংবাদেৰে সগৰ্ভা আৰু এক মুহূৰ্তৰ বাবে তাৰ বুকুখন যেন হঠাৎ কঁপি উঠিল। সেয়া কি গৰ্ভপাতৰ ভয়ত ? তাৰ সান্দহ-খোৱা বালি তেন্তে তল গ'ল ? দিলীপে হাঁহিলে। আৰু হাঁহি শেষ হোৱাৰ লগে লগে এটা খণ্ডিত মুহূৰ্তত নিভাৰ মুখখন তাৰ মনৰ অলিন্দেৰে প্ৰথমে ধীৰে, তাৰ পিছত ক্ৰমে দ্ৰুত পাৰ হৈ গ'ল। কাৰণ, বহু পৰিচিত, অনাকৰ্ষক। আৰু এইটো এটা স্বাভাৱিক ঘটনা।

নিভাৰ যেতিয়া চাৰিওফালে নাম, কলেজৰ আঁতেলেক্‌চুৱেল্‌বৃন্দই —দিলীপ যাৰ অন্যতম—তেতিয়া তাইক অৱজ্ঞা কৰি চলে। ইয়াৰ কাৰণ, দিলীপৰ বুজিবলৈ কষ্ট নহল যে, দুৰ্বলতা। কিয়নো, সেই সময়ত আবেলিৰ খিৰিকীসমূহ জান্তিকাৰ হলেই, গধূলিৰ অৰ্ধালোকিত পথ সুবাসেৰে ভৰি উঠিলেই, সিহঁতে হৃদয়ত একধৰণৰ মাদকতা অনুভৱ কৰে। নিভাৰ চমৎকাৰ পশ্চাৎভূমি—যথা

অৱস্থাপন্ন ডাক্তৰৰ কন্যা, বিদেশ প্ৰত্যাগত অধ্যাপকৰ ভগ্নী—আৰু লোভনীয় সুন্দৰ শৰীৰ, যিটো অস্বীকাৰ কৰাৰ উপায় নাই, আৰু অন্যান্য গুণ আৰু দোষ, জনশ্ৰুতিৰদ্বাৰা হাজাৰগুণ বৰ্ধিত—তীক্ষ্ণধী ছাত্ৰী, তৰ্ক-অভিনয়-আবৃত্তিত পাৰদৰ্শী, অহঙ্কাৰী, স্কুলীয়া জীৱনত কেলেঙ্কাৰী—সকলোবোৰে একত্ৰে নিভাক যি ব্যক্তিত্ব দিছিল আৰু নিভা নিজেও যি বিষয়ে সচেতন—ফলত, ধীৰ, অতিশয়গম্ভীৰ—তাক সিহঁতৰ দলে 'বাহুল্য', 'সাধাৰণ', 'সস্তীয়া', এবম্বিধ বক্ৰোক্তিসূচক আখ্যাৰে অগ্ৰাহ্য কৰিছিল। দিলীপ, ইতিমধ্যেই তৰুণ-কবি-যশোপ্ৰাৰ্থী, আত্মবিশ্লেষণধৰ্মী, নিভাৰ প্ৰতি তাৰ উৎসাহহীনতা সম্পৰ্কে সন্দিহান, দলৰ দুৰ্বলতা আবিষ্কাৰত শীঘ্ৰে কৃতকাৰ্য হয়। আৰু এই সময়ত—যদিও নিভাৰ গহীন স্বভাৱ দেখি ভাব হয় যেন নিভা নিৰুত্তাপ, নিৰুৎদ্বেগ, যেন বিৰাট ড্ৰেছিং আইনাৰ সন্মুখত সম্পূৰ্ণ অনাবৃতদেহে থিয় হলেও তাইৰ কোনো চিত্তবৈকল্য নঘটে—নিভাৰ অভিজাত গাম্ভীৰ্যৰ প্ৰতি তাৰ ঔদাসীন্য সম্পৰ্কেও তাৰ নিজৰে সন্দেহ দৃঢ়তৰ হৈ আহে। সেইদিনা কবি-সমাবৰ্তনত স্বৰচিত কবিতা আবৃত্তি কৰি হাত-তালিৰ মাজেৰে মঞ্চৰপৰা নামি আহোঁতে নিভাৰ নিৰীহ অভিনন্দনসূচক হাঁহি আনুষ্ঠানিক পৰিচয়হীনতাৰ অজুহাততে মাত্ৰ অৱজ্ঞা কৰা, যদিও তাৰ অহংৰ পৰিচায়ক, তথাপি তাৰ তলৰ ছাঁ খিনিত প্ৰকৃততে কি দুৰ্বলতাই লুকাই নাছিল ? লাইব্ৰেৰীৰ কাউণ্টাৰত 'আপোনাৰ অসুবিধা নহয় যদি অনুগ্ৰহ কৰি মোৰ কিতাপখন এৰি দিবনে ?'—এই অত্যধিক বিনয়বচনৰ (সেয়া কি নিভাৰ ইগ'ক আঘাত কৰাৰ গোপন অভদ্ৰ কামনা নহয় ?) উত্তৰত বিস্মিত, ক'ত-কি-কিয়-ভাৱেৰে বিমূঢ়, ৰক্তাভ-মুখ নিভাই কিলাকুটিৰ হেঁচাৰ পৰা উলিয়াই দিয়া কিতাপখন লৈ অনুতাপহীন, অস্বাভাবিক-ব্যস্ত-ভাৱ-আৰু-খোজেৰে আঁতৰি আঁহোতে—তাইৰ খং উঠিল নে লাজ লাগিল বুজিবলৈ চেষ্টা নকৰিলেও, যিহেতু ছোৱালীক নুবুজাই সহজ আৰু

কাম্য—সি কি উপভোগ কৰা নাছিল ছোৱালীজনীৰ মুখৰ ৰক্তিম আভা, অসহায়, কিংকৰ্তব্য-ভাৱ, যি প্ৰথম বাৰৰ বাবে তাইৰ মুখৰ অস্বাভাৱিক গাম্ভীৰ্যক, এনেকি চছমাৰ চিক্‌মিকনিকো তল পেলাই স্পষ্ট হৈ উঠিছিল ? আৰু যেতিয়া তাৰ নিজৰ বিষয়ে সকলো সন্দেহ ক্ৰমে ভাপ হৈ সি অস্থিৰ অমনোযোগী হৈ পৰিছে, তেনেতে এদিন সন্ধ্যা লাইব্ৰেৰীৰপৰা একেবাৰে শেষত ওলাই আহি সি দেখিলে দুৱাৰ মুখত ৰৈ আছে এজনী ছোৱালী, নিভা। “বৰুৱা, অনুগ্ৰহ কৰি মোক ঘৰত থৈ যাব নে ?” দিলীপে দেখিলে তাইৰ চকুতো অস্থিৰতা, তাইৰ মুখভাৱ হঠাৎ যেন অপ্ৰতিভ। অতঃপৰ চিন্তা, নিদ্ৰাহীনতা, অনিয়ম, লাইব্ৰেৰীত উৎকণ্ঠিত অপেক্ষা আৰু বুকুৰ ভিতৰত দিনৰ পিছত দিন এটা দুঃসহ শূন্যতাৰ বোজা। কেইদিন মানৰ পিছত গধূলি লাইব্ৰেৰীৰপৰা ঘূৰাৰ বাটত ধীৰ বতাহত তাৰ কাণলৈ ভাহি আহিল মধু-কণ্ঠৰ এষাৰ বাক্য, “আপুনি ইমান ক্ষীণাইছে।” দিলীপে আবিষ্কাৰ কৰিলে, নিভাৰ কণ্ঠত সেই ভাষা, যি ভাষাৰে ৰমণীয়ে চিৰকাল আপোন হৃদয়ৰ গভীৰতা প্ৰকাশ কৰি আহিছে।

ভাগ্য ভাল, দিলীপে স্বস্তি সহকাৰে ভাবিলে, কলিকতালৈ পঢ়িবলৈ যাওঁতেই এই সমস্ত গভীৰতা, উত্তাপ, উদ্বেগ বাধ্য হৈয়েই বহু পৰিমাণে কমি আহিল। এনেকি এদিন যেতিয়া উৰাবাতৰি যোগে সি শুনিলে যে নিভাৰ বিয়া, আচৰিত নহয় যে প্ৰথমে তাৰ ৰক্ত গৰম হৈ আহিছিল, কিন্তু অৱশেষত সি সিদ্ধান্ত কৰিলে যে এইটো তাৰ সমস্যা নহয় আৰু সি নিৰ্বাপিত হৈ গ'ল। কিয়নো তাৰ চহৰৰ ৰোমাণ্টিক পৰিবেশৰ মাজৰপৰা আহি দিলীপে ইতিমধ্যেই মহানগৰৰ আলোকোজ্জ্বল জীৱনৰ বিচিত্ৰতা দেখা পাইছে। দেখা পাইছে প্ৰেমৰ বিভিন্ন ৰূপ—বাসবীৰ প্ৰেম জয় কৰিবৰ বাবে প্ৰণৱে কুস্তি কৰিছে, অসদয়া প্ৰেয়সীৰ প্ৰতি অদ্ভুত, সুন্দৰ কবিতা লিখি

বিনয় গৈছে মানসিক চিকিৎসালয়লৈ, লেচ্‌বিয়ান নীলিমাই দলিয়াই দিছে সুনীলৰ প্ৰেম, নমিতাই তাইৰ প্ৰেমিকক বিয়াৰ বাবে দিছে ছমাহৰ আল্টিমেটাম্‌ আৰু দিলীপে দেখিছে চকুৰ আগত তাৰ ৰঙীন কঁাচৰ সুন্দৰ জীৱন ভাঙি কিছুমান চোকা ধাৰ থকা টুকুৰাহৈ সিঁচৰিত হৈ পৰিছে। ক্ৰমশঃ এই বোধ স্পষ্ট হৈ আহিছে যে জীৱন এটা অসম্ভাৱনা। এই সময়ত দিলীপৰ কবিতা লিখা বন্ধ হয়।

'দিলীপ', 'দিলীপ' বুলি চিঞৰি পৰমা আহি চকীখনত বহিল। বিশেষ গোন্ধৰদ্বাৰা কোনো বিশেষ পদাৰ্থৰ পৰিচয় নিৰ্ণীত হোৱাৰ দৰে এক বিশেষ অনুভূতিৰ জাগৰণত দিলীপ নিশ্চিত হ'ল যে চকীত বহা মানুহটো পৰমা। দিলীপ আৰু নিশ্চিত হ'ল যে এই যে বিশেষ অনুভূতি, পৰমাৰ উপস্থিতিৰ লগে লগে যি জাগ্ৰত হয়, ঘৃণাৰ লগত তাৰ একো পাৰ্থক্য নাই। পৰমা দিলীপৰ লগত তাৰ প্ৰাচীন বন্ধুত্বৰ ভগ্নাৱশেষ সংৰক্ষণৰ বাবে প্ৰাণপণ যত্নবান। দিলীপে যিটো কিশোৰকালৰ উচ্ছাস বুলি পাহৰিব খোজে। তাৰ কবিতাবোৰৰ দৰে তাৰ মনত পৰি যি তাক লজ্জিত কৰে।

"কালি নগলি কিয় ?" পৰমাই সুধিলে।

"নাঃ, এনেয়ে।" পৰমাই দিলীপলৈ চালে।

"মহেন্দ্ৰই তোৰ কথা বৰকৈ কৈ আছিল।"

দিলীপে বুজিলে মদৰ নিচাত কেইটামান ডেকাই চেন্টিমেণ্টাল্‌ হৈ তাৰ গুণ-গান-গাই তাৰ বাবে দুখ কৰিলে।

"গৰু এটা।" দিলীপে ক'লে। প্ৰায় প্ৰতি সন্ধ্যা পুৰণি বন্ধুৰ দল—ইঞ্জিনীয়াৰ, অধ্যাপক, এজেণ্ট, সাহিত্যিক, বে'কাৰ—লগ হয়। আড্ডা বহে। অৰ্থহীন কথা। তাচ্‌, মদ, হৈ-হাল্লা। কেতিয়াবা দলৰ মাজৰপৰা হঠাৎ দুই-এজন 'এটা কামত' ৰহস্যজনক-ভাৱে এফালে যাব লগা হয়। দিলীপ সুখী হল যে সি কালি মহেন্দ্ৰৰ ঘৰৰ আড্ডাৰ নিমন্ত্ৰণ ৰক্ষা' নকৰিলে। আজিকালি সি বৰ

নিসঙ্গ বোধ কৰে; সিহঁতৰ এই বন্ধুত্ব, সামূহিক হুলস্থুল, হ'লি-গলি তাৰ বৰ অদ্ভুত যেন লাগে। সিহঁতৰ আলোচনাত তাৰ বমি হৰ খোজে। আৰু অনিচ্ছা সত্বেও অতিপাত নিচাত সি অজ্ঞানপ্ৰায় হয়। বন্ধুবোৰক—পৰমাক পৰ্যন্ত—সি ঘিণ কৰিব খোজে। অথচ আত্ম-শুচিতা তাৰ নাই, সজ্ঞানে সি জানে যে সিহঁতকৈ সি সামান্যও উন্নত প্ৰাণী নহয়। তদুপৰি সিহঁতৰ ধাৰত পোতগৈয়ে সি জীয়াই আছে।

"ৰবীনে কিবা খবৰ দিছে নেকি?" পৰমাই আগ্ৰহেৰে সুধিলে।

"নাঃ" দিলীপে উত্তৰ দি পৰমালৈ চালে। পৰমাই তাক বিশ্বাস কৰিলে আৰু খিৰিকীৰ লেতেৰা পৰ্দাখনত চকু দিলে।

"টকা লাগিব নেকি?"

"দে আছে যদি।"

কোম্পানীৰ ইঞ্জিনীয়াৰ পৰমাই জেপৰপৰা বেগ উলিয়ালে আৰু দহ টকাৰ নোট দুখন দিলীপলৈ দলিয়াই দিলে। নোট দুখন মাটিত পৰি গ'ল আৰু বিছনাৰপৰা গাটো চোচোৰাই দিলীপে মাটিৰপৰা তুলি ললে।

"মই যাওঁ। কাম আছে।" পৰমা উঠিল।

"যা। চিগাৰেট আছে নেকি?" দিলীপে সুধিলে।

"নাই। খাব যদি বল ওলাই।"

"নাঃ, নাযাওঁ এতিয়া। যা।"

প্ৰস্ৰাৱ কৰিবলৈ বহি ৰবীনৰ চিঠিখন দিলীপে টুকুৰা-টুকুৰকৈ ফালি নলাত উটাই দিলে। শীতৰ নদীত ধীৰ, নিশ্চিত গতিত কিছুমান নাও উটি যায়, কিছুমান পাৰত লাগি ৰয়, এই সুন্দৰ মলিন ছবি এই দুপৰীয়া বেটাৰী-ডাউন অৱস্থাতো তাৰ মনলৈ আহিল। চাকৰিটো নহ'ল। ৰবীনে আশ্বাস দিছিল যে চাকৰিটো তাৰেই।

দিলীপ শুই শুই ভাবিব ধৰিলে তাৰ বিতৃষ্ণা বা ঘৃণাৰ

জন্ম হৈছে, বোধহয় কোনো অস্পষ্ট ঈৰ্ষাৰপৰা। তেনেহলে কাৰৰ মেছৰ লৰাকেইটাতকৈ সি কিহত বেলেগ? নাই নাই, সি ঈৰ্ষান্বিত নহয়, সি লৰালৰিকৈ প্ৰশ্নটোৰ এটা উত্তৰ যোগাবৰ চেষ্টা কৰিলে, সি বোধহয় অলপ হতাশ। তাৰ এটা আকাঙ্ক্ষা আছিল। বহুত দিনৰে এটা সহজ, সাধাৰণ, আকাঙ্ক্ষা। মুক্তভাৱে জীৱনক, যৌৱনক উপভোগ কৰাৰ আকাঙ্ক্ষা। আৰু আহ, ৰবীনে কোৱা চাকৰিটোৱে কিমান সহজে তাক সেই জীৱনৰ মাজলৈ লৈ গ'লহেঁতেন। সীমান্তৰ সুদূৰ পাহাৰৰ মাজলৈ, আকাশৰ তললৈ, মুক্ত জীৱনৰ মাজলৈ অখ্যাত, অতীতবিহীন মানুহ এটা হৈ সি গুচি গ'লহেঁতেন। জীৱনক তাৰ ইচ্ছামতে উপভোগ কৰিলেহেঁতেন।

জেপত পৰমাৰ দহটকীয়া নোট দুখন লৈ চিনাকি অচিনাকি অনেক মানুহৰ মাজেদি দিলীপ ভাত খাবলৈ বাটেদি আগবাঢ়িল। দুপৰৰ পোহৰত সি যেন সকলোৰে চকুত বেছি স্পষ্ট হৈ পৰিছিল। মানুহবোৰৰ চকুৰ দৃষ্টিত সি যেন দেখে এক কুটিল জিজ্ঞাসা। যি দৃষ্টি এসময়ত, তাৰ স্বপ্নত, নাচি উঠিছিল শ্ৰদ্ধা-স্নেহ-প্ৰশংসা আৰু আগ্ৰহেৰে, এতিয়া সি নিস্পন্দ, শীতল। তাৰ স্বপ্নত তেতিয়া সি আছিল গল্পৰ বহু-বৰ্ণিত নায়ক। সকলো বিদ্যা তাৰ অধীত। সকলো বিষয়তে সি তাৰ উগ্ৰ, জ্ঞান-গভীৰ মন্তব্য দিব পাৰে। সকলো ধৰণৰ পৰীক্ষা-নিৰীক্ষাত তাৰ নিশ্ছিদ্ৰ ৰেকৰ্ড্। ইণ্টাৰভিউ ব'ৰ্ডৰ সকলো প্ৰশ্নৰ উত্তৰ তাৰ কণ্ঠত (কোন হ্ৰদ লৱণাক্ত, কোন নদী নাব্য ইত্যাদি)।

আৰু সম্প্ৰতি হোটেলৰ দুৱাৰ মুখত থিয়হৈ দিলীপে শকত, চুটি চুলি আৰু প্ৰকাণ্ড মূৰৰ আদহীয়া মেনেজাৰজনৰ মুখখন পৰীক্ষা কৰিবৰ চেষ্টা কৰিলে। মেনেজাৰে অৱজ্ঞাৰে এবাৰ দিলীপলৈ চালে আৰু চিগাৰেটত হোপা মাৰি সম্মুখৰ মানুহজনৰ লগত সৰু সৰু কৈ কথা পতাত লাগিল। আচ্ছা, চব মানুহেই কি তাৰ কথা গম পাইছে,

এখন টেবুলত বহি দিলীপে ভাবিলে, এই বাটৰ ভদ্ৰলোক, ৰিক্সাৱালা, গৃহস্থ, জোতাৰ মিস্ত্ৰী, মেনেজাৰ, অফিচাৰ সকলোৱেই ?

"ফিছ্ ডবল, ৰাইচ্" সি জোৰেৰে অৰ্ডাৰ দিলে আৰু মেনেজাৰে তালৈ চালে আৰু ভিতৰৰ ফালে কঠোৰ দৃষ্টিৰে কাৰোবাক বিচাৰিলে, তাৰ পাচত পুনৰায় কথাত ব্যস্ত হ'ল। আৰু দিলীপে ভাবিব ধৰিলে মেনেজাৰৰ প্ৰকাণ্ড মূৰটোৰ মূৰীঘণ্ট এটা ডাঙৰ গামলাতলৈ সি পৰমানন্দে খাব লাগিছে, তেওঁৰ ডাঙৰ ডাঙৰ চকু দুটা উলিয়াই লৈ তৃপ্তিসহকাৰে চুহিছে আৰু দাঁতৰ মাজত হাড়বোৰ গুৰি কৰি গৈছে।

নিভাৰপৰা পইচা আনি যোৱা মাহৰ ধাৰ মাৰি থোৱা আছে, গতিকে আজি ভাতৰ পইচা নিদিয়াহলেও হ'লহেঁতেন। তথাপি খাই উঠি সি অযত্নেৰে দহটকীয়া নোটখন দলিয়াই দিলে আৰু মেনেজাৰে ঘূৰাই দিয়া পইচাখিনি জেপত ভৰাই বাহিৰলৈ খোজ দিলে। নিভাক সোনকালে পইচা খুজিবলৈ মন নাযায়, তাই যদি নিজে নিদিয়ে, গতিকে এইখিনি পইচা খৰচ কৰিব নোৱাৰি, সি ভাবিলে। বাটত খোজ দিওঁতেই দ্বিজেনৰ জীপখন কাষতে ৰ'লহি। দিন দুপৰতে সি বেহুচ।

"হেই, ক'ত গৈছিলি ?" দ্বিজেনে চিঞৰিলে।

"ভাত খালোঁ।" দিলীপে চুটি উত্তৰ দিলে। দ্বিজেনক লগ পাই সি বিৰক্ত হৈছিল।

"কালি নাহিলি কেলেই" ?

"নাঃ, গা ভাল নাছিল।"

দিলীপৰ উত্তৰত ৰুক্ষতা। আৰু কিমান বাৰ এই প্ৰশ্নৰ উত্তৰ দিব লাগিব, সি ভাবিলে।

"খুব, খুব জমিছিল। 'ফুৰ্ত্তি-মূলক'।" দ্বিজেনৰ নিচা-গধুৰ চকুৱে-মুখে এটা অশ্লীল হাঁহি বিৰিঙিল। দিলীপে এটা শুকান হাঁহি মাৰিলে।

"ব'ল, মোৰ তালৈ যাওঁ" দ্বিজেনে প্ৰস্তাৱ কৰিলে। দিলীপে কেই মুহূৰ্তমান ভাবিলে, কিন্তু একো স্থিৰ কৰিব নোৱাৰি কলে, "নাঃ, এতিয়া—"

"ধুৰ, ব'ল ব'ল।" জীপ ষ্টাৰ্ট হ'ল আৰু একো সিদ্ধান্ত লব নোৱাৰিও দিলীপ উঠি বহি পৰিল।

দ্বিজেনৰ ঘৰত সোমায়েই দিলীপে অস্বস্তিবোধ কৰিব ধৰিলে।

"অলপ টানিবি নেকি?"

দ্বিজেনে সুধিলে। দিলীপে আপত্তি জনালে। ৰেকৰ্ড-প্লেয়াৰটোত এখন ইংৰাজী গানৰ ৰেকৰ্ড উঠাইদি দ্বিজেন বিচনাত পৰিল। চ'ফা খনত আঁউজি দিলীপে এখন আলোচনীৰ ছবি চাবলৈ ধৰিলে। দ্বিজেনৰ নাকৰ শব্দত সি তালৈ চালে। নিচাৰ ভৰত টোপনি গৈছে। মদ খাই খাই এটা প্ৰকাণ্ড চেহেৰা কৰিছে। কেইমাহমানৰ আগতে নিচামত্ত অৱস্থাত এই মানুহটোক কেনেকৈ সি একে ঘোচাই বগৰাইছিল, দিলীপে এতিয়া ভাবি চালে। দ্বিজেনৰ ঘোচাত নিজৰ ওঁঠৰ দুৰৱস্থালৈ তাৰ মনত পৰিল। লালৰ ঘৰত সেইদিনা গধূলিৰ পৰাই দিলীপ বিৰক্ত হৈছিল। ঘৰৰ বাহিৰত আন্ধাৰত দ্বিজেনে দিলীপক মাতি আনি মত্ত অৱস্থাত বক্তৃতা দি আছিল। বাকীবোৰ ভিতৰত তাচখেলাত ব্যস্ত। বহু সময়ৰ মূৰত দিলীপে অনুভৱ কৰিলে যে দ্বিজেনৰ বক্তব্যৰ বিষয় দিলীপে নিভাক বিয়া কৰোৱাৰ নৈতিক দায়িত্ব। দ্বিজেনৰ বক্তৃতাৰ উৎস নিশ্চিতভাৱে মদৰ প্ৰভাৱ, কাৰণ তাৰ নিজৰে নৈতিকতা মাত্ৰ কিছুদিনৰ আগতে তাৰ অফিচৰ চৌকীদাৰৰ ঘৈণীয়েকৰ সৈতে হোৱা কেলেঙ্কাৰীত প্ৰায় ৰাজহুৱাভাৱে প্ৰমাণিত হৈ গৈছে। তথাপি অনেক দিনৰ মূৰত দিলীপৰ তেজ গৰম হৈ উঠিল আৰু বক্তৃতাৰত দ্বিজেনৰ মুখত অকস্মাৎ এটা ঘোচা শোধালে। ভূপতিত দ্বিজেন অস্থিৰভাৱে উঠিল আৰু কঁকালত হাত দি হলীউডৰ ৱেষ্টাৰ্ন ছবিৰ ভঙ্গীত হাঁহি অলপ সময় থিয়দি ৰ'ল। দিলীপে

পলায়ন বা প্ৰতিৰক্ষাৰ কথা চিন্তা নকৰিলে আৰু দ্বিজেনৰ ভঙ্গীটো উপভোগ কৰোঁতেই দ্বিজেনৰ প্ৰচণ্ড ঘোচা আহি তাৰ মুখত পৰিল। কটা ওঁঠৰ তেজৰ সোৱাদ লৈ সি গম পালে কোনোবা দুটাই, বোধহয় দ্বিজেন আৰু লাল, তাক ধৰি উঠাই লৈ গৈছে। দ্বিজেনৰ বক্তৃতাটোৰ কথা মনত পৰি দিলীপৰ ওঁঠত এটা শুকান হাঁহি বিৰিঙিল। কিহে সিহঁতক নিয়ন্ত্ৰণ কৰে? সিহঁতৰ দুৰ্লভ যৌৱনৰ স্বাধীনতা কাৰ ওচৰত বন্ধক ৰ'ল? কোনে জাপি দিলে সিহঁতৰ কান্ধত কৰ্তব্য, অকৰ্তব্য, দায়িত্ব, ঔচিত্য আদি বোধৰ বোজা যীশুৰ কান্ধত ক্ৰুছৰ দৰে? যাৰ বাবে এতিয়াও, তাৰ জন্মৰ, অৰ্থাৎ প্ৰথম বিচ্ছেদৰ, বত্ৰিছ বছৰ পিছতো মাক তাৰ দুখত কাতৰ হয়, সি মাকৰ খবৰ কৰিব লাগে আৰু দুৰ্যোগৰ ৰাতি তাৰ মুখত প্ৰাৰ্থনাৰ সুৰত 'মা' ধ্বনি ওলায়। যাৰ বাবে এতিয়া সি নিভাক একান্তভাৱে পালেই চুমা খাব লাগে, বিৰক্তিকৰ কথা পাতিব লাগে, বিয়া কৰাব লাগে, কাৰণ কেইবছৰমানৰ আগতে প্ৰথম যৌৱনৰ উত্তাপত সিহঁত দুয়ো দুয়োকে ভাল পাইছিল। প্ৰত্যেক মুহূৰ্তই খণ্ডিত, পৃথক, স্বাধীন, তাৰ লগত জড়িত বিভিন্ন সমস্যা প্ৰত্যেকৰে নিজস্ব আৰু অভিনৱ। তাৰ ব্যক্তিগত সমস্যাত, দিলীপে ভাবে, দ্বিজেনে বাৰু কি যোগ্যতাত ৰায় দিব খোজে? কিয় মনৰ মাজত এটা স্বপ্ৰণোদিত আকাঙ্ক্ষাৰ উদয় হলেই হাতত মুদ্গৰ লৈ পাছফালে থিয় হয়হি কোনো পালোৱান শাসনৰ ছাঁ? জীৱন যাৰ ফলত নিয়মৰ ক্ৰুছত হাজাৰটা প্ৰতিবন্ধকৰ গজালেৰে বিদ্ধ এটা কৰুণতা। কণ্টকিত, অন্ধকাৰ, ধৰ্মময়, কৃত্ৰিম বন্ধনৰ মাজত কেৱল মাজে মাজে মৃত-বৃক্ষৰ অসহায়তা, কাচিৎবা শ্বাপদ আক্ৰোশ। চাৰিও ফালে মাত্ৰ বিৱশকাৰী উদ্বিগ্নতা ৰক্ষা কৰাৰ বাবে সদা সচেতনতা। প্ৰকৃতি নিজে আত্মাহীন, স্থবিৰ, নিৰুত্তাপ। চৰাইবোৰ আৰু মানুহৰ কায নাচাপে, সৰ্বদা ত্ৰাস্ত, সতৰ্ক; প্ৰতিমুহূৰ্তে উৰণোন্মুখ। সকলো ভাব হৈছে, অৰ্থহীন, অবাস্তৱ; জীৱন এটা অবাস্তৱ ঘটনা।

ৰেকৰ্ড্খন চৰ্ চৰ্ শব্দ কৰি এসময়ত বন্ধহৈ গ'ল। মুখত মাখিৰ উপদ্ৰৱ উপেক্ষা কৰি দ্বিজেন অকাতৰে শুইছে। নাকৰপৰা শব্দ হৈছে। দিলীপৰ তালৈ পুতৌ হ'ল। কি এটা জীৱন যাপন কৰিছে বেচেৰাহঁতে। সিহঁতৰ মুক্ত জীৱনৰ অহঙ্কাৰ, বাধাহীন, উচ্ছৃঙ্খল যৌৱনৰ স্বাধীনতা, সিহঁতে নাজানে, আত্মসন্তুষ্টি মাত্ৰ। প্ৰতি মুহূৰ্তে সিহঁতে খোজ কাঢ়িছে সেই ভয়াবহ ক্ৰছৰ ছাঁৰ তলত। কাইলৈ সিহঁত ক্ৰছবিদ্ধ হব। বিয়া কৰাব, সন্তান জন্ম দিব, ভাল মানুহ হব নাইবা সকলো বদ্ অভ্যাস ৰক্ষা কৰি ভণ্ডামিৰ মুখাৰ সহায়ত সগৰ্বে ভেঁটী খাব, গোপনে অবৈধ দেহ-সম্ভোগ কৰিব আৰু এই প্ৰকাৰ অনেক কুকাৰ্য কৰিও ভব্য-গব্য নাগৰিক হৈ সমাজ চলাই থাকিব। প্ৰয়োজনীয় সকলো সমস্যা ঠিক কৰা আছে, সকলো সমস্যাৰে সমাধানৰ বিধান দিয়া আছে, কেৱল নিয়মমাফিক আগবাঢ়ি যোৱা। যেই কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ কৰিবা, সকলো প্ৰশ্নৰ সমান নম্বৰ। উত্তৰ প্ৰস্তুত আছে, চাইলৈ মিলাই যোৱা অনায়াসে।

দিলীপ থিয় হ'ল। হাতৰ আলোচনীখন টেবুলত দলিয়াই দিলে। ৰেকৰ্ড্-প্লেয়াৰটো তেনেকৈয়ে এৰি কোঠাৰ বেৰৰ ছবিবোৰ উপকৰাকৈ এবাৰ এনেয়ে চালে। দ্বিজেন তেতিয়াও ঘোৰ-ঘোৰাই শুইছে। তাৰ গাৰুৰ কাষত ওফন্দি থকা মানি-বেগটো পৰি আছে। দিলীপে বেগটোলৈ একান্ত আগ্ৰহেৰে চালে বেগটো টকাখিনিৰে সৈতে তাৰ লৈ যাবলৈ মন গ'ল। সি বিছনাৰ ওচৰলৈ গৈ বেগটো তুলি ললে, এক মনে, মোহগ্ৰস্তৰ দৰে বেগটোলৈ চাই জেপত ভৰাব খুজিলে। মুহূৰ্তৰ বাবে তাৰ দ্বিধা হ'ল আৰু সেই মুহূৰ্ততে দুৱাৰত শব্দ, হঠাৎ তাৰ অনুভৱ হ'ল, দুৱাৰ মুখৰপৰা কোনোবাই তালৈ উদ্ধত বিভল্‌ভাৰ্ টোঁৱাই ধৰিছে। চক্ খাই ঘূৰি সি দেখিলে হকাৰ্জনে পৰ্দাৰ ফাকেদি বাতৰি কাগজখন তালৈ আগবঢ়াই দিছে। সি কাগজখন ললে। বিছনাত দ্বিজেন এতিয়াও নিদ্ৰামগ্ন। সি

বেগটো আগৰ দৰে গাৰুৰ কাষত নমাই থলে। কাগজখন টেবুললৈ দলিয়াই দিলে আৰু বাহিৰলৈ ওলাল।

এতিয়া দিলীপ তাৰ বিছনাত। ৰ'দৰ প্ৰচণ্ডতা সামান্য কমিছে। এবাৰ ভাব হয় বিশ্ব-চৰাচৰ, লোকালোক স্থিৰ, অলৰ, কিন্তু পিছ মুহূৰ্ততে বতাহ সচল হয়, কোনো যান্ত্ৰিক গতিৰ আৱাজ শুনা যায়, মানুহৰ কথাৰ অস্পষ্ট আভাস ভাহি আহে। দিলীপে শুনে বাটত 'হৰে ৰাম' 'হৰে ৰাম' প্ৰাণ-কাতৰ চিৎকাৰ অৰ্থাৎ সেই গলিত কুষ্ঠৰোগীটোৱে ৰ'দে পোৰা বাটত চুচৰি তাৰ প্ৰাচীন মকৰা সদৃশ শীৰ্ণ হাতখন প্ৰত্যাশাপূৰ্ণ যান্ত্ৰিকতাৰে আগবঢ়াই দিছে। ফচল সামৰাৰ পিছৰ সুবিস্তীৰ্ণ পথাৰৰ দৰে, পখীৰ পৰিত্যক্ত বাহৰ দৰে অনাকৰ্ষণীয়, বিশুষ্ক, নিৰুত্তাপ, কৰুণ এই পৃথিৱীত নিৰুপায় ভাহি থাকিব লগা হয়। আৰু তাৰ মাজতো, আশ্চৰ্য যে, কোনো দুৰ্বল মুহূৰ্তত ভাসমান চেতনাত অস্বচ্ছভাৱে দেখা যায় গাঁতৰ ভিতৰলৈ লাস্যময় গতিৰে ধীৰে ধীৰে সোমাই যোৱা সাপৰ নেজৰ দৰে ৰহস্যময় এক আশা। এই আশা নিৰুদ্দিষ্ট জীৱনক লৈয়ে ৰচিত, যি জীৱনত ফুলৰ উষ্ণতা থাকে, পখীৰ বিচৰণ থাকে, বতাহৰ মাতালতা থাকে, এতেকে যি কেৱল স্বপ্ন সম্ভৱ। 'আহ, কেৱল বন্ধন······কেৱল সদায় পিচফালৰ পৰা এটা টান ·····মই মূৰ্খ······' দিলীপে হঠাৎ চ'লিল'কি কৰিলে। সকলো কঠোৰ আঙুলি-নিৰ্দেশ, নীতিৰ প্ৰহাৰ উপেক্ষা কৰি সাপৰ নেজৰ পাছে পাছে সি যাব খোজে; জীৱনৰ অমোঘ, হয়তো পাপমুখৰ, তদন্তত সি জপিয়াই পৰিব খোজে। কিন্তু আপাত-দৃষ্টিত মুক্ত হৈও, আনকি সি নিজেও ভাৱে সি মুক্ত, নিৰঙ্কুশ, মূলবিহীন, তথাপি মাকৰ মুখৰ ছবি অদ্যাপি তাৰ মনত অম্লান আৰু নিভাৰপৰা শাৰীৰিকভাৱেই পলাবৰ সামৰ্থ তাৰ এতিয়াও হোৱা নাই। নিভাৰ লগত যেতিয়া একান্তভাৱে মিলিত হয়, দেহলগ্ন হয়, সি সেইবোৰ মুহূৰ্ত সম্পূৰ্ণভাৱে উপভোগ কৰে। কিন্তু প্ৰেম কি এক অন্তহীন,

ক্লান্তিকৰ ঋতু? নিয়মৰ পৰিসীমাভুক্ত ঘটনা প্ৰবাহ? নিশ্চিত সমাপ্তিৰ প্ৰতিশ্ৰুতি? তাৰ ভূতগ্ৰস্ত শৈশৱত সি দেখিছিল কিদৰে তাৰ প্ৰেমিক খুৰাকে ভৃত্যাৰ দৰে তাৰ নিৰ্বোধ খুৰীয়েকক মানসিক অত্যাচাৰ কৰিছিল, কি দৰে তাৰ ভিনীহিয়েক একদা প্ৰেমিকা অধুনা-মৃতা তাৰ বাইদেৱেকৰ ওচৰত প্ৰভুভক্ত কুকুৰৰ দৰে বিনত হৈ বৈছিল। মাক এদিন মৰি থাকিব, এই ভাবি সি আশ্বস্ত হয় আৰু অনেকদিন ধৰি সি নিজকে উৎসাহিত কৰে মনে মনে এদিন নিভাৰ শুভ্ৰ, কোমল ডিঙিটোত তাৰ দুহাতৰ চাপ এটা চৰম বিন্দুলৈ বৰ্ধিত কৰিবলৈ। সেই দিনা সি বন্ধন মুক্ত হব, তাৰ বহু আকাঙ্ক্ষিত স্বাধীনতাৰ আনন্দত সি তাৰ অতীত হেৰুৱাই পেলাব। প্ৰতি দিন এনে এটা দুঃসহ আশাত সি উত্তেজিত হৈ উঠে আৰু প্ৰতিদিন ব্যৰ্থ, অধৈৰ্য হৈ তাৰ অন্তৰৰ নিৰুপায় ক্ষোভ লাখ লাখ নিশ্বাসৰ লগত বাহিৰ কৰি দিব খোজে।

দিলীপৰ মনত পৰিল যে নিভা এতিয়া তাৰ ওচৰলৈ আহিব। সি বিৰক্ত হ'ল। অতি-পৰিচয়, সান্নিধ্য আৰু বহু-ব্যৱহাৰৰ ফলত নাৰীও গেৰেজৰ প্ৰাচীন লোহাৰ দৰে বিশেষত্বহীন আৰু অনাকৰ্ষক হৈ পৰিছে। যেন এটা শব্দ মাত্ৰ; প্ৰেম, বেদনা ইত্যাদি ব্যৱহাৰ-মলিন আন অযুত শব্দৰ দৰেই, কিতাপৰ পাততে কেৱল সুপ্ৰযুক্ত, নিৰ্জীৱ, ৰহস্যহীন। আহ্, তাৰ মনত পৰিল, শব্দই এসময়ত কিদৰে হৃদয়ক আঘাত কৰিছিল। সৰুতে এদিন পুৱা সাৰ পাই বিছনাৰপৰা নামি লাজত, সঙ্কোচত, পাপবোধত সি কেনেকৈ কোঁচ খাই গৈছিল, এই কাৰণে যে সি দেখিছিল, এখন বেটুপাতছিন্ন আখৰৰ চানেকিৰে তাৰ টেবুলৰ পানী গিলাচ ঢকা আৰু চানেকিৰ ওপৰৰ পৃষ্ঠাতে ওলাই আছে, পৰিষ্কাৰ, সুন্দৰ, ডাঙৰ ডাঙৰ ছপা আখৰত: 'স্বভাৱ ভালে ৰাখিবা।'

দিলীপে কিছুসময় একান্তমনে নিভালৈ চালে। নিভাই বিছনাত

তাৰ গাৰ কাষত বহি তালৈকে চাই আছিল, এতিয়া হাঁহি মাৰি দৃষ্টি নমাই নিলে। প্ৰসাধন আৰু পোছাকত নিভা উজ্জ্বল হৈ আহিছিল, দিলীপৰ অপৰিষ্কাৰ বেশ, ডাঢ়ি ভৰ্তি মুখ, কোঠাৰ মলিনতা আৰু ক্ষীণ পোহৰৰ মাজত সেই উজ্জ্বলতা দ্বিগুণতৰ হৈ উঠিছিল। এতিয়া তাইৰ বয়স হৈছে, যদিও তাইৰ হাঁহিৰ তলত এই সত্য সহজে ঢাক খায়। চছমাৰ ফ্ৰে'ম আগতকৈ ডাঠ, তাইৰ গম্ভীৰ ব্যক্তিত্ব এতিয়াও অটুট, বৰঞ্চ শৰীৰত সামান্য মেদৰ যোগত সি অধিক সমঞ্জস বোধ হয়। দিলীপে অনুভৱ কৰিলে তাৰ কাষত উপবিষ্টা নিভা, এটা নাৰীদেহ, অৱশ্যেই সুন্দৰ, কিন্তু তাতকৈ অন্য কি বিশেষভাৱে আকৰ্ষণীয় আছিল তাইৰ? তাইলৈ চাই তাৰ অন্তৰত একো প্ৰতিক্ৰিয়া নহ'ল, তাইৰ হাঁহিটোও তাৰ বোধহল ৰহস্যহীন, কাৰণ হেতুহীন আৰু বহুদৃষ্ট।

"ক'ৰবালৈ গৈছিলা আজি?" নিভাই তাৰ বুকুত হাতখন থৈ সুধিলে।

"নাই।" কোনো দৰকাৰ নাছিল আৰু নিভা এতিয়া তাৰ বুকুত তাইৰ হাত স্থাপনৰ মাজেদি ঘনিষ্ঠ আৰু একনিষ্ঠ, তথাপি সি ফাঁকি দিলে।

"পৰহি বৌৰ লগত চিনেমা চাবলৈ গৈছিলোঁ। তোমাক ক'ৰবাত দেখিম বুলি ভাবিছিলোঁ। ক'লৈ গৈছিলা পৰহি?"

"পৰহি···পৰহি বোধহয় কেনিও নোলালোঁ।" আৰু এটা ফাঁকি।

"কিমান সোমাই থাকা আৰু? কালিও যোৱা নাই ক'লৈকো?" নিভাই মৃদু ভৎসনা কৰিলে।

"কালি মহেন্দ্ৰৰ তালৈ মাতিছিল······" দিলীপে ইচ্ছাকৃতভাৱে অৰ্ধোক্তি কৰিলে। নিভাৰ দ্ৰুত সন্ধানী-দৃষ্টি তাৰ মুখৰ ওপৰত পৰিল।

"আকৌ চাগৈ পাৰ্টি। দীপ, তুমি কিযে আচৰিত!" নিভাৰ

কথাত প্ৰতিবাদ প্ৰায় অনুপস্থিত, মাত্ৰ আব্দাৰৰ সুৰ আছিল। দিলীপ মনে মনে থাকিল। এই সমস্ত কথা-বতৰা তাৰ বাবে ইমান নীৰস, অৰ্থহীন আৰু কটিন-গন্ধী আছিল যে বিৰক্তিত তাৰ বমি আহিব খুজিছিল। কোঠাৰ পৰিবেশ, নিভাৰ উপস্থিতি, সিহঁতৰ কথা, ভাব. এনেকি সমগ্ৰ অস্তিত্বৰ বিপৰীতেই তাৰ মনে ক্ৰিয়া কৰিব ধৰিলে। যেন নিজকে অনন্ত এক প্ৰবাহৰ মাজলৈ, প্ৰকৃতিৰ আদি ঘৰলৈ লৈ যাবলৈ যত্নবান তাক, দিলীপক, বাৰম্বাৰ অন্যত্ৰ পতিত কৰা হৈছে, যেন আপোন সমস্যাৰ গুৰুভাৰত ক্লিষ্ট, হতবুদ্ধি তাৰ সম্মুখত কেৱল এখন জগতৰ দুৱাৰেই বাৰম্বাৰ উন্মোচিত হৈছে, বন্ধন য'ত বীজমন্ত্ৰ।

নিভা উঠি কোঠাটো ঠিক কৰিলে, তাৰ কাপোৰ কেইখন ভালকৈ থলে আৰু পুনৰ তাৰ ওচৰত বহিলহি। "মালৈ চিঠি দিলা?" নিভাই আগ্ৰহেৰে সুধিলে। দিলীপে চকু মুদি দিলে, কাৰণ নিভাৰ উক্তিত মাই দেহধাৰণ কৰিছিল।

"কিয়নো নিলিখা বাৰু মালৈ চিঠি এখন?" নিভাই সকাতৰ অভিযোগ কৰিলে। আৰু অভিযুক্ত হৈ, যেন দোষ-খণ্ডনৰ বাবেই, বা হয়তো মাৰ স্মৃতি-উদ্ৰেককাৰী নিভাৰ উক্তিত ক্ৰুদ্ধ হৈ দিলীপে শুকান কণ্ঠে কলে, "আহ, মাৰ নো আৰু কেইদিন?" এই উক্তিত নিভাই যেন বজ্ৰৰ আৱাজ শুনিবলৈ পালে, স্তম্ভিত হ'ল, তাইৰ বিস্ফাৰিত দৃষ্টিত, মানসপটত সুদূৰ শান্ত গ্ৰামবাসী এক বিষাদময় দুখিনীৰ জৰ্জৰ ছবি ভাহি উঠিল। ভাৱ হ'ল যেন প্ৰকৃতি নিথৰ, লোক-চৰাচৰ স্তব্ধ, পখীসমূহ ভীত-তাড়িত-কম্পিত দেহে নীড়াশ্ৰয়ী। নিভাৰ চেতনাত যেন মুহূৰ্তৰ এক ভগ্নাংশত হঠাৎ উদ্ভাসিত হ'ল দিলীপৰ উক্তিৰ মৰ্ম। তাইৰ মুখ ৰক্তশূন্য হৈ উঠিল আৰু চছমাৰ তলত তাইৰ চকু, দিলীপে দেখিলে, বাষ্পাৰ্দ্ৰ হৈ টলমল কৰিব ধৰিলে। হঠাৎ তাৰ বিৰক্তি দূৰ হ'ল আৰু সি আনন্দিত বোধ

কৰিবলৈ ধৰিলে। সেই মুহূৰ্তত নিভাৰ সুন্দৰ, শুভ্ৰ, দীৰ্ঘ ডিঙি তাৰ চকুত পৰিল। কি এটা দুৰ্বোধ্য আকৰ্ষণত সি ধীৰে ধীৰে সাগ্ৰহে উঠি বহিল আৰু মৃদুভাৱে নিভাক তাৰ দেহলৈ আকৰ্ষণ কৰিলে। নিভা ধৰিত্ৰী-বিহীন লেউ-সেউ হৈ তাৰ বুকুত ঢলি পৰিল। তাইৰ স্খলিত-বস্ত্ৰ উন্নত বুকুত দিলীপৰ হাত কেই মুহূৰ্তমান স্থিৰ হৈ ৰ'ল। ধীৰে ধীৰে যেন কোনো নিচাৰ প্ৰভাৱত, দাৰুণ মানসিক উত্তেজনাৰ তাড়নাত তাৰ হাত ক্ৰমে ওপৰলৈ গ'ল আৰু নিভাৰ ডিঙিত এতিয়া সি, যেন পৰম স্নেহত, হাত বুলাব ধৰিলে। নিভাৰ চকুলৈ এবাৰ চাব খুজিও সি বিৰত হ'ল আৰু তাইৰ ডিঙিত সামান্য-ভাৱে চাপ দি প্ৰতিক্ৰিয়াৰ বাবে সাজু হ'ল। এনে সময়তে, যেন নিভাৰ উপলব্ধি এইবাৰ সম্পূৰ্ণ হ'ল, তাইৰ আদৰৰ পৃথিৱীত লগা জুইৰ শিখা যেন তাই নিজে দেখা পালে, এনেভাৱে বৰ্ষাৰ দুৰ্বাৰ মেঘৰ দৰে, তাই দিলীপৰ বুকুত বাধাহীন প্ৰচণ্ডতাৰে ভাগি পৰিল।

আকস্মিকতাৰ এনে আঘাতত দিলীপ প্ৰথমে চকিত, কিন্তু পিছমুহূৰ্ততে তাৰ মধুৰতাত আপ্লুত অধীৰ হৈ ভাবিলে যে এয়ে তাৰ সময়, এয়ে সেই মুহূৰ্ত, তাৰ মুক্তিৰপৰা সি মাথোন এতিয়া কেই মুহূৰ্তমান দূৰত। কিন্তু অকস্মাতে সেই বিস্ফোৰণ-উন্মুখ চৰম ক্ষণত সি অনুভৱ কৰিলে কি এক শিহৰণ তাৰ দেহত এক লহমাত বৈ গ'ল, সি যেন ভূতগ্ৰস্ত, তাৰ শৰীৰ অসাৰ, হাত অচল, তড়িতাহত যেন। কেৱল নিভাৰ দেহ কান্দোনৰ জোকাৰত, ধুমুহা-আন্দোলিত লতাৰ দৰে, বাৰে বাৰে তাৰ অলৰ প্ৰস্তৰীভূত দেহাত লাগিলহি আৰু সেই আশ্চৰ্য স্পন্দনত তাৰ অসাৰ হাত নিজে নিজে নিভাৰ দেহাৰপৰা খহি আহিব ধৰিলে।

এতিয়া খিৰিকীৰ ওচৰত থিয় হৈ দিলীপে দেখিলে সূৰ্য ডুবন্ত প্ৰায়। পাছফালে, পৰি থকা এটা ভাস্কৰ্যৰ দৰে শোকতপ্তা নিভা বিছনাত শায়িতা।

"দীপ……" নিভাৰ অনুচ্চ, আধাভগা এই কণ্ঠস্বৰত মৃতবৎসা গাইৰ যি বেদনা আৰু নিসঙ্গতা সি কোঠাৰ বতাহ, পৰিবেশ আৰু সমস্ত স্থিতিশীল বাস্তৱক থানবান কৰি পেলালে। দিলীপৰ হৃদয়ৰপৰা প্ৰচণ্ড বেগত ৰক্তক্ষৰণ আৰম্ভ হয়, তাৰ হৃদয় শীতল হৈ আহে আৰু দেহৰ সকলো ৰক্ত শেষ হৈ তাৰ ৰং বেঙুনীয়া হৈ যায়। এটা অচিন ভাষাৰ—যেন তাহানিৰ, শৈশৱৰ—অযুত শব্দ আহি তাৰ মুখত স্তব্ধ হৈ ৰয়। এই সময়ত খিৰিকীৰ নীলা আকাশত বন্দী এটা ঐৰাৱতে নিষ্ফল হুঙ্কাৰ ছাড়ে, ওচৰতে এহাল ধূসৰ বৰ্ণৰ মেকুৰী-নিগনিয়ে খেদাখেদি কৰে। আৰু নতমস্তকে সি, দিলীপ, খিৰিকীৰ ফ্ৰে'মৰ নীল পতাকাৰ তলত বিনম্ৰ থিয় হয়। দিনৰ মঞ্চত ধীৰে ধীৰে ৰাতিৰ পৰ্দা নামে।

পরিশিষ্ট

ৰোগ

(উৎসৰ্গ : বাবু শ্ৰীযুক্ত কমলকুমাৰ মজুমদাৰ কৰকমলেষু)

সেইদিনা গধূলি প্ৰাচীন, ভগ্ন চাইকেলখন বাহিৰৰপৰা আনি ৰৰঘৰৰ বেৰত আওঁজাই থৈ, দুৰ্বল অনিশ্চয় খোজেৰে আগবাঢ়ি গৈ, হাত-ভগা কাঠৰ চকীখনত বহি জেপৰপৰা এটি বিড়ি উলিয়াই চাকিৰে অগ্নিসংযোগ কৰি হুবাৰমান ধোঁৱা টনাৰ পিছত অতি সহজভাৱে, অতি স্বাভাৱিকভাৱে এবাটি চাহৰ কথা ৰোযেশ্বৰ পণ্ডিতৰ মনলৈ আহিল। ৰোযেশ্বৰ পণ্ডিত তেওঁৰ প্ৰৌঢ়ত্বত উপস্থিত, ৰৌদ্ৰদগ্ধ, দুঃস্বাস্থ্যৰ অধিকাৰী, নিৰীহ ধূপৰ ধোঁৱাৰ দৰে শান্ত ; কিন্তু তেওঁৰ দীৰ্ঘদেহ, সুপ্ৰশস্ত কপাল, গৌৰৱোজ্জ্বল দাঁত আৰু সুন্দৰ একোছা গোঁফৰ পাছফালে যৌৱনকালত তেওঁক কোনো দুৰ্ধৰ্ষ অভিযান বা 'গল্প হলেও সত্য' জাতীয় কোনো কাহিনীৰ নায়কৰূপে কল্পনা কৰিব পাৰি। সময়ত, পৃথিৱীচ্যুত হৈ আকাশমগ্ন অৱস্থাত, তেওঁক দেখা যায় তেওঁ যেন শূন্যত কিছুমান বিচ্ছিন্ন ঘটনাৰ অনুধাৱনত ব্যস্ত আৰু সেই ঘটনাবোৰ এখন ব্লেক্-ব'ৰ্ডত অৰ্থপূৰ্ণভাৱে—ক্ৰছ্ ৱৰ্ড্ পাজ্‌ল্ যেনে—মিলাবৰ চেষ্টাত ব্ৰতী। ইয়াৰ পিছত আকাশচ্যুত হৈ তেওঁ বিড়ি জ্বলায়, কাৰণ এই চেষ্টাত তেওঁ হতাশ আৰু ক্লান্ত, ঘটনাবোৰ অস্পষ্ট, খেলিমেলি, মিল নাখায় ; অনেক টুকুৰা বিচাৰি পোৱা নাযায়। সম্প্ৰতি তেওঁৰ দৃষ্টিত শূন্যতা আৰু আপাতদৃষ্টিত সম্মুখৰ শূন্যতাতে ই নিবদ্ধ (অৰ্থাৎ ক'তো নিবদ্ধ নহয়)। ইয়াৰ ফলত দেখা যায় তেওঁ চিন্তাশ্ৰান্ত আৰু ধূমপানত সম্পূৰ্ণ অমনোযোগী। এই সময়ত সন্ধ্যা লাগি ভাগিছে। কোঠাৰ ভিতৰত ক্ষীণ বওচুৱা পোহৰৰ এটা

চাকি, য'ৰপৰা সময়ে সময়ে ফট্‌ফট্‌ শব্দ ওফৰে আৰু যি, পৰোক্ষে, কোঠাৰ প্ৰতিষ্ঠিত আন্ধাৰকেই প্ৰতীয়মান কৰি তুলিছিল। কোঠাৰ পৰিবেশত আছিল নিষ্ঠুৰতাৰ নিশ্বাস আৰু গধুৰ বতাহ। কিয়নো বাহিৰৰ সমস্ত পাৰিপাৰ্শ্বিকে বতাহ গধুৰ, থমথম ভাব। আকাশ মেঘলুপ্ত, গোমা। এটা পচা, গোৰোৱা গোন্ধ—মৰা ধুৰৰ সময়ত যেনে—কোনো মৰা জন্তুৰ দুৰ্গন্ধৰ লগত মিহলি হৈ ভাহি আহিছিল।

এতিয়া তেওঁৰ এবাটি চাহৰ কথা মনত পৰিল। এই স্মৃতিত, স্মৃতিত নহয় বৰং আগ্ৰহত, তেওঁৰ শ্ৰান্তি, দীৰ্ঘদিনৰ অভ্যাস আৰু সময়ৰ কাৰচাজি আছিল। কিন্তু যৌৱনৰ কোনো প্ৰিয় বিলাসৰ (যি এতিয়া বিগত, যাৰ স্বাদ মাত্ৰ স্মৃতিপটত অৱশিষ্ট আছে) যেনে ভবাখেল বা গানৰ চৰ্চা বা চিকাৰৰ নিচাৰ দৰে এই স্মৃতি এতিয়া সখেদে উপস্থিত। কিয়নো আজি চাৰি দিন ধৰি তেওঁৰ ঘৰত, তেওঁৰ ঘৰতে নহয়, গোটেই গাঁৱত, চাহ অদৃশ্য। যোৱা এপষকাল প্ৰচুৰ বৰষুণৰ ফলত ৰঙানৈ ওফন্দি, যদিওবা তেওঁলোকৰ গাঁৱৰ অৱস্থান যথেষ্ট ওখ, যদিওবা ওচৰৰ আৰিভঙা, লেতেকুবাৰী, গেলেকী প্ৰতিবছৰ বানপানী উপক্ৰুত হোৱা সত্বেও তেওঁলোকৰ গাঁৱত পানী উঠাৰ কথা তেওঁলোকৰ মনত নপৰে, আজি প্ৰায় এসপ্তাহ গাঁৱৰ সকলোৰে ঘৰ, কোনোৰ চোতাল, কোনোৰ বা বাৰান্দা, কোনোৰ বা ঘৰৰ ভিতৰ পৰ্যন্ত, পানীত নিমজ্জিত আছিল। পৰহিৰপৰা পানী শুকাইছে। আলি-পদূলিত তথাপি পানী। লেতেকুবাৰীত পানী কমিছে। গেলেকী এতিয়াও জলমগ্ন। অভূতপূৰ্ব এনে পৰিস্থিতিত তেওঁলোকৰ গাঁৱৰ দোকানী ভোগেশ্বৰৰ দোকানৰ প্ৰায়বোৰ পণ্য-সামগ্ৰী শেষ হৈ গৈছে (ঘটনাক্ৰমে, উল্লেখযোগ্য, ভোগেশ্বৰ, এই ক্ষুদ্ৰ গাঁৱৰ একমাত্ৰ দোকানী বা মহাজন, ৰোমেশ্বৰ পণ্ডিতৰে অনুজ। বিবাহোত্তৰ কালত দুই পৰিয়াল পৃথক হলেও তেওঁলোকৰ সম্পৰ্ক

স্বাভাৱিক আৰু স্বচ্ছন্দ) আৰু দূৰৰ ডাঙৰ দোকানৰপৰা বস্তু সৰবৰাহ কৰাত তেওঁৰ, ভোগেশ্বৰৰ, অসুবিধা হৈছে বা তেওঁৰ অৰ্থাভাৱ বা এই সম্পৰ্কে তেওঁ উৎসাহী নহয়, এই কাৰণে যে গাঁৱৰ মানুহৰ হাততো এতিয়া অৰ্থৰ অভাৱ আৰু ইয়াৰ ফলশ্ৰুতি তেওঁৰ পক্ষে মাৰাত্মক হৈ উঠিব। ৰোমেশ্বৰ পণ্ডিতৰ ৰৌদ্ৰদগ্ধ, ম্লান, অপৰিমাৰ্জিত ডাঢ়িভৰ্তি মুখত গভীৰ ছাঁ পৰিল। এই ছাঁ যৌৱন অপ্ৰমাণিত হোৱাৰ বেদনাত ত্ৰিংশোত্তৰা কশ্চিৎ অসুন্দৰী কুমাৰীৰ মুখত বিৰাজিত দেখা যায়। এনে ভাৱ হয়, ৰোমেশ্বৰ পণ্ডিতে নিজৰ পৌৰুষকেই যেন ধিক্কাৰ দিবলৈ উদ্যত হৈ পুনৰায় দ্বিধাগ্ৰস্ত হৈছিল। উপায়ান্তৰ তেওঁ বিড়িত টান দি নাকেমুখে প্ৰচুৰ ধোঁৱা বাহিৰ কৰিলে। তেওঁৰ মনৰ চাহ বাটি শূন্যত ধূম্ৰস্তায় বিলীন হৈ গ'ল। এই সময়ত বাহিৰৰ পৰিবেশৰ ব্যাপ্ত আদিমতা, নিষ্ঠুৰ, ক্ষমাহীন প্ৰকৃতিৰ ক্ৰুদ্ধনিশ্বাস, যুদ্ধৰ সময়ত ৰাতি বিদেশী বুটজোতাৰ আৱাজ সদৃশ ভয়াবহ আৰু অবিশ্বাস্য আছিল। আৰু ফলত ৰোমেশ্বৰ পণ্ডিতে তেওঁৰ বুকুত এক অলৌকিক নিষ্পেষণ আৰু তাৰ বিৰুদ্ধে তেওঁৰ অসহায়তা অনুভৱ কৰিছিল। এটা উৎকট গুপ্‌গুপীয়া গেলা গৰম পৰিছিল। কালি আৰু আজি দিনটো প্ৰচণ্ড ৰ'দ। গৰমত অনিশ্চয়তা আছিল, বিপদৰ গন্ধ আছিল। সন্ধিয়াৰপৰা মেঘ উঠিছে, কিন্তু বৰষুণ নাই।

বাহিৰত এটা গলহেঁকাৰিৰ শব্দ। পণ্ডিতে দুৱাৰৰ ফালে চালে; মহীৰাম, মজিয়াত তিতা ভৰিৰ ছাপ পেলাই, সোমাই আহিল। এওঁ চাপৰ, পুষ্ট-শৰীৰ, মধ্যবয়সীয়া। কঠোৰ মুখত অসংস্কৃত ডাঢ়ি, চুলি অপসৃয়মান, গাত গেঞ্জী আৰু আঠুৰ ওপৰত পৰা চুৰিয়া। মহীৰামৰ চকুত বিমূঢ়তা, কিন্তু ভাৱ হয় সি সাময়িক। কাৰণ বুজা যায়, তেওঁ নিজৰ বাহুক বিশ্বাস কৰে। তেওঁ নাম কৰা খেতিয়ক, তেওঁৰ বিমূঢ়তা সহজবোধ্য, কিয়নো তেওঁৰ খেতি—যি এতিয়া সহজ শান্ত-

ভাঁৰে পানীৰ তলত আশ্ৰিত, নাজানে যে কেৱল মৃত্যু ক্ৰমাৎ নিশ্চিত হৈ আহিছে, মূৰ্খৰ দৰে হয়তোবা মাছৰ লগত খেলিছে— প্ৰায় আধা সম্পূৰ্ণ হৈছিল।

"অ' মহী‥‥বহ……" পণ্ডিতে কলে। বেঞ্চখনত হাত ফুৰাই মহীৰাম বহিল।

"কেনিবা গৈছিলি"?

"নাই....ঘৰৰপৰা‥পানী" আৰু কোৱাৰ প্ৰয়োজন নাছিল। মহীৰামৰ হ্ৰস্ব, ৰুক্ষ উত্তৰত তেওঁৰ বিৰক্তি, ক্ৰোধ একেলগে প্ৰকাশ হৈছিল। বস্তুতঃ, কবলগীয়া তেওঁলোকৰ একো নাছিল। তেওঁলোকৰ দুঃখ, তেওঁলোকৰ ক্ষোভ, এনেকি তেওঁলোকৰ অসহায়তা প্ৰত্যেকৰে ওচৰত স্পষ্ট। অন্যপক্ষে, ক্ষয়ক্ষতিৰ কম-বেছিৰ ওজৰ তুলিবৰ সময়ো এতিয়াও হোৱা নাই।

"এৰা……" বোযেশ্বৰে উচ্চাৰণ কৰিলে। ইয়াৰ পিছত কোনো আবেগ অথবা অনুযোগ বা বিদ্ৰোহ নাছিল। বৰং তেওঁৰ উচ্চাৰিত শব্দটিত যিৰূপ নিৰ্জীৱতা, শুষ্কতা ধ্বনিত হৈছিল তাত কোঠাৰ প্ৰায়ান্ধকাৰ নগ্নতা ব্যক্ত হৈছিল। বাহিৰত স্তব্ধতা। সম্ৰাজ্ঞী ৰাত্ৰিৰ অনুচৰ-অনুচৰী বাৰীৰ চুকত, বাঁহনিৰ তলত অহাযোৱা কৰিছিল। বাটৰ পানীত মাজে মাজে মানুহ-গৰু অহা-যোৱাৰ শব্দ উঠিছিল। ৰান্ধনি-ঘৰৰপৰা দুই-এটা শব্দ আহিছিল। নিস্তব্ধতাৰ উপদ্ৰৱৰপৰা হাত সাৰিবলৈ বোযেশ্বৰে জেপত হাত দি এটা বিড়ি উলিয়াই মহীৰামলৈ আগবঢ়ালে আৰু মাটিৰপৰা চাকিটো তুলি তেওঁৰ হাতত দিলে। মহীৰামে দাঁতেৰে বিড়িৰ পশ্চাৎভাগ কিঞ্চিৎ ছিঙি চাকিৰ সহায়েৰে বিড়িটো জ্বলালে। এনে কৰাত চাকিৰ ৰঙা পোহৰ, ক'লা ধোঁৱা আৰু উত্তাপ তেওঁৰ মুখৰ নিকটলৈ আহে আৰু তেওঁৰ মুখমণ্ডল ৰঙা আভাৰে ৰঞ্জিত, চকু সঙ্কুচিত, মুখ কক্ষ আৰু একাগ্ৰ হয়। সেই মুহূৰ্ত্তত মহীৰামৰ মুখমণ্ডল কোনো এক পলাতক

প্ৰবীণ বিপ্লৱী নেতাৰ তুল্য দেখা গৈছিল আৰু বোষেশ্বৰে স্থিৰভাৱে তেওঁৰ মুখলৈ চাইছিল। এই দৃশ্য সততে উপেক্ষিত, কিন্তু আজি বোষেশ্বৰ, নিজৰ অজ্ঞাতসাৰেই, ঈষৎ চমৎকৃত হ'ল, এই নিমিত্তে যে হয়তোবা এই দৃশ্যই তেওঁৰ মনলৈ 'স্বদেশী'ৰ চিক্‌মিকনি আনিছিল। ······পানী ভাঙি কোনোবা এজন অহাৰ শব্দ হ'ল।

"দাইটি আছা নে······?"

"অঁ, আহ······" পণ্ডিতৰ উত্তৰৰ লগে লগে গাঁৱৰ সুশ্ৰী, সুঠাম ডেকা পদ্ম সোমাই আহিল আৰু মহীৰামৰ উদ্দেশ্যে "অ', ককাইটিও···" বুলি মহীৰামৰ অলপ আঁতৰত বেঞ্চখনতে বহি পৰিল।

"কোন ফালে গৈছিলি ?" অতীব নিম্নকণ্ঠে, নিস্তব্ধতাক অকণো আঘাত নকৰাকৈ মহীৰামে সুধিলে, যেন এই নিস্তব্ধতা, যি পৰিবেশক দিছিল কঠিন ৰোগীৰ উপস্থিতিৰ সন্ত্ৰস্ততা বা বিপ্লৱৰ গোপনীয়তা, তেওঁলোকৰ বাবে একান্ত প্ৰয়োজনীয় আছিল।

"ইয়ালৈকে···আৰু ক'লৈ যাবি ? দাইটিৰ দোকানো বন্ধ···" পদ্মই কলে। পদ্মৰ উত্তৰে ভোগেশ্বৰৰ দোকানৰ সান্ধ্য আড্ডা, কোনো গ্ৰাম্য বিষয়ৰ ওপৰত তৰ্ক আৰু আলোচনাৰে ইয়াৰ সৰস মুখৰতা, নিশ্চিত আনন্দৰ মোহ, দোকান বন্ধ হোৱাত অসুবিধা, নিৰ্জীৱ সন্ধ্যা, পানী, গৰম, বিপদ আৰু হতাশাৰ স্মৃতি আৰু চিন্তা তেওঁলোকৰ মনলৈ আনিছিল। আৰু এনেকি এই প্ৰকাৰ চিন্তাৰ মাজত বোষেশ্বৰ পণ্ডিতৰ মনত চেৰেপাৰ কামোৰৰ দৰে সান্ধ্য-চাহৰ স্মৃতিয়েও খজুৱাইছিল।

"গেলেকীত বোলে···সাতজন মৰিছে" পদ্মই খবৰ দিলে।

"ক'ত ?" বোষেশ্বৰৰ প্ৰশ্নটো চিৎকাৰ যেন শুনা গ'ল। আধা-অবিশ্বাস আৰু আধা-বিস্ময় সানি মহীৰামে পদ্মলৈ চালে আৰু তাৰ পিছত দুৰ্বল প্ৰতিবাদৰ সুৰত কলে "কিয়, লেতেকুবাৰীতহে···গৈছে বুলিছে ?"

"লেতেকুবাৰীততো পৰহিৰপৰাই। একুৰিৰ ওপৰ হ'ল কিজানি!" পদ্মৰ উত্তৰটো উদাসীন যেন শুনা গ'ল, কিয়নো তাৰ সত্তা উত্তৰটোৰ লগত সংপৃক্ত নাছিল। কোঠালৈ ভোগেশ্বৰ সোমাই আহি পদ্মক সুধিলে, "আজি পি ডব্লিৰ মানুহ আহিছিল বোলে?"

"আবিভঙাৰ বান্ধ চাবলৈ....এতিয়া" ক্ষুব্ধকণ্ঠে পদ্মই উত্তৰ দিলে।

"চবডেপুটীৰ ওচৰত কাগজ এখন আমাৰ এতিয়াই দি থব লাগে।" ভোগেশ্বৰে প্ৰস্তাৱ দিলে। কিন্তু ব্যৱসায়-বুদ্ধি, অভিজ্ঞতা আৰু দূৰদৃষ্টিপ্ৰসূত হলেও এই প্ৰস্তাৱৰ বিশেষ কোনো প্ৰতিক্ৰিয়া নহ'ল। কাৰণ, বান্ধ, বানপানী, চবডেপুটি, ক্ষতিপূৰণ এইবোৰ অচল, অক্ষম মুদ্ৰাবিশেষৰ দৰে এতিয়া অৰ্থহীন আৰু অনাকৰ্ষণীয় আছিল। শিখাৰ দৰে, দহন-মুখী ছগাৰ দৰে, দুপৰৰ বতাহ লগা নাৰিকলৰ পাতৰ দৰে তেওঁলোকৰ অন্তৰ মুহূৰ্তৰ বাবে এটা আশঙ্কাই শিৰ্ শিৰ্কৈ কঁপাই গৈছিল। আৰু দুপৰৰ ৰ'দত এই আশঙ্কাৰ গোন্ধ ভাহিছিল।

"টাউনৰপৰা একো অহা নাই নে....?" বোষেশ্বৰে সুধিলে।

"আজি দুপৰীয়ালৈকে খবৰ নাই। আমাৰ ডাক্তৰতো পলালেই।" এই অঞ্চলৰ একমাত্ৰ চৰকাৰী চিকিৎসালয় লেতেকুবাৰীত। ডাক্তৰ ৰেৱতী শৰ্মা পানী উঠাৰ লগে লগে ছুটি লৈ ঘৰলৈ গ'ল। এতিয়ালৈকে তেওঁ বা তেওঁৰ ঠাইত নতুন কোনো ডাক্তৰ অহা নাই। পদ্মৰ উক্তিত তেওঁলোকৰ মনলৈ সেই পুৰণি অৱস্থা ঘূৰি আহিল, যি সদায় সঙ্গত বিক্ষোভ, নিৰুপায় হতাশা আৰু সমৰ্পণৰ চেতনাৰে পূৰ্ণ। বিদ্ৰোহৰ ধ্বনি তাত এতিয়াও স্পন্দিত হোৱা নাই। ই ক্লীব, সুপ্ত, পথহাৰা।

"এজাক পাতল বৰষুণ অনা হলে..." শূন্য মন্দিৰত সৰ্বস্বান্ত করুণ প্ৰাৰ্থনাৰ দৰে বোষেশ্বৰ পণ্ডিতৰ কথাষাৰ শুনা গ'ল। আৰু এনেতে এই সমস্তৰ বৈপৰীত্যৰূপে হাতত তামোলৰ বটা লৈ কুসুম—

যোগেশ্বৰ পণ্ডিতৰ পঞ্চদশী জীয়াৰী—কোঠাত প্ৰবেশ কৰিলে। কুসুমৰ শৰীৰত বিনম্ৰপূৰ্ণতা আৰু গতিত এটা ছন্দ আছিল। তাইৰ অবয়বত প্ৰচ্ছন্ন আগ্ৰহ আৰু অপেক্ষা। পশ্চিমৰ আকাশত ৰঙা ঘূৰণীয়া সূৰ্যই, পথাৰত জোকৰ কামোৰত বোৱা শৰীৰৰ ৰক্তধাৰাই তাইৰ হৃদয়ত অবুজ শিহৰণ তোলে। দুপৰৰ আকাশৰ নিস্তৰঙ্গ নীলাসমুদ্ৰত নিঃসঙ্গে হেৰাই গৈ তাই দীঘল গভীৰ নিশ্বাস এৰে। আৰু ৰাতিৰ নিৰুপদ্ৰৱ নীৰৱতাত বিছনাত পৰি তাই শুনে ভৰা ৰঙানৈৰ উত্তাল তৰঙ্গময় প্ৰবাহৰ ধ্বনি। আৰু তাৰ মাজে মাজে এটা অৰ্ধস্পষ্ট অচিন সুৰ যেন ঢৌৰ ওপৰেদিয়েই কঁপি কঁপি ৰাগৰি আহে। সুৰটো ক্ৰমে ওপৰলৈ উঠে, দ্ৰুত হয়, তাইক আচ্ছন্ন কৰে; তৃপ্তিৰ পূৰ্ণতাৰ বাবে তাই অধীৰ হয় আৰু এটা বিন্দুত আহি সুৰটো বৈ যায়। ক্ৰমে সুৰটো নামে, ধীৰ হয় আৰু অঘোৰ নিদ্ৰাৰ মাজত হেৰাই যায়। এতিয়া তাইৰ চকু বটাত নিবদ্ধ, মুখ সময়ৰ দুঃস্থতা অথবা পৰিবেশৰ অনুজ্জ্বলতা হেতুকেই কিঞ্চিৎ মলিন, আৰু তাই পদ্মৰ ফালে বটাটো আগবঢ়াই দিলে। আৰু পদ্মই দেখিলে, কোঠাৰ ক্ষীণ পোহৰতো, মামৰে ধৰা বটাৰ ওপৰত কুসুমৰ হাত—গাৰ্হস্থ্যৰ অজস্ৰ শ্ৰমৰ কাঠিন্য, সময়ৰ ধোঁৱাময় মালিন্য, সকলোকে উপেক্ষা কৰি এই হাত কোমল, উজ্জ্বল, আগ্ৰহশীল, উন্মুখ। সি বটাৰপৰা তামোলখন তুলি ললে আৰু কুসুমলৈ চাই হাঁহি সুধিলে, "ভাতত লাগিছা····· ?"

পদ্মৰ উপস্থিতিয়েই হয়তো কুসুমৰ শৰীৰত প্ৰচুৰ আৰু দ্ৰুত ৰক্তৰ চলাচল ঘটাইছিল। আৰু তাৰ প্ৰশ্ন মাত্ৰেই তাইৰ মুখ লজ্জাত আৰক্তিম, যেন কোঠাৰ বতাহত মিলি যাব, হয়তো কোঠাত ইমানবোৰ মানুহ নথকা হলে নিজকে এই লজ্জাৰ হাতত এৰি দিলেহেঁতেন, কিন্তু পিতৃৰ উপস্থিতিত সজাগ তাই মাত্ৰ হাঁহি মাৰি উচ্চাৰণ কৰিলে, "নাই······আই লাগিছে······"

এই কথোপকথনত জীৱনৰ অস্বচ্ছ সুৰ বাজিছিল, ঘৰ-সংসাৰ, পুত্ৰ-পৰিবাৰ, গোহালিত গৰু, পথাৰত ধান, বাৰীত তামোল-পাণ, এই সকলোবে ভাসমান ছবি পৰিস্ফুট হৈছিল আৰু মুহূৰ্তৰ বাবে প্ৰত্যেকেই এক অস্বাভাৱিক বন্ধনৰপৰা মুক্তি লাভ কৰিছিল। প্ৰকৃতিৰ লগত তেওঁলোকৰ পৰিচয় জীৱনৰ দৰেই গভীৰ, তথাপি প্ৰকৃতিৰ উদণ্ড ধেমালিত তেওঁলোক ত্ৰস্ত হয়। অস্বাভাৱিকতাৰ ভীতিয়ে তেওঁলোকক অসহায় কৰে, চেতনা বিকল কৰে, অথচ নিজৰ দেহৰ গোন্ধৰ দৰে নিজৰ অজ্ঞাতেই ই চিৰকাল উপস্থিত।

পিছদিনা উগ্ৰ ৰ'দ উঠিল। দুপৰীয়া আহাৰান্তত ৰোযেশ্বৰ পণ্ডিত বিছনাত পৰিছিল। লেতেকুবাৰীলৈ তেওঁৰ স্কুলৰ ফালে যোৱাৰ কথা ভাবিছিল। কিন্তু লেতেকুবাৰীৰপৰা বেয়া খবৰ আহিছে। দুদিনৰ ভিতৰতে মৃত্যু-সংখ্যা পঁচিছ পাৰ হৈছে। গেলেকীৰ অৱস্থাও তদ্ৰূপ। আজি পুৱালৈকে কোনো সাহায্য আহি পোৱা নাই। প্ৰচণ্ড গৰম। তেওঁ ঘামিছে, শুব পৰা নাই। যোৱা ৰাতি শেষৰ ফালে নিদ্ৰাত ব্যাঘাত ঘটিছিল। এতিয়া তেওঁ শুবৰ চেষ্টা কৰিছে, কিন্তু নিদ্ৰা চেষ্টাৰ অসাধ্য। যোৱা ৰাতিৰ ঘটনাটো তেওঁৰ মনত পৰিছে: গৰমত ঘামিছিল। তেওঁৰ টোপনি ভাগি গ'ল। পিঠিৰ ফালে শীত অনুভৱ কৰিলে। তেওঁ পুনৰ শুবৰ চেষ্টা কৰিলে। হঠাৎ অনুভৱ হ'ল পিঠিফালৰ শীতটো গতিশীল। মুহূৰ্ততে তেওঁৰ চিন্তাচক্ৰত এখন ছবিৰ দ্ৰুত ঢৌ কিছুমান বাগৰি গ'ল। প্ৰায় জাপ মাৰি মাটিলৈ নামিল। কেই মুহূৰ্তমান চিন্তা কৰি সভয়ে গাৰুৰ তলৰপৰা জুই-বাহটো উলিয়াই শিতানৰ চাকিটো জ্বলালে। চাকিটো দাঙি লৈ দেখিলে শীতল বস্তুটো ক'লা, দীঘল, সুন্দৰ, ভয়াবহ—কলপাতত কেৰ্কেটুৱা বগোৱাৰ দৰে অনায়াস সাৱলীল গতিত বেৰ বগাই বাহিৰলৈ গৈছে। ভবিৰ-পৰা মূৰলৈকে গাটো শিৰ্‌শিৰাই গ'ল। বাকীখিনি ৰাতি শোৱা

নহ'ল। অসমঞ্জস কিছুমান খবৰ আৰু সিহঁতৰ ছবি পৰিষ্কাৰ, হুবহু তেওঁৰ মনলৈ আহিল : গেলেকীত এটা প্ৰায়-ডুবন্ত ঘৰৰ চালত তেৰভাল সাপ মুখামুখি কৰি পৰি আছিল। আবিভঙাৰ এজনী বৃদ্ধাৰ লগত মাকে পোৱালিয়ে তিনিটা সাপ এখন বিছনাতে শুই আছিল। আৰু এবাৰ, বোধহয় বাতৰি কাকতৰ খবৰ, বানৰ সময়ত ক'ৰবাত ছডাল সাপে মেৰিয়াই থকা এগৰাকী তিৰোতাক অজ্ঞান অৱস্থাত উদ্ধাৰ কৰা হয়। কিছুমান সাপ মৰা দৃশ্য, সাপে খোটা আৰু বচোৱাৰ অনেক ৰহস্যজনক ঘটনা, বহুত ওজাৰ গল্প, শংখ ওজা পৰ্যন্ত, তেওঁৰ মনলৈ আহিছিল। আৰু এইদৰেই এসময়ত ৰাতিপুৱায়। · ···গৰমত তেওঁৰ অসহ্য লাগিছে। মূৰটো গধুৰ। চকু পুৰিছে। বোধহয় তিনিমান বাজিল। ৰোমেশ্বৰ পণ্ডিত বাহিৰলৈ ওলাই আহি নাদটোৰ ফালে গ'ল। নাদৰ পাৰত তেওঁ ৰ'ল। উৎকৰ্ণ হৈ কিবা শুনিব খুজিলে। লৰালৰিকৈ আগফাললৈ আহি কাণ পাতিলে। তাৰ পিছত একো বুজিব নোৱাৰি নাদৰ ওচৰলৈ উভটি গ'ল। দূৰৰপৰা ছটামান কণ্ঠত দীঘলীয়া কান্দোনৰ শব্দ যেন শুনা গৈছিল। মুখ ধুই তেওঁ আগফাললৈ আহিল। ভোগেশ্বৰ ক'ৰবাৰপৰা আহিছে। তেওঁৰ মুখৰ চূৰ্ণবিচূৰ্ণ স্বাভাৱিকতাৰ তলত উত্তেজনা আৰু অচিন-দেশৰ ভীতি প্ৰচ্ছন্ন হৈ আছিল। পানীত ডুবি থকা পথৰুৱা বোকাত খোজ কঢ়াৰ দৰে তেওঁৰ খোজ অস্থিৰ, ভাৱ হয় যেন তেওঁ নিজৰ অজ্ঞাতেই খোজ কাঢ়ি গৈছে। প্ৰশ্ন-উন্মুত ৰোমেশ্বৰৰ ফালে চাই তেওঁ, গছৰ শিপা পৰ্যন্ত কম্পিত কৰে এনে স্বৰত, কলে, "ডাইনীচুকৰ উমাৰামৰ বোৱাৰীয়েক গ'ল······"

"কি হ'ল······?" ৰোমেশ্বৰে চিৎকাৰ কৰিব খুজিছিল, কিন্তু তেওঁৰ কণ্ঠত যেন স্বয়ং মৃত্যুৱে ভৰ কৰিছে, এনে নিম্ন, অদ্ভুত, অপৰিচিত সুৰত তেওঁৰ প্ৰশ্নটো বাহিৰ হৈ আহিল।

"একো নাই……আজি পুৱাৰপৰা তিনিবাৰ নে চাৰিবাৰ শৌচ……তাৰ পিছত শেষ……"

ইতিমধ্যে ডুইঘৰৰ দুৱাৰ-মুখত দুইগৰাকী স্ত্রী, কুসুম, কুসুমৰ ভনীয়েক সাৱিত্রী, হাতত কটাৰী লৈ ভোগেশ্বৰৰ ল'ৰা সোণ, বোষেশ্বৰৰ চুৰিয়াপ্রান্তত ধৰি তেওঁৰ পুতেক মইনা, সকলোটি সমবেত হৈছিল।

"কোন? কোন ……?" ব্যগ্রভাৱে বোষেশ্বৰৰ স্ত্রী সোমলতাই প্রশ্ন কৰিলে। বোষেশ্বৰ স্থিৰ, নিশ্চল, শিলা যি-ৰূপ; ভোগেশ্বৰে চমুকৈ সোমলতাক উত্তৰ যোগালে। এই সময়ত সমগ্র পৰিৱেশ, এনেকি সময়, স্থিৰ হৈছিল, শেঁতা, ৰংহীন স্তব্ধতা অমোঘ শূন্যতাৰ মাজত বিৰাজ কৰিছিল আৰু ই উপস্থিত চৰিত্রসমূহক চৈতন্য-শূন্য কৰি তুলিছিল। কিছু সময়ৰ পিছত সোমলতাই অকস্মাৎ নির্জীৱতাৰপৰা মুক্তি লাভ কৰি অতি দীন, নিৰাশ্রয় কণ্ঠে ঈশ্বৰৰ নামোচ্চাৰণ কৰিলে আৰু নিঃশব্দে, সন্তর্পণে ভিতৰলৈ সোমাই গ'ল। বোষেশ্বৰে, আশ্চর্য, গতি লাভ কৰিলে আৰু আকাশলৈ চাই ধীৰে ধীৰে পদূলিৰ ফালে আগবাঢ়িল। কান্দোনৰ শব্দবোৰ যেন স্পষ্ট হ'ল। হৰিধ্বনিৰ শব্দ যেন তেওঁ শুনিবলৈ পালে। দূৰৰ আকাশত দুটা শগুণ বত্তাহত বিচৰণশীল দেখা গ'ল। গাঁৱত আকৌ এবাৰ মৃত্যুৰ হাত পৰিল আৰু তাৰ শীতলতাই বোষেশ্বৰ পণ্ডিতৰ বক্ত স্পর্শ কৰিলে।……

ৰাতি। বোষেশ্বৰ পণ্ডিত বাহিৰলৈ ওলাই আহিল। ন-বোৱাৰীৰ দৰে শ্লথ, পুৱাৰ গ্রাম্য-প্রকৃতিৰ দৰে শান্ত ৰাতি আজি তেওঁৰ মনত ভীষণ অশান্ত যেন লাগিল। অথচ গাঁৱৰ দুফালে দুটা কুকুৰৰ চিঞৰৰ বাহিৰে চাৰিওফালে পৃথিৱী, হয়তোবা মৃতকৰ ঘৰো, সুপ্ত। শুবলৈ যোৱাৰ সময়ত ভাইনীচুকৰপৰা আকৌ এবাৰ কন্দা-কটা আৰু হৰিধ্বনিৰ শব্দ, ৰাতিৰ নীৰৱতাৰ মাজেদি

এইবাৰ বেছি স্পষ্ট হৈ, আহিছিল। শ্মশানৰপৰা মানুহবোৰ ঘুৰিল নে? চিতা নুমাল নে? আজি উমাৰামৰ ঘৰত বোৱাৰীয়েকৰ প্ৰেতাত্মাই গিৰীয়েকৰ বিছনাৰ চাৰিওফালে ঘুৰা-ঘূৰি কৰিছে নে? শ্মশানত এতিয়া ভূত-যখিনীয়ে নাচিছে নে? এনে অসংখ্য অসমঞ্জস চিন্তা নিবাৰিবৰ হেতুকে তেওঁ, ৰোমেশ্বৰে, অভ্যাসবশতঃ আকাশলৈ চাইছিল। সন্ধ্যাৰপৰা আকাশত পাতল মেঘ উঠিছিল। কিন্তু বৰষুণৰ সম্ভাৱনা এতিয়াও নাই। মেঘৰ ফাঁকেদি দুই-এটা পিপাসাৰ্ত তৰা অ'ত-ত'ত দেখা গৈছে। গেলা গৰমটো এতিয়াও আছে। তাৰ লগত দুৰ্গন্ধ। সময় ভয়াবহ সম্ভাৱনাৰে গধূৰ আৰু কুকুৰৰ চিঞৰবোৰ অনবৰত অমঙ্গলীয়া যেন বোধ হৈছে। ৰোমেশ্বৰৰ সমগ্ৰ হৃদয় উজাৰ কৰি এটা দীঘল নিশ্বাস ওলাই আহিল। এই নিশ্বাসে যেন মায়াহীন শূন্যতাৰ ভাৰত অস্থিৰ পৃথিৱীৰ কাতৰতাকে প্ৰকাশ কৰিছিল আৰু ই উপত্যকাৰপৰা উপত্যকালৈ, শিখৰৰপৰা শিখৰলৈ প্ৰবাহিত হৈছিল, নদী-বক্ষ আৰু ভূ-তলক সমভাৱে স্পৰ্শ কৰিছিল। তেওঁ জানে যে কাল নিৰবধি, পৃথিৱীও বিপুলা আৰু জীৱন কেৱল তাৰ হ্ৰস্বতা আৰু মৃত্যু-নিশ্চয়তাৰ বাবেই বিচিত্ৰ, ৰহস্যময়, উপভোগ্য। অথচ এই অনুভূতি, দিনৰ এৰালিয়ে কটা ঘা সন্ধ্যাৰ স্নানৰ সময়ত মাত্ৰ অনুভূত হোৱাৰ দৰে, দূৰ শূন্যত, নক্ষত্ৰনিচয়ত অথবা বৰগীতৰ শুদ্ধ পদত মনোনিবেশ কৰাৰ সময়তহে মাত্ৰ মনত জাগ্ৰত হয়। গধূলিৰ বিক্ষিপ্ত, টুকুৰা, কিছু-সত্য-কিছু-উৰা, বিভিন্ন বাতৰিয়ে সম্প্ৰতি তেওঁৰ মনত অস্পষ্ট-ভাৱে ক্ৰিয়া কৰিছিল। খবৰ আহিছিল যে লেতেকুবাৰীতকৈও গেলেকীত মৃত্যুৰ হাৰ বাঢ়ি গৈছে। মৃত্যুৰ সংখ্যা মুখে মুখে বেলেগ হব ধৰিছে। কোনো কোনো ঘৰ শূন্য হৈ গৈছে। গাঁও উচ্ছন্নপ্ৰায়। সমৰ্থ-দুই এঘৰ চহৰলৈ ভাগিছে। মানুহবোৰৰ তেজ শীতল হৈ পৰিছে। সিহঁতৰ মুখত, মনত, বতাহত, সমগ্ৰ পৰিবেশত সদস্ত

নিষ্ঠুৰভাৱে মৃত্যুবিৰাজ কৰিছে। মহামাৰী তাৰ কালান্তক ৰূপত গাঁৱলৈ নামিছে। একমাত্র উৎসাহদায়ক খবৰ আনিলে পদ্মই লেতেকুবাৰীলৈ চৰকাৰে প্রথম সাহায্য-দল, চাৰিজন কম্পাউণ্ডাৰ, পঠাইছে আৰু আজি আবেলিৰপৰা তেওঁলোকে ঔষধ বিলাইছে। ডাক্তৰ ৰেৱতী শৰ্মাই চাকৰি ইস্তফা দিছে, নতুন ডাক্তৰ দুই এদিনতেই পাবহি। এই সকলো খবৰেই তেওঁৰ মনলৈ আনিছিল অস্পষ্টতা, অনিশ্চয়তা আৰু ইয়াৰ অনুষঙ্গ ছবি। এই ছবি তাহানিৰ, শৈশৱকালৰ, ভয়ৰ, ৰংহীন আৰু ধোঁৱাময় আৰু ইয়াত নির্মম, গম্ভীৰ এজাক শগুণ ক'ৰ্ট্‌মাৰ্শ্যালত বহাৰ দৃশ্য আছিল। পদূল্লি মুখত এটা কুকুৰে কান্দি উঠিল। এই কান্দোনৰ বিলম্বিত লয়ত অনেক করুণ অভিযোগ আছিল। ৰোষেশ্বৰে চক্ খালে, ঘৰৰ ভিতৰলৈ গৈ বিছনাত পৰিল। সোমলতা এটা বাগৰ সলাই তেওঁৰ ওচৰ চাপি আহিল। আৰু তেওঁ, ৰোষেশ্বৰে, লাহেকৈ ঘূৰি চকুযোৰ মুদি দিলে। কিন্তু মেকুৰীয়ে যিদৰে চকু মুদিও শব্দৰ সন্ধানত সঘনে কাণ লৰচৰ কৰে, সেইদৰে নিমিলীত-নয়ন, নিদ্রাপ্রয়াসী ৰোষেশ্বৰৰ কাণো শব্দৰ অপেক্ষাত ৰ'ল। পুৱতি নিশা তেওঁৰ গভীৰ টোপনি আহিল।

পিছ দিনাও ৰ'দ নাছিল। আকাশ পাতল মেঘেৰে আবৃত। দুবাৰমান মেঘ ক্রমশঃ ঘন হৈ অৱনমিত হৈ বৰষুণ দিবৰ উপক্রম কৰিছিল, কিন্তু তাৰ পিছত ধীৰে ধীৰে আকৌ পাতল হৈ ওপৰলৈ গৈছিল। বিপর্যয়গ্রস্ত, অভিশপ্ত মানুহবোৰে নিমাতে অসহায়ভাৱে আকাশলৈ চাই তলমূৰ কৰিছিল। কামলৈ তেওঁলোকৰ আগ্রহ নাছিল। যিবোৰে পানী শুকালেই পথাৰত নমাৰ সঙ্কল্প কৰিছিল তেওঁলোকৰ উৎসাহো সঙ্কুচিত হৈছিল। যোৱা ৰাতিৰ ডাইনীচুকৰ তিনিটা মৃত্যু গোটেই গাঁও বিয়পি গৈছিল। গাঁৱৰ ওপৰত মৃত্যুৰ ছাঁ পৰিব্যাপ্ত হৈছিল। নতুন দুঃসংবাদৰ বাবে, মৃত্যুৰ নতুন

সমাৰোহৰ বাবে সকলোৱে ভয়ে ভয়ে অপেক্ষা কৰিছিল। তথাপি দিনটোত কোনো দুৰ্ঘটনা নঘটিল। দুই-এটা খবৰ অৱশ্যে আহি থাকিল ঃ দুজন ডাক্তৰ আৰু নতুনকৈ ঔষধ আদিৰ সাহায্য আহি পাইছেহি। মৃত্যুক তথাপি বোধ কৰিব পৰা নাই। বাধাহীনভাৱে আগবাঢ়িছে। গেলেকীৰ ন-জনীয়া পৰিয়াল এটা এজনো নথকাকৈ শেষ হৈছে। ক'ৰবাত বোলে এটা অচিন মৰাশ শিয়ালে গাঁত খান্দি উলিয়াইছে। দিনে ৰাতিয়ে চিতা জ্বলিছে। নীতি-নিয়মৰ বিচাৰ নাই। দুই-তিনিটা শ একে চিতাতে তুলি পুৰিছে। কেৱল অহৰহ হৰিবোল ধ্বনি শুনা গৈছে।

আন্ধাৰৰ ছাঁত শ্ৰান্ত ৰাতি অসময়তে নিদ্ৰিত হৈছিল। সমগ্ৰ পৰিবেশ জয়াৰ। গাঁৱৰ মূৰত শিয়ালে চিঞৰিছিল। উত্তৰত দুটা মান কুকুৰে একেলগে ভুকিছিল। আকাশত মেঘ পাতল। বতাহ অচল। গৰম আছিল। দুৰ্গন্ধ কমিছিল। ভোগেশ্বৰৰ দোকানৰ ক্ষীণ পোহৰৰ লেম্পটোলৈ পদ্ম, পাছে পাছে ৰোমেশ্বৰ, গাঁৱৰ মাজেদি আগবাঢ়িছিল। বানপানীৰ পিছত পৰিচিত গাঁৱৰ বাটবোৰো অচিনাকি যেন লাগিছিল। গাঁৱৰপৰা ওলাই তেওঁলোক মথাউৰিলৈ উঠিল। পদ্মই সোঁফালে ৰঙানৈলৈ চালে। পানী কমিছে। ভেটাবোৰ ভাঙি চিঙি উটাই নিলে। সোঁতৰ শব্দ কমি গৈছে। বাওঁফালে দূৰৰ শ্মশানলৈ তাৰ চকু গ'ল। আৰু তাৰ মনটো কোঁচ খাই আহিল। তাৰ মনত পৰিল যে সিহঁতে ভোগেশ্বৰক খবৰ কৰিবলৈ আহিছে। ভোগেশ্বৰ আজি দুপৰীয়াই ৰোমেশ্বৰৰ চাইকেল লৈ লেতেকুবাৰীলৈ গৈছিল। প্ৰথমে ৰোমেশ্বৰ যাব খুজিছিল। তেওঁৰ এটা জেদ হৈছিল। তেওঁ বাহিৰ ওলাব খুজিছিল। তেওঁ জানে, লেতেকুবাৰীত মৃত্যু আছে, মৃত্যুৰ বিৰুদ্ধে দুৰ্বল সংগ্ৰাম আছে (মৃত্যু শব্দটো এতিয়া কিমান চিত্ৰময়!)। তথাপি তেওঁ নিজকে কৈছিল, ভয় আৰু হতাশাৰ মাজলৈ তেওঁ পুৰুষৰ দৰে যাব। তেওঁৰ স্কুল আছে, ছাত্ৰ-ছাত্ৰী আছে, সিঃতৰ

প্ৰতি তেওঁৰ কৰ্তব্য আছে। তেওঁ কৰ্তব্যৰ সন্মুখীন হব। কিন্তু সেইসময়তে ভোগেশ্বৰে আহি দোকানৰ বস্তু-বেহানি আনিবৰ বাবে ৰোমেশ্বৰক চাইকেলখন খুজিলেহি। আৰু সেই ভোগেশ্বৰ এতিয়াও ৰাতি এই পৰলৈকে উভতি অহা নাই। সম্প্ৰতি মথাউৰিৰপৰা নামি তেওঁলোক, যেন কোনো বিপ্লৱৰ পলায়নৰত দুটি চৰিত্ৰ, বিৰনাবৰিৰ মাজেদি আগবাঢ়িছিল। এই পথ চুটি ; কিন্তু এতিয়া, ৰাতি, নিৰ্জন আৰু ভয় লগা। দিনৰ নিৰীহ নিৰহঙ্কাৰ গছবোৰে সৌহাৰ্দ্যৰ সেউজীয়া নিচান নমাই শত্ৰুৰ ক'লা মুখা পিন্ধি দূৰে দূৰে পহৰা দিছিল। মাজে মাজে অন্যমনস্ক দুই এক জাৰ্মানীবনৰ জোপাকো তেওঁলোকৰ সন্দেহ হৈছিল। চৰাইবোৰ নীৰৱ, সুপ্ত—মাত্ৰ এটা যমডাকিনীৰ অমঙ্গলীয়া মাত নৈৰ সিপাৰৰপৰা ভাহি আহিছিল। অলপ আঁতৰত এজাক শিয়ালে চিঞৰিছিল। দুটা-এটা আহাৰ সন্ধানী জীৱই তেওঁলোকৰ ওচৰ পাই দৌৰ মাৰিছিল। গাঁৱৰ ফালৰপৰা কুকুৰে ভৈ ভৈ ভুকাৰ শব্দ আহিছিল।

বিপৰীত ফালৰপৰা লেম্প লৈ কোনোবা আহিছিল। তেওঁলোকৰ গতি ধীৰ হ'ল, মনবোৰ সামান্য পাতল হৈ পৰিল। তেওঁলোকে মানুহটোলৈ চালে। মানুহটোৱেও তেওঁলোকলৈ চাই চাই পাৰ হৈ গ'ল। ওঁহো, ভোগেশ্বৰ নহয়, তেওঁলোকে খোজ ললে আৰু এনেতে অকস্মাৎ শুনিলে—"ৰোম নেকি ?"

পাৰ হৈ যোৱা মানুহটোৱে মাতিছে। তেওঁলোক ঘুৰিল।

"হয়" ৰোমেশ্বৰে কলে। মানুহটো তেওঁ ধৰিব পৰা নাই। মনলৈ কেইবাখনো মুখ আহি দ্ৰুত পাৰ হৈ গৈছে। মানুহটো আগুৱাই আহিল।

"মই........অনিৰামহে........" সামান্য অপ্ৰস্তুত কণ্ঠে তেওঁ কলে আৰু এনেয়ে লেম্পটো অলপ দাঙি ধৰিলে। সৰ্বস্বান্ত চেহেৰা, অনন্যোপায়হেতু জীৱিত, কৃশ শৰীৰ এটা থিয় দি আছিল।

"ম, অনিৰাম........" ৰোযেশ্বৰে কলে। এটা অজান ভীতি তেওঁৰ মনৰ ভিতৰত সোমাই পাক খালে। অনিৰাম, তেওঁৰ দূৰ সম্পৰ্কীয়, এই ৰাতি........? ধুমুহাত বৃক্ষসমূহ যিদৰে ভিৰ খাই উৎপাটিত হবৰ উপক্ৰম হয়, আকৌ পূৰ্বাৱস্থালৈ ঘূৰি আহে, তেওঁৰ মনত তেনে এটা অৱস্থাৰ সৃষ্টি হ'ল। "আমি........" ৰোযেশ্বৰ ৰ'ল।

"ভালেই হ'ল......." নিম্ন, পলায়নপৰ উত্তৰ। ৰোযেশ্বৰ জিকাৰ খাই উঠিল।

"ভোগ......." তেওঁ কোনোমতে উচ্চাৰণ কৰিলে আৰু কৰুণ প্ৰাৰ্থনাৰ ভঙ্গীত অনিৰামৰ আশাহীন, মলিন, জৰ্জৰ মুখলৈ চালে। অনিৰামে তললৈ মুখ কৰিলে, কিয়নো এই দৃষ্টিত যেন ৰাতিৰ প্ৰকৃতিৰ বুকু ছিৰাছিৰ হৈছিল, নিদ্ৰিত পক্ষীকুল চক্‌খাই উঠিছিল আৰু অনিৰামৰ ক্ষুদ্ৰ হৃদয়ৰ পক্ষে ই সহ্যৰ অতীত আছিল। তেওঁ ৰোযেশ্বৰৰ ওচৰ চাপিল। হয়তো তেওঁৰ ভয় হৈছিল, ৰোযেশ্বৰ হঠাৎ পৰি যাব। তেওঁ ৰোযেশ্বৰৰ পিঠিত হাত থলে।

"এৰা...টান..." শুনা-নুশুনাকৈ অনিৰামে কলে। ৰোযেশ্বৰৰ সমস্ত শৰীৰত এটা শীতল প্ৰবাহ বৈ গ'ল। দুপৰীয়া আহি আমাৰ তাত বোলে বাহিৰ ফুৰিবলৈ গ'ল······মই নাই। তাৰ পিছত নিজে নিজে আকৌ ডাক্তৰৰ তালৈ গ'ল। ঔষধ খালেগৈ হ'বলা........ আহি ঘূৰি আৰু পৰি গ'ল........" অনিৰাম ৰ'ল। আন্ধাৰৰ প্ৰকৃতিৰ পটভূমিত তিনিটা ক'লা মূৰ্তি, দুটাৰ হাতত লেম্পসহ, খোদিত হ'ল।

তেওঁলোক যেতিয়া অনিৰামৰ পদূলি পালেগৈ, দেখিলে চোতালত চাকিৰ পোহৰ, দুই-চাৰিজন মানুহ। ৰোযেশ্বৰ প্ৰায় দৌৰি গ'ল। ভোগেশ্বৰ চোতালত শায়িত, ৰোযেশ্বৰে মাটিত বহি ভোগেশ্বৰৰ সোঁহাতখন ধৰিলে আৰু ব্যগ্ৰ, অনুচ্চ কণ্ঠে কলে, "ভোগ·· ভোগ··· মই···মই ককাই দেৱেৰ........?"

কেইমুহূৰ্তমানৰ বাবে ভোগেশ্বৰে দুৰ্বল, ঘোলা চকুহাল সামান্য-ভাৱে মেলিলে, তাৰ পিছত মুদি দিলে। জীৱনৰ কোনো লক্ষণ নাই। তথাপি মৃত্যুৱে কিছু পলম কৰিছে। এই মাত্ৰ ডাক্তৰ ওলাই গৈছে। কম্পাউণ্ডাৰ এজন ওচৰতে আছে। পদ্ম বোমেশ্বৰৰ ওচৰলৈ গ'ল। মৃত্যুৰ এনে সহজ আৰু নিশ্চিতৰূপ ইমান ওচৰৰপৰা দেখা পাই সি বিমূঢ় হৈছিল। পৰিচিত এইবোৰ নিজৰ মানুহৰ মাজৰপৰা সহজভাৱে এজনৰ জীৱন শেষ হৈ যাব। সেই মানুহজন যিকোনো মুহূৰ্ততে সিও হব পাৰে। আশ্চৰ্য, কি অদৃশ্য হৈ যাব মানুহটোৰ শৰীৰৰপৰা যাৰ ফলত শুকান, নিশ্চল, কাঠ দেহটো কেৱল পৰি থাকিব, উঁৱলি যাব, মাটিৰ লগত মিলি যাব? বাওঁহাতেৰে ভোগেশ্বৰে তেওঁৰ জেপটো আঙুলিয়াই দেখুৱালে। কম্পাউণ্ডাৰজনে জেপটোৰপৰা উলিয়ালে এখন কাগজ, এসোপা বৰি। ভোগেশ্বৰৰ চকুৰ কোণত দুটা জলবিন্দু বোমেশ্বৰে দেখা পালে—ই যেন ভোগেশ্বৰৰপৰা বোমেশ্বৰৰ প্ৰতি শেষ-সংবাদ কঢ়িয়াই আনিছিল। তেওঁৰ, বোমেশ্বৰৰ, অন্তৰ শিহৰি উঠিল, কোঁচ খাই গ'ল। ভোগেশ্বৰে ওঁঠ দুখন দুৰ্বলভাৱে লৰচৰ কৰিলে। কোনোবা এটাই এবাটি পানী আৰু এখন চামুচ আনি বোমেশ্বৰৰ সন্মুখত দিলে। আকৌ এবাৰ তেওঁ কঁপি উঠিল আৰু তাৰ পিছত চামুচেৰে ভোগেশ্বৰৰ মুখত পানী দিলে। তৃতীয় চামুচ পানী ভোগেশ্বৰে গ্ৰহণ নকৰিলে, কোৱাৰিয়েদি ডিঙিলৈ বৈ আহিল। তেওঁৰ ডিঙিটো বেঁকা হৈ পৰিল, যেন ঈশ্বৰৰ সৈতে প্ৰথম সাক্ষাততে বিতুষ্ট, বিক্ষুব্ধ ভোগেশ্বৰে ঈশ্বৰৰপৰা মুখ ঘূৰাই দিলে।

মাজৰাতি শ্মশানৰপৰা আহি বোমেশ্বৰে দেখিলে সোমলতা আৰু কুসুম পিৰালিত বহি আছে। ভোগেশ্বৰৰ ঘৰৰপৰা তেতিয়াও বৈ বৈ নিম্নসুৰত কান্দোনৰ শব্দ আহিছে। চকলৈ জুই যোৱা নাই। সককেইটাক জলপান খুৱাই শুৱাই থৈছে। কুসুমক মাকে জোৰকৈ অকণমান খুৱালে। তিতা কাপোৰবোৰ সলাই বোমেশ্বৰে চাকিটো লৈ

ইটো কোঠালৈ গ'ল। এখন চাঙত পুতেক আৰু সৰু জীয়েক অকাতৰে শুইছে। তেওঁৰ কোঠাত ৰং গৈ ক'লা হোৱা টিনৰ বাকচটোৰ ওপৰতে ভোগেশ্বৰৰ বগা কাগজখন আৰু বৰিসোপা আছিল। তেওঁ কাগজখন খুলি চালে, দোকানৰ মালৰ হিচাপ। বৰিবোৰ গণিলে, চব্বিশটা, আৰম্ভ হোৱাৰ লগে লগে একেবাৰতে আঠটাকৈ খাব লাগে। সোমলতা সোমাই আহিছিল, সুধিলে, "গাখীৰ অলপ খাব নেকি ?"

"নাই···নালাগে........" ৰোষেশ্বৰে কলে। "সেয়া বৰি ক'ৰ ?" সোমলতাই সুধিলে।

ৰোষেশ্বৰে কিবা এটা কব খুজিছিল, হঠাৎ ঘৈণীয়েকলৈ চালে, তাৰ পাছত তলমূৰ কৰি কলে, "সি আনিছিল।.......খাইছিল... পিছে........" তেওঁ বৰিবোৰ বাকচটোত ভৰাই থলে। কিছুসময় মাটিলৈ চাই থিয় দি ৰ'ল আৰু ধীৰ, শ্ৰান্তস্বৰে কলে, "তুমি তাৰ ঘৰতে শোৱাগৈ........তাই অকলে.......ঠিক নহয়......."

সোমলতা প্ৰস্তুত আছিল। তেওঁ কোঠাৰপৰা ওলাই আহিল। চাকিটো নুমাই ৰোষেশ্বৰ বিছনাত পৰিল। আন্ধাৰ। আন্ধাৰবোৰ যেন আজি বেছি ঘন, এনে লাগিল তেওঁৰ। কি এটা অতল ৰহস্য আন্ধাৰৰ মাজত ডুবি আছে! অদৃশ্য কিছুমান বস্তু যেন ঘুৰা ফিৰা কৰিছে। নিস্তব্ধতাৰ মাজেৰে তেওঁ ভোগেশ্বৰৰ ঘৰৰ টিনৰ দুৱাৰ বন্ধ কৰা শুনিলে আৰু দৃশ্যটো তেওঁৰ মনলৈ আহিল। আন্ধাৰত পোহৰৰ ধাৰণা শূন্য হয়, অৰ্ধবিশ্বাসৰ পাখী বিস্তাৰ কৰি মন উৰা মাৰে, পৃথিৱী আৰু বিশ্বস্ত হৈ নাথাকে। বৈ বৈ দুটা কুকুৰে ভুকিছিল। আন্ধাৰবোৰ চলমান যেন অনুভৱ হৈছিল। ভোগেশ্বৰৰ সৈতে তেওঁৰ আশৈশৱ আকাল-বিশাল সম্পৰ্ক, তাৰ নানা ৰঙৰ ভাৱৰ দৰে অসংখ্য স্মৃতি ছবি হৈ তেওঁৰ মনত জিলিকিছিল। সৰুকালৰ সকলোবোৰ ধিতিঙালিত ভোগেশ্বৰ আছিল তজবজীয়া

আৰু উদ্যোগী অংশীদাৰ। তেওঁলোকৰ বিয়াৰ পিছত দেউতাকৰ মৃত্যু হয়। বিয়াৰ পিছত গাৰ্হস্থ্যৰ জটিলতাই নহয়, নিষ্ঠুৰতায়ো— এই কাৰণে যে প্ৰায় ছবছৰ কাল ভোগেশ্বৰ সন্তান লাভৰপৰা বঞ্চিত থাকে—তেওঁৰ হাঁহি কাঢ়ি নিছিল। তাৰ পিছত তেওঁৰ একমাত্ৰ সন্তান সোণৰ জন্ম হয়। তেওঁ এখন দোকান খোলাৰ উদ্যোগ কৰে। তেওঁৰ অৱস্থা স্বচ্ছল হয়। পৰিয়ালটৈ নিৰুদ্দিষ্ট-সন্তান সুখ ঘূৰি আহে। আৰু আজি অবিশ্বাস্যভাৱে এদিনৰ ভিতৰতে সেই ভোগেই পৃথিৱীৰপৰা বিদায় গ্ৰহণ কৰিলে। অথচ ভোগেশ্বৰ আছিল নীৰোগী, স্বাস্থ্যৱান পুৰুষ। এনেকি সকুতে দেউতাক জীয়াই থাকোঁতেই এবাৰ টিফুকৰ মনবৰ আতাৰপৰা কেঁচুমুৰীয়াৰ দৰৱ আনি খুউৱাৰ পিছত ভোগেশ্বৰে দৰৱ খোৱাৰ কথা তেওঁৰ মনত নপৰে। স্মৃতিৰ মামৰে ধৰা দুৰ্বল শিকলি আজি হঠাৎ জুন্‌জুনকৈ বাজি উঠিছে। দীঘলীয়া, টুকুৰা, নানাবৰণৰ নানা অভিব্যক্তিৰ অনেক ছবি, ধেঁতোৰ খাই দাঁত ক'লা কৰি, বিশাল গোঁফ আঁকি ভোগেশ্বৰে দিয়া মহিষাসুৰৰ ভঙ্গী পৰ্যন্ত তেওঁৰ মনলৈ আহিল আৰু প্ৰতিখন ছবিয়ে তেওঁৰ মন গধুৰ কৰিলে। এইকেইদিনৰ বৈদ্যুতিক পৰিবেশ, ভয়, শঙ্কা, দুশ্চিন্তা, দুৰ্ভোগ, যিবোৰ সংযুক্ত আছিল দিনটোৰ প্ৰতিটো ঘটনাৰ লগত, গেলা গৰম আৰু দুৰ্গন্ধৰ লগত, কুকুৰৰ চিঞৰৰ লগত, মৃত্যুৰ নতুনত্বৰ দুঃসংবাদৰ লগত, প্ৰতিটো কান্দোন আৰু হৰিধ্বনিৰ লগত, সকলোবোৰ আজি সন্ধ্যাৰ ঘটনাটোত —ভোগেশ্বৰৰ মৃত্যুত—এক চৰম বিন্দুলৈ উঠি তেওঁৰ হৃদয়ত নিদাৰুণ নিষ্পেষণ আৰম্ভ কৰিলে। আৰু তেওঁৰ চকুৰে অবিৰাম অনিয়মিত গতিত নামি অহা পানীয়ে সমগ্ৰ পৃথিৱী অৰ্থাৎ তেওঁৰ কোঠা, য'ত সম্প্ৰতি দৃশ্যমান বস্তু কেৱল কোঠাৰ ৰন্ধ্ৰহীন অন্ধকাৰ, তেওঁৰ দৃষ্টিৰপৰা অস্পষ্ট কৰি দিলে।

ৰাতিপুৱা। ঘোষেশ্বৰ পণ্ডিত ধীৰে ক্ৰমে ক্ৰমে সাৰ পাই

আহিছিল। হঠাৎ অকাৰণে তেওঁ চক্ খালে। বুকুখন ধপ্‌ধপাই উঠিল। তাৰ পিছত তেওঁ দেখিলে ৰাতি পুৱাইছে। তেওঁ সাৰ পাইছে, বাহিৰত চোতাল সৰাৰ শব্দ, ক'তো একো অস্বাভাৱিকতা নাই। কিছুসময় তেওঁ বিছনাত পৰি ৰ'ল। তাৰ পিছত ক্লিষ্ট দেহ-মন দুৰ্বলভাৱে বিছনাৰপৰা নমাই দুৱাৰ খুলি বাহিৰলৈ ওলাল। সোমলতাই হাতৰ বাঢ়নি মুহূৰ্তৰ বাবে বন্ধ কৰি ঠাই সৰাৰ ভঙ্গীৰেই ঘুৰি চালে। ৰোষেশ্বৰ ভিতৰলৈ সোমাই গ'ল। কুসুম বিছনাত নাই, সৰুকেইটা নিদ্ৰাভিভূত। তেওঁ জুহালৰপৰা এঙাৰ লৈ দাঁত ঘঁহি ঘঁহি পদূলিলৈ গ'ল। ভোগেশ্বৰৰ ঘৰৰ ভিতৰফালে পিৰালিত অবৰ্ণনীয় ৰূপত ভোগেশ্বৰৰ স্ত্ৰী চেনেহী মাটিত বহি উদ্‌ভ্ৰান্ত দৃষ্টিৰে ক'ৰবালৈ চাই আছিল। ৰোষেশ্বৰক দেখি তেওঁ ওৰণি টানি ললে। পদূলি মূৰত এটা কুকুৰ শুই আছিল। ওচৰৰ কলজোপাত পৰি এজনী কাউৰীয়ে চিঞৰিছিল। অনেক সময় ধৰি ৰোষেশ্বৰে দাঁত ঘঁহিলে। তেওঁৰ মন দূৰত আছিল, অনিৰ্দিষ্টভাৱে কিছুমান ভাব মনলৈ অহাযোৱা কৰিছিল। তেওঁ নাদৰ ওচৰলৈ গ'ল। ধীৰে, অমনোযোগিতাৰে, যান্ত্ৰিকভাৱে তেওঁ মুখ ধুলে আৰু ঘৰলৈ আহি দুৱাৰমুখত সোমলতাক দ্বিধাগ্ৰস্ত, সঙ্কুচিত দেখা পালে।

"কুসুম ক'লৈ গ'ল........?" সোমলতাৰ এই নিম্ন, ভীত প্ৰশ্ন অৰ্থহীন, হাস্যকৰো হব পাৰে, কিন্তু বীজৰ মাজত যিদৰে জীৱন বা মৃত্যুৰ সুদূৰ ছাঁ নিহিত থাকে, সেইদৰে সোমলতাৰ এই সাধাৰণ প্ৰশ্নত ৰোষেশ্বৰে এক ভয়ঙ্কৰ সম্ভাৱনাৰ ছাঁ দেখা পালে।

"ক'লৈ গ'ল?" সোমলতাৰ প্ৰশ্নটো ৰোষেশ্বৰৰ মুখত প্ৰতিধ্বনিত হ'ল।

"জানো! শ'চ কৰিবলৈও যোৱা নাই দেখোন...." সোমলতাৰ কণ্ঠ কিঞ্চিত পৰিমাণে কঁপিছিল। অস্থিৰ খোজেৰে তেওঁ ভোগেশ্বৰৰ ঘৰৰ ফালে গ'ল। ৰোষেশ্বৰ হতভম্ব, বিবুদ্ধি হৈ ভিতৰলৈ গ'ল।

কুসুমৰ বিছনা শূন্য, সককেইটাই তেতিয়াও সাৰ পোৱা নাই। তেওঁ পাকঘৰলৈ গ'ল। জুইকুৰা ভালকৈ জ্বলিবলৈ ধৰিছে। তেওঁ পাছফাললৈ ওলাই গ'ল। সুপ্ত, নির্জন, নিঃশব্দ। পায়খানাৰ ঘটীটো চিৰাভ্যস্ত অনাদৰত বাগৰি আছে। সোমলতাই নাদৰ ওচৰৰপৰা বাৰীৰফালে ডিঙি মেলি চাইছে। অনিশ্চিত, বিমূঢ় ৰোষেশ্বৰে ভয়ে ভয়ে বাৰীৰ ফালে আগবাঢ়িল, আৰু অলপ দূৰ মাত্ৰ আগবাঢ়ি গৈ তেওঁৰ সৰ্বশৰীৰ হিম হৈ, জঠৰ হৈ, গোট মাৰি স্থিৰ হৈ গ'ল। যেন এটা প্ৰচণ্ড পাতালস্পৰ্শী শব্দত, এটা প্ৰচণ্ডতৰ আঘাতত বিশ্ব-চৰাচৰ চূৰমাৰ হৈ ধূলি হৈ গ'ল। ৰোষেশ্বৰ পণ্ডিতৰ ধুক্ ধুক্ হৃৎপিণ্ড, ৰক্তপ্ৰবাহ, ধমনীসমূহ, সমস্তদেহ বিদীর্ণ কৰি ওলাই আহিবৰ উপক্ৰম কৰিলে। শৰীৰৰ শেষ শক্তিৰ সহায়ত তেওঁ এবাৰ চিৎকাৰ কৰিব খুজিছিল, সমস্ত হৃদয় যেন সেই চিৎকাৰত বাহিৰ হৈ যায়, কিন্তু বিফল হৈ বাহ্যজ্ঞানলুপ্ত-প্ৰায় তেওঁ ধীৰে ধীৰে মাটিত বহি পৰিল।

আৰু তেওঁৰ সন্মুখত সদ্যজাগ্ৰত নিৰপেক্ষ, মৌন প্ৰকৃতিৰ পটভূমিত বন, বিষ্ঠা, ময়লাৰ শয্যাত এজনী উলঙ্গপ্ৰায় গাভৰু, যাৰ নাম কুসুম, মৃত বা চৈতন্যহীন, টিচিয়ানৰ ভে'নাচ্ বা চে'বাস্তিয়ানৰ নগ্ন নাৰী-মূৰ্তিৰ ভঙ্গীত শায়িত আছিল।

এটা নতুন তৰঙ্গ আৰম্ভ হৈছিল। প্ৰচণ্ড গৰম। বৈ বৈ কান্দোনৰ ৰোল, হৰিধ্বনি, বাঁহফুটাৰ শব্দ, উচুপনি আৰু হুমুনিয়াহৰ বুকুভঙা শব্দ বতাহত ভাহিছিল। সমস্ত দিন আৰু এতিয়া ৰাতি ৰোষেশ্বৰ পণ্ডিতে মাজে মাজে কাণ উনাই শুনে, কঁপি উঠে, নিশ্চিত হয় আৰু দীঘল নিশ্বাস এৰে। সময়ে সময়ে, কেতিয়াবা একেলগে, ডাইনীচুকৰপৰা, মহীৰামহঁতৰ ফালৰপৰা, ৰঙানৈৰ পাৰৰপৰা, বিভিন্ন দিশৰপৰা নতুন বিচিত্ৰ শব্দবোৰ আহে। শুনি তেওঁ অলপ থৰ হয়, শব্দটো কোন ঘৰৰপৰা আহিছে অনুমান কৰিবৰ চেষ্টা কৰে,

মানুহবোৰৰ মুখ মনত পৰে, সোমলতা-মইনা-সাবিত্ৰীৰ মুখ ভাহে; অন্তৰ শিব্‌ শিৰায়, তাৰ পিছত অলসভাৱে অৰ্থহীন দৃষ্টিৰে অন্ধকাৰলৈ চাই পৰি ৰয়। নিষ্ঠুৰতাৰ আঘাতত নিশা গভীৰ হয়, বেদনাৰ উচ্ছ্বাসত আন্ধাৰ ঘন হয়। অন্ধকাৰৰ পানীত মন, এটা বিষন্ন নিঃসঙ্গ হাঁহ, নিৰুদ্দেশে আগবাঢ়ে। ৰাতিৰ বুকুৰপৰা বেদনাৰ নিগনিয়ে মুহূৰ্তবোৰ কুটি নিয়ে। গৰমত গা ছাটি-ফুটি কৰিছে। কুকুৰৰ কান্দোন ভাহি আহিছে। গধূলি পদূলি মুখত এটা কুকুৰ পৰি আছিল। মইনাই এটা দলি মাৰিলে, করুণভাৱে চিঞৰি কুকুৰটোৱে তিনি ঠেঙৰ ওপৰত ভৰ দি কোঁচ খাই পলাব খুজিছিল। এই দৃশ্য এতিয়া তেওঁৰ মনলৈ আহে। ৰোমেশ্বৰ পণ্ডিত বিছনাতে কোঁচ খাই উঠিল। এবাৰ ল'ৰা-ছোৱালীহালক আনি জোৰেৰে বুকুত ধৰি থাকিবৰ মন গ'ল। টিনৰ বাকচটোৰ ফালে চালে। আজি গোটেই দিন নিষ্ঠুৰ বিগ্ৰহৰ দৰে বাকচটোৰ ফালে তেওঁ দূৰৰ-পৰা মাজে মাজে চাইছে, কিন্তু তাৰ ওচৰ চপা নাই। এতিয়া তেওঁৰ ভাব হ'ল, অন্ধকাৰ ভূত হৈ বাকচটোৰ ওপৰত বহি তেওঁলৈ চাই মিচিকি মিচিকি হাঁহিছে। ৰোমেশ্বৰ পণ্ডিতে চকু বন্ধ কৰিলে।

পুৱাৰ পোহৰ নামি আহিল। ৰোমেশ্বৰ পণ্ডিতৰ টোপনি অহা নাছিল, পোহৰৰ লগে লগে তেওঁ এটা নতুন নিষ্ঠুৰতাৰ বাবে অপেক্ষা কৰিছিল। তেওঁ বাকী কেইটা কোঠালৈ কাণ দিলে। নাই, তেনে কোনো বিশেষ সংবাদ নাই, মাত্ৰ কিছুপিছত দূৰৰপৰা এটা সমবেত ধ্বনি আহিল। বিষাদৰ ছাঁ এৰি এই ধ্বনিটোৱে এটা স্বাভাৱিক আৰু পৰোক্ষ বিজয়ৰ আভাস বহন কৰিছিল। দিনটো তেওঁ বাহিৰলৈ নোলাবলৈ স্থিৰ কৰিলে। শৰীৰ বৰ দুৰ্বল। বাহিৰৰ একোৰে প্ৰতি, কোনো সংবাদৰ প্ৰতিও, তেওঁৰ কৌতূহল নাছিল। ৰ'দৰ তীব্ৰতা তেওঁ বিছনাত শুই শুই অনুভৱ কৰিলে। উশাহত তেওঁ অনুভৱ কৰিলে বতাহৰ অস্বাভাৱিক ঘনত্ব, ধোঁৱা আৰু মৰা-

পোৰাৰ গন্ধ। কান্দোনৰ শব্দ তেওঁৰ বাবে অৰ্থহীন হয়। হৰিধ্বনিৰ মাজত তেওঁ নিৰ্বিকাৰভাৱে মৃত্যুৰ বিজয়োল্লাস শুনে। তেওঁৰ অনুভৱ হ'ল তেওঁ নিশ্চিতভাৱে নিৰ্ভয়। অসহ্য যন্ত্ৰণাৰ মাজেৰে, গভীৰ দুঃখৰ মাজেৰে, তেওঁ ভাবিলে, জীৱনক তেওঁ সম্পূৰ্ণৰূপে দেখা পালে। এনেকি, কালি সান্ত্বনা জনাবলৈ অহা দুই-এজনক তেওঁ এটা ক্ষীণ হাঁহিৰে সহজভাৱে সম্ভাষণ কৰিছিল। প্ৰাচীন চিত্ৰৰ চিৰস্থায়ী হাঁহিৰ দৰে ইয়াত আত্ম-জ্ঞানৰ বোধ আছিল, আৰু বিশৃঙ্খল চুলি, ৰঙা চকু, ডাঢ়ি-ভৰ্তি মুখৰ ৰোষেশ্বৰ পণ্ডিতৰ সেই হাঁহিয়ে ঘনঘোৰ ৰাতি তড়িৎ ৰেখা সদৃশ তেওঁলোকক, মানুহবোৰক, ভীত কৰি তুলিছিল।

আবেলিলৈ ৰবিধৰ আহিল। খবৰাখবৰ কৰিবলৈ গাঁৱত আৰু কোনো নাছিল। প্ৰত্যেক ঘৰতে মৃত্যুৰ বাধাহীন বিজয় অভিযান চলিছিল। আজি ৰাতিপুৱা পদ্মৰ বিধবা মাক পাৰ হৈছে। মহীৰামৰ সৰুজনী ভনীয়েক আৰু ভাগিনীয়েক অগাপিছাকৈ ঢুকাইছে। পদ্মহঁতে ঘৰে ঘৰে ঘুৰি শ পুৰিবলৈ নিছে। ডাইনীচুক প্ৰায় শেষ হৈ গৈছে। লেতেকুবাৰী, গেলেকীৰ অৱস্থা আৰু শোচনীয় হৈছে। নতুন ঔষধ পাতিৰে আন এটা দল তেওঁলোকৰ গাঁও আৰু আৰিভঙাৰ উদ্দেশ্যে আহিব লাগিছে।

সন্ধিয়া মহীৰামৰ ঘৰৰপৰা উভতি আহোঁতে ৰোষেশ্বৰৰ ভাৱ হৈছিল, গাঁওখন আৰু নাই, শেষহৈ গৈছে। মহীৰামৰ পৰিচিত কঠোৰ মুখৰ ওপৰত তেওঁ ভয়ৰ ছাঁ দেখা পাইছিল। বাট নিজান। ঘৰবোৰ নীৰৱ, নিষ্প্ৰদীপ। আন্ধাৰ অদ্ভুত ৰহস্যময়। ব্যস্ত, সন্ধানী কুকুৰবোৰে নিজৰ ভাষাত কিবা কৈছে। দিনত অসংখ্য শগুণ আৰু কাউৰী আহি হুলস্থুল কৰে। মানুহবিলাকৰ ওপৰত সিহঁত ক্ৰুদ্ধ। ভকত পগলা মৰা কোনেও গম পোৱা নাছিল। চোতাললৈ শগুণ নামিলতহে কোনোবাই দেখা পায়। শ নিয়াৰ

পিছতো হতাশ, ক্ষুব্ধ শগুণবোৰ আবেলিলৈকে ওচৰৰ শিমলু জোপাত বহি আছিল। কাউৰীবোৰ অৱশ্যে চতুৰ, অলপ সময় চিঞৰ-বাখৰ কৰি গুচি গৈছিল। গাঁওখন এতিয়া শ্মশান। বতাহত নিৰ্ভুল শ্মশানৰ গোন্ধ। কেৱল তাৰ জ্বলন্ত স্ফুলিঙ্গৰ ৰক্তক্ষৰা হাঁহি ইয়াত নাই। কিছুদিনৰ আগতে ভয়াবহ বানপানী আহিছিল, সেইকথা এতিয়া সহজে পাহৰি যোৱা যায়। বৰং বোমেশ্বৰ পণ্ডিতৰ ভাব হয়, গাঁওখন এতিয়াহে এটা প্ৰবল সোঁতত ভাহি গৈছে, তাৰ একোটা একোটা অংশ দ্ৰুতভাৱে খহি পৰিছে আৰু তেওঁ নিজে সেই ক্ষীয়মান অস্থিৰতাৰ মাজত, অহৰহ ধ্বংসৰ সম্মুখত নিঃসম্বল দৰ্শক সাজিছে। ভোগেশ্বৰৰ ঘৰত এটা চাকি জ্বলিছিল। তেওঁ ল'ৰা-ছোৱালী কেইটাৰ মাত শুনিবলৈ কাণ দিলে। নাই, বোধহয় শুলে। পিৰালিত সোমলতা, বৈৰাগ্য-সাধিকা, বহি আৰু ওচৰতে মূক, ৰিক্তা, লুণ্ঠিতা, চেনেহী থিয় হৈ এটা অভিনৱ গ্ৰাম্য দৃশ্য ৰচনা কৰিছিল। একো নমতাকৈ বোমেশ্বৰ ভিতৰ সোমাল। আজি ঘৰ সৰা নাই; খিচ্‌খিচীয়া বালিবোৰ ভৰিত লাগে। আন্ধাৰত অনুমানতে গৈ তেওঁ চাঙত পৰিল।

এই গাঁৱৰ অনেক মানুহ একেলগে নাইকিয়া হ'ল। অনেক পৰিচিত মুখ আৰু দেখা নাযাব। বুঢ়া মাঘিৰাম পাৰ হ'ল। ঘনহুঁতৰ ঘৰৰ পাঁচটাৰ আটাইকেইটা শেষ। ৰমাকান্তৰ পো-বোৱাৰী-ঘৈণী সকলো, কেৱল ৰমাকান্ত বৈ গ'ল। দিনটোৰ চিতাৰ উত্তাপ আৰু ধোঁৱা গৰমৰ লগ লাগিছিল। মৃত্যুৰে, মৰলাৰে গাঁও ভৰিছিল, বতাহ ভৰিছিল তাৰ দুৰ্গন্ধৰে। মৃত্যু সহজে আহে। সোনকালে আহে। হঠাৎ আৰম্ভ হয়। মাত্ৰ দুই-এঘণ্টাৰ কষ্ট, ঘামে, হাতভৰি সিৰামুৰি ধৰে, বমি, পায়খানা, তাৰ পিছত শেষ। মৃত্যু সহজ। ৰাতি আগবাঢ়িল। বোমেশ্বৰ পণ্ডিতে টোপনি যাবলৈ চেষ্টা কৰিলে। টোপনি নাহে। পেটটো অলপ বিষোৱা যেন পালে। দুটামান

টেঙা উগাৰ আহিল। গাটো গৰম যেন লাগিল। বমিৰ ভাব আহিল। মৃত্যু আহিল, ৰোযেশ্বৰে সহজভাৱে ভাবিলে। আচৰিত তেওঁ এটা নিশ্বাস ত্যাগ কৰিলে, যেন ভাবটোৰ লগত অনেকখিনি স্বস্তি আহিল, তেওঁৰ সমস্ত ভয়-দুখ-যন্ত্ৰণা যেন অন্তৰ্হিত হৈ গ'ল। তেওঁ প্ৰস্তুত, পুৰুষৰ দৰে তেওঁ মৃত্যুৰ মুখামুখি হ'ব, তেওঁ নিজকে কলে (অৰ্থাৎ তেওঁ পলাব খুজিলে ; তেওঁৰ ভয়-দুখ এটা বিস্ফোৰণ বিন্দুত উপস্থিত হৈছিল)। কালিৰেপৰা তেওঁ কামনা কৰিছে, মৃত্যু আহক ; কিয়নো এতিয়া তেওঁৰ ঋতু উকলিছে, এতিয়া অপৰাহ্ণ, তেওঁৰ বিদায়বেলা। সম্প্ৰতি তেওঁৰ মুখলৈ এটা নিষ্কৃতিৰ ভাৱ আহিল। ল'ৰা-ছোৱালীহালৰ মুখ নিৰুদ্বেগভাৱে মনত পেলালে। সোমলতাক মাতিব নেকি ভাবি, নামাতিবলৈ ঠিক কৰিলে। যন্ত্ৰণাত অস্থিৰ হৈ তেওঁ বাগৰ সলালে। চকুবোৰ মুদি দিলে।

প্ৰথমে তেওঁ দেখিলে পোহৰ। কি হৈছে, ভাবিবলৈ চেষ্টা কৰিলে। এখন দুৱাৰ, দুৱাৰ-সংলগ্ন কোঠা, সিফালে আন্ধাৰ। মাটিৰ বেৰত এটা বৃত্ত—কাঠৰ এম্ব্ৰয়ডাৰি ফ্ৰেম। একো কথা পৰিষ্কাৰ নহ'ল। অকস্মাৎ এটা তীব্ৰ শব্দ—যেন কাৰোবাৰ গালত এটা চৰ আৰু কেইমুহূৰ্তমান নীৰৱতাৰ পিছত বাধাহীন কান্দোন। আৰু অকস্মাৎ ৰোযেশ্বৰ পণ্ডিত বহুত ওখৰপৰা খহি পৰিল। 'কলগান'ৰ শব্দই শৈশৱৰ মেলাৰ স্মৃতি জগোৱাৰ দৰে এই কান্দোনে এখন পুৰণি পৃথিৱীৰ কথা তেওঁৰ মনত পেলালে, য'ত অভিযোগ আছিল, আক্ষেপ আছিল, প্ৰতিবাদ আছিল, প্ৰতিবিধান আছিল, সান্ত্বনা আছিল। ৰোযেশ্বৰে এটা স্মৃতিবহ বেদনা অনুভৱ কৰিলে। কাৰণ, মানুহৰ মুখৰ ভাষাত সম্প্ৰতি সান্ত্বনা নাছিল ; শোকত, আৰ্তনাদত ঈশ্বৰৰ প্ৰতি কোনো অভিযোগ নাছিল। তেওঁৰ মনত পৰিল যে কালি ৰাতি তেওঁ শেষ-নিদ্ৰাৰ বাবে চকু বন্ধ কৰিছিল। এটা নিৰাশা নিশ্বাস হৈ বাহিৰ হৈ আহিল ; তেওঁ

নিজৰ অজ্ঞাতেই, গোপনে, এটা শেষ আশা কৰিছিল। চকু বন্ধ কৰি ৰোষেশ্বৰ আকৌ পৰি ৰ'ল। তন্দ্ৰাৰ ভাৱ হৈছিল, কাৰোবাৰ হাতৰ স্পৰ্শত তেওঁ সাৰ পালে। চক্ খাই ঘূৰিল।

"উঠক চোন·····বেগাই......." ভীত, উদ্‌ভ্ৰান্ত সোমলতাক তেওঁ মুখৰ ওপৰত দেখা পালে। ৰোষেশ্বৰৰ হৃৎপিণ্ড মুহূৰ্তৰ বাবে স্তব্ধ হব ধৰিছিল, চকু দুটা ওলাই আহিব খুজিছিল, তাৰ পিছত সহজ হ'ল। দীঘল উশাহ ললে আৰু শৰীৰটো শিথিল কৰি দিলে। সোমলতাই চুটি চুটিকৈ উশাহ লৈছিল, ভয়ত তেওঁৰ মুখেদি কথা ওলোৱা নাছিল। ৰোষেশ্বৰৰ অসুবিধা হৈছিল; তেওঁৰ কল্পিত চাঙী-খনত প্ৰথমতে পুতেকক উঠাব নে জীয়েকক, ঠিক কৰিব পৰা নাছিল।

"কাৰ......?" তেওঁ বিছনাৰপৰা নমাৰ আয়োজন কৰি সুধিলে।

"দুইটাৰে.......বোৱাৰীয়েকৰো........সোণৰ বেছি"

ৰোষেশ্বৰ ক্ষন্তেকৰ বাবে হতভম্ব হৈছিল। তেওঁ বেগেৰে কোঠাৰপৰা ওলাল। ইটো কোঠাত মইনাই—হাতত চিলঠ, উলংগ, মুখত তেতিয়াও অলপ আগৰ কান্দোনৰ ভঙ্গী লৈ—মুহূৰ্তৰ বাবে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিল।

এখন চাঙত সোণ মৃতবৎ শায়িত। ওচৰতে, ভয়ত বিমূঢ় তেওঁৰ সৰু জীয়েক সাৱিত্ৰী থিয় দি আছিল। ইখন চাঙত কুটি-বাছি ধুই লোৱা মাছৰ দৰে ৰক্তহীন, বিবৰ্ণ মুখেৰে শূন্য, জ্যোতিহীন দৃষ্টিৰে চেনেহী বিছনাত উঠি বহি আছিল। ৰোষেশ্বৰৰ প্ৰবেশত অভ্যাসবশতঃ যন্ত্ৰবৎ চেনেহীৰ হাতখন ধীৰে তেওঁৰ মূৰৰ কাপোৰলৈ গ'ল। সোণৰ ওচৰত বহি ৰোষেশ্বৰে তাৰ মূৰত হাত ফুৰাই দিলে। সোমলতা সোমাই আহিল। ৰাতিৰপৰাই সোণে আমনি কৰিছে। নিৰুপায় নিঃসম্বল চেনেহীয়ে পৰ দিছে। ভয়ত অস্থিৰ হৈয়ো তেওঁ কাকো মাতিবলৈ সাহ কৰা নাই। সঙ্কোচ হৈছে। ৰাতিপুৱা

যেতিয়া সোণৰ তিনিবাৰ পায়খানা, দুবাৰ বমি হৈ গৈছে, হৃদয় গলাই নিঃশেষ কৰি সমস্ত আকুতিৰে শেষবাৰৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনাত মন দিছে, সেই সময়ত তেওঁৰ নিজৰ শৰীৰত মৃত্যুৰ সংক্ৰমণ আৰম্ভ হ'ল। তেওঁ বমি কৰিলে, পায়খানাৰ ভাব হ'ল, আৰু পাগলী হৈ সোমলতাৰ দুৱাৰত ঢকিয়াব ধৰিলে।

দুৰ্বল চকুযোৰ সোণে কোনোমতে মেলি আছিল। যন্ত্ৰণাত তাৰ মুখ বিকৃত হৈছিল। মৃত্যুৰ ভয় সি বুজিব পাৰিছিল। আৰু ভয়, শ্মশানত অশ্বথৰ ছাঁৰ দৰে, তাৰ মুখত বিৰাজ কৰিছিল। সি জানিছিল যে তাৰ দেউতাক নাই, কোনোদিন আৰু নাহে, গতিকে তাক কোনেও বচাব নোৱাৰে। ৰোষেশ্বৰ উঠিল। অস্থিৰ অনিশ্চিত চিত্তে তেওঁৰ ঘৰৰ ফালে গ'ল। তেওঁৰ মনত এটা ৰং যোৱা ক'লা টিনৰ বাকচ আৰু তাৰ ভিতৰত কিছুমান বগা, ধুনীয়া কাগজত বন্ধা সৰু সৰু বস্তুৱে খেলিছিল। সৰু সৰু ল'ৰা-ছোৱালীয়ে খেলাৰ মাজলৈ টানি নিয়া এজন বৃদ্ধৰ দৰে একো সুবুজি একো কৰিব নাজানি তেওঁ বিবুদ্ধি হৈছিল। কোঠাত সোমাই বাকচটোৰ ফালে আগবাঢ়ি তেওঁ দেখিলে বাকচটোৰ ওপৰত এখন কিতাপ মেলি মইনা পঢ়াত নিমগ্ন। তাৰ গাৰ নিম্নাংশ ঢাক খাই কেৱল বাকচৰ ওপৰত তাৰ মুখখন দেখা গৈছিল। তাৰ মনৰপৰা ক্ষুধাৰ তাড়ণা আৰু মাকৰ প্ৰহাৰৰ গ্লানি হেৰাই গৈছিল। তাৰ করুণ মুখত অলপ আগৰ শাস্তিৰ নিৰ্মমতা, তাৰ একাগ্ৰ চকুত মগ্ন সৰলতা এই বৈপৰীত্যই ৰোষেশ্বৰ পণ্ডিতৰ হৃদয়ত বিদ্যুৎ-প্ৰবাহ সঞ্চাৰিত কৰিলে। প্ৰথমে বেদনা, তাৰ পিছত এক গভীৰ আসক্তিয়ে তেওঁৰ মন আচ্ছন্ন কৰি আনিলে। তেওঁ দুৰ্বল যেন অনুভৱ কৰিলে, চকুৰে যেন অন্ধকাৰ দেখা পালে। আৰু নিঃশব্দে ধীৰে ধীৰে গধুৰ ভৰিৰে তেওঁ দুৱাৰ-মুখৰপৰা আঁতৰি আহিল।

বাহিৰত ৰোষেশ্বৰে অস্থিৰভাৱে অহাযোৱা কৰিব ধৰিলে। এই সময়ত যুদ্ধক্ষেত্ৰত পুৰা আৰম্ভ হৈছিল। আকাশত সূৰ্যৰ সেনানীৰ

অসংখ্য বৰ্ষা চিক্‌মিকাইছিল। মৃত্যুৰ শিবিৰত প্ৰস্তুতিৰ উল্লাসধ্বনি উঠিছিল। বোযেশ্বৰ বেমাৰীৰ কোঠালৈ সোমাই গৈ ৰহিল। সোণক বাহিৰলৈ আৰু বাহিৰৰপৰা ভিতৰলৈ দাঙি অনা-নিয়া কৰিলে। ভাইবোৱাৰীয়েকক পৰিচৰ্যা কৰি থকা সোমলতা, সাবিত্ৰী আৰু মইনাৰ মুখলৈ বাৰে বাৰে চালে। তেওঁৰ মনত অনৰ্গল তৰ্ক হৈছিল; ভয় আৰু দুঃসাহসে ৰক্তস্ৰোতৰ গতি ঘনে ঘনে পৰিবৰ্তন কৰিছিল। পুনৰ্বাৰ তেওঁ উঠিল। কোঠাৰপৰা ওলাই নিজৰ ঘৰলৈ গ'ল। তেওঁৰ কোঠাৰ দুৱাৰ-মুখত থিয় দি সোমলতাই এক অদ্ভুত দৃষ্টিৰে তেওঁলৈ চাই থকা দেখা পালে। বোযেশ্বৰ বৈ গ'ল। তাৰ পিছত নিশ্বাস ৰোধ কৰি বাকচটোৰ ফালে লাহে লাহে আগবাঢ়িলে। বাকচৰ ওপৰত তাৰ কিতাপ-বহী সুন্দৰকৈ জাপি, মইনা এতিয়া বিছনাত চিলঠ-পেঞ্চিল লৈ ব্যস্ত। বোযেশ্বৰৰ দৃষ্টি বাকচৰ ওপৰত মইনাৰ কিতাপৰ জাপতে হেৰাই গ'ল। তেওঁৰ অনুভৱ হ'ল, সোমলতাৰ দৃষ্টি তেওঁৰ পিঠিৰ ওপৰত পৰি পাৰ হৈ গৈ তেওঁৰ অন্তৰ স্পৰ্শ কৰিছে। তেওঁ জিকাৰ খালে। বাকচটোৰ কাষেৰে গৈ বিছনাৰ তলৰপৰা এটা বিড়িৰ টুকুৰা উলিয়াই কিছুসময় নিৰীক্ষণ কৰি থাকিল, তাৰ পিছত বাহিৰ ওলাই আহিল।

দুপৰীয়া মৃত্যুৰ ধ্বনিৰ মাজত, গাঁৱৰ আকাশৰ শগুণ, কুকুৰ আৰু চিতাৰ বিজয়োল্লাসৰ মাজত আৰু এটা মৃত্যু অন্য এটা সাধাৰণ ঘটনা হিচাপে যোগ হৈ গ'ল। বোযেশ্বৰ পণ্ডিতৰ হাতত ভোগেশ্বৰৰ পুতেক সোণে শেষবাৰৰ বাবে উশাহ ললে। তাৰ পিছত ৰাজহাঁহৰ ডিঙিৰ শুভ্ৰ নিৰ্বোধ সৰলতাৰ দৰে তাৰ সৰু সৰু চকু দুটা চিৰকালৰ বাবে বন্ধ হৈ গ'ল।

দ্বিতীয়বাৰ শ্মশানৰপৰা ঘুৰোঁতে বোযেশ্বৰ পণ্ডিতৰ গধূলি হৈছিল। লগত ৰবিধৰ। ভবিবোৰ গধুৰ যেন লাগিছিল। শৰীৰত শক্তি নাছিল। ৰবিধৰক বিদায় দি তেওঁ ঘৰ সোমাল। ভোগেশ্বৰৰ

দোকানৰ বাৰান্দাত কুকুৰ এটা মূৰটো গাৰ মাজত সুমুৱাই শুই আছিল। তেওঁৰ খোজৰ শব্দত সাৰ পাই উঠিল। তেওঁক দেখি নেজ পেলাই বেঁকা হৈ দৌৰ আৰম্ভ কৰিলে। ভোগেশ্বৰৰ দোকানঘৰ অনেক দিন বন্ধ; ৰোষেশ্বৰে দেখিলে, এতিয়া তেওঁৰ থকা ঘৰৰ দুৱাৰো চিৰকালৰ বাবে বন্ধ হৈ গৈছে। সোমলতাই ইতিমধ্যে ঘৰটোত এটা তলা লগাইছে। ৰোষেশ্বৰ নিজৰ ঘৰলৈ আহিল। তেওঁৰ কোঠালৈ যাব খুজিও বৈ গ'ল। এটা অদ্ভুত ভয়ে তেওঁৰ সমগ্ৰ শৰীৰ অধিকাৰ কৰিলে। তেওঁ অস্বস্তিবোধ কৰিব ধৰিলে। ঘৰত ভুমুকিয়াই দেখে মইনা আৰু সাবিত্ৰীৰ আগত বাটি, সোমলতা আয়োজনত ব্যস্ত। তেওঁ বাহিৰলৈ আহিল। গাৰ তিতা কাপোৰখন শুকাইছিল, পিৰালিত শুদা মাটিতে তেওঁ বহি পৰিল।......

এতিয়া সন্ধিয়া মেঘহীন আকাশত তৰা ফুলিছিল। দিনৰ উৎকট ৰ'দৰ তাপ কমিছিল। পৰিপাৰ্শ্বলৈ নিস্তব্ধতা আহিছিল। আৰু হঠাৎ ৰোষেশ্বৰ পণ্ডিতক চমকিত কৰি ৰমণীৰ দৃষ্টিৰে নিজৰা হৃদয়ৰ গভীৰতাৰ দৰে, মাতৃৰ হাতৰ স্নিগ্ধ বুলনিৰ দৰে এছাটি বতাহ ক'ৰবাৰপৰা বৈ আহিছিল। তেওঁ অনুভৱ কৰিলে নিৰ্মেঘ তৰাবছা আকাশত প্ৰভুৰ আৰতিৰ আয়োজন, বতাহজাকত এটা অতি-ভৌতিক উপস্থিতি, সন্ধিয়াৰ প্ৰশান্তিত বিস্মৃত ঈশ্-গীতৰ স্বৰ্গীয় আভাস, সমগ্ৰ বিশ্ব-প্ৰকৃতিত এটা অতি-প্ৰাকৃতিক নিশ্বাস। পাপীৰ নিসঙ্গ, অসহায় চেতনাই তেওঁৰ অন্তৰ জৰ্জৰ কৰি তুলিলে। কান্দোনৰ উচ্ছ্বাসত তেওঁৰ অন্তৰত হাহাকাৰ উপস্থিত হ'ল, কিন্তু কান্দিবলৈ তেওঁ ভয় কৰিলে। যিহেতু কান্দিবৰ বাবে কোনো নিভৃত আশ্ৰয়, সান্ত্বনাৰ বাবে একান্ত গোপন কোনো সঙ্গী তেওঁৰ নাছিল। আৰু ভয়, আদিম ভয়ে তেওঁক কঁপাই তুলিলে। ধমনীৰে, সিৰা-উপসিৰাৰে, মাংসপেশীৰে সেই ভয় সমগ্ৰ শৰীৰত প্ৰবাহিত হয়।

ৰোষেশ্বৰ পণ্ডিতৰ কম্পিত দুই-হাত আন্ধাৰতে প্ৰাৰ্থনাৰ ভঙ্গীত একত্ৰিত হ'ল। আৰু এই সময়তে সোমলতাই এহাতত চাকি লৈ তেওঁৰ ওচৰ চাপি তেওঁলৈ কিবা এটা আগবঢ়াই দিলে। যান্ত্ৰিকভাৱে ৰোষেশ্বৰে হাত বঢ়ালে আৰু চাকিৰ ক্ষীণ পোহৰত দেখিলে তেওঁৰ হাতত সোমলতাই এবাটি চাহ তুলি দিছে। বাটিটো ধৰি ৰোষেশ্বৰে সোমলতাৰ মুখলৈ চালে। তেওঁৰ দৃষ্টিত মুহূৰ্তৰ বাবে ক্ৰমে প্ৰশ্ন, উত্তৰ, বিস্ময়, বজ্ৰাঘাত একে একে বিদ্যুৎৰেখাৰ দৰে স্পষ্ট হৈ অদৃশ্য হৈছিল। কিন্তু সেই মুহূৰ্ততে কোনো পৰিপূৰ্ণ একক ৰূপ লোৱাৰ আগতেই তেওঁৰ দৃষ্টি মাটিলৈ নামি আহিছিল। এই কাৰণে যে ৰোষেশ্বৰ পণ্ডিতে সেই মুহূৰ্তত মেঘমুক্ত তৰা-ভৰা আকাশৰপৰা, প্ৰশান্ত সন্ধিয়াৰ মাজৰপৰা, জুৰ বতাহৰপৰা, প্ৰকৃতিৰ মৌন প্ৰাৰ্থনাৰপৰা, গাৰ্হস্থ্যৰ উষ্ণতাৰপৰা, স্ত্ৰী সোমলতাৰপৰা পলাই অদৃশ্য হৈ শূন্যতাৰ লগত মিলি যাব খুজিছিল।

ৰচনাকাল আৰু আকৰঃ প্ৰভাত পখীৰ গান (১৯৬১ ; মণিদীপ) ॥ দাপোণ (১৯৬২ ; সঙ্গম) ॥ শূন্য হ'লে (১৯৬৩ ; স্নাতকোত্তৰ মহলাৰ আলোচনী, গুৱাহাটী বিশ্ববিদ্যালয়) ॥ বন্ধুৰ পথত কেইজনমান ডেকামানুহ (১৯৬৪ ; ৰামধেনু) ॥ দাঁতৰ বিষ (১৯৬৬ ; সমকালীন) ॥ নীল পতাকাৰ তলত (১৯৬৭ ; নীলাচল) ॥ যোগ (১৯৬৫ ; নৱযুগ) ॥